অসমীয়া
লোক-সাহিত্যৰ
ৰূপৰেখা

লীলা গগৈ

অধ্যাপক লীলা গগৈৰ

লোক-সাহিত্য আৰু আলোচনামূলক গ্ৰন্থ

১। অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা

২। সাহিত্য দুটিমান আলোচনা—

৩। বুৰঞ্জী সাহিত্য—

৪। আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়—

ড° লীলা গগৈ (সম্পাদিত)

৫। যতীন্দ্ৰনাথ দুৱৰা কবি আৰু কবি প্ৰতিভা

ড° লীলা গগৈ আৰু ড° নমিতা ডেকা (সম্পাদিত)

অসমীয়া
লোক-সাহিত্যৰ ৰূপৰেখা

ড° লীলা গগৈ

ASSAM, GUWAHATI

ষ্টুডেণ্টচ এম্প'ৰিয়াম
ডিব্রুগড়

ASAMIYA LOKA-SAHITYAR RUPREKHA : An Outline History of Assamese Folk-Literature written by Professor (Dr.) Lila Gogoi, M.A., Ph. D., retired Professor of Assamese, Dibrugarh University and Director, Department of Historical and Antiquarian Studies in Assam, Guwahati and Published by Shri Mrinalkanti Bhattacharyya, Students' Emporium, Dibrugarh, Assam, Fourth Edition, 1991. Price Rupees Fifty only.

প্ৰকাশক ঃ
শ্ৰীমৃণালকান্তি ভট্টাচাৰ্য্য
ষ্টুডেণ্টচ্ এম্প'ৰিয়াম
ডিব্ৰুগড়

পৰিবেশক ঃ
শান্তি প্ৰকাশন
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

চতুৰ্থ প্ৰকাশ—১৯৯২

মূল্য ঃ পঞ্চাশ টকা

মুদ্ৰণ ঃ
শ্যামাচৰণ মুখোপাধ্যায়
অন্নপূৰ্ণা প্ৰিণ্টাৰ্স
১৩৮, বিধান সৰণী
কলিকতা-৭০০ ০০৪

[illegible],

'[illegible]' [illegible]

[illegible], ১৩৬৭ }
[illegible] }

[illegible]

আগকথা

অধ্যক্ষ পৰাগ চলিহা

জনসাধাৰণৰ নিভাঁজ মনৰ মধুৰ ভাৱৰাজিৰ মুকলি প্ৰকাশেই লোক-সাহিত্য। তথাকথিত সভ্যতাৰ চকৰীত 'আগুৱাই' আহি বৈজ্ঞানিক যুগৰ মানুহ নগৰমুখী আধুনিক হৈ পৰাৰ লগে লগে লোক-সাহিত্যক সাধাৰণ ভাৱে উলাই উপলুঙাও কৰা হয়। কিন্তু দৰাচলতে জন-জীৱনৰ স্বৰূপ প্ৰকাশ পায় লোক-সাহিত্যতহে।

আধুনিক নগৰজীৱী সাহিত্যৰ লগত লোক-সাহিত্যৰ পাৰ্থক্য মূলতঃ এয়ে যে আধুনিক সাহিত্য ব্যষ্টিমুখী, লোক-সাহিত্য সমষ্টিধৰ্ম্মী। লোক-সাহিত্য সমাজৰ উমৈহতীয়া সৃষ্টি বুলি ধৰিলেও তাৰে ৰচনাৰ গুৰিত একোজন ব্যক্তি যে নাছিল, এনে নহয়। মানৱ সমাজৰ আঁতি-গুৰি আলচিলে দেখা যায় যে সুখ-দুখ প্ৰকাশ কৰোঁতে বা যেই কোনো উৎসৱ আদি পালন কৰোঁতে সমাজত সমূহীয়া অনুষ্ঠানৰ যো-জা হয়। তাতে কোনো এজনে একাকি পদ-গীত জুৰি দিয়ে; তাক শুনাৰ পিছত আন এজনে হয়তো সেই জোৰাণত আন এফাকি যোগ দিলে। সেয়ে যথাৰ্থ সুশ্ৰাব্য হৈ পৰিলত মানুহৰ মুখ বাগৰি লোক-সাহিত্যত পৰিণত হল।

সাহিত্যৰ লগত প্ৰকৃতিৰ সম্বন্ধ অঙ্গাঙ্গী। লোক-সাহিত্যৰ বেলিকা এই সম্বন্ধ আৰু প্ৰকট। চটাই পৰেৰত চিৰি লুইতকে লৈ আন-জুৰি, বিবিধ-বিবিধ, বাৰে ৰৰণীয়া চৰাই-চিৰিকতি, সেউজীয়া পথাৰ, সুণীয়া ধাননি, বগী ঢকেঢকী বালিচটবোৰে অসমৰ ৰূপত ৰহণ চৰাই দেৰবো দুৰ্লভ কৰি ৰাখিছে। কিতাপ-কাগজ, টেলিফোন-ৰেডিঅ', চিনেমা-থিয়েটাৰে মনবোৰ ফালৰি কটাই সিনিয়া দিনত মানুহে সৃষ্টিৰ বিনন্দীয়া ৰূপ চাই, তাতে

ভোল লৈ থাকোতে মনৰ ভাৱবোৰ আপোনা-আপুনি গীত-পদৰ গুণগুণনিত প্ৰকাশ পায়। সুণীয়া সংফুৰা অসমত সেইহে লোক-সাহিত্যৰ বৈচিত্ৰ, আৰু প্ৰাচুৰ্য্য থিতাতে অনুমান কৰিব পাৰি।

দুখৰ কথা, অসমৰ এই হেন অতুলনীয় সম্পদৰাজিৰ উচিত মূল্যাঙ্কন এতিয়াও সম্পূৰ্ণ হবৰ নৌ। চৰ্চ্চা আৰু গবেষণাৰ আগৰ তৰপ সংগ্ৰহ আৰু আলোচনাতে আমাৰ কাম আৰম্ভ হৈ আছে বুলিলে বঢ়াই কোৱা নহব। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তাহানিয়ে 'অসমীয়া সাহিত্যৰ চানেকী'ত এই বিষয়ত পাত্তনি মেলে। বৈষ্ণৱ সাহিত্যৰ অমৃত-ভাণ্ড খুন্দ খোৱাৰ পিছৰ ছোৱা কাল মোৱামৰীয়া, দন্দুৰা-দ্ৰোহ, মানৰ আক্ৰমণক লৈ ৰাজনৈতিক বিপৰ্য্যয় আৰু দুৰ্য্যোগৰ অধ্যায়। অসমৰ স্বাধীনতা বিলুপ্তিৰ পিছতে আকৌ ভাষা সাহিত্যৰ বিভ্ৰাট। ঘাইকৈ অসম সাহিত্য সভা গঠনৰ দিন ধৰিহে আমাৰ থূপ খাই থকা সাহিত্য-ভঁৰাল মুকলি কৰি নিয়াৰিকৈ তাৰ পৰা সুৰাগ-সোৱাদ লোৱাৰ হেঁপাহ আৰম্ভ হয়। দৰাচলতে, বহুকাললৈ এই হেঁপাহৰ হাতেও দকৈ হেঁপা মাৰিব নোৱাৰিলে। ভঁৰালৰ সোণ-কঠীয়াবোৰৰ নিজা বেহ-ৰূপ, সঁচৰ খতিয়ান লৈ সেইবোৰৰ কিৰিষি কৰি, নিজৰে নহয়, আনবো পথাৰ নদন-বদন কৰি তুলিব পৰা কামফেৰা হাতত লবৰ পৰনো কিমান হৈছে!

৺ডিম্বেশ্বৰ নেওগ, ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা আৰু ডঃ প্ৰফুল্লদত্ত গোস্বামীয়ে এহাগুধীয়া ভাৱে এই কামত লাগে। তেখেত সকলৰ পিচতে বহল ভাৱে কৰ্ষণ ক'ত হল বুলিলে অধ্যাপক লীলা গগৈৰ এই পুথিখনলৈকে আঙুলিয়াব লাগিব।

লোক-সাহিত্য আলোচনা কৰা জন—সকলো সমালোচনাকাৰীৰ দৰেই—আলোচ্য বিষয় তথা জনজীৱনৰ লগত নিজকে তেনেই মিলাই দিব পৰা বা মিলি থকা লোক নহলে লোক-সাহিত্যৰ নাগৰিক ৰূপৰ ভাঁজ পৰে। আমাৰ বিহুগীতৰ সুৰত কোনো

কোনোৱে আধুনিক ঠাঁচ লগোৱাত সেইবোৰ আভঁজা, আপচু হৈ পৰিছে। জেমছন নামৰ এজন ইংৰাজ সমালোচকৰ মতে "Folklorists whose business it is to study folklore frequently become infected and find that instead of studying folklore they are in fact making it." শ্ৰীমান গগৈক এই দায়ে নোচোৱে। তেওঁৰ ঘৰুৱা পৰিবেশ, যোগাযোগৰ থলী ১৯৬৮ চনতো নগৰৰ কোলাহল, আহুকালৰ ভালেখিনি নিলগত।

মন্ত্ৰৰ পৰা মালিতালৈকে বিভিন্ন শাখাৰ আলোচনাত তথ্য-পাতি আৰু উদ্ধৃতি প্ৰয়োগৰ দ্বাৰা পুথিখন গবেষণামুখী হলেও গগৈৰ স্বভাৱ-সুলভ সৰল ৰচনা-ৰীতি আৰু ভাষাৰ সাৱলীল গতিয়ে পুথিখন সৰ্ব্বসাধাৰণৰ বাবেও নিজৰে হয়তো হেৰাই যোৱা ৰীতি-নীতি, গীত-মাত আদি জানিব-বুজিবৰ বাবে উপাদেয় কৰি তুলিছে।

আমাৰ লোক-সাহিত্যৰ কেইবাবিধতে সাহিত্যিক সাৰ্থকতাৰ উপৰিও জনসাধাৰণৰ অতল ধৰ্ম্মবিশ্বাসৰ উহ পোৱা যায়। অসম তন্ত্ৰ-মন্ত্ৰৰ দেশ। বেজালি বিদ্যা চৰকাৰৰ বেজিষ্টাৰী বিদ্যা নহলেও আমাৰ সমাজৰ মন-অফিচত নিকপকপীয়াকৈ স্বীকৃত হৈ আছে। গগৈয়ে মন্ত্ৰ-সাহিত্যৰ সেই দিশটোৰ সম্যক আলোচনা এটি দাঙি ধৰিছে। আইনাম বুলিলেও একে কথাই। বাৰমাহী গীতৰ বেলিকাও এনে এটি জন-বিশ্বাস আছে যে হাতী-চিকাৰত এইবোৰ গীত শুনিলে হেনো বনৰীয়া হাতীও থৰ লাগে।

লোক-সাহিত্যৰ ব্যৱহাৰিক দিশটো অসমত যিমান প্ৰকট হৈ ৰৈছে আন ঠাইত হয়তো তেনে নহয়। ওপৰা-উপৰিকৈ চালে এই 'অবৈজ্ঞানিক প্ৰকৃতি' আৰ্ণা বক যুগত উপলুঙাৰহে বিষয়। কিন্তু ডাকৰ বচনসমূহ অসমীয়া চহা জীৱনত 'বেদৰ বাণী' হৈ থাকি আমাৰ সমাজখনক সহজ-সৰল নিৰিবিলিকৈ ৰাখি সুখ-সন্তোষৰ

সংস্কাৰ দি থকা নাই বুলি কেনেকৈ কব ? জন্ম-প্ৰকৰণত প্ৰসূতীৰ পালনীয় এই বচন ফাঁকি কোন ডাক্তৰে নুই কৰিব ?

কলীয়া তুলসী বেলৰ পাত।
মুঠাৰ সহিতে বাটি পটাত॥
ভপত কৰিয়া জননী খায়।
ভেবেসে নাড়ী দুৰুক পায়॥

যোজনা-ফকৰা-পটন্তৰবোৰে যিখিনি মূল সত্যৰ সন্ধান দিয়ে সেইবোৰ বিশ্ববিশ্ৰুত সাহিত্যিকৰ ৰচনাতো দুৰ্লভ। আজিৰ বাক-যুদ্ধময় গণতন্ত্ৰৰ দিনত যেই কোনো সংসদতে আমাৰ এই বোপা-ককাহঁতে দিয়া যুক্তি কোনে কাটে ?

সাগৰত থাকে শঙ্খ,
নেগুৰীয়া শামুকে বোলে, মইও তাৰে বংশ।
বা
অসতীৰ সজ জ্ঞান।
গৰুচোৰৰ গঙ্গাস্নান॥
বা
পোকলগা বিড়ালী ওপৰ চাওত খোৱে,
খৰে থোৱা গাটো নেমুঢেঁওঁৰে যোৱে॥
বা
যাক নোৱাৰিলে সজাজৰ শিলে
তাক কি কৰিব ধন্দুৰাৰ কিলে।

আকৌ—

মোতে শিকিলি, মোতে বিকিলি,
ঢেৰা কাউৰী হে মোকে খুটিলি।

তাহানিতে কোনোবা টকৰ; পণ্ডিতে বান্ধি থোৱা সাঁথৰৰ পকামিঠৈ ভাঙিলে কোনে সোৱাদ নেপায় ?

ক, আইটি উপৰাই,
কাটি দিলে বাঢ়ি যায়। (সূতা)

সেইদৰে—

আগ ছিঙা গুৰি মো
কি কৰিছা তাৱলী বো। (কুঁহিয়াৰ)

অসমৰ নামনি অঞ্চলৰ বিবিধ লোকগীত এতিয়ালৈকে বিস্তৃত ভাৱে প্ৰকাশ-পৰ্য্যালোচনা নোহোৱাটো দুখৰ কথা।

আমাৰ মিৰি-মিকিৰ-গাৰো-বড়ো ভাইসকলৰ সমাজত কিমান আপুৰুগীয়া গীত-মাত, যোজনা-ফকৰা আছে তাৰ জোখকে লোৱা হোৱা নাই। অধ্যাপক গগৈৰ পুথিখনত মহো-হো, জুনা, নাও-খেলৰ গীত আদিৰ আলোচনা কৰি এই অভাৱ পুৰণৰ সূচনা এটি কৰাটো নিতান্ত সন্তোষৰ বিষয় আৰু কিছুদিনৰ পৰা অসমৰ শিক্ষিত সমাজৰ এচামে আমাৰ ভাষা-সাহিত্য-সংস্কৃতি-বিজ্ঞানৰ বিবিধ বিষয়ত গৱেষণাৰত হোৱা কাৰ্য্যৰ পৰিপ্ৰেক্ষিতত গগৈৰ অধ্যৱসায় প্ৰশংসনীয় আৰু নিশ্চয় আশাপ্ৰদ।

মালিতাৰ বিষয়ত চিকণ-সৰিয়হ আৰু নাহৰৰ গীতখিনি গগৈয়েই পোনতে জুকিয়াই আলোচনা কৰিছে। পম খেদিলে উজনি-নামনিত অনুৰূপ কাহিনী-গীত বিস্তৰ ওলাব, ধুৰুপ।

শ্ৰীমান গগৈ আমাৰ পুৰণি ছাত্ৰ। তেওঁ ইতিপুৰ্ব্বে ভালেমান পুথি-পাঁজি লিখি অসমৰ ভিতৰে-বাহিৰে যথেষ্ট সমাদৰ পোৱাত তেওঁৰ লগতে আমিও গৌৰৱবোধ কৰিবৰ থল আছে। এই পুথি ডেকা লিখকৰ পুৰঠ-পৈণত চিনাকি। গগৈৰ একাণপতীয়া সাহিত্য চৰ্চ্চাৰ সুৱাদি ফলবোৰ লৈ আহিবলগীয়া অলেখ দিনবোৰতো আমি গৌৰৱ কৰি থাকিব পাৰিম, তাত লেশমাত্ৰও সন্দেহ নাই।

লেখকৰ একেষাৰ

অসমীয়া লোক-সাহিত্য অসমীয়া সাহিত্যৰ ভঁৰালত মাণিকী-মধুৰী জহা হৈ খুন্দ খাই আছে। ইয়াত আছে সুগন্ধি সুবাস, তৃপ্তি আৰু মাধুৰিমা। তদুপৰি লোক-সাহিত্য লোক-জীৱনৰ ইতিহাস আৰু লোকমানসৰ উজ্জ্বল প্ৰতিকৃতি। ৺লক্ষ্মীনাথ বেজবৰুৱাৰ দিনৰে-পৰাই অসমীয়া লোক-সাহিত্যৰ সংগ্ৰহ আৰু চৰ্চ্চাৰ কাম আৰম্ভ হৈছিল যদিও আটাইখিনি সম্পদ আজিও তুলি-পাৰি সংগ্ৰহ কৰা নহল। পাশ্চাত্যগন্ধী আধুনিক শিক্ষাৰ প্ৰভাৱ আৰু নতুন জীৱন-ধাৰাৰ বিক্ষিপ্ত প্ৰতিক্ৰিয়াই পুৰণি জীৱন-ধাৰাৰ ওপৰত এটা হেঁচা দিবলৈ ধৰাত মানুহে পুৰণিক পাহৰিবলৈ আৰম্ভ কৰিছে। আমনি কৰা কেচুৱাক নিচুকনি গীত গাই নিচুকাবলৈ বা মুকলি পথাৰত লৰা-ধেমালিৰ গীত গাই ধেমালি কৰিবলৈ আজি কোনেও প্ৰয়াস নকৰে। সেইদৰে বিজ্ঞানৰ জনপ্ৰিয়তাই লোক-বিশ্বাসৰ অনেক কথা ঢাকি পেলাইছে। ফলত লোক-সাহিত্য পাহৰণিৰ বুকুত দিনক দিনে পোত খাই গৈছে আৰু অনেক সম্পদ চিৰদিনৰ বাবে আমি হেৰুৱাই পেলাইছোঁ। এই কথাষাৰ কিবা এটা কাৰণত ছাত্ৰাৱস্থাতেই উপলব্ধি কৰিছিলোঁ আৰু দুই-এপদ সম্পদ এটি-দুটিকৈ একেয়া বুটলি সামৰি থৈছিলোঁ। এনেকৈ সামৰি থোৱা অনেক বস্তু এতিয়াও ডুখৰীয়া কাকতৰ পাততে আছে।

১৯৫৬ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ, এম-এ (কলিকতা-অক্সফৰ্ড) দেৱৰ বদান্যতাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'ৰিছাৰ্চ্চ স্কলাৰ' হিচাপে অসমীয়া লোকগীতৰ সংগ্ৰহ এটি যুগুত কৰিবলৈ সুযোগ পাওঁ। এই সময়তে শ্ৰদ্ধেয় ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা, এম-এ, বি-এল, পি-এইচ-ডি আৰু শ্ৰদ্ধেয় ডঃ মহেশ্বৰ নেওগ, এম-এ, ডি-ফিলৰ

অধীনত কাম কৰি অনেক কথা শিকাৰ সৌভাগ্য ঘটে। ডঃ বৰুৱাই সততে লোক-সংস্কৃতিৰ বিষয়ে কাম কৰিবলৈ বুদ্ধি-পৰামৰ্শ আৰু উৎসাহ দিছিল। শ্রদ্ধেয় ৺ডঃ সূৰ্যকুমাৰ ভূঞা, এম-এ, বি-এল্, পি-এইচ-ডি, ডি-লিট্ দেৱৰ বহুমূল্য উপদেশ আৰু অনুপ্রেৰণায়ো আলোচ্য বিষয়ৰ প্রতি তল চকুৱা হবলৈ শিক্ষা দিছিল। ইতিমধ্যে লোক-সাহিত্যৰ ভালেমান কেইটি বিষয়ৰ ওপৰত লিখা কেইবাখনো ৰচনা অসমৰ বিভিন্ন আলোচনী আৰু বাতৰি কাকতত প্রকাশিত হৈছিল আৰু সেইবোৰ পঢ়ি আমাক ভালেমান কেইজন বিদ্বান আৰু সাহিত্যানুৰাগী বন্ধুৱে নানান পৰামৰ্শ দি সহায় কৰিছিল। অৱশেষত লোক-সাহিত্যৰ প্রায় আটাইবোৰ বিষয় সামৰি এখনি পুথি যুগুত কৰিবলৈ প্রয়াস কৰোঁ। এইখিনিতে—'অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা'ৰ জন্ম। ইয়াৰ তিনিখন ৰচনা আগতে সাহিত্য সভা পত্রিকাত প্রকাশিত হৈছিল, বাকী আটাইবোৰ ৰচনা নতুনকৈ লিখা। অৱশ্যে ইয়াৰে তিনিখন ৰচনা পিছত 'নীলাচল' আৰু 'মণিদীপ' কাকতত প্রকাশিত হৈছিল। এই পুথিখনিত যথাসম্ভৱ লোক-সাহিত্যৰ প্রায় আটাইবোৰ বিষয় সামৰিবলৈ চেষ্টা কৰা হৈছে। 'জিকিৰ আৰু জাৰী' গীতৰ বিষয়ে অধ্যাপক আব্দুল মালিক, এম-এ'ৰ বিস্তৃত বিৱৰণযুক্ত গ্রন্থখনৰ পিছত আৰু কবলৈ একো নাই বুলি ভাবিয়েই আমাৰ গ্রন্থত সেইবিষয়ে আলোচনা কৰা নাই।

পুথিখনিৰ 'আগকথা' দুটিমান লিখি আমাৰ পুথিৰ সৌষ্ঠৱ বঢ়াবলৈ এফেৰি সুযোগ দিয়াৰ বাবে আমাৰ কলেজীয়া জীৱনৰ শিক্ষা-গুৰু অধ্যক্ষ পৰাগ চলিহা, এম-এ দেৱলৈ আমাৰ আন্তৰিক শ্রদ্ধা জানাইছো। পুথিখনি যুগুত কৰোঁতে সততে বা-বাতৰি লৈ উৎসাহ জনোৱাৰ বাবে অধ্যাপক বীৰেন বৰকটকী, এম-এ, অধ্যাপক ৺গিৰীশ দাস, এম-এ, অধ্যাপক যোগেন চেতিয়া, এম-এ, আৰু অধ্যাপক ইমৰান শ্বাহ, এম-এলৈ আমাৰ সহৃদয়

কৃতজ্ঞতা জনাইছো। অসমীয়া লোক-সাহিত্যৰ বিষয়ে আলোচনা কৰিবলৈ নানা সুবিধা দি আমাক উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱাৰ বাবে অধ্যাপক ডঃ মহেশ্বৰ নেওগ, এম-এ, ডি-ফিল্, ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা, এম-এ, ডি-ফিল্, ডঃ প্ৰফুল্লদত্ত গোস্বামী, এম-এ, ডি-ফিল, অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা, এম-এ, বি-এল, বি-টি, অধ্যক্ষ হৰিপ্ৰসাদ নেওগ, এম-এ আৰু শ্ৰীঅম্বেশ্বৰ চৌতিয়াফুকনলৈকো আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পুথিখনিৰ ছপাশালৰ উপযোগী পাণ্ডুলিপি এটি যুগুত কৰি দিয়াৰ বাবে আমাৰ স্নেহাস্পদ ছাত্ৰ-ছাত্ৰী শ্ৰীমান যোগাৰাম গগৈ, বি-এ, শ্ৰীমান অতুল হাজৰিকা, বি-এ, শ্ৰীমান অনিল হাজৰিকা আৰু কুমাৰী হীৰা হাজৰিকাৰ শলাগ লওঁ। পুথিখনি ছপাশাল গৰাকি ওলোৱাৰ সুবিধা কৰি দিয়া বাবে গোলাঘাটৰ নবীন পুস্তক ভাণ্ডাৰৰ শ্ৰীযুত ভগৱতীপ্ৰসাদ লডিয়া আৰু শ্ৰীমান মোহন লডিয়াক আৰু নবজীৱন প্ৰেছৰ গৰাকী শ্ৰীযুত কালীচৰণ পাললৈ ধন্যবাদ জনালোঁ।

চেৰেকাপাৰ, শিৱসাগৰ
১ মাঘ বিহু, ১৮৮৯ শক

শ্ৰীলীলা গগৈ

চতুৰ্থ সংস্কৰণৰ কথা

'অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা' এই পুথিখনৰ প্ৰথম ডাঙৰণ প্ৰকাশ হৈছিল ১৯৬৮ চনত। ইতিমধ্যে পুথিখনৰ আৰু দুটা সংস্কৰণ ছপা হৈ ওলায়। চতুৰ্থ সংস্কৰণটো অলপ ডাঙৰকৈ ছপাম বুলি মনস্থ কৰিছিলোঁ কিন্তু এটি প্ৰবন্ধৰ বাহিৰে আৰু একো সংযোজিত কৰিব নোৱাৰিলোঁ। আগৰদৰেই এই সংস্কৰণটিও পাঠক-পাঠিকাই আদৰি ললে ভৱিষ্যতে কাম কৰিবলৈ প্ৰেৰণা লাভ কৰিম।

ইতি

সুৰাগমণি, ৰতনপুৰ
ডিব্ৰুগড়
২৫ জুন, ১৯৯২

লীলা গগৈ

সূচী

১।	লোক-সাহিত্য	…	১
২।	মন্ত্র-সাহিত্য	…	৬
৩।	সাঁথৰ	….	১৫
৪।	ডাকৰ বচন	…	২০
৫।	ফকৰা	…	৪২
৬।	যোজনা-পটন্তৰ	…	৫০
৭।	বিয়ানাম	…	৬২
৮।	ধাইনাম	…	৭৪
৯।	নবা-ধেমালিৰ গীত	…	৮৩
১০।	ঢোকাৰী নাম	…	৯১
১১।	দেহাবিচাৰৰ গীত	…	৯৭
১২।	আইনাম	…	১০৭
১৩।	লখিমী সবাহৰ নাম	…	১১৬
১৪।	অপেচৰা সবাহৰ নাম	…	১২১
১৫।	ভেকুলী-বিয়াৰ নাম	…	১২৪
১৬।	নাওখেলৰ গীত	…	১২৯
১৭।	সদাশিৱৰ নাম	…	১৩০
১৮।	বৃন্দাবনী নাম	…	১৩৯
১৭।	মহা-হো বা মহখেদা গীত	…	১৪৮
২০।	জুনা	—	১৫২
২১।	বাৰমাহী গীত	…	১৫৮
২২।	বিহুনাম	…	১৬৩
২৩।	বনঘোষা	…	১৭৭
২৪।	মালিতা—বেলাড	…	১৯১
২৫।	নাহৰৰ গীত	…	১৯৯
২৬।	চিকণ-সবিয়হৰ গীত	…	২০৫

২৭।	মণিৰাম দেৱানৰ গীত	...	২০৮
২৮।	বৰফুকনৰ গীত	...	২১৪
২৯।	জনা গাভৰুৰ গীত	...	২১৯
৩০।	মণিকোঁৱৰ-ফুলকোঁৱৰৰ মালিতা	...	২২৪
৩১।	বিবিধ মালিতা	...	২৩২
৩২।	সাধুকথা	...	২৪১
৩৩।	অসমীয়া গীতি-সাহিত্যত ভতিশাল	...	২৪৮
৩৪।	গীতি-সাহিত্যত বুৰঞ্জীৰ সাঁচ	...	২৫৯
৩৫।	বিয়ানাম : নাৰী জীৱন	...	২৭৩
৩৬।	কেৱল ঘোষা	...	২৭৯
৩৭।	লোক-সাহিত্যৰ সমস্যা	...	২৯৭
৩৮।	গ্ৰন্থপঞ্জী	...	৩০১

লোক-সাহিত্য

লোক-সাহিত্য লোক-মনোধৰ্ম্মী। লোক-মানসত প্ৰতিফলিত হয় লোক-জীৱনৰ আৱেগ, অনুভূতি, অভিজ্ঞতা। মানুহৰ সামূহিক আৱেগে সাহিত্যিক ৰূপ পৰিগ্ৰহণ কৰে স্বভাৱ কবিৰ কবিতাত, বুঢ়ী আইৰ সাধুত, বিহুৱাৰ বিহুনামত, আয়তীৰ বিয়ানামত। লোক-সাহিত্যত সময়ৰ সীমা নাই, ৰক্ষণশীলতাৰ চাপ নাই, গতিহীনতাৰ ধৰ্ম্ম নাই। লোক-সাহিত্যৰ অন্যতম বাহন মুখ। যুগৰ সীমা চেৰাই, লোক-সাহিত্য মানুহৰ মুখে মুখে চলি আহিছে। এইদৰে আহোঁতে সময়ৰ আঁচোৰ লাগিছে, শব্দৰ পলস পৰিছে, কল্পনাৰ ৰহণ লাগিছে। বোৱতী নৈৰ গতি, লোক-সাহিত্যৰ ধৰ্ম্ম, কিন্তু অতীতৰ আদিম সত্যৰ জঁকাটো চিৰস্থায়ী।

সাহিত্যৰ ভেটি মানৱ-জীৱনৰ অভিজ্ঞতা। লোক-সাহিত্যৰ অন্তৰালতো মানৱ-জীৱনৰ যুগ-যুগ-সঞ্চিত অভিজ্ঞতা থুপ খাই আছে। বিশেষকৈ যোজনা-পটন্তৰসমূহত আদিম জীৱনৰ প্ৰত্যক্ষ জ্ঞানৰ উমান পোৱা যায়। গীতসমূহত সবল সাঙ্গীতিক লয়ৰ লগতে লোক-অনুভূতিৰ আৱেগিক অভিব্যক্তি দেখা যায়। কৃষিজীৱী পুৰুষ এজনে শইচ-তলীৰ প্ৰত্যক্ষ অভিজ্ঞতাৰপৰা কৈ থৈ গ'ল অনেক কথা, অনেক সু-বচন। কেৱল সেয়ে নহয়, জাগতিক জীৱনৰ প্ৰতিটো আৱশ্যকীয় বিষয়ৰ প্ৰতি স্বভাৱ কবিয়ে চকু দিছিল। সেয়েহে জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, খেতি-বাতি, বেহা-বেপাৰ সকলোৰে কথা লোক-সাহিত্যত পোৱা যায়।

লোক-সাহিত্য লোক-বিশ্বাসৰ প্ৰতিচ্ছবি। লোক-জীৱনৰ পৰম্পৰা আৰু অভিজ্ঞতাই লোক-বিশ্বাস সৃষ্টি কৰে। লোক-

বিশ্বাসে যুক্তি-তৰ্ক স্বীকাৰ নকৰে কিন্তু পৰম্পৰা স্বীকাৰ কৰে। ভেকুলীৰ লগত ইন্দ্ৰদেৱতাৰ সম্পৰ্ক কেনেকৈ হ'ল, এই প্ৰশ্নটোৰ যথাৰ্থ উত্তৰ পোৱাৰ আগতে লোকবিশ্বাসে এইটো কয় যে, ভেকুলী বিয়াৰ নাম গালে বৰষুণ দিয়ে। ই এক পৰম্পৰা জড়িত লোক-বিশ্বাস। এনে লোক-বিশ্বাসৰ ফলতেই ভেকুলীবিয়াৰ নাম, অপেচৰা সবাহৰ নাম, আইনাম, মহোহো গীত আদিৰ জন্ম হৈছে। এইবিধ লোক-সাহিত্যৰ ৰূকুত লোক-জীৱনৰ মনস্তাত্বিক দিশটো দেখিবলৈ পোৱা যায়।

মানুহৰ জীৱনৰ চৰম লক্ষ্য আনন্দ লাভ। জীৱনৰ যি কোনো বতৰতে মানুহে আনন্দ বিচাৰে। আনন্দৰ পাৰ বাগৰি গলে মানুহৰ মনতো আৱেগৰ জোৱাৰ উঠে। তেতিয়া কথাবোৰ কবিতা হয়, কবিতাবোৰ মৌ-সনা গীত হয়। নিতান্তই সৰল জীৱনৰ স্বচ্ছ-সৰল ছবিবোৰ ফুটি উঠে। এইদৰেই বিহু আৰু বিয়াৰ গীতবোৰৰ জন্ম হয়। লোক-সাহিত্যৰ আটাইতকৈ চিত্ৰ-ধৰ্মী আৰু সুৰধৰ্মী অংশটো বিয়ানাম আৰু বিহুনামত পোৱা যায়। এই গীতিধৰ্মী ৰচনাসমূহ মৌখিক ভাবে ভালেমান দিন চলি আহোঁতে অনেক যোগ-বিয়োগ হৈছে কিন্তু স্বাভাৱিক ৰূপটোৰ কোনো বিকৃতি ঘটা নাই।

লোক-সাহিত্যৰ এটা প্ৰধান লক্ষণ হৈছে নৈৰ্ব্যক্তিকতা। লোক-সাহিত্যৰ মাণিকী-মধুৰী জহাৰে যি কোনো সাহিত্যৰ ভঁৰালেই মেটমৰা হৈ উঠিব পাৰে কিন্তু ক'তো লেখক বা ৰচকৰ নামোল্লেখ নাই। সামূহিক জীৱনৰ আৱেগৰ অভিব্যক্তি হিচাপে, এইবাবেই ব্যক্তিজীৱনৰ অনুভূতি স্বীকৃত হয়। বিশেষকৈ মনোধৰ্মী বিহুনাম আৰু বন-ঘোষাবোৰ কোনো এক যৌৱন-উতলা ডেকা বা গাভৰুৰ মনৰ কথা হলেও যুগ-নিৰপেক্ষ ভাবে সেইবোৰ প্ৰণয়-পৰশা অন্তৰৰ, পীৰিতিয়ে গৰকা জীৱনৰ অভিব্যক্তি বুলি আটায়ে স্বীকাৰ কৰি লয়। এইদৰে বেলাড বা মালিতাসমূহৰ মূল

জুমুঠিটো পোনতে কোনোবা এজন স্বভাৱকবিয়ে তৈয়াৰ কৰিলেও বিভিন্ন যুগৰ বিভিন্ন গায়কৰ মুখত পৰি নানান ধৰণে যোগ-বিয়োগ হয়, কিন্তু ইয়াৰ নৈৰ্ব্যক্তিকধৰ্ম্মিতা বিকৃত নহয়। লোক-সাহিত্যৰ এই গুণটো থকাৰ বাবেই ইয়াৰ জনপ্ৰিয়তা অধিক আৰু যুগৰ গৰা-খহনীয়া আৰু পলসৰ চাপৰিয়েও ইয়াৰ স্বৰূপ হানি কৰিব পৰা নাই।

লোক-সাহিত্যৰ আন এটা প্ৰধান লক্ষণ হৈছে সৰলতা। ভাবৰ স্বচ্ছতা, ভাষাৰ সৰলতা আৰু শব্দৰ কোমলতা গীতি-সাহিত্যৰ মূল বস্তু। লোক-সাহিত্য জনসাধাৰণৰ সম্পদ। নিৰক্ষৰ চহা মানুহৰ মনৰ কথাৰে তেওঁবিলাকলৈকে ৰচনা কৰা হয় এই সাহিত্য। সেইবাবেই ইয়াত জটিলতাৰ সাঁচ নাই। বিষয়বস্তু অনুযায়ী ভাষাই গঢ় লয়। গতিকে লোক-সাহিত্যৰ বিষয়বস্তু সকলোৰে চুব আৰু চাব পৰা, সেইদৰেই ইয়াৰ ৰচনাভঙ্গীও স্বাভাৱিকতে সৰল।

সৃজনীমূলক সাহিত্য স্বাভাৱিকতে মনোধৰ্ম্মী। লোক-সাহিত্যৰো সৃষ্টিধৰ্ম্মী অংশটোত আদিম জন-সমাজৰ মানসিক জগতখনৰ স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। বিশেষকৈ সাধুকথা আৰু গীতবিলাকত ইয়াৰ প্ৰাচুৰ্য্য অধিক। বিহুনাম আৰু বনঘোষাৰ অনেক অংশ উৎকৃষ্ট ব্যক্তিনিষ্ঠ সাহিত্যৰ ভিতৰত পৰিব। বেলাড জাতীয় গীতবিলাক অৱশ্যে বস্তুনিষ্ঠ সাহিত্যৰ অন্তৰ্ভুক্ত হয়। কিন্তু উভয় শ্ৰেণীৰ গীততেই অনেক মনস্তাত্ত্বিক সত্যৰ চানেকী দেখিবলৈ পোৱা যায়।

লোক-সাহিত্য সামাজিক জীৱনৰ বুৰঞ্জী। বুৰঞ্জীৰ পাতত অনেক সময়ত ৰজা-মহাৰজাৰ প্ৰবল প্ৰতাপৰ বিবৰণীহে থাকে, সামাজিক জীৱনৰ বিষয়ে একো কথা পোৱা নেযায়। কিন্তু লোক-সাহিত্যৰ অন্তৰ্গত বিশ্লেষণ আৰম্ভ কৰিলে সামাজিক জীৱনৰ অন্ধবিশ্বাস, লোকবিশ্বাস, ৰীতি-নীতি, ধৰ্ম্ম, মানসিক পৰিসৰৰ

বিষয়ে বঢ়িয়াকৈ জানিব পাৰি। আধুনিক যুগৰ শিক্ষাই আমাক লোক-সাহিত্যৰ প্ৰতি চৰ্চ্চা-বিমুখ কৰি তোলাৰ বাবে আমি অনেক সম্পদ হেৰুৱাবলৈ আৰম্ভ কৰিছোঁ কিন্তু এটা জাতিৰ সামাজিক জীৱনৰ বুৰঞ্জী লিখিবলৈ আটাইতকৈ ডাঙৰ আহিলা হৈছে লোক-সাহিত্য।

লোক-সাহিত্যৰ ৰচনা-কাল সময়ৰ সীমা বান্ধি নিৰ্ণয় কৰা টান। মানুহৰ সভ্যতা আৰু সংস্কৃতিৰ কঠীয়াতলীতেই লোক-সাহিত্যৰো জন্ম হয়। কিন্তু মৌখিক ৰূপত মুখ বাগৰি অহা বাবে ইয়াত যুগৰ সাঁচ বহিছে। অনেক সময়ত বুৰঞ্জীৰ ঘটনাৰো প্ৰভাৱ পৰে। লোক-গীতবোৰ সামুহিক আবেগৰ উমৈহতীয়া সৃষ্টি হোৱা বাবেই বহুতো সময়ত ইয়াৰ ৰচনাকাল ঠাৱৰ কৰিবলৈ টান হয়। দ্বিতীয়তে লোক-সাহিত্যৰ লক্ষণ নৈৰ্ব্যক্তিকতায়ো ৰচনাকাল ঢাকি ৰখাত সহায়তা কৰিছে। বুৰঞ্জীমূলক বেলাড গোটাচেৰেক আৰু ঐতিহাসিক তথ্য সংশ্লিষ্ট গোটাচেৰেক গীতৰ ৰচনাকাল সম্পৰ্কে দুআষাৰ কব পাৰি কিন্তু অধিকাংশ গীতৰেই ৰচনাকাল নিৰ্ণয় কৰা টান।

লোক-সাহিত্যৰ আৰু এটা লক্ষণ হৈছে বিশ্বজনীনতা। সকলো গীততে বা সাহিত্যৰ অন্যান্য অংশত এই লক্ষণটো আৰোপ কৰিব নোৱাৰিলেও বহুতো প্ৰবচন, সাধুকথা আৰু লোক-বিশ্বাসত আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়। সাধাৰণ মানুহৰ আবেগ, অনুভূতি আৰু উচ্ছ্বাস একে হোৱাৰ বাবেই সাধাৰণ মানৱীয় অনুভূতিক গইনা লৈ ৰচনা কৰা সাহিত্যসমূহৰ মাজত স্বাভাৱিক মিল দেখা যায়। মানুহৰ সভ্যতাৰ প্ৰথম দিনপঞ্জী আৰম্ভ হোৱাৰে পৰা, প্ৰব্ৰজন, পৰিভ্ৰমণ আদিৰ যোগেদি মানসিক জগতখনৰ আদান-প্ৰদানো আৰম্ভ হৈছে, সেইবাবেই এই আন্তৰ্জাতিক ঐক্যৰ সুৰ শুনিবলৈ পোৱা যায়।

লোক-সাহিত্য কোনো অলঙ্কাৰ শাস্ত্ৰৰ সূত্ৰ অনুসৰণ কৰি

ৰচনা কৰা নাই কিন্তু সেই বুলি কাব্যিক সৌন্দৰ্য্যৰ পৰশ নপৰাকৈ থকা নাই। ছন্দ, চিত্ৰকল্প, অলঙ্কাৰ আদিত লোকসাহিত্য চহকী। এখন গাঁৱৰ নিজান পৰিবেশত এজন স্বভাৱ কবিয়ে যি দেখে, যি উপলব্ধি কৰে, তাকেই তেওঁ প্ৰকাশ কৰে। তাকে কৰোঁতে প্ৰাকৃতিক পৰিবেশটো সজীৱ হৈ উঠে। কেৱল সেয়ে নহয়, গীতি-সাহিত্যত ৰস আৰু অনুভূতিৰ প্ৰাচুৰ্য্যও দেখা যায়।

মন্ত্ৰ সাহিত্য

প্ৰাচীন কামৰূপ তন্ত্ৰ-মন্ত্ৰৰ বাবে বিখ্যাত। ভাৰতৰ কোনো কোনো ঠাইত এনে বিশ্বাস আছে, কামৰূপৰ মানুহে মন্ত্ৰ মাৰি মানুহক ভেৰা কৰিব পাৰে। অৱশ্যে এইটো খাটাং যে একালত অসমত মন্ত্ৰ আৰু ইয়াৰ সাধনাৰ বিষয়ে উচ্চ খাপৰ চৰ্চ্চা হৈছিল। অদ্বৈতবাদী শঙ্কৰাচাৰ্য্য অসমলৈ আহোঁতে শাক্ত অভিনৱগুপ্তৰ লগত মতবাদ সম্পৰ্কে তৰ্কাতৰ্কি হয় আৰু সেই তৰ্কত অভিনৱগুপ্তৰ পৰাজয় হয়। খঙত অভিনৱগুপ্তই কু-মন্ত্ৰ কৰি শঙ্কৰাচাৰ্য্যৰ গাত ভগন্দৰ ৰোগ মেলি দিয়ে। কথিত আছে যে এই ৰোগৰ ফলতেই শঙ্কৰাচাৰ্য্যৰ মৃত্যু হয়। শিখ ধৰ্ম্মৰ প্ৰচাৰক নানক অসমলৈ আহোঁতে তেওঁৰ মৰ্দ্দনক নামৰ শিষ্য এজনক এগৰাকী তিৰোতাই কু-মন্ত্ৰ মাৰি ভেৰা কৰিছিল বুলি শিখ ধৰ্ম্মৰ পৰম্পৰাই বিশ্বাস কৰে। বিভিন্ন সময়ৰ মুছলমান বুৰঞ্জীবিদ সকলো অসমৰ তন্ত্ৰ-মন্ত্ৰৰ প্ৰভাৱৰ প্ৰতি সততে সচেতন আছিল। আলমগীৰনামাত কৈছে যে বিদেশৰ মানুহ অসমলৈ আহি মন্ত্ৰৰ জালত পৰি বাট হেৰুৱায়। বাহাৰিস্তান-ই-ঘায়বী পুথিত অসমীয়া সৈন্যই যুদ্ধৰ আগদিনা মন্ত্ৰপূত ভুৰ এখন শত্ৰুৰ সন্মুখে উটুৱাই পঠিয়ায় বুলি উল্লেখ কৰিছে। পাদশ্যাহ বুৰঞ্জীতো অসমীয়া তিৰোতা মন্দকৰ্ম্মী অৰ্থাৎ কু-মন্ত্ৰ আদিত পাকৈত বুলি উল্লেখ আছে। সেইদৰে অসমৰ তন্ত্ৰ-মন্ত্ৰৰ খ্যাতি বা কুখ্যাতি ভাৰতৰ চাৰিওপিনে বিয়পি পৰিছিল।

মন্ত্ৰ-সাহিত্যৰ ৰচনাকাল নিৰ্ণয় কৰা উজু কথা নহয়। অসমীয়া ৰুদ্ৰ কৰাতি আৰু ব্ৰহ্ম কৰাতি পুথিৰ আৰম্ভণিতে আছে—

অনন্ত গোসাঞিঞ শুনিয়া আছন্ত।
বাজ ভৈল চাৰি বেদ নিশ্বাস কাঢ়ন্তে॥
হুঙ্কাৰ শবদে অথৰ্ব্ব বেদ ভৈল।
অথৰ্ব্ব বেদক আদ্য কৰাতি কহে,
কৰাতি মন্ত্ৰ জগতত ৰহে।

পৰৱৰ্ত্তী বৈদিক যুগত ৰচিত অথৰ্ব্ব বেদত অনেক অনাৰ্য্য প্ৰভাৱ পৰিছিল। এইখন বেদতেই কৰাতি আৰু কু-মন্ত্ৰৰ কথা পোনতে পোৱা যায়। নৱ-বৈষ্ণৱ আন্দোলনৰ আগে আগে কামৰূপত হোৱা তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন অথৰ্ব্ব বেদৰেই প্ৰভাৱ নে, ইয়াৰ সুকীয়া ঐতিহ্য আছে, এই বিষয়টো এতিয়াও তুলনামূলক অধ্যয়নৰ বিষয় হৈয়ে আছে। কিন্তু অথৰ্ব্ব বেদক আদ্য কৰাতিৰ স্বীকৃতি দিয়ালৈ চাই মন্ত্ৰ সাধনাৰ বিষয়ে অথৰ্ব্ব বেদৰ পৰাই অনুপ্ৰেৰণা লাভ কৰা যেন লাগে। অথৰ্ব্ব বেদত যিবোৰ উদ্দেশ্যত মন্ত্ৰ প্ৰয়োগৰ কথা উল্লেখ আছে, অসমীয়া মন্ত্ৰ পুথি সমূহতো, বিশেষকৈ কামৰত্ন তন্ত্ৰত তেনে উদ্দেশ্যৰ কথাই উল্লেখ আছে। অসমত তন্ত্ৰ-মন্ত্ৰৰ চৰ্চ্চা অতি পুৰণি কালৰে পৰাই চলি আহিলেও প্ৰাক-শঙ্কৰী যুগত তান্ত্ৰিক বৌদ্ধধৰ্ম্মৰ প্ৰসাৰৰ সময়ত ইয়াৰ ব্যাপকতা অধিক বৃদ্ধি পায়। লামা তাৰানাথৰ বুৰঞ্জীত উল্লেখ কৰা সিদ্ধ মীননাথ আৰু পুতেক মচ্ছীন্দ্ৰনাথ দুয়ো কামৰূপৰ মানুহ আছিল। মচ্ছীন্দ্ৰনাথৰে শিষ্য আছিল নাথ সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা গোৰক্ষ-নাথ। কামৰত্ন তন্ত্ৰ পুথিৰ সামৰণিত এইদৰে আছে—"ইতি শ্ৰীগোৰক্ষনাথ সিদ্ধ বিৰচিতং কামৰত্নৰ ত্ৰয়োদশ উপদেশ সমাপ্ত।" এই সিদ্ধ গোৰক্ষনাথ সম্ভৱতঃ একাদশ-দ্বাদশ শতিকাৰ লোক। বৰ্ত্তমানেও আমাৰ দেশত গোপনে চলি থকা ৰাতিখোৱা সম্প্ৰদায়ক অনেকেই প্ৰাক-শঙ্কৰী যুগৰ তান্ত্ৰিক বৌদ্ধ ধৰ্ম্মৰ অৱশিষ্ট বুলি বিশ্বাস কৰে আৰু এওঁবিলাকৰ মাজত এতিয়াও মন্ত্ৰ ব্যৱহাৰ চলি আছে। ধৰ্ম্মীয় অনুষ্ঠানত বধ কৰিবলগীয়া জীৱ-জন্তুক এতিয়াও মন্ত্ৰ প্ৰয়োগ কৰিহে বধ কৰে। অনেক আনুষঙ্গিক

বুলিয়েই অসমীয়া মন্ত্ৰ সাহিত্যৰ জন্মকাল প্ৰাক-শঙ্কৰী যুগ বুলি ঠাৱৰ কৰিব পাৰি।

মন্ত্ৰ বিষয়টোৱে গোপনীয়তা আৰু ৰক্ষণশীলতাৰ দ্বাৰা আচ্ছাদিত হৈ থকা বাবে অধিকাংশ মন্ত্ৰ পুথিয়েই ছপা হৈ ওলোৱা নাই। লোক-সাহিত্যৰ অন্যান্য ঠালৰ দৰেই মন্ত্ৰ সাহিত্যও মুখে মুখে চলি আহিছিল কিন্তু পিছৰ যুগত সাহিত্যৰ সংৰক্ষণশীলতা বৃদ্ধি পোৱাৰ লগে লগে লিখিত ৰূপলৈ আহে। কিন্তু গোপনীয়তাৰ গ’ৰালত সোমাই অধিকাংশ মন্ত্ৰ এতিয়াও মৌখিক ৰূপতেই পৰম্পৰানুক্ৰমে চলি আহিছে। বিশেষকৈ কু-মন্ত্ৰসমূহ অতি গোপনে সংৰক্ষিত হৈছে।

মন্ত্ৰ সাহিত্যক তেনে কোনো সীমাৰ দ্বাৰা ভাগ কৰিব নোৱাৰি। মানুহৰ জাগতিক জীৱনত প্ৰয়োজনীয় সকলো বিষয়ৰেই মন্ত্ৰৰ প্ৰচলন আছে। ৰোগ-ব্যাধি নিৰাকৰণ, ভূত-প্ৰেত দূৰীকৰণ, বশীকৰণ, সম্মোহন, সৌভাগ্যকৰণ, ধন-ধান্য বৃদ্ধিকৰণ, শত্ৰু ক্ষয়কৰণ আদি সকলো বিষয় মন্ত্ৰপুথিত পোৱা যায়। কিন্তু মন্ত্ৰ প্ৰয়োগৰ বিষয়ে সময় বান্ধি দিয়া আছে। কামৰত্ন তন্ত্ৰত আছে—“বশ আকৰ্ষণ এই কৰ্ম্ম বসন্তকালত কৰিব, গ্ৰীষ্মত বিদ্বেষণ, বৰ্ষাত স্তম্ভন, শিশিৰত মাৰণ, শৰতত শান্তিপুষ্টি, হেমন্তত উচ্চাটন” সম্পৰ্কীয় মন্ত্ৰ প্ৰয়োগ কৰিব লাগে।

ষোড়শ শতিকাত ৰচিত যোগিনীতন্ত্ৰত মন্ত্ৰৰ সাধন আৰু প্ৰয়োগ পদ্ধতিৰ বিষয়ে ব্যাপক বিৱৰণ আছে। যোগিনীতন্ত্ৰত এটা সৰ্ব্বঢাক মন্ত্ৰ উল্লেখ কৰি কৈছে যে সেই মন্ত্ৰ নিতৌ পাঠ কৰি যথানিয়মে নিৰ্ম্মিত কৱচ যি ধাৰণ কৰে সি সৰ্ব্বজয়ী, সৰ্ব্ব-বিশাৰদ আৰু সৌভাগ্যবান হয়—“সদা যস্তু পঠেদ্বাপি ত্ৰৈলোক্যং বশমনেয়ৎ।” বিষ্ণুৱে লক্ষ্মীক কৈছে—

“ইত্যেবং কৱচং নিত্যং মহালক্ষ্মীঃ পাপঘাতাম্।
অৱশ্যং বশমায়াতি ত্ৰৈলোক্যং তে চৰাচৰং॥”

এই কবচ তুমি ধাৰণ কৰা, চৰাচৰ ত্ৰৈলোক্য তোমাৰ বশীভূত হব। মন্ত্ৰটো সংস্কৃতত ৰচিত যদিও ইয়াৰ মাজে মাজে কিছুমান নিৰৰ্থক শব্দ পোৱা যায় কিন্তু পুথিৰ স্থানান্তৰত এই শব্দবোৰক বিশেষ অৰ্থযুক্ত শব্দ বুলি কোৱা হৈছে। "অস্য কালভৈৰৱ ঋষিৰনুষ্টুপছন্দঃ শ্মশানকালী দেৱতা সৰ্ব্বত্ৰ মোহনে বিনিযোগঃ। ঐং হ্ৰীং হ্ৰুং হ্ৰঃ স্বাহা বিবাদে পাতু মাং সদা। ক্লীং দক্ষিণ কালিকা দেবতায়ৈ সভামধ্যে জয়প্ৰদা। হ্ৰীং হ্ৰীং শ্যামাঙ্গি শত্ৰুং মাৰয় ক্লীং ক্লীং ত্ৰৈলোক্যং বশমানয় হ্ৰীং হ্ৰীং মাং ৰক্ষ ৰক্ষ বিবাদে ৰাজগেহে চ স্বাবিংশত্যক্ষৰা পৰা ······ ইত্যাদি। যোগিনীতন্ত্ৰত মন্ত্ৰ বিদ্যাক স্বপ্নৱতী, মধুমতী, পদ্মাৱতী, বশীকৰণ, মৃতসঞ্জীৱনী আদি পাঁচোটা ভাগত ভাগ কৰিছে। মন্ত্ৰৰ সাধন-প্ৰক্ৰিয়া অতি দীঘল আৰু জটিল। অসমত প্ৰচলিত মন্ত্ৰবোৰ সংস্কৃত, অসমীয়া আৰু মিশ্ৰিত ভাষাত পোৱা যায়। বনৰীয়া হাতীক বশ কৰা মন্ত্ৰ এটাত অনেক যাৱনিক শব্দ দেখা যায়। কামৰূপৰ প্ৰসিদ্ধ সিদ্ধ গোৰক্ষনাথ ৰচিত কামৰত্ন তন্ত্ৰৰ মন্ত্ৰবোৰ সংস্কৃতীয়া। কৰতি পুথিবোৰৰ মন্ত্ৰ অলপ প্ৰাচীন কিন্তু মুখভঙ্গা মন্ত্ৰ আদিৰ ভাষা আৰু ৰচনাৰীতি দেখাতেই অৰ্ব্বাচীন। একশৰণীয়া বৈষ্ণৱসকলে ভূত-প্ৰেত আদি বিশ্বাস নকৰা আৰু মন্ত্ৰ আদি ব্যৱহাৰ নকৰা কথাটোৱে মন্ত্ৰ সাহিত্যক নিৰুৎসাহ কৰিলেও সৰ্ব্বসাধাৰণৰ ভিতৰ বিশ্বাসত ই জীয়াই থাকিল।

সাহিত্যিক দৃষ্টিভঙ্গীৰ পৰা মন্ত্ৰ সাহিত্যৰ মূল্য স্বকীয় কিন্তু ইয়াতোকৈ অধিক মূল্য আৰোপ কৰিব পাৰি মানৱ জাতিৰ সামাজিক বুৰঞ্জীৰ পৰাহে। মন্ত্ৰৰ আলৌকিক শক্তিৰ লগতে মানুহৰ বিশ্বাস আৰু মানসিক পৰিধিৰ উল্লেখযোগ্য অংশটো জড়িত হৈ আছে। কেইটামান শব্দৰ মাজত আধিভৌতিক আৰু আধিদৈৱিক বশ বা নিয়ন্ত্ৰণ কৰিব পৰা শক্তি এটা সোমাই থাকিব পাৰে বুলি ভাবিব পৰা কথা কেনেকৈ মানুহৰ মনত সোমাল,

তাক ভাবিলে আচৰিত নহৈ নোৱাৰি। কিছুমান মন্ত্ৰ দীঘলীয়া, —একো একোটা কাহিনী, কিন্তু কিছুমান মন্ত্ৰ দুই-তিনিটা শব্দৰ সমষ্টি মাথোন। এনেকুৱা চুটি মন্ত্ৰবোৰ এশ আঠবাৰৰ পৰা দুই-তিনিলাখবাৰ উচ্চাৰণ বা জপ কৰাৰ বিধি আছে। এনেকুৱা মন্ত্ৰবোৰৰ ভাষা সংস্কৃত যেন লাগিলেও শুদ্ধ সংস্কৃত নহয় নতুবা সাধাৰণ ব্যাকৰণৰ নিয়মৰ অধীন নহয়, যেনে ঃ—ওঁ নমো নৰসিংহায় হিৰণ্যকশিপু বক্ষস্থল বিদাৰণায় ত্ৰিভুবন ব্যাপকায় ভূত-প্ৰেতপিশাচডাকিনী কুলোন্মূলায় সমস্ত দোষান্ হৰ হৰ বিসৰ পচ্ পচ্ হন্ হন্ কম্পয় মথ্ মথ্ হ্ৰীং হ্ৰীং হ্ৰীং ফট্ ফট্ ঠঃ ঠঃ ইত্যাদি। কিন্তু একেবাৰে আধুনিক অসমীয়া ভাষাৰে লিখা মন্ত্ৰও পোৱা গৈছে, যেনে ঃ—"পাৰ্ব্বতীয়ে বোলে জানা মহাদেউ কৃষি কৰিব লাগে। ভিক্ষাৰ চাউলেৰে পেট নভৰে। তিনি-চাৰি প্ৰাণী, কাৰ্ত্তিক গণপতি। মই বুদ্ধি দিওঁ, তুমি কৃষি লোৱা। কুবেৰৰ তালৈ যোৱা কঠীয়া আনা। বলোভদ্ৰ গোঁসাইৰ তালৈ যোৱা, নাঙল-যুৱলি আনা। ইন্দ্ৰৰ তালৈ যোৱা মাটি দিব। যম ৰজাৰ তালৈ যোৱা, মহিষটি আনা, তোমাৰ বলধটিৰে এহাল কৰা।" ইত্যাদি। কিছুমান মন্ত্ৰ যথেষ্ট দীঘল আৰু ইয়াত একো একোটা কাহিনী আছে। এই কাহিনীবোৰ ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰপৰা গ্ৰহণ কৰা। কিছুমান মন্ত্ৰত তেনে কোনো কাহিনী নাই, কিছুমান অসংলগ্ন কথাৰ সমষ্টি মাথোন। নাৰেঙ্গা ৰোগ চিকিৎসা কৰা মন্ত্ৰ এটাত আছে—

"বন কাটো মুঠি মুঠি, ইকৰাৰ মাৰো গোজা,
হাতীৰ ওপৰে তবলা বজাই
পাতে মহাদেউ ৰজা।
মোক দোলা কৰি নিয়া,
গা কৰে পোৱা-খুৱা, মূৰে কৰে কালি,
আঠ আজুলিয়া পচলা খাই নিতে শুনে গালি।

গালিও গালি পৰ্ব্বতীয়া গালি
ক'ত ক'ত হেৰুৱালি পুখুৰী আলি।
পুখুৰী-আলি গৈ দুটি মিছা পালে,
মৰা গছত কাপোৰ থৈ দাঙি নচুৱালে।"

মন্ত্ৰবোৰ ভালকৈ বিশ্লেষণ কৰি চালে তাৰ ভিতৰত কিছুমান কাহিনী বা উপকথা পোৱা যায়। এই উপকথাবোৰৰ ভিতৰত আকৌ কিছুমান সৃষ্টি সম্পৰ্কীয়। বলিয়া কুকুৰে খোৱা মন্ত্ৰত কুকুৰ সম্পৰ্কে এটা কাহিনী আছে —

মাঘ মাহে প্ৰতিপদ তিথি, সৰমাত হন্তে কুটা ভৈলা উৎপত্তি। উৎপত্তি হন্তে কুটা আগ ভৈল, এতেকে সৰমা কুকুৰ নাম থৈল। চাৰি চাৰি গোটা দান্ত কৰি জেঙ্গ জেঙ্গ ; সৰ্ব্বকালে তোহোৰ নুগুছে খেঙ্গ খেঙ্গ, জাতিগণ সহিতে সদায়ে অমঙ্গল ; যৈত আছ নুগুছে কন্দল, হেন দেখি সৰমাৰ মনে মহাতাপ। ক্ৰোধ কৰি সৰমায়ে তোক দিলে শাপ, তোৰ ঘাৱে মৃত্যু নোহোক কোনো প্ৰাণী। দশোদিশে ফুৰ চুৰাপাত খাই।" সৰমা কুকুৰ কুলৰ মাতৃ। পণিসকলে ইন্দ্ৰৰ গৰু চুৰি কৰি নিওঁতে এই সৰমায়ে বিচাৰি উলিয়াইছিল। সৰ্পৰ বিষজৰা মন্ত্ৰত সাপ কেনেকৈ বিষাক্ত হ'ল। তাৰ এটা কাহিনী আছে।

সদাশিৱই এবাৰ দিনতে পাৰ্ব্বতীৰ লগত সহবাসৰ কামনা কৰিছিল। এই কথাশুনি পাৰ্ব্বতীয়ে সদাশিৱক পাৰেমানে তিৰস্কাৰ কৰিলে। জাকে জাকে সাপ সৃষ্টি কৰিলে। তেতিয়াই কালী সৰ্পবো জন্ম হল। সদাশিৱই কালীক মলয়াগিৰিত ৰজা হৈ থাকিবলৈ বৰ দিলে। তেতিয়াই কালীক এহেজাৰ তোলা, ডাঁহিক সাত তোলা, কালান্তক আঠ তোলা, গোমক সাত তোলা, কাঁড়-শলাক সাততোলা, ঢোৰাসাপক তিনি তোলা, এনেকৈ আটাইবোৰ সাপকে বিষ ভাগ কৰি দিলে। বিষ পাই কাঁড়শলাই ঢাপত বগালে। ঢোৰাসাপে আকৌ বিষখিনি গোবৰত পুতি থৈ পানীত নামিল।

উলটি আহি বিষ বিচাৰি নেপালে। গোবৰত পুতি থৈ বাওঁতে পানী মৰলিয়ে দেখি আছিল ; সুবিধা পাই সেইখিনি বিষো খাই থলে। সেয়েহে পানী মৰলিৰ বিষ চোকা হল আৰু ঢোৰাসাপৰ বিষ নাইকিয়া হল।

মুখভঙ্গা মন্ত্রটোত এটি বঢ়িয়া ৰসাল কাহিনী আছে। বহুত মন্ত্ৰৰদৰেই এই মন্ত্রটোৰ লগতো সদাশিৱৰ কথা জড়িত আছে—

এদিন পাৰ্ব্বতীয়ে সদাশিৱক কলে,—"ভিক্ষাৰ চাউলেৰে পেট নভৰে, খেতি কৰিব লাগে। কুবেৰৰপৰা কঠীয়া, বলোভদ্ৰৰপৰা নাঙল, ইন্দ্ৰৰপৰা মাটি, যমৰপৰা ম'হ আনি খেতিৰ সঁজুলি যোগাৰ কৰা। কাড়শলা সাপেৰে এচাৰি, চেঙেলীয়া গোমেৰে জোটজৰী, সৌকা গোমেৰে শ'ল মাৰি কৰা।" সদাশিৱ খেতিলৈ ওলাই গল। কুবেৰে এচুঙা কঠীয়া দিলে, তাকে নি সিঁচিলে। ই পৰ্ব্বতৰ পৰা সি পৰ্ব্বতলৈ খেতি।" ধান আৰ্জ্জিবলৈ ধৰিলে, খেনো জহা, খেনো বৰা, খেনো কাড়শালি, খেনো খুটিজোন, খেনো জাহিঙা, সুৰাগমণি, বাটকপাহী ধান সিঁচিবলৈ ধৰিলে। তেতিক্ষণে ধান পকিছে, ওলাইছে, থুৰলি হৈছে, কলপকা দিছে। কৃষিতেই মন বহিল। যাব লাগে, বব লাগে, হাল মেলি আহিব লাগে ভ্রূ ভঙ্গেই নাইকিয়া হল।" তাকে দেখি পাৰ্ব্বতীয়ে এটা বাঘ সৃজন কৰি ক'লে—"বোলে, তই পগলাৰ বৃষ-মহিষ নেমাৰিবি। হুৰাই দেগৈ। তোক সাত ভতৰাৰ বল দিছোঁ, আদখান তিৰীৰ সাহ দিছোঁ, কচুৰ ক'কাল দিছোঁ, মুৰটো লোহাময় কৰি দিছোঁ। সূৰ্য্যলৈ তিনিবাৰ সেৱা কৰিবি, পখালি-চকুৰাৰে ভেট নহবি। ই জোনৰ পৰা সি জোনলৈ একেটা চোঙত নেথাকিবি।" বাঘ গৈ নাঙলৰ সিৰলুত লুকাই থাকিল। এবাৰ চল চাই গৰু-ম'হ হালকে উচপ খুৰাই দিলে। সদাশিৱই বাঘ দেখি নাঙলেৰেই মৰিয়াবলৈ ধৰিলে। বাঘো উলটি আহিল। এইবেলি পাৰ্ব্বতী নিজেই গ'ল। ই পৰ্বতৰ পৰা সি পৰ্বতলৈ জোৰা নদন-বদন খেতি

দেখি পাৰ্বতীৰ মুখৰপৰা উস্ শব্দ ওলাই আহিল। লগে লগে সৃষ্টি হল দুই পুৰুষ-স্ত্ৰী, খোবা-খুবুনী। এই দুই খোবা-খুবুনীৰ দৃষ্টি লাগিলেই মানুহৰ মুখ লাগে।

মুখভঙ্গা মন্ত্ৰটো বহুতো পুথিত পোৱা যায়। কোনো কোনো ঠাইত কাহিনীটো ভালেমান আগৰপৰা বহুত পিছলৈকে আছে কিন্তু বিষয়বস্তু একেই। হামোদৈ পুথি নামেৰে ভূত-প্ৰেত খেদোৱা মন্ত্ৰ এটাত এটা সুকীয়া ধৰণৰ কাহিনী আছে—

হামোদৈ নামে নাৰায়ণে এটি কন্যা সৃষ্টি কৰি পুৰোচন নামে এজন ঋষিলৈ বিয়া দিলে। হামোদৈৰ তিনি পুত্ৰ আৰু এটি কন্যা জন্ম হল। ঈশ্বৰে হামোদৈৰ যোগবল নামৰ পুতেকটোক চুৰি কৰি নি লুকুৱাই থলে। হামোদৈয়ে স্বৰ্গ, মৰ্ত্ত্য, পাতাল সকলোতে বিচাৰিও পুতেকক নেপাই ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ, কুবেৰ, ইন্দ্ৰ, বৰুণ, চন্দ্ৰ, আদি দেৱতাক বৰ মাগি পুতেকক বিচাৰিগল। এইদৰে হামোদৈয়ে পুতেকক বিচাৰি যোৱা কাহিনীটোৱেই মন্ত্ৰ।

বিলাহী-বেজিনী নামেৰে পুথি এখনত ক্ষেত্ৰ বা খেতৰৰ বিষয়ে এটা কাহিনী আছে।

ৰঙাই খেতৰ পাৰলি গছৰ তলত থাকে, মঙলবাৰে কালক্ষণত জন্ম হল। মাকৰ নাম হোৰাই, বাপেকৰ নাম উকা। ৰঙাই খেতৰক পাই বুঢ়ী মৰাণনীয়ে কৌপাতৰ খোলাত ভৰাই থলে। মাকক জাল বাওঁতে জালোৱাই পালে। জালোৱাই নি ঘৈণীয়েকক দিলে। ঘৈণীয়েকে চাং তলত সুমুৱাই থলে। সাদিনৰ মূৰত উলিয়াই দিলে।

জুয়ে পোৰা ঘা শুকাবলৈ জৰা মন্ত্ৰটোৰ কাহিনী ৰামায়ণৰ। তাত আছে—

> ৰামে ফালিলে খাঁৰ
> লক্ষ্মণে জ্বলালে জুই;
> সীতাই পানী ঢালিলে থাকে,
> যেনে তেনে হৈ।……

লঙ্কাৰ অগ্নি হনুমন্তই খাই'
মুখৰ অগ্নি মুখে নুমাই।......

মুগা পোহাত প্ৰয়োগ কৰা এটা মন্ত্ৰ আছে। মন্ত্ৰটোৰ বিশেষত্ব হল, ইয়াত শিৱ-পাৰ্ব্বতীৰ কথাৰ লগতে কছাৰী জন-জাতিৰ কথাও উল্লেখ আছে—শিৱ-পাৰ্ব্বতী দুয়ো কৈলাসত আছিল। এদিন দুয়োৰে দ্বন্দ লাগিল। শিৱৰ টান কথা শুনি পাৰ্ব্বতীয়ে কান্দি কান্দি চকুলো টুকি আনোতে তাৰ পৰাই মুগাৰ জন্ম হ'ল। হাতৰ মুঠিতে মুগা লৈ কাক দিব ভাবোঁতেই এজন বুঢ়া কছাৰী মানুহ দেখা পালে। তেওঁৰ হাততে মুগাখিনি দি দিলে। বুঢ়াই নি গছত মেলি দিলে। মেৰু পৰ্ব্বতৰপৰা বেত, বাৰীৰ জাতিবাঁহ আনি ধনু সাজিলে, সাতো পাতালৰ মাটি আনি বাটলু গুটি সাজি চৰাই-চিৰিকতি ৰখে। অনেক দিন ৰখে, বুঢ়াৰ নেযায়-নুপুৱায় কিন্তু মুগা নপকে। তাকে দেখি বুঢ়া কছাৰীয়ে শিৱ-পাৰ্ব্বতীৰ আগত ওলালগৈ। তেওঁবিলাকে বৰ দি কলে,—"মুগা সৰু হব। অলপ অলপ পাত খাব। যি মুগাৰ উৎপত্তি কব, তাৰ হাতত মুগা বৃদ্ধি পাব।"

অসমীয়া মন্ত্ৰ পুথিবোৰত এনেকুৱা অসংখ্য কাহিনী ওলাব। এই কাহিনীবোৰৰ পৰা মানুহৰ লোকবিশ্বাস সম্পৰ্কে বহল অধ্যয়ন আৰম্ভ কৰিব পাৰি। বিশেষকৈ সৃষ্টিমূলক উপকথা-সমূহ উল্লেখযোগ্য। কৰতি মন্ত্ৰসমূহত একেৰাহে অসমৰ আটাই-বোৰ জাতি, ব্যাধি, দেৱতা, খেতৰ আদিৰ নাম উল্লেখ কৰি থোৱা দেখা যায়। ফিৰিঙি, মোগল, মুলুং আদি শব্দই মন্ত্ৰৰ অৰ্ব্বাচীনতা নাইবা প্ৰক্ষিপ্ততাৰেই চিনাকি দিয়ে। মন্ত্ৰ পুথিসমূহৰপৰা পুৰাণি নিদান মতে চিকিৎসা কৰা ৰোগবোৰৰ নাম পোৱা যায়। মোৰ, বায়ু, লেঙৰ, শূল আদিক প্ৰায়েই 'চোষষ্ঠি ব্যাধি' বুলি উল্লেখ কৰিছে। অসমীয়া অভিধান সম্পূৰ্ণাঙ্গ কৰিবৰ বাবে শব্দ সংগ্ৰহ কৰিবলৈ মন্ত্ৰ পুথিবোৰে বহুতো সহায় কৰিব পাৰে।

সাঁথৰ

সাঁথৰ পৃথিবীৰ সকলো ভাষাতে আছে আৰু ইয়াৰ জন্মলগ্নও অতি পুৰণি। ভাৰতবৰ্ষৰ বৈদিক সাহিত্যতেই সাঁথৰৰ সঁচ পোৱা যায়। গ্ৰীক সাহিত্যৰ প্ৰশ্ন আৰু ইডিপাছৰ উত্তৰ এটি অন্যতম প্ৰাচীন সাঁথৰ। সাঁথৰ লোক-সাহিত্যৰ অন্যান্য শাখাৰ দৰেই মুখে মুখে চলি আহিছিল আৰু সেইবাবেই যুগৰ বিবৰ্ত্তনত পৰি নতুবা পাহৰণিৰ পৰশত অনেক সাঁথৰ চিৰদিনৰ বাবে লুপ্ত হবলগীয়া হল। মহাভাৰতত ধৰ্ম্মই যুধিষ্ঠিৰক সোধা প্ৰশ্ন কেইটাও সাঁথৰেই। অসমীয়া অভিধানত সাঁথৰ শব্দৰ ব্যুৎপত্তিগত অৰ্থ দিবলৈ গৈ কৈছে, প্ৰশ্ন শুনি যʼত সাঁতুৰি সাঁতুৰি অৰ্থ বিচাৰিব লাগে, সেয়ে সাঁথৰ। এনেকুৱা সাঁথৰ কিছুমান শিশু মনস্তত্বমূলক কিন্তু কিছুমান গভীৰ তত্ত্ববোধক বা তত্ত্বযুক্ত। সংস্কৃত ভাষাত অনেক সাঁথৰ আছিল আৰু সেই সাঁথৰৰ আৰ্হিত অসমীয়া ভাষাতো সাঁথৰ ৰচনাৰ প্ৰয়াস কৰা হৈছিল।

কিম্ অদ্ভুতং কিম্ অদ্ভুতং
চক্ষুতে পুত্ৰ জন্মনং
হাড় মাংসে পেলাই
বক্ত ভক্ষণং। (কুঁহিয়াৰ)

কিছুমান সাঁথৰৰ অন্তৰালত আকৌ একোটা কাহিনী সোমাই থাকে। এনেকুৱা সাঁথৰবোৰ বুদ্ধিৰ দৌৰত ধৰা নপৰে; সাধাৰণ জ্ঞানৰ জোলোঙাৰ পৰাহে ওলায়।

কুচিয়া কেৰ-মেৰ
কি কৰিছ বাটত ?
গৰাকি মাৰিব বজাৰ খাডত।

মূৰ নাইকিয়া তই
দেখিলি ক'ত ?
ধাতু নাইকিয়াই কৈছে ত'ত।

কুচিয়া এটা আলিটো পাৰ হৈ গৈছিল। তাকে দেখি মূৰ নাইকিয়া; কেঁকোৰাই কৈছে, ৰজা দলে-বলে আহিছে, গৰকি মাৰিব। কেঁকোৰাক কুচিয়াই সুধিলে,—'তই ক'ত দেখিলি।'

কেঁকোৰাই কলে,—'ধাতু নাইকিয়া, ঢোল বজাই আহিছে।' আন এটা এনেকুৱা সাঁথৰত আছে—

শিয়াল সুন্দৰমুখী
কাউৰী ৰাজপথী
ভেকুলী পাত্ৰ ;
গণকে পাই জোলোঙাত
ভৰালে মাত্ৰ।
ছাই লেটি-পেটি
চাৰি কাণ কটা ;
চৈধ্য ভুবন দেখুৱালে
চিলনীৰ বেটা।

এই কথাখিনি এটা চেঙেলী মাছে তাৰ লগৰীয়াবোৰক কৈছে। কাহিনীটো হল : আহিনমহীয়া পানী শুকালত চেঙেলী মাছ এটা খালৰ পৰা ওলাই আন এটা খাললৈ গৈছিল। শিয়াল এটাই পাই খাব খোজোতে সি ক'লে,—'শিয়াল ককাই, তুমি দেখোন সুন্দৰমুখী।' তাকে শুনি শিয়ালে মাছটো নেখাই এৰি দিলে। তাৰ পিছত আহি কাউৰী এজনীয়ে খাব খোজোতে কলে,— 'কাউৰী, তুমি দেখোন ৰাজপথী।' চেঙেলীৰ মুখত প্ৰশংসা শুনি কাউৰীয়ে তাক নেখাই এৰি দিলে। কিন্তু ইতিমধ্যে এজন গণকে পাই জোলোঙাত ভৰাই লৈ গুচি গল। ঘৰত বুঢ়ীয়ে ছাই-মাটি

সানি বাছি আছিল। চাৰিখন কাণ কাটি বাকলি গুছাবলৈ লওঁতেই চিলনী এজনীয়ে থাপ মাৰি লৈ গ'ল। তাকে দেখি আন এজনী চিলনী আহি আকাশৰ ওপৰতে কাঢ়া-আজোৰা লগালে। দুয়োজনী চিলনীয়ে যুঁজ লাগি থাকোঁতে কেনেবাকৈ চেঙেলী মাছটো নখৰ খোপনিৰ পৰা ওলাই পানীত পৰিল। তাৰ পিছত তাৰ কাহিনীটো সি বুন্দিৰ পাক লগাই কৈছে।

অসমীয়া ভাষাতো কিছুমান পুৰণি সাঁথৰ আছিল। কাইথেলী অঙ্কৰ অনেক অঙ্ক—সাঁথৰৰ সংজ্ঞাৰে সামৰিব পাৰি। বিশেষকৈ সংখ্যাবিলাক সাঁথৰ জাতীয় শব্দেৰে বুজাবলৈ চেষ্টা কৰিছিল। গগন, আকাশ, শূন্য মানে শূন্য, চন্দ্ৰ, সূৰ্য্য, ঈশ্বৰ মানে এক, কাণ, চকু, পাখী, ভৰি, হাত মানে দুই, জগত, লোক মানে তিনি, বেদ মানে চাৰি, বাণ মানে পাঁচ, ৰস মানে ছয়, মুনি মানে সাত, বসু, ঐশ্বৰ্য্য মানে আঠ, গ্ৰহ মানে ন, দিশ মানে দহ, ৰুদ্ৰ মানে এঘাৰ ইত্যাদি। অঙ্কৰ সাঁথৰো অৱশ্যে নোহোৱা নহয়। গিৰিয়েকৰ নাম কবলৈ অমান্তি হোৱা তিৰোতা গৰাকীয়ে কৈছে—

তিনি ভেৰ
মধ্যে বাৰ
ন দি যোগ কৰ,
তাৰ পিছত লগাই বাম
পাৰ কৰি দিয়া
ঘৰলৈ যাম।
(ষাঠীৰাম)

তলত দিয়া সাঁথৰটো ভাষা আৰু ঠাঁচৰপিনৰ পৰা যথেষ্ট পুৰণি। হাতত ভগা কলহৰ কাণ এটা লৈ অহা বোৱাৰীয়েকক শৈৰ্ণ্ধ শহুৰেকে সুধিছে—

হৰিহৰ চক্ৰে যে বীৰ উপজিল
ভাগিন্ত কৰ্ণৰ বাপে।

হুতাশন ৰক্ষে যে ধীৰ উত্তৰিল
সে ধীৰ পৰিল কমন বিপাকে।

হৰিহৰ চক্ৰ, কুমাৰৰ চাকত জন্ম হোৱা, কৰ্ণৰ বাপেক, সূৰ্য্যৰ তাপত শুকুৱা, হুতাশন ৰক্ষত, জুইত পকোৱা মাটিৰ কলহটো কেনেকৈ ভাগিল? বোৱাৰীয়েকে শহুৰেকৰ প্ৰশ্ন চাই উত্তৰ দিলে—

সৰ্ব্বে ধৰাধৰ তা ধৰ তাহে
অলি বাহন বাহন হামু গৈয়ো
শশী বাহন বাহন ঠেকে বৈয়ো
পৱন সুতাসুত ভাঙ্গি গৈয়ো
ৰবি সুত মম কৰে লাগি ৰৈয়ো।

সৰ্ব্বে ধৰাধৰ, নাৰায়ণক ধৰি থকা অলি (ভোমোৰা)-ৰ বাহন পদুমফুল। পদুম ফুলৰ বাহন, পানী আনিবলৈ যাওঁতে শশী, (চন্দ্ৰ)-ৰ বাহন সদাশিৱ, সদাশিৱৰ বাহন ষাঁড় এটাই খুন্দা মাৰি দিলত পৱন (বায়ু)-ৰ সুত (পুত্ৰ) ভীম, ভীমৰ সুত ঘটোৎকচ অৰ্থাৎ ঘটটো ভাগি থাকিল। ফলত—ৰবি (সূৰ্য্য)-ৰ সুত কৰ্ণ অৰ্থাৎ কলহটোৰ কাণটো মোৰ হাতত লাগি থাকিল।

সাঁথৰবোৰ বুদ্ধিৰ তীক্ষ্ণতা জোখা বা বুদ্ধিৰ চৰ্চ্চা কৰা এটি লোক-সাহিত্যৰ বাহন। কোনো কোনোটো সাঁথৰৰ উত্তৰ ক্ষিপ্ৰতাৰ ওপৰত নিৰ্ভৰ কৰে, যেনে,—

আইৰ ভায়েক, মোৰ হয় মোমাই
মোমাইৰ ভিনীয়েক,
মোৰ হয় কি? (দেউতাই)

* * *

একাজে নৱৰ, একাজে দুবৰ,
পাছু পৰিল সাতোটা,
থৰে প্ৰতি একোটা। (নৱৰ—নতুন ঘৰ)

* * *

সৰু কালত দুই শিং ডেকা হলে সৰে,
বুঢ়া হলে দুনাই গজে, আকাশত চৰে। (জোন)

*　　*　　*

পাৰ, পৃষ্ঠ, মাথাটো,
দুহাত, কুৰি আঙুল, নাকটো
কাণ, চকু, মুখ, নাই
সেই বস্তু বিচাৰিলে ক'ত পায়। (মানুহ)

শব্দই ব্ৰহ্ম। এই ব্ৰহ্মময় শব্দই যুগে যুগে অৰ্থ সৰ্জানি কৰে আৰু কেতিয়াবা এই শব্দৰ গাতে থৰ বাগৰ মাৰি সাঁথৰো সৃষ্টি কৰে। এনে ক্ষেত্ৰত মূল শব্দটোৱে জনপ্ৰিয় অৰ্থটো উলিয়াই দেখুৱালেও প্ৰকৃততে অপ্ৰচলিত বা মনৰ অসাৱধানতাই চুকি নোপোৱাটোহে বুজায়।

ক আইটি টপৰাই,
কাটি নিলে বাঢ়ি যায়। (সুতা)

ইয়াত 'কাটি' নিয়া শব্দটোৰ সুতা কটাৰ কটা—অৰ্থটোতকৈ জনপ্ৰিয় অৰ্থটো আগতীয়াকৈ মনত সোমোৱা বাবেই কথাটো জটিল কৰি সাঁথৰত পৰিণত কৰিছে। তেনেকৈ—

কেঁকোবাতকৈ কেঁকোবা অতি বৰ কেঁকোবা,
ভাঙিকেও কওঁ তেও কৰ নোৱাৰা।
(ভাঙি, এবিধ ভাতৰ কটাল)

*　　*　　*

দা কটাৰী বাইছখন,
তাৰে নিলে বাইচখন,
বাকী থাকিল কেইখন ?
(বাইচ, এবিধ চাচ)

এবিধ সাঁথৰ আছে, ইহঁতৰ অৰ্থটো প্ৰশ্নৰ লগত কোনো পোনপটীয়া সম্পৰ্ক নাই, কিন্তু উত্তৰটো পৰম্পৰাই নিৰ্দ্ধাৰণ কৰিছে।

বগা টক্ টক্ লুইতৰ খুটি
কি কৰিছা মহাদেউ,
কি গছৰ গুটি। (বেলি)

*   *   *

ইয়াতে মাৰিলে টিপা,
গড়গাওঁ পালেগৈ শিপা। (ভূঁইকঁপ)

পৃথিবীত বহুতো বস্তু আছে, যিবোৰৰ বৈশিষ্ট্য লক্ষ্য কৰিবলগীয়া। তলচকুৱা, ফুটমনিয়াৰ মানুহৰ বাহিৰে আনৰ দৃষ্টিত সেইবোৰ ধৰা নপৰে; তেওঁবিলাকৰ মানত সৃষ্টিৰ এই সত্যবোৰো সাঁথৰ।

গছৰ ওপৰত গুটি,
গুটিৰ ওপৰত গছ,
ইনো কি নিলাজৰ সঁচ। (মাটি কঠাল)

*   *   *

নেখাস্তি কন্যা, নফুলস্তি শাক,
কি কি মাছৰ ওঠৰটা নাক
(চকৰী, ঢেকীয়া, নাদনী মাছ)

*   *   *

আগ তিতা, গুৰি মৌ,
কি কৰিছা ভাবলী বৌ। (কুঁহিয়াৰ)

সাঁথৰবোৰত সমাসোক্তি (Personification)-ৰ পৰিমাণ অধিক। এক শ্ৰেণীৰ সাঁথৰত নিৰ্জীৱ পদাৰ্থসমূহত জৈৱিক ক্ৰিয়া আৰোপ কৰি সমস্যাটো গধুৰ কৰিবলৈ চেষ্টা কৰা হয়।

একেজনী কলী গাই (বৰশী), একেজনী চেৰেলী গাই (কাচি), এদঁতীয়া হাতী (ঢেঁকী), এঠেঙ্গীয়া বগলী (বিচনী) ইত্যাদি।

সাঁথৰবোৰ অধিকাংশই ৰূপগন্ধী। আলঙ্কাৰিক দৃষ্টিত সমাসোক্তি, পৰ্য্যায়োক্তি, ৰূপক আদি অলঙ্কাৰত সাঁথৰবোৰ যথেষ্ট

চহকী। ছন্দ সদায়েই মিত্ৰাক্ষৰী, অধিকাংশ সাঁথৰেই চুটি চুটি কুসুমমালা, ঝুমুৰি আদি ছন্দৰ আহি'ত দেখিবলৈ পোৱা যায়। সাঁথৰৰ ছন্দত আখৰৰ সংখ্যাতকৈ শব্দৰ ধ্বন্যাত্মক মিলনৰ প্ৰতিহে চকু দিয়া দেখা যায়।

মাকে বৰশী বায়,
পুতেকে স্বৰগ চায়। (বাহঁ)
*   *   *
চিং পখিলা,
তিনি মূৰ, দহ ঠেং ক'ত দেখিলা (হালোৱা)
*   *   *
টিলিকি নাদৰ পানী খায়,
উলুবনিত খপজপায়। (খুৰ)

কিছুমান সাঁথৰ গদ্যগন্ধী কিন্তু ছন্দ মিলাবৰ প্ৰয়াস তাতো আছে।

এজেনাডে হেজেনা,
একেজোপা গছতে মাহ, কপাহ, বেজেনা।
(শিমলু গছ)
*   *   *
আমলতা চামলতা,
সাতখন কুঠাৰেৰে কাটিব নোৱাৰি
সিনো কি বড় গছৰ লতা। (ছাঁ)

অসমীয়া ভাষাত সৰ্ব্বসাধাৰণতে প্ৰচলিত আৰু প্ৰকৃততে লোক-সাহিত্যৰ অন্তৰ্গত কবিৰ পৰা সাঁথৰ এশমান আছে। এই সাঁথৰবোৰৰ অধিকাংশৰে বিষয়বস্তু ঘৰুৱা জীৱনত লাগি থকা আহিলা। সাঁথৰবোৰৰ পৰা আদিম মানুহৰ বুদ্ধিৰ স্ফুৰণ, চৰ্চ্চা আৰু বিশ্বাসৰ কথা জানিব পাৰি। অত্যধিক জনপ্ৰিয় সাঁথৰ কেইটাৰ বাহিৰেও কিছুমান আঞ্চলিক ভেটিত প্ৰচলিত সাঁথৰ

আছে। তদুপৰি কিছুমান যৌন-সংক্ৰান্ত অশ্লীল সাঁথৰো আছে। এইবোৰৰ মুকলি-মূৰীয়া চৰ্চা নোহোৱা বাবে অনেক সাঁথৰ লোপ পাইছে। সাঁথৰবোৰৰ বিশেষত্ব এইখিনিতেই যে ইয়াৰ বিষয়-বস্তুৰ পৰা জাতিটোৰ সামাজিক জীৱনৰ লগতে মানসিক জীৱনৰ বিষয়েও চা-চিনাকি হোৱাৰ সুযোগ ওলায় আৰু সেইবাবেই লোক-সাহিত্যত সাঁথৰৰ স্থান অনন্য।

ডাকৰ বচন

ডাকৰ বচন অসমীয়া জন-জীৱনৰ ব্যৱহাৰিক জ্ঞানৰ এখন মৌখিক বিশ্বকোষ। 'ডাকৰ বচন বেদৰ বাণী।' ভাৰতীয় মানুহৰ দৃষ্টিত বেদ-বাক্যৰ যি মূল্য অসমীয়া জন-জীৱনতো ডাকৰ বচনৰ মূল্য সমানেই। ডাকৰ বচনৰ শিক্ষা বাস্তৱ জীৱনৰ শিক্ষা। এই বচনবোৰ যেন যুগ-যুগ-সঞ্চিত অভিজ্ঞতাৰ ফল। আজি আৰু যেন ইয়াৰ সত্যতাত সন্দেহ কৰিবলৈ একো নাই। ডাক এজন নে ডাকৰ বচন নৈৰ্ব্যক্তিক ৰচনা সেই কথা কোনেও বিচাৰ নকৰে কিন্তু ডাকৰ বচনৰ দোহাই দিলে তাক আন্তৰিকতাৰে বিশ্বাস কৰে। ডাকৰ বচনত আছে—

লোহিডঙৰা ডাঙৰ গাওঁ।
সাতশ সাতোটা পুখুৰীৰ নাও।

বহুতে বিশ্বাস কৰে যে বৰপেটাৰ ওচৰৰ লোহিডঙৰা গাৱঁত ডাকৰ জন্ম হৈছিল।

জন্ম লগ্ন যাত্রা জোৰা।
বৰাহ মিহিৰে নেপালে ওৰা।

এইষাৰ বাক্যৰ পম খেদি ডাকক বিক্রমাদিত্য ৰজাৰ নৱৰত্ন বৰাহ-মিহিৰৰ সমসাময়িক বুলি কোনো কোনোৱে কব খোজে। আনপিনে ডাক নামৰ এই জ্ঞানী ব্যক্তিজন পূৰ্বভাৰতৰ কেইবাটাও জাতিয়ে ভেওঁবিলাকৰ পূৰ্ব্বপুৰুষ বুলি দাবী কৰিব খোজে। কোনোৱে কয় যে ডাক এজন ব্যক্তি নহয় একশ্রেণীৰ বৌদ্ধ তান্ত্রিক সাধকহে।

"ডাকঃ সম্ভৱতে তস্মাৎ মহামণ্ডলযোগতঃ"। সি যি কি নহওক ডাকৰ নামত প্রচলিত প্রবচন-সমূহ লোক-জীৱনৰ সঞ্চিত

জ্ঞানৰ এটা ভ'ৰাল মাত্ৰ। যদিও ডাক নামৰ কোনো এজন ব্যক্তিৰ ৰচনা বুলি কোৱা হয়, একে আষাৰে কবলৈ গলে, ডাকৰ বচন জাতীয় জীৱনৰ সামূহিক অভিব্যক্তিহে।

ডাকৰ সময় বা ৰচনাকাল সম্পৰ্কে এষৰীয়াকৈ কোৱা টান। ভাষাৰ ওপৰত সময়ৰ প্ৰভাৱ পৰিছে যদিও ইয়াৰ ঠাঁচ আৰু ছন্দ-প্ৰয়োগলৈ চালে ৬ষ্ঠ-৭ম শতিকামানতে ডাকৰ বচনৰ মূল জন্মুঠিটো সজা হয় কিন্তু সময়ৰ সোঁত, অভিজ্ঞতাৰ পৰিসৰ বৃদ্ধি, জ্ঞানৰ চৰ্চা আৰু বহুতো কথাই মূল জন্মুঠিটোত ৰং-মাটি সানিবলৈ সুবিধা দিছে। ডাকৰ ভণিতা নথকা অনেক কথাও মানুহে ডাকৰ বচন বুলি কব খোজে। লেহিডঙৰাত ডাকৰ জন্ম আৰু এদিন এনিশা জীয়াই থকাৰ পিছত মৃত্যু হোৱা কাহিনীটো ডাকৰ ৰচনা নহয়। ইয়াৰ ৰচনাৰীতিলৈ চালে বৈষ্ণৱ যুগৰ ৰচনাৰ আহিঁত ৰচিত যেন লাগে। ডাকৰ বিষয়ে প্ৰচলিত প্ৰবাদৰ পটভূমিত হয়তো ডাকৰ বচনৰ পাতনি হিচাপে এইখিনি জোৰাই দিয়া হয়।

ডাকৰ বচন সঁচাকৈয়ে ব্যৱহাৰিক জ্ঞানৰ ভ'ৰাল। ডাকৰ বচনবিলাক বহুতো ভাগত ভাগ কৰিব পাৰি। পূৰ্বতে এনে কোনো নিৰ্ধাৰিত ভাগ আছিল নে নাই জনাৰ সুবিধা নাই, কিন্তু কিছুমান পুৰণি সাঁচি-পতীয়া পুথিত ডাকৰ বচনবোৰ বিষয় অনুযায়ী লিখা আছে। এতিয়া সততে পাবলৈ থকা ডাকৰ বচনৰ পুথিবোৰত ষোলটা বিষয় পোৱা যায় কিন্তু বিষয়বস্তুৰ বিচাৰ কৰি ভাগ কৰিলে আৰু কিছুমান বিষয় ওলাব। পোনতে জন্ম-প্ৰকৰণত প্ৰসূতীয়ে পালিবলগীয়া বিধিসমূহ সন্নিবিষ্ট কৰিছে।

কলীয়া তুলসী বেলৰ পাত।
মুঠাৰ সহিতে বাটি পটাত ॥
তপত কৰিয়া জননী খায়।
তেবেসে নাড়ী দুটুক পায় ॥

লোণ-ঝালুক দি খুৱাইবে ঝাল।
তেবে স্তন ৰস হইবেক ভাল॥

প্ৰসূতীৰ বাবে ঔষধ নিৰ্দ্ধাৰণ কৰিছে—

অপৰাজিতাৰ এটি ফুল।
জানি শুনি দিব দশৰ মূল॥
বাসি জয়ন্তী পুষ্পক লৈব।
তাৰ ক্ষুদ্ৰ শিপা আৰু মিলাইব॥
অলপ বেঙেনাৰ শিপাও দিব।
ক্ষুধাত খুৱাইবে তৈবেসে জীব॥

ইয়াৰ উপৰিও লোক বিশ্বাস অনুযায়ী প্ৰসূতীয়ে পালিব-লগীয়া কিছুমান কথা আছে। ডাকৰ বচনত সেই কেইটি কথাও সন্নিবিষ্ট হৈছে।

অহিত শিশুক যেন নেদেখি।
অভ্যন্তৰে থৈব সুহৃদ ৰাখি॥
পুৰলৈ শিৱকৈ শিশু শুৱাই।
পোৱাতী ৰাখিব অগ্নি জ্বলাই॥…
শয্যাৰ কাষত থাকিব অস্ত্ৰ।
সাৱধানে মাথে বাখিব বস্ত্ৰ॥
গৃহ চাৰি চুকে যাব মুখত।
বচ, সিজু, বগৰী ৰুইব সতত॥

ডাকৰ বচনত এখন পুৰণি ঘৰৰ চিত্ৰ জিলিকি উঠিছে। ঘৰখনৰ ক'ত কি ৰুব লাগে, ক'ত কি সাজিব লাগে তাৰ সকলো দিহা ডাকৰ বচনৰপৰা পাব পাৰি। ঘৰৰ ভেটি আৰু বাৰী সম্পৰ্কীয় সকলো কথা শুনাৰ পিছত এখন পুৰণি ঘৰৰ চিত্ৰ মনলৈ আহে।

খজুৰ উত্তৰ গজৰ পূব।
সিংহৰ পশ্চিম আতি শুভ॥

ৰূষৰ দক্ষিণ পায় যেবে ।
সৰ্ব্বসিদ্ধি হোৱয় তেবে ॥
নয়ে-তেৰয় সাজিবা ঘৰ ।
যিমান লাগে তিমান কৰ ॥

এইয়া হল ঘৰৰ ভেটি । ঘৰৰ জোখ সম্পৰ্কে আকৌ কৈছে—

ৰুৱা লবা যতেক যতেক ততেক ।
মাৰলি লবা তিনি ততেক ॥
পূৰা-পশ্চিমাকৈ সাজিবা ঘৰ ।
অকালমৃত্যুক নাহিকে ডৰ ॥

ঘৰৰ লগত বাৰীখন লাগি থকা বস্তু । ডাকে কৈছে—

পূৰে ভৰাল পশ্চিমে গৰাল ।
উত্তৰে চৰু দক্ষিণে গৰু ॥
উত্তৰে বাহঁ, দক্ষিণে হাঁহ ।
দাঁতিত কঠাল, মাজত আম ।
তেবে জানিবা বাৰীৰ কাম ॥
পূৰে ভানু পশ্চিমে ছায়া ।
তেবে জানিবা বাৰীৰ কায়া ॥

অসম এখন কৃষি প্ৰধান দেশ । মানুহৰ মুৰত কৃষ্টিৰ কঠীয়া গজাৰ দিন ধৰি খেতিয়কে খেতি কৰি আহিছে । এইদৰে খেতিয়কৰ জীৱনত অভিজ্ঞতা স্তূপীকৃত হৈ পৰিছে । খেতিয়কৰ সামূহিক অভিজ্ঞতাৰ পৰিণতি ডাকৰ বচনত প্ৰকাশিত হৈছে ।

ডাকে বোলে বাপু শুনা উপায় ।
বাণিজ্যৰ ফল কৃষিত পায় ॥
যি নৰে সদা কৃষিক কৰে ।
সোণৰ ফল পাইব ঘৰে ॥
হীৰা মণি থাকে অপাৰ ।
খ্যে গাজ নহলে মৰণেলে সাৰ ॥

ধনৰ মাজত ধানেসে শোভন।
খুদে গাল নহলে মৰে তেখন॥
এতেকে কৃষিক কৰিব সাৰ।
তেবেসে দুৰ্ভিক্ষ হোৱে নিস্তাৰ॥

শালি খেতি অসমীয়া মানুহৰ ঘাই খেতি। শালি খেতিৰ বিষয়ে বহুতো কথা ডাকৰ বচনত পোৱা যায়। খেতিৰ সময় সম্পৰ্কে কৈছে—

জেঠ মাহ গল বিনা নাঙলে।
কৃষিক কৰিব কাহাৰ বলে॥
যেবে কৃষিক কৰিবা আশ।
তেবে নথৰা শাওনত চাষ॥

*   *   চ

পুহত আহু জেঠত শালি।
তৌতিয়া চাবা গৃহস্থালি॥

*   *   *

শাওনৰ কঠীয়া নহয় ধান।
আহিনৰ গোছ বিফল জান॥

*   *   *

আহু আৰু শালি ৰোৱাৰ নিয়ম এইদৰে আছে—

আহু ৰ'বা খোজত বুৰি।
শালি ৰুবা বেগত জুৰি॥
আঁঠুৰ ওপৰে দেখিবা পানী।
গোছ দিবা হাতক জানি॥
বাসভূমিত ঘনে দিবা আলি।
ধৰ পানী দিবা মেলি॥
তেও যদি নহয় শালি।
তেহে পাৰিবা ডাকক গালি॥

ধান খেতিৰ বাহিৰেও মাহ, কপাহ, সৰিয়হ, তামোল, বাঁহ আদি গৃহস্থৰ নিত্য ব্যৱহাৰ্য্য কৃষিজাত বস্তু সম্পৰ্কে ডাকৰ বচনত অনেক কথা পোৱা যায়।

ঘন সৰিয়হ পাতল মাহ।
মূলা কপাহত কৰিবা চাহ॥
*　　*　　*
জালুকত গোবৰ পাণত মাটি।
কলাপুলি ৰুবা তিনিবাৰ কাটি॥
*　　*　　*
মাহ সৰিয়হ কপাহ বাঁহ।
গৰুৱে খালে নাহিকে আশ॥
*　　*　　*
সাতত সেৰেঙা পাঁচত ঘন।
ছয়ত তামোল নদন-বদন॥
*　　*　　*
শী-ত সৰিয়হ মী-ত মাহ।
গণ্ড যোগত নুৰুবা বাহঁ॥
*　　*　　*
যত লাভ পায় সৰিয়হ মাহে।
তত লাভ পায় কল কপাহে।
যথাতে কলা কপাহৰ বাৰী।
তথাতে লুভীয়া সকলো নাৰী॥

খেতিৰ যথাসৰ্ব্বস্ব নিৰ্ভৰ কৰে গৰুহালৰ ওপৰত। ডাকে সেইবাবে গৰুৰ লক্ষণ আৰু কু-লক্ষণ নিৰ্ণয় কৰিবলৈ পাহৰি যোৱা নাই।

গৰু কিনিবা চিকণ জালি।
দুই-চাৰি দন্তীয়া ভালি।

হৰিণৰ নিচিনা জিভা কাণ।
তেনে বলধক বিচাৰি আন॥
বলধ কিনিবা দৰ বুজিয়া।
বাছিয়া সুধিয়া ধোবা তেলীয়া॥
দহ চাৰিত সোধা-পোছা।
তেহে কিনিবা বলধ গোটা॥

*　　*　　*

ছয় নৱ দন্ত ভাগ্যেসে পায়।
সাত দন্তীয়া দেখি দূৰতে পলায়॥

*　　*　　*

বিছানেজীয়া কালীয়া চুটা।
বিচাৰি কিনিবা বলধ গোটা॥

*　　*　　*

গৰু কিনিবা চিত পখৰা।
তাক মোলাবা একে আষৰা॥

*　　*　　*

টকা নেজা থোতোৰা চুটি।
সেইটি জানিবা গৰিয়া গৰুটি॥
জল খুৰীয়াৰে যায় হাল।
তাতে নাটে সৰ্ব্বতিকাল॥
গৰু কিনিবা নিখুঁত বগা।
তাকে বোলে মই হলোঁ লগা॥
গৰু কিনিবা দীঘল নেজা।
মৈত উঠিলে নহয় কুঁজা॥

গৰুৰ লক্ষণৰ লগতে প্ৰথম দিনা হাল-জোৰাৰ দিন-বাৰ আৰু গৰুৰ চিনৰ বিষয়েও গোটাচেৰেক বচন আছে।

বিছা মীন মিথুন কন্যা।
ধনু মকৰ লগ্নে ধন্যা॥

শুভ তিথি শুভ লগন।
ফালৰ আগত দিয়া কাঞ্চন ॥
শুক্ৰ-চন্দ্ৰ গুৰু বাৰক চায়।
পঞ্চৰেখা আগে কৰিব যায় ॥

প্ৰথমদিনা কেনেকুৱা গৰুৰে হাল জুৰিব নেপায় তাকো কৈছে—

শিং-ভগা গৰু নুজুৰিবা হাল।
ৰঙা ৰৰণীয়া হলে ভাল ॥
কলীয়া বলধ যতনে জুৰি।
নুজুৰিব খোৰা দুই দামুৰি ॥

কৃষিৰ বাবে আটাইতকৈ বেছি প্ৰয়োজনীয় বস্তু হল পানী। বৰষুণে সেই পানী দিয়ে। কিন্তু কেতিয়াবা ভৰ খেতিৰ বতৰতে খৰ মাৰে, কেতিয়াবা অতিবৃষ্টি হয়, কেতিয়াবা বানপানী হয়। খেতিয়কে প্ৰকৃতিৰ আলেখ-লেখ চাই বৰষুণ সম্পৰ্কে কিছুমান সিদ্ধান্তত উপনীত হৈছে। ডাকে কৈছে—

যেবে জলধৰ বৰষে ধাৰে।
কি কৰিতে তাক গণিতা পাৰে ॥
তথাপিতো তাৰ তিথি-বাৰ চায়।
ডাকে বোলে বাপু কিছু বোলা যায় ॥
আহাৰৰ নৱমী শুক্লপক্ষত।
যদি নবৰষে মহীতলত ॥
হাল-কোৰ বেচি চিঞ্চিয়ো লেৰ।
বাজাৰ গুহত কৰিয়ো সেৱ ॥

প্ৰকৃতিৰ লক্ষণ চাই কেতিয়া খৰ মাৰিব, কেতিয়া বানপানী হব তাকো ডাকে কৈছে—

উত্তৰে গাজে পুৱে বৰিষে
পশ্চিমে দিলা যেনু ;
খিতাতে বহি ডাকে বোলে
সাগৰ শুকায় জানো।

দক্ষিণে গাজে পশ্চিমে বৰষে
পূবে দিলা খেদ ।
থিতাতে বাহি ডাকে বোলে
পৰ্ব্বত বুৰায় জানো ।

*　　*　　*

গৰজে দেৱে বৰষে ধাৰে ।
পৰ্ব্বত বুৰায় একেকাৰে ॥
আউল-জাউল কৰি বায় ।
ডাকে বোলে ভৈল বিনাশৰ ভাও ॥

আগৰ বছৰৰ কেইটামান মাহ, তিথি আৰু দিনত হোৱা বৰষুণৰ পৰা পিছৰ বছৰৰ খেতি আৰু বৰষুণ কেনেকুৱা হব তাকো নিৰ্দ্ধাৰণ কৰিছে ।

চ'তৰ প্ৰথম দিনত হয় যি যি বাৰ ।
ৰবি শোষে, সোমে বৰিষে, মঙ্গলে ধূলি অন্ধকাৰ ॥
বুধ বৃহস্পতি শুক্ৰবাৰ ।
পৃথিৱী নসহে শস্যৰ ভাৰ ॥
যদি হয় শনিবাৰ ।
শস্য হানি প্ৰজা ক্ষয়কাৰ ॥

*　　*　　*

যদি বৰষে মাঘৰ শেষ ।
ধন্য ৰাজা, ধন্য দেশ ।

*　　*　　*

পৌষত কৰে মেঘে গৰ্জ্জন ।
মাঘত হয় জল শোভন ॥
চ'তত হয় ফল নিৰন্তৰ ।
বহাগত কিন্তু পৰে পাথৰ ॥
ঝিণি ঝিণি জল পৰে জেঠত ।
চাৰি মাহ জুৰি হোৱে লোকত ॥

ডাকৰ বচনক যথাৰ্থতে ব্যৱহাৰিক বিজ্ঞানৰ হাত-পুথি বা নিদান বুলিলেও বঢ়াই কোৱা নহয়। দৈনন্দিন জীৱনত ব্যৱহাৰ হোৱা বহুতো আহিলা-পাতি আছে যিবোৰ তৈয়াৰ কৰিবলৈ নিৰ্দ্ধাৰিত জোখ-মাখৰ প্ৰয়োজন। ডাকে সেই নিত্য-ব্যৱহাৰ্য্য বস্তুবিলাকৰ বিষয়ে সঁকিয়াই দিয়াৰ উপৰিও সেইবোৰ তৈয়াৰ কৰোঁতে প্ৰয়োজন হোৱা যাৱতীয় জোখ-মাখ নিৰ্দ্ধাৰণ কৰিছে যিবোৰৰ শুদ্ধতা যুগৰ পৰিবৰ্ত্তনশীলতায়ো ভুল বুলি কব পৰা নাই।

শুন শুন শুন, লাখুটিৰ নটা গুণ।
পালা সাপ পেলালা মাৰি।
পীৰা নাই বহিলা পাৰি॥
নাই বঠা হলা পাৰ।
নাই কানমাৰি বান্ধিলা ভাৰ॥
হাতৰ সখা, পানী জোখা;
শত্ৰু-মিত্ৰই নেপায় ঠাই,
বাটৰ কুকুৰেও নেপাই লাই,
সি হল তোমাৰ লগৰ ভাই।

*　　*　　*

ছাতি, লাঠি টনা।
এই তিনি নহলে দিনতে কণা।

বিভিন্ন সঁজুলিৰ নালৰ বিষয়ে কৈছে—

দুহাত দুমুঠি কোৰৰ নাল।
ওঠৰ মুঠীয়া টোকোন ডাল॥
বটালিৰ মুৰীয়া এমুঠি।
চাঁচৰ নালত ছমুঠি॥
এহাত এমুঠি কুঠাৰৰ নাল।
লাগে চাৰি মুঠি দাৰ নাল॥
কাহি খন্তিৰ নাল দুমুঠি।
এহি বুলি ডাক গৈলন্ত উঠি॥

ঢেঁকীৰ জোখৰ বিষয়ে আকৌ কৈছে—

আৰে ভেৰে গজে মুঠি।
তেহে বাই ঢেঁকী উঠি॥

অসমীয়াত কৈছে, 'আটাইতকৈ আগ চাউলকঠা, তাৰ পিছত হৰি কথা।' অসমীয়া মানুহে ঘৰৰ কোষে-পেটে, হাবিয়ে-হুচঙে পোৱা শাক-পাত, মাছ-পহুৰে জুতি লগাই ৰান্ধি খাইছিল। আজি অনাটনৰ দিনত হয়তো বহুতো বস্তু দুষ্প্ৰাপ্য হৈছে, বা মানুহে খাবলৈ পাহৰি গৈছে কিন্তু ডাকে দি থৈ যোৱা এই বচনবোৰৰ পৰা অসমীয়াৰ ব্যঞ্জন-বিলাসৰ বিষয়ে বঢ়িয়াকৈ জানিব পাৰি। এইবোৰ ৰন্ধন-প্ৰকৰণ অসমীয়াৰ নিজা সম্পত্তি। ভাতৰ চৰু পতাৰ আগমুহূৰ্ত্তত জুই জ্বলাবলৈ ডাকে কৈছে—

বাঁহ চিত চলিয়া কাটি।
তেবে চাবা জুইৰ কান্তি॥
দীঘল কৰি মাৰিবা ফু।
তেবে দেখিবা জুইৰ মু॥

ভাতৰ বিষয়ে কৈছে—

চাউল দিবা যতেক ততেক।
পানী দিবা তিনি ততেক॥
উতল আহিলে দিবা কাটি।
তেবে কৰিবা জালৰ ভাটি॥
যেবে লেখা নিসিজে চাউল।
তেবে বুলিবা ডাকক বাউল॥

আটাইতকৈ আমোদজনক হৈছে ব্যঞ্জন সম্পৰ্কীয়।

শোকোতাৰ পাত বেহুৱাৰ জোল।
তেলৰ ওপৰে ভাজিবা ভোল॥
পুৰৈ শাক ৰোহিত মাছ।
ডাকে বোলে সেহি ব্যঞ্জন সাঁচ॥

* * *

কাৰৈ মাছক কাঁচ কুটিয়া।
হালধি মৰিচ দি তেলে ভাজিয়া ॥
ওলট-পালট কৰিয়া পিঠি।
খাই পাইবা তেযেসে মিষ্টি ॥

* * *

পকা তেতেলি বুঢ়া ৰবালি।
বিস্তৰ কৰিয়া দিবা জালি ॥
কাটি দিবাহা টেঙাৰ জোল।
খাবৰ বেলা মুণ্ড নোতোল ॥

* * *

যেবে নাহি মছলা ভাল।
তেবে দিবা বহুত জাল ॥

ডাক যদি এজন ব্যক্তি তেওঁ সৰ্ব্ববিদ্যাবিশাৰদ আছিল। তেওঁৰ জ্ঞান আছিল গভীৰ আৰু সৰ্ব্ববিষয় ব্যাপক। তেতিয়াৰ দিনত দ্ৰব্য-গুণ বিচাৰ কৰি অসমৰ হাবি-বননিৰ পৰাই ঔষধ সংগ্ৰহ কৰা হৈছিল। বিভিন্ন ৰোগৰ ঔষধ হিচাপে ডাকে কৈছে—

ত্ৰিফলা দিয়া নিমৰ ছাল।
ছাগ দুগ্ধেৰে বাটিব ভাল ॥
নিশাভাগে তাক নিয়ৰে থৈব।
প্ৰভাত সময়ে মাথাত লৈব ॥
হাত্তে ঘঁহি ঘঁহি মাথাত দিব।
শুকালে পাছে স্নান কৰিব ॥
বিজনে কৰিব এহি প্ৰকাৰ।
ক্ৰোশেকৰ পথলৈ দৃষ্টি তাহাৰ ॥

* * *

জ্বালুক পিপলী আদা খায়।
ডাকে বোলে তাৰ কাহ পলায় ॥

* * *

সুঁণ্ঠ গুৰুচি ভেকুৰীৰ মূল।
তিনিকো বাটি কৰে সমতুল ॥
পিপলী দিয়া বি খায় বিহানে।
নথাকয় তাৰ ৰোগ প্ৰধানে ॥

* * *

ধনীয়া পোৰোলালতি তেজপাত।
সমভাগ কৰি বাটি পটাত ॥
কোৱাথ কৰি খাব পানী।
বাত, পিত, কফ হৰিব টানি ॥

মানুহৰ দেহৰ উপকাৰৰ অৰ্থে কোন মাহত কি খাব লাগে তাকো নিৰ্ণয় কৰি দিছে—

জেঠত দৈ আহাৰত থৈ।
শাওনত মৰাশাক খাবা গৈ ॥
ভাদত ওল আহিনত কল।
কাতিত কচু বঢ়ায় বল ॥
আঘোণ মাহত খাবা চৰাই।
পুহত পিঠা মাঘত কৰাই ॥
ফাগুনত মৌ, চ'তত ঔ, বহাগত বৰ।
ইয়াক খালে পুৰুষৰ গুছে কৰ্ম্মজৰ ॥

ডাকে যিদৰে দেহৰ বাবে ঔষধৰ দিহা দিছে সেইদৰে জ্যোতিষৰ সূত্ৰও বচনত বান্ধি থৈছে। ডাকৰ জ্যোতিষৰ বচনৰ লগত খনাৰ বচনৰ দুই-এটি কথাৰ মিল থকা দেখা যায়। ডাকে কৈছে—

মেষত আদিত্য তুলাত শনি।
মীনত ভৌম নাহিকে ৰোৰ ॥
বৃষত চন্দ্ৰ অংশকে পায়।
চতুৰ্দ্দোলে সিটো গায় যেনায় ॥

জ্যোতিষমতে মেষৰাশিত ৰবি, তুলাৰাশিত শনি, মীনৰাশিত শুক্ৰ আৰু বৃষৰাশিত চন্দ্ৰ থাকিলে তুঙ্গী হয়। তুঙ্গী গ্ৰহ

কোষ্ঠীত থাকিলে মানুহৰ ধন-জন, আয়ুস-ভাগ্য লাভ হয়। কোষ্ঠীত অন্য গ্ৰহৰ স্থিতি সম্পৰ্কেও ডাকে কৈছে—

লগ্নৰ লগত শনিৰ মেলা।
সকলো কাৰ্য্যত কৰাৱে হেলা॥
সপ্তমত মঙ্গলে দেখয় যেবে।
মেঘৰ নাদত মৰিব তেবে॥
দুই ভিতি মধ্যে লগ্ন।
তাৰ কোষ্ঠী ছেদযোগ্য॥
অষ্টমে ৰাহু চান্দক যেবে।
তাৰ শিৰচ্ছেদ হৈবেক তেবে॥

মানুহৰ আয়ুস গণনা কৰিবৰ বাবে ডাকে সূত্ৰ দি গৈছে—

নামৰ আক্ষৰ দুই মাত্ৰ কৰি।
নাম স্থিৰ কৰি পুৰুষ নাৰী॥
যেদে হৰি পাইব ভাগ।
তেবে পাইব জীৱন-মৰণ লাগ॥
শূন্যে একে মৰৈ পতি।
দুই পাইলে মৰে যুৱতী॥
তিনি পাইলে উভয় মৰণ।
ডাকৰ এই নিশ্চয় বচন॥

* * *

ৰোগীৰ অক্ষৰ গ্ৰহে গণিয়া।
তিনি বাৰ লৈব সম কৰিয়া॥
বসু দিয়া তাক কৰিব ভাগ।
জীৱন-মৰণ পাইব লাগ॥
চন্দ্ৰ নেত্ৰে পাইব মান।
যমপুৰীৰ বাহুৰি আন॥
যুগ বেদ পাইব হয়।
তিন চাৰি পাও বিলম্ব হয়॥

সপ্ত শূন্য পাইব বেবে।
যোগীৰ মৰণ কহয় তেবে ॥

চৰিত্ৰ সদায়েই এটা বিচিত্ৰ বিষয়। মানুহৰ লক্ষণ আৰু চৰিত্ৰ সম্পৰ্কে যুগে যুগে বিভিন্ন জ্ঞানী ব্যক্তিয়ে বক্তব্য দি গৈছে। ব্যক্তিৰ চিনাকি দিবপৰা এনেকুৱা বচন বা প্ৰবাদৰ উপৰিও নৈৰ্ব্যক্তিক ৰচনা অনেক আছে। ডাকৰ বচনত পুৰুষৰ লক্ষণ সম্পৰ্কে কৈছে—

গম্ভীৰ গতি গম্ভীৰ মাত।
দীঘল বাহু আঙুলি উন্নত ॥
হিয়াৰ মাজত যাহাৰ খাল।
সিটো পুৰুষৰ লক্ষণ ভাল ॥
গলত ৰেখা কুকুহা কাণ।
তাহাৰ জানিবা দেৱলক্ষণ ॥

* * *

অলপ ভোজন নিদ্ৰা ক্ষীণ।
সিটো পুৰুষৰ সুখৰ চিন ॥
বসিয়া থাকয় নানান মনে।
সিটো পুৰুষক নেৰিবা ধনে ॥

কু-লক্ষণৰ কথা কৈছে—

পিঙলা বৰ্ণ পাতলা ওঁঠ।
কোনে সহিব নাখৰ গোট ॥
স্নান কৰি আহি থিয়ে পাত পাৰে।
ভাত নাপালে ঘৰিণীক মাৰে ॥
হুতাশ কৰে ভোজন বেলা।
দৰিদ্ৰৰ চিন তাকে কহিলা ॥

* * *

জিভা দীঘল যাৰ চুৱে নাক।
সিটো মূৰ্খ হোৱে বোলয় ডাক ॥

বাতুলৰ চিন তাহাৰ হয়।
দেশ ভ্ৰমিবাৰ চিত্ত কৰয় ॥

সেইদৰে অসৎ চৰিত্ৰৰ চিনাকি দি কৈছে—

বিৰল দাঁত কামাতুৰ অতি।
পৰৰ ভাৰ্য্যাত কৰয় ৰতি ॥
পৰ বিতে ধনী হোৱে পামৰ।
জাতি অজাতিৰ নাহি বিচাৰ ॥

"নাৰীনাং চৰিত্ৰং দেৱাঃ ন জানন্তি কুতো মনুষ্যাঃ"। নাৰীৰ চৰিত্ৰ সদায়েই বৈচিত্ৰ্যময় কিন্তু যুগৰ অভিজ্ঞতা আৰু সূক্ষ্ম পৰ্য্যবেক্ষণশীলতাই নাৰীৰ কিছুমান লক্ষণ নিৰ্ণয় কৰিছে, য'ৰ-পৰা চৰিত্ৰৰ ৰূপটো ধৰা পেলাব পাৰি। সজ লক্ষণৰ নাৰী—

স্বামীৰ সেৱা পধূলি ৰাতি।
ডাকে বোলে সেহি লখিমী জাতি ॥
মধুৰ বচন বোলয় সদায়।
স্বামীৰ কথা কিছু নেপেলায় ॥······
নম্ৰ হুয়া থাকে যেহেন দাসী।
কদাপি কঠোৰ বাণী নভাষি ॥
যতনে স্বামীৰ গুচাৱয় ৰোষ।
ডাকে বোলে আমি তাইত সন্তোষ ॥

* * *

শাহুক পুছি কৰে আয়-ব্যয়।
সেহি নাৰীক জানা লক্ষ্মী নছাড়য় ॥
গুৰুপদ সেৱে অতিথি পূজে।
চিৰকাল নাৰী সুখক ভুজে ॥

* * *

সৰু সূতা কাটে বয় তাঁত।
ওচৰ-চুবুৰীয়াই নন্দনে মাত ॥
সৰু সৰু দাঁত মধুৰ মাত।
গৃহে বাতি দিয়ে সন্ধ্যা বেলাত ॥

* * *

কাষত কলহ জলক যায়।
তলমূৰ কৰি কাকো নাচায়॥
যেই পথে যায় সেই পথে আসে।
ডাকে বোলে সেহি স্ত্ৰী ভালবাসে॥

সু-গৃহিণী বা সজ চৰিত্ৰৱতী নাৰীতকৈ অসতী তিৰীৰ লক্ষণ আৰু চৰিত্ৰ সম্পৰ্কে ডাকৰ বচনত অধিক কথা পোৱা যায়।

গৃহিণী হুয়া বোলে কটুৰ।
আয় নেচায় ব্যয় কৰে প্ৰচুৰ॥
ওলায় গৈয়া নাহে সকালে।
তাইক দুষ্টা বোলে সকলে॥
কন্দল শুনিলে বাহিৰক যায়।
নাচ-গীত শুনি সত্বৰে ধায়॥
সেহি নাৰী সঙ্গে যি কৰে বাস।
তাৰ জীৱনত কিহৰ আশ॥

* * *

যি নাৰী প্ৰভাতে নিদ্ৰা যায়।
বাহী শয্যাত সূৰ্য্য পায়॥
উদয় কালত নিলিপে ঘৰ।
ডাকে বোলে তাইক ছাৰিবা নৰ॥

* * *

যাৰ কানি কথা হাঁহিহে সাৰ।
ডাকে বোলে সেহি নাৰীক ছাৰ॥

* * *

ঘৰে চুলি মেলি বান্ধে বাহিৰে।
অল্প চুলি তুলি বান্ধয় শিৰে॥
ঘনে ঘনে যায় পৰৰ ঘৰ।
ডাকে বোলে দুষ্টা জানিবা নৰ॥

* * *

বেৰ জুমি জুমি ৰাজলৈ চায়।
আজীৱ পাছে ওলাই যায়॥
ইচলে সিচলে দেখায় জন।
তাকে বোলে বেশ্যা জানিবা জন॥

ৰাজনীতি বিষয়ক কথা ডাকৰ বচনত বৰ বেচি পৰিমাণে নেথাকিলেও একেবাৰে নোহোৱা নহয়। ৰজা আৰু মন্ত্ৰীৰ লক্ষণ কৈছে—

ফুলৰ ভাল পদুম।
ৰজাৰ ভাল খাটাং হুকুম॥
অপুত্ৰক মন্ত্ৰী নোহয় ভাল।
দন্ত খসিলে কিহৰ গীতাল॥

ৰজাৰ ঘৰত চাকৰি কৰা মানুহ সৎ, বিশ্বাসী, অনুগত আৰু ধাৰ্ম্মিক হব লাগে।

ডাকে বোলে বচা-টুটা নমাতি।
লগত ফুৰিব দিনে-ৰাতি॥
তেবেসে ৰাজাৰ দয়াক পায়।
ধন জন সুখ সবে মিলায়॥
এক মন কৰি সেৱিবা ৰাজ।
তেবেসে সিজিবে সমস্তে কাজ॥
দেশ কাল ভাব বুজিয়া মনে।
সেৱিবা ৰাজাক বহু যতনে॥

ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰিটা হল জীৱনৰ চাৰি পৰমাৰ্থ। এই চাৰি পৰমাৰ্থৰ অৰ্থ আৰু কাম বিষয়ক ডাকৰ বচন অনেক পোৱা যায়। লগতে ধৰ্ম্ম বিষয়ক বচনো আছে। অৱশ্যে ডাকৰ ধৰ্ম্ম কোনো মতবাদৰ অনুগামী নহয়, মানৱতাহে তেওঁৰ ধৰ্ম্মৰ মূল ভেটি।

যেবেসে ধৰ্ম্ম কৰিব জানি।
পুখুৰী খানিয়া ৰাখিব পানী॥

বৃক্ষ ৰোপণে অধিক ধৰ্ম্ম।
মঠ-মণ্ডপত অধিক কৰ্ম্ম ॥
*　　*　　*
দধি দুগ্ধ দেই অন্ন বিপুল।
ঔষধ দানৰ নাহিকে তুল ॥
*　　*　　*
ধন জন বস্তুত কিবা বিশ্বাস।
অনিত্য দেহত নাহিকে আশ ॥
যি জনে দিয়ে অন্নৰ সাৰি।
সি জন নাযায় যমনগৰী ॥
অন্ন জল অধিক দান।
তাত কৰি শ্ৰেষ্ঠ নাহিকে আন ॥

ব্যৱহাৰিক জীৱনত প্ৰয়োজন হোৱা ওপৰোক্ত বিষয়সমূহৰ উপৰিও জাগতিক জীৱনত প্ৰয়োজনীয় কিছুমান নীতি-বাক্য ডাকৰ বচনত আছে। এই নীতিবাক্যবোৰো কিছুমান বিষয়ত ভাগ কৰিব পাৰি। ডাকৰ বচনৰ ভাষা আৰু বিষয়-বস্তুৰ ব্যাপকতালৈ চাই ডাক নামৰ কোনো ব্যক্তি বিশেষৰ নামত এইবোৰ আৰোপ নকৰি জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতাৰ পৰিণতি বুলি কোৱাই ভাল। মুঠতে ডাকৰ বচন অসমৰ কৃষিজীৱী গাঁৱলীয়া সমাজৰ আদৰৰ বস্তু আৰু লগতে লোক সাহিত্যৰো এপদ অমূল্য সম্পদ।

ফকৰা

ফকৰা মানে এফাকি কথা কিন্তু সাধাৰণ কথা নহয়, পাৰমাৰ্থিক অৰ্থবোধক কথাহে। আজিকালি ফকৰা মানে প্ৰবচন জাতীয় যোজনা-পটন্তৰ আটাইবোৰকে সামৰি লোৱা দেখা যায়। সেইটো সময়ৰ সোঁতত পৰি সৃষ্টি হোৱা অৰ্থতহে। অতীতত ফকৰা শব্দটোৱে গোপন আৰু গভীৰ অৰ্থবোধক নিৰ্দ্দিষ্ট সংখ্যক কথাকহে বুজাইছিল। "বাৰকুৰি বৰগীত ; তেৰকুৰি ফকৰা।" আন এফাকি কথামতে "কথা নহয় ফকৰা ; এটা মুগাৰ তিনিশ, তিনিকুৰি, তেৰটা চকৰা।" ওপৰৰ হিচাপটোত তেৰকুৰি আৰু তলৰ হিচাপটোত তিনিশ তিনিকুৰি তেৰ কিন্তু প্ৰচলিত ফকৰাৰ সংখ্যাৰপৰা দেখা যায় চাৰিশতকৈ অধিক ফকৰা আছে।

বহুতো সময়ত মানুহে গোপনে বা ইঙ্গিতত কথা-বতৰা পাতিবলগীয়া হয়। চোৰ-ডকাইতৰ মাজতো এনে ইঙ্গিতময় ভাষাৰ প্ৰচলন আছে। এনেকৈ ইঙ্গিতত কথা-বতৰা কওঁতে এটা নতুন ভাষাৰ জন্ম হয়, যিটো ভাষাৰে দেখা-দেখিকৈ কথা পাতিলেও আনে নুবুজে। বিশেষকৈ খোৱা সম্পৰ্কত নিষেধাজ্ঞা থকা বস্তু-বোৰত এনেকুৱা ভাষা প্ৰয়োগ কৰা দেখা যায়—ফোঁটাল (শাল মাছ), নুকুনুকী পছু (গাহৰি), টুকুটুকী (হাঁহ), ৰামপাৰ (কুকুৰা), ডালমিছা (মুগা লেটা), পুখুৰীপৰীয়া গোবিন্দাই (কুচিয়া), ইত্যাদি। আনপিনে যি কোনো কাৰণতেই নহওক বৈষ্ণৱসকলৰ মাজতো সাধাৰণ ভাষাৰ পৰিৱৰ্ত্তে এক সুকীয়া ঠাচৰ ভাষা ব্যৱহৃত হৈছিল। ভোজনঠেলা (জলকীয়া), গুৱা (তামোল-পাণ), চাউলমুঠি (ভাত) ইত্যাদি। এইদৰেই ধৰ্ম্মৰ গোপনীয়তা ৰক্ষা কৰা বা গাম্ভীৰ্য্য বৰ্দ্ধনৰ বাবে কিছুমান কথা ৰচনা কৰা হৈছিল, সেয়ে ফকৰা। সেই ফকৰাবোৰে আজিও অৰ্থৰ

গোপনীয়তা ৰক্ষা কৰি আহিছে। গুৰুমুখে জ্ঞান লাভ নকৰিলে আজিও তাৰ অৰ্থ বিচাৰি উলিওৱা কঠিন।

ফকৰাবোৰ পাৰমাৰ্থিক ভাবব্যঞ্জক। ইয়াৰ প্ৰকাশভঙ্গী অনুযায়ী কেইবাটাও ভাগত ভাগ কৰিব পাৰি। তাৰে এবিধৰ গতানুগতিক অৰ্থ মতে মানুহে কাম কৰিবলৈ হলে ভক্তি বা ধৰ্ম্ম হোৱা দূৰৰ কথা, বিৰাট বিসঙ্গতিহে সৃষ্টি হব।

ব্ৰহ্মাক মাৰিবা বিষ্ণুক মাৰিবা
ৰুদ্ৰক নিদিবা ঠাই ;
মহা মহা মহন্তক মাৰিয়াই মাৰিবা
তেহে ভকতিক পাই।

ইয়াত ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ হল সত্ত্ব, ৰজঃ আৰু তমঃ গুণ, মহা মহা মহন্ত হল মানুহৰ ৰিপুসমূহ।

গুৰুকো মাৰিবা ভকতক মাৰিবা
মাৰিবা সোদৰৰ ভাই ;
লগৰ সঙ্গ ভকতক মাৰিয়াই মাৰিবা
তেবে নিজ গুৰুক পাই।

ইয়াত গুৰু—মন ; ভকত—বাসনা ; সোদৰৰ ভাই—হাত-দুখন, ইন্দ্ৰিয় ; লগৰ সঙ্গ ভকত—ৰিপুসমূহ ; নিজগুৰু—পৰমপদ ; মাৰিবা—দমন কৰিবা।

ভকত আহিলে কিলেৰে খুধিবা
ঢেঁকীঠোৰাৰে থাপিবা পাৱ ;
জালৰ টঙীৰে চকুত খোঁচিবা
তেহে চিনি ভকতৰ ভাৱ।

কিছুমান ফকৰা আছে ইয়াৰ অৰ্থবোৰ প্ৰতীকধৰ্মী। বিশেষকৈ কিছুমান সংখ্যাবাচক শব্দযুক্ত ফকৰাই তাত থকা সংখ্যাৰে বৈষ্ণৱ ধৰ্ম্মৰ ন বিধ ভক্তি, চাৰি পৰমাৰ্থ, চাৰি শৰণ, দ্বাদশ স্কন্ধ ভাগৱত, আদিক বুজোৱাৰ উপৰিও দশ ইন্দ্ৰিয়, চাৰি বা ছয় ৰিপুক বুজায়।

চাৰি চোৰ দহ হাতী
　　এক কাউৰে লৈ যায়
কাক কম কোনে পতিয়াব
　　কোনে বুলিব হয় হয়।

(চাৰি হাতী—কাম, ক্ৰোধ, লোভ, মোহ ; দহ হাতী—দশ ইন্দ্ৰিয় ; এক কাউৰ—মন)

তিনিশ ষাঠি হস্তীৰ পাল
　　দ্বাদশ পৰ্ব্বতত চৰে সৰ্ব্বকাল।
ন পুখুৰীত খায় পানী,
　　চাৰি টোমত বান্ধে আনি।

তিনিশ ষাঠি হস্তী=দেহত হাড়ৰ সংখ্যা ; দ্বাদশ পৰ্ব্বত—দ্বাদশ স্কন্ধ ভাগৱত ; ন পুখুৰী—ন বিধ ভক্তি ; চাৰি টোম—চাৰি শৰণ বা চাৰি পৰমাৰ্থ।

পদ আপদ, কীৰ্ত্তনে মুৰ টিঙটিঙায়
　　পিপৰাত দিলে গুলি ;
এটা পিপৰাই নটা হাতী গিলিলে
　　তলপেট খজুৱাইছে বুলি।

(এটা পিপৰা—এটা মন : নটা হাতী—ন বিধ ভক্তি।

কহনা আছে বহনা নাই।
সাত হাল গৰুৰে নটা নাই।

সাত হাল—চৈধ্য প্ৰসঙ্গ ; নটা—ন বিধ ভক্তি ; ইত্যাদি।

কিছুমান ফকৰা আছে, ইহঁতৰ আকৌ একো একোটা শব্দৰ একো একোটা প্ৰতীকধৰ্ম্মী অৰ্থ আছে। এনে অৰ্থই পোনপটীয়া ফকৰাটোত গভীৰ পাৰমাৰ্থিক অৰ্থ দান কৰে। যেনে :—

বামুণ হৈ নবধে গাই,
ভকত হৈ নেমাৰে ভাই,
সাধু হৈ নেখায় মদ,
এই তিনি নেপায় পৰম্পদ।

ইয়াত গাই, গো—বেদ ; ভাই—ৰিপু ; মদ—ভক্তি ৰস। ব্ৰাহ্মণে যদি বেদাধ্যয়ন নকৰে, ভকত হৈ যদি ৰিপুসমূহ বশ কৰিব নোৱাৰে, সাধু হৈ যদি ভক্তিৰস পান কৰিব নেজানে তেনেহলে পৰম পদ লাভ কৰিব নোৱাৰে।

পোৰামাছে সভাপতি বসিয়া আছিলা।
তেৰ গোটা বোন্দা আসি তেখনে বসিলা।।
হেন দেখি পোৰা মাছ সাগৰে পৰিলা।
শুকাই গৈয়া সাত সাগৰ মাটিত পৰিলা।।

(পোৰা মাছ—মানৱ দেহা ; তেৰ গোটা বোন্দা—ৰিপু আৰু কু-ভাব ; সাগৰ—সংসাৰ। পোৰা মাছৰদৰে আধিদৈৱিক, আধি-ভৌতিক আৰু আধ্যাত্মিক তাপত দগ্ধ মানৱ দেহক কাম, ক্ৰোধ, লোভ, মোহ, বিষয়, আক্ৰোশ, স্তন, চক্ষু, মন, মুখ, নাক, শ্ৰৱণ আৰু হিংসা এই তেৰটা ভাবে আগুৰি লয়। ফলত এই সংসাৰখন অঠাই সাগৰত পৰিণত হয়। অঠাই সাগৰত ককবকাই ফুৰি মৃত্যুক সাৰটি হলে সাত সাগৰৰূপী সংসাৰ মাটিত পৰিণত হয়।

শাল-শিঙী দুয়ো হল ভকত।
কুচিয়া আতাক তুমি আনিয়ো লগত।

শাল—গীতা ; শিঙী—ভাগৱত ; কুচিয়া—বেদ। শাল, শিঙী, কুচিয়া তিনিওবিধ অখাদ্য। একালত গীতা, ভাগৱত আৰু বেদ শূদ্ৰৰ বাবে চুব-চাব নোৱৰা বস্তু আছিল। মহাপুৰুষে গীতা, ভাগৱত আৰু বেদ মন্থন কৰি নামধৰ্ম্ম উলিয়ালে।

এইদৰে অৰ্থ ভাঙিব পৰা ভালেমান ফকৰা বাছি বাছি উলিয়াব পৰা যায়। এনে ফকৰাবোৰ দেখাত বিসঙ্গতিপূৰ্ণ যেন লাগিলেও অৰ্থ ভঙ্গাৰ পিছত উপভোগ্য হৈ পৰে।

ফকৰাবোৰৰ অৰ্থ আৰু ব্যাখ্যা প্ৰণালী বিশ্লেষণ কৰিলে দেখা যায় যে অধিকাংশ ফকৰাই বৈষ্ণৱ যুগৰ ৰচনা। বৈষ্ণৱ তত্ত্বসমূহত গূঢ়াৰ্থ আৰোপ কৰিবৰ বাবে একো একো ফাকি ফকৰা ৰচনা

কৰা হয়। কিন্তু শঙ্কৰদেৱৰ আগৰ মাধৱ কন্দলীৰ ৰামায়ণত ভালেমান ফকৰা পোৱা যায়। এই ফকৰাবোৰলৈ চালে এনে লাগে যেন শঙ্কৰদেৱৰ আগৰ পৰাই সাঁথৰৰদৰে অৰ্থব্যঞ্জক ফকৰা প্ৰচলন আছিল নতুবা আগৰ যুগৰ ৰচিত ফকৰাত পিছৰ যুগত নতুন ব্যাখ্যা দিয়া হৈছিল আৰু নতুন অৰ্থ সংযোজন কৰা হৈছিল। মাধৱ কন্দলীৰ ৰামায়ণত পোৱা এই ফকৰাবোৰত বৈষ্ণৱ ধৰ্ম্মানুগামী অৰ্থত পোৱা যায়।

টিপচিৰ বায়ে মেৰু পৰ্ব্বত উৰিল।
ভুনি সাপে সব নাগপুৰীক গিলিল॥

* * *

অন্ধলাৰ কান্ধত পেঙ্গুৱা যায় চড়ি।
পেঙ্গুৱাৰ উদ্দেশে অন্ধলা কাঢ়ে ভৰি॥

* * *

তুলা নিব নোৱাৰয় ভাৰ বান্ধে শিলে।
গুড়কুৰি পৰুৱায়ে হাতী গোট গিলে॥

* * *

ঢোল হেন ডিমা পাৰে চণ্ডাৰ বাদুলি।
পিপিৱা চটকে পৰ্ব্বতক লয় তুলি।

কথা গুৰু চৰিতত ফকৰাৰ সৃষ্টি আৰু কথোপকথন সম্পৰ্কে এঠাইত এইদৰে পোৱা যায়।

"আৰু এদিন শ্ৰীৰাম আতা যাওঁতে বেলা হ'ল। তেহে ছোট আতা বোলে দেখো বেলা হ'ল? বোলো বাপ, আছিলোঁ, খেদ কৰিছিলে গুৰুজনে। বোলে কি খেদ কৰিছিল দেখিলা? বোলে, 'সিয়ান চৰাই ভাও, লাম্ফ দি আহাৰ খায়, ফান্দত নিদিয়ে পাৱ। নাৱ দিলোঁ, ব'ঠা দিলোঁ আৰু দিলোঁ চৰি, বাই-বটি খাব নোৱাৰে কাৰ কোন বৈৰী।'' আমি গীত, পদ, ঘোষা, ভটিমা কৰিলোঁ, এ ডোলতো যে জীৱক লগাব নুৱাইলোঁ, এই চাৰি আঙুলৰ পৰা আন্তৰাব নপাৰিলো। 'ঠেং-তলে বোঁ যায়, মিছালৈ টোপনিয়াৱ।'

এই বুলি খেদ কৰিছিল। এঠাইত আছে—"তেহে গুৰু ফকৰা দিছে—'গাও ভাই গাও ; আনে খায় ডাব নাৰিকল, মাধৱে খায় লাও।"

কোনো কোনো সময়ত ভকত বৈষ্ণৱে ফকৰাৰে উত্তৰা-উত্তৰি কৰিছিল। কথা গুৰু চৰিতৰ মতে মাধৱদেৱ আৰু চৈতন্যদেৱৰ সাক্ষাৎ কালতো তেওঁবিলাকে ফকৰাৰেই কথা পাতিছিল।

"চৈতন্য ফকৰা মাতিছে—'বোলে আহিছা হৰিপো, কি বুলি কাঢ়িলা ৰাৱ ; সংসাৰ জুৰি গুৰু বহিছে ক'ত দি আহিলা পাৱ।' পাছে গুৰুজন ৰস থবকা খাই ছোট আতাৰ মুখলৈ চাই, বোলে বৰাপো, যাব নপাৰি। পাছে ছোট আতা মাতিছে—'হৰিৰ আজ্ঞাত আহিছোঁ গোঁসাই, পৃথিবীত দি পাৱ, হৃদয়ৰ মাঝে গুৰু আছে, আত্মা বিচাৰি চাওঁ।' আকৌ চৈতন্য মাতিছে—'শুদ্ধ সত্ব মাথা গোট থাকে ওপৰত। কি কাৰণে পৰি সেৱা কৰে চৰণত॥' ছোট আতা বোলে—'কোনজনে সেৱা কৰে কোনজনে লয় ; ইয়াৰ গুহ্য কথা মহন্তেসে কয়।'

ফকৰাবোৰ প্ৰকৃততে ভকতৰ সম্পত্তি। সেইবাবে ভকতৰ কৰ্ত্তব্য, নিয়ম-কাৰণ, আদৰ্শ আদি নিৰ্ণয় কৰি ৰচনা কৰা ভালেমান ফকৰা আছে। সেইদৰে ভকতিৰ বিষয়েও উল্লেখ কৰিছে।

ভকত সবু ভকত ভাওৰ ভকত মাজীখলা।
চাওৰ তলত ভকত আছিল দোখিও নেদেখিলা॥

* * *

ভকতি সুলভ ভকতি দুৰ্লভ
বিচাৰি পাবলৈ নাই।
থবা সি থানত থবা পথাৰত
যেন হাত মেলি পায়।

* * *

ভকতি ভোমাই-মাই ;
গুৰু কপটীয়া, শিচ আশাধাৰী
জীৱৰো তৰণি নাই।

* * *

কলিৰ ভকতি খোকোজা-খুকুজি
তিলে তিলে উঠে খং ;
মূৰত লাঠি মাৰি ভৰিত সেৱা কৰি
ভকতি লৱয় সঙ্গ।

অসমৰ বৈষ্ণৱ আদৰ্শত বেদান্তৰ প্ৰভাৱ অনস্বীকাৰ্য্য। আনপিনে যোগশাস্ত্ৰ, তন্ত্ৰ আৰু সাংখ্যৰ প্ৰভাৱো মানুহৰ মনত নপৰা নহয়। গতিকে সাংখ্য, বেদান্ত, উপনিষদ আদিৰ দুই-চাৰিটা তত্ত্ব ফকৰাৰ বুকুত সাঁথৰৰ সাঁচত সোমাই আছে।

এক জুপি বৃক্ষ আছে জগতক জুৰি।
তলে আছে ডাল-পাত ওপৰে আছে গুৰি॥

ইয়াত বেদান্তৰ অদ্বৈতবাদে একজুপি বৃক্ষৰূপে ধৰা দিছে।

কেইটামান ফকৰাত বৈষ্ণৱ ধৰ্ম্মৰ জনচেৰেক ভকতক সাঙুৰি লৈছে। এনে ফকৰাৰ অৰ্থ পৰম্পৰাগত ভাবে বাগৰি আহিছে আৰু তেনেকৈ নেজানিলে অন্য উপায়ে জানিব নোৱাৰি।

সভাত আহিৰ লাগে বৰালি ভকত।
মিৰিকা নাৰিয়া দুয়ো আছক লগত॥

(বৰালি—বদুলা পদ্ম আতা ; মিৰিকা—পৰমানন্দ আতৈ ; নাৰিয়া—নাৰায়ণদাস ঠাকুৰ আতা।)

ফকৰাবোৰৰ একো একোটা ভকতীয়া বা পাৰমাৰ্থিক অৰ্থ থাকিলেও অনেক ক্ষেত্ৰত ইয়াক সাধাৰণ অৰ্থতো ব্যৱহাৰ কৰিব পাৰি। বোধকৰো এনে দ্ব্যৰ্থবোধক ফকৰাৰ বাবেই পিছলৈ ফকৰা শব্দটোৱে যোজনা-পটন্তৰকো বুজাবলৈ ধৰে। তলত দিয়া ফকৰাবোৰ প্ৰকৃততে ভকতীয়া অৰ্থযুক্ত হলেও সাধাৰণ অৰ্থতো ব্যৱহাৰ কৰা হয়।

নিচিনে গছ নিচিনে ফল,
খান্দি মৰে বাঁহৰ তল।

* * *

সাত পুৰুষত নাই গাই,
কঁড়িয়া লৈ ক্ষীৰাবলৈ যায়।

* * *

আদা বোৱে খি,
ঠেঙ্গুলি ভাঙ্গে সি।

* * *

তয়ো ভকত ময়ো ভকত,
কোন ভকতৰ তপিনা শকত।

* * *

সাগৰত থাকে শঙ্খ,
নেগুৰীয়া শামুকে বোলে, ময়ো তাৰে বংশ।

* * *

গৰুৰ আগত টোকাৰী বায়,
শিং জোকাৰি ঘাঁহ খায়। ইত্যাদি।

ফকৰাৰ সংখ্যা যদিও চাৰিশতকৈয়ো অধিক, আটাইবোৰ এতিয়াও একে ঠাইতে পোৱা টান। এই ফকৰাবোৰ আজি নৈৰ্ব্যক্তিকতাই যদিও সামৰি লৈছে, মূলতে ফকৰাবোৰৰ সৃষ্টি-কাৰক একো একোজন পণ্ডিত আছিল। কথা গুৰু-চৰিত আৰু বৈষ্ণৱ পৰম্পৰাত অনেক ফকৰা কোনে, কাক, কেতিয়া কৈছিলে তাৰ ইতিহাস সংৰক্ষিত হৈছে। অনেক ফকৰাৰ অৰ্থ ব্যাপক আৰু গভীৰ। সাঁথৰৰ ঠাঁচত ৰচিত এই ফকৰাবোৰ অসমীয়া সাহিত্যতেই নহয়, ভাৰতীয় প্ৰাদেশিক ভাষাবোৰৰ ভিতৰতো অনন্য আৰু অমূল্য সম্পদ।

যোজনা-পটন্তৰ

প্ৰবচন বা যোজনা-পটন্তৰ লোক-সাহিত্যৰ এটি অমূল্য সম্পদ। মানুহে বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পটভূমিত যি জ্ঞান আৰ্জিছিল সেই জ্ঞানৰ একো একোটি মণি-মুকুতাই হল প্ৰবচন বা যোজনা-পটন্তৰ। বহুতেই এই কথাৰাশিক "ফকৰা-যোজনা" শব্দেৰে সামৰিব খোজে কিন্তু ভালকৈ বিশ্লেষণ কৰি চালে প্ৰবচন, ফকৰা, যোজনা-পটন্তৰ, আটাইবোৰৰে সুকীয়া লক্ষণ বিদ্যমান। কোনো কোনোফাকি কথাৰ অন্তৰালত কোনোবা যুগত ঘটি যোৱা কাহিনীৰ কংকাল পৰি আছে; এনে কাহিনী কোনো ঠাইত প্ৰচ্ছন্ন আৰু কোনো ঠাইত প্ৰত্যক্ষ। এইবিধ কথাক আমি প্ৰবচন আখ্যা দিব পাৰোঁ। কিছুমান কথাৰ মূল কথাটো বুজাবলৈ লগত ছন্দস্পন্দ প্ৰয়োগ কৰি একোফাকি কথা এনেয়ে জোৰা দিয়া হয়, এনেবিধ কথাই হল যোজনা। পটন্তৰত সাধাৰণতে দুফাকি কথা থাকে আৰু দুয়োফাকি কথাৰ বিষয়-বস্তুৰ স্বভাৱৰ মিল থাকে আৰু সিটোৰ লগত ইটোক ৰিজাবলৈ ব্যৱহাৰ কৰা হয়। বাস্তৱ ক্ষেত্ৰত এই কেইটা শব্দ প্ৰায় সমাৰ্থক আৰু আজিকালিৰ ব্যৱহাৰত ইয়াৰ পাৰ্থক্য নাই কিন্তু আমি ভাগ ভাগকৈ আলোচনা কৰিছোঁ।

প্ৰবাদ বা প্ৰবচনবিলাক কোনো এটা ঘটনাৰ পটভূমিত সৃষ্টি হয়। তাৰ পিছত সমজাতীয় ঘটনাৰ পৰিণতি বুজাবলৈ বা ৰিজনি দিবলৈ উক্ত প্ৰবচন ব্যৱহাৰ কৰা হয়। গড়-গঞা কটাৰীৰ ডাবে কাটে; লালুকীলৈ কি তপত পানী লাগিছে; কুকুৰৰ নেজ দীঘল নিজে পাৰি বহে; ৰূপ হলে সোণ, সোণ হলে বজাৰ জীয়ৰীও পোন; এনেবিধৰ কথাক প্ৰবচন বুলিব পাৰি। যোজনা-

ফকৰাক সাধাৰণতে দুফাকি কথাৰে গঠিত। ইয়াৰে এফাকি শুনিবলৈ শুৱলা কৰিবলৈ সংযোগ কৰা হয়।

ধিনদোঁ বগৰী পাত,
ফুকনৰ টেকেলা এইফালে নাহিবা
বিহা নাইকিয়া গাত।

* * *

জালকে বুলিলে জকাই,
আন্ধাৰে-মুন্ধাৰে চিনিব নোৱাৰি
পৈয়েকক বুলিলে ককাই।

* * *

ঔটো পৰি কপৌটো মৰিল
বগে নিৰামিহ খায়;
সখীয়তী চৰায়ে ছুমাহলৈ বিনালে
সমুখত একোডাল নাই।

* * *

নাকত লাগিল পাক;
মহা ভকতৰ ছিদ্ৰ লাগিল
মেধি পাতিম কাক।

* * *

পাণৰ নেকাঢ়িবা চান;
সাতখন কোবৰ কঁড়িয়া গঢ়াই দিম
জোকাৰিবা লেবেলা কাণ।

* * *

শুন, কাণ-কটা শুন,
এখন তামোলক কোবা বান্ধি আনিলোঁ
সাঙী বান্ধি আনিলো চুণ।

* * *

আৰি কুমাৰৰ ঘৰি ;
কোনে বুলিব জহৰা ল'ৰাটো
বাপেকৰ নিচিনা ভৰি ।

*   *   *

শালক শিঙিয়ে হাঁহে ;
তয়ো কাজী ময়ো কাজী
ভালেতো গৰাকী নাহে ।

*   *   *

মাকে শলাগে জী,
বাপেকে শলাগে জী,
চা-চবুৰীয়াই যাক শলাগিব
সেয়েহে মাকৰ জী ।

যোজনাবিলাকত প্ৰকৃততে শেহৰপিনেহে আচল কথাটো কয় । কথা-বতৰা পাতোঁতে কোনো কথাৰ চুঙা চাই সোপা দিবলৈ, কথাৰ সামৰণি পেলাবলৈ বা সমানে সমানে উজান দিবলৈ যোজনা ব্যৱহাৰ কৰা হয় । একালত মানুহে যোজনাৰ ব্যৱহাৰ অধিক পৰিমাণে কৰিছিল । যোজনাবিলাকত হাঁহিৰ খোৰাক থকাৰ উপৰিও বুদ্ধি আৰু জ্ঞানৰো পৰিচয় পোৱা যায় । পটন্তৰবিলাকত সাধাৰণতে মিত্ৰাক্ষৰী ছন্দ ব্যৱহাৰ কৰি দুটা কথাৰ তুলনা দিয়া হয় । তাৰে ইটোৰ লগত সিটোৰ স্বভাৱৰ বা গুণৰ মিল থাকে । অসমীয়া ফকৰা যোজনা-পটন্তৰৰ ভিতৰত বোধকৰোঁ পটন্তৰৰ সংখ্যাই সৰহ ।

আটাইতকৈ তিতা নেমুটেঙাৰ পাত,
তাতোকৈ তিতা মাহী আইৰ মাত ।

*   *   *

ওৰাক নিন্দে কোৱাই ;
পুঠি-খলিহাক নিন্দে ভেকপেটী মোৱাই ।

*   *   *

তিৰীৰ লোনওৱা, বৰৰ্ণৰ কাণওৱা
ঘৰ চাই নকৰে মুখচ;
ইয়াতোকৈ নাই কুশ্চ।

*　　*　　*

সোণাৰিয়ে সোণ চিনে বৰাই চিনে কচু।
কথাচহকীয়ে কথা চিনে হাঁহে চিনে কেচু।

*　　*　　*

লগাওঁতে লগাওঁতে কেচা খীৰও লাগে।
ভগাওঁতে ভগাওঁতে মহামিত্ৰও ভাগে॥
লাগনী নহলে জুই নজ্বলে,
টুটকীয়া নহলে গাওঁ নবহে।

*　　*　　*

অসতীৰ সজ জ্ঞান।
গৰুচোৰৰ গঙ্গা স্নান॥

*　　*　　*

পোকলগা বিড়ালী ওপৰ চাঙত শোৱে।
থৰে খোৱা গাটো নেমুটেঙাৰে ধোৱে॥

অসমীয়া জীৱনৰ ভিতৰ-চ'ৰাত থূপ খোৱা জ্ঞান আৰু অভিজ্ঞতাৰ ভেটিত ৰচিত হোৱা পটন্তৰবিলাকত অসমীয়া জীৱনৰ বহুতো কথা পোৱা যায়। লোক-সাহিত্যৰ প্ৰসূতী হৈছে লোকপ্ৰজ্ঞা। লোকপ্ৰজ্ঞাৰ স্বতঃস্ফূৰ্ত্ত অভিব্যক্তিয়েই হল পটন্তৰ।

যোজনা-পটন্তৰবিলাকৰ গাতো নৈৰ্ব্যক্তিকতাৰ লক্ষণ স্পষ্ট। জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে জ্ঞানী হৈ উঠা কোনো কোনো পুৰুষে একো একোটা উক্তি কৰিছিল আৰু সিয়েই পৰম্পৰাগত ভাৱে যুগ যুগ ধৰি চলি আহিছে আৰু পুৰণি কালৰ সত্যতাক আজিও কষটি শিলত সোণৰ আঁক হিচাপে প্ৰতিপন্ন কৰিছে। অধিকাংশ

ফকৰা-যোজনা-পটন্তৰৰ ৰচনা-কালৰ কোনো সীমাৰেখা অঙ্কন কৰা সম্ভৱ নহয়। কিন্তু বুৰঞ্জীয়ে ঢুকি পোৱা কাহিনীৰ পটভূমিত ৰচিত হোৱা গোটাচেৰেক যোজনা-পটন্তৰৰ থূল-মূল সময় নিৰ্দ্ধাৰণ কৰিব পাৰি।

সজৰ লগত সজ সঙ্গীত মধুক কৰিলো পান।
বিক্ৰমাদিত্যৰ মূৰত উঠি গঙ্গাত কৰিলোঁ স্নান ॥

এই প্ৰবাদ বা প্ৰবচনটোৱে এটা নীতিমূলক কাহিনী সামৰি থোৱাৰ উপৰিও বিক্ৰমাদিত্য ৰজাৰ কথা কৈছে। সেইদৰে—

সাধোঁতে সাধোঁতে সাধনীক পালোঁ।
সাধনীক দিবলৈ দৰা নেপালোঁ ॥

* * *

বেজী হলেহে বটীয়া ম'ৰা হলেহে চালি।
গজ-দন্তৰ মুকুতা-মাণিক পালেসে পালি ॥

* * *

স্বৰ্ণপুৰী লঙ্কাতো ৰাক্ষসে বাস কৰে।
ক'ত শুনিছ খুন্ত ৰজাৰ বচন লৰে ॥

এই কেইটা প্ৰবচনৰ পৰা আমি চুতীয়া ৰজাৰ বিষয়ে জানিব পাৰো আৰু সেইদৰে ইয়াৰ ৰচনা-কাল সম্পৰ্কেও এটা অনুমান কৰিব পাৰোঁ। সেইদৰে তলৰ প্ৰবচনবোৰৰ ৰচনাকাল আহোম যুগ বুলি ঠাৱৰ কৰিব পাৰি আৰু ইহঁতৰ অন্তৰালত থকা ঘটনা-বোৰো উদ্ঘাটন কৰিবলৈ বুৰঞ্জীত আহিলা-পাতিৰ অভাৱ নহয়।

ৰহাৰ ৰহদৈ তিপামৰ ভাদৈ
শলগুৰিৰ আঘোণী বাই;
তিনিবো ডিঙিত ধৰি তিনিও কান্দিলে
সমথত একোটি নাই।

* * *

নগাওঁ, খৰঙী, কলিয়াবৰ মৰঙী
সাতবাজ মাৰিলো ভাই ;
চিকণ-সৰিয়হৰ মান ধ্ৰুনীয়া নাই।

* * *

ন-শ মৰীয়াই দুশ ধান পালোঁ,
হয় স্বৰ্গদেও গ্ৰুণ হব ;
নহয় স্বৰ্গদেও ধৰম হেন বস্তু ক'লৈ যাব ?

* * *

গড়গঞা মিতিৰৰ ভাও,
মুখে বোলে থাক থাক
ভৰিৰে হেঁচুকে নাও।

* * *

যাক নোৱাৰিলে সলালৰ শিলে,
তাক কি কৰিব খদ্ৰুৰাৰ কিলে।

* * *

টোলোঠাৰ কাণ, ইকাণ আৰু সিকাণ।

* * *

চিনাকি চাওদাঙে মানুহ কাটে,
চিনাকি চোৰে পিৰালি চুকত কাহে। ইত্যাদি।

যোজনা-পটন্তৰবোৰক বহুতো ক্ষেত্ৰত নীতিবচন বুলিব পাৰি। টেটকুটীয়া কৌশলেৰে বা পোনপটীয়া কথাৰে মানুহক শিক্ষা দিবৰ বাবে ব্যৱহাৰ কৰা হয়। এনে নীতি-বচনবোৰক শিথিল অৰ্থত নিষেধাজ্ঞা বুলিব পাৰি।

চপনীয়াক নিদিবা ঠাই,
ল'ৰা-ছোৱালীক নিদিবা লাই।

* * *

পনীয়া বাটত নহবা আগ্ৰা
দুখী কুটুমৰ নহবা আগা,

দুষ্টা ভনীৰ নহবা ভাই,
ঘন-পোৱাতীৰ নহবা জোঁৱাই।

* * *

পাবা চৰাই ভাঙিবা পাখি
বঢ়া ভাত নথবা ৰাখি।

* * *

মাছৰ নানিবা সৰু কুটা।
তিৰীৰ নানিবা বজাৰ লুটা ॥

* * *

নেৰিবা আদি মূল, নেৰিবা জাতি-কুল
নেৰিবা বোলা বচন।

* * *

আচুতত নিদিবা হাত।
ল'বা-ছোৱালীক লঘোণে নথবা
দিবা গধূলিতে ভাত।

* * *

অলপ জুইৰে ধপাত নাখাবা,
সৰু মানুহৰে কথা নহবা ॥ ইত্যাদি।

কেৱল নিষেধাজ্ঞাই প্ৰয়োগ কৰা নাই, পোনপটীয়া উপদেশো দিছে।

ৰজাক চিনিবা দানত,
তিৰীক চিনিবা টানত,
খুৰক চিনিবা শানত,
ঘোঁৰাক চিনিবা কাণত।

* * *

শত্ৰু বান্ধনে বান্ধিবা।
মিত্ৰ বান্ধনে আনিবা ॥

* * *

মাটি কিনিবা মাজ খাল,
ছোৱালী আনিবা মাক ভাল।

* * *

ছাগলী কিনিবা এচাৰিশিঙীয়া
গৰু কিনিবা গাই ;
ভাল মানুহৰ ছোৱালী আনিবা
তাই ঘৰ ধৰি খায়।

* * *

সু-বাট দূৰ গমন, বাট নিদিবা এৰি,
বুঢ়ী হলেও জীয়ৰী আনিবা, তেওঁ নানিবা বাঁৰী।

* * *

আহু চাবা গধূলি, শালি চাবা পুৱা।
জাকে বাওঁতে ছোৱালী চাবা, কোন কেনেকুৱা ।।

ইত্যাদি।

কিছুমানত প্ৰত্যক্ষ বা পৰোক্ষ উপদেশ নাই কিন্তু তাৰ অৰ্থ বিচাৰ কৰিলে দেখা যায় যে বাক্যটোৰ অন্তৰালত এটা নীতি বা উপদেশ সোমাই আছে। যেনে :—

পঢ়ায়, পঢ়ে, বোৱে পাণ,
এই তিনিয়ে নিচিন্তে আন।

* * *

জ্ঞানীক ভাত দিলে তলমূৰ কৰি খায়,
অজ্ঞানীক ভাত দিলে চাল-বেৰ চায়।

* * *

গছত কঠাল ওঁঠত তেল,
নো খাওঁতেই চেল-বেল।

যোজনা-পটন্তৰবিলাক প্ৰকৃততে জ্ঞানী আৰু বুধিয়ক মানুহৰ ৰচনা, গীতিকে অলংকাৰ শাস্ত্ৰৰ দৃষ্টিৰে আমি নানান ভাগত ভাগ কৰি উলিয়াব পাৰো। বুদ্ধিদীপ্ত হাস্যৰস, ব্যঙ্গ হাস্যৰস আদিৰ উপৰিও অপ্ৰস্তুত প্ৰশংসা বা ব্যাজস্তুতি, বিৰোধ,

শ্লেষালংকাৰ আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। 'চৰাইটিহে সৰু, লয় হোলোং গছত বাহ'; 'কঠীয়াহে চুটি, জেঠতে পৰা' আদি প্ৰবচনে বিৰোধাভাস অলংকাৰৰ উৎকৃষ্ট উদাহৰণ দাঙি ধৰে। আনপিনে 'মাকতকৈ জীয়েক কাজী, ঢেঁকী থোৱা লৈ বাটে পাজি'; 'শালক শিঙিয়ে হাঁহে, তয়ো কাজী, ময়ো কাজী, ভালেতো গৰাকী নাহে'; 'মাকে শলাগে জী, বাপেকে শলাগে জী; চা-চুবুৰীয়াই যাক শলাগিব, তাইহে মাকৰ জী' ইত্যাদি ব্যাজস্তুতিৰ উদাহৰণ। বহুতো যোজনা-পটন্তৰত ব্যঙ্গ হাস্যৰসৰ চানেকী দেখিবলৈ পোৱা যায়। যেনে:—'আস্তেজ' নন্দ গোৱালে, খায় বোন্দা শিয়ালে', 'আদা চুৰুনী বাই; মনে উদগুদায়'; 'ঢেঁকীত মহে বায় উৰালত ফৰফৰায়'; 'কটৰাই সাতদিনলৈ জ্বৰায়' ইত্যাদি।

প্ৰবচনবিলাক বিশ্ব-মানৱৰ সমূহীয়া অভিজ্ঞতাৰ অভিব্যক্তি। সেয়েহে অনেক কথাৰ মাজত মিল দেখা যায়, যদিও ভাষাৰ মাজত পাৰ্থক্য আছে। "A proverb is one man's wit and wisdom of many." এইষাৰ কথাৰ মাজেদি পৃথিবীৰ বিভিন্ন ভাষাৰ প্ৰবচনবিলাকৰ লগত ভাবৰ ঐক্য দেখা যায়। গ্ৰীক, লেটিন, সংস্কৃত আদি পুৰণি ভাষাৰ কথা এৰিও আধুনিক ভাষাবিলাকৰ প্ৰবচনবোৰৰ মাজত অনেক ক্ষেত্ৰত ভাবৰ ঐক্য আছে। লেটিন ভাষাৰ Flecteri sinequeo superos Archerouta movebo, দেৱতাক লৰাব নোৱাৰিলে নৰককে ঘোদালিম আমাৰ অসমীয়াত মাছ নেপালে বিলকে ঘোদালিম। ফৰাচী ভাষাৰ Au ryaume des avengels les borgnes sant ois, কণাৰ ৰাজ্যত এচকুৱাই ৰজা, আমাৰ গছ নোহোৱা দেশত এৰাই বৰগছ, 'যস্য দেশে দ্ৰুমো নাস্তি এৰণ্ডোপি দ্ৰুমায়তে' ইয়াৰ সমাৰ্থক। লেটিনৰ Rüse con trerus, ঢেঁকুৰৰ বিৰুদ্ধে ঢেঁকুৰক লগাবা আমাৰ 'হুলক হুলেৰে কাঢ়িবা'ৰ লগত হুবহু মিল আছে।

ইংৰাজী ভাষাৰ প্ৰবচনৰ লগতো অনেক মিল পোৱা যায়, কোনোটো পোনপটীয়াকৈ মিলে, কোনোটোৰ অৰ্থ'ৰ মিল আছে। What is yours is mine and what is mine is my own, তোৰটি হলে মোৰ, মোৰটি হলে বাপেৰেও নেপায় তোৰ। সেইদৰে The very ruins of greatness are great, কণা হক কুঁজা হক ভুঞাৰ পোৱালি কিন্তু cut your coat according to your clothৰ পোনপটীয়া প্ৰবচন আমাৰ ভাষাত নাই সঁচা কিন্তু সমাৰ্থ'ক প্ৰবচন আছে। উক্ত কথাৰ অৰ্থ'—আয় চাই ব্যয় কৰিবা বুলি কৰিলেও ই নিতান্তই অৰ্ব্বাচীন। অসমীয়াত আঠুৰা চাই ঠেং মেলিবা বা নগাটো চাই হোৰাটো দিবা কথা দুষাৰ বেছি অৰ্থ'ব্যঞ্জক।

ভাৰতৰ প্ৰাদেশিক ভাষাবিলাকৰ মাজত প্ৰচলিত অনেক যোজনা-পটন্তৰ আছে আৰু সেইবোৰৰ মাজত মিলো দেখা যায়। অসমীয়া আৰু বঙলা ভাষাৰ ভিতৰত মিল থকা কেইটামান যোজনা-পটন্তৰ তলত দিয়া হল।

বঙলা	অসমীয়া
বাপেৰ জন্মে নাইক' গাই।	সাত পুৰুষত নাই গাই
চালুনি নিয়ে দুইতে যায়॥	কড়িয়া লৈ খীৰাবলৈ যায়।
নিম তিতা নিসিন্দা তিতা	আটাইতকৈ তিতা
আৰও তিতা খৰ।	নেমুটেঙাৰ পাত।
তাৰ চেয়ে অধিক তিতা	তাতোকৈ তিতা
বোন সতিনেৰ ঘৰ॥	মাহীআইৰ মাত॥
যাৰ কৰ্ম্ম তাৰে সাজে।	যাজিব লাগে টেমী-কটাৰী।
অন্য লোকৰ লাঠি বাজে॥	বাজে পথৰুতং॥
যাৰ মৰণ যেখানে।	চৰণেহে জানে মৰণৰ ঠাই।
না কৰা যায় সেখানে॥	ছুচিৰ-বাগৰি তালৈকে যায়॥

মানুহৰ চৰিত্ৰ মানুহৰ বাবে সদায় ৰহস্যময়। সেইবাবে চৰিত্ৰ সম্পৰ্কীয় অনেক কথাই যোজনা-পটন্তৰত ঠাই পাইছে। স্ত্ৰী-পুৰুষ উভয়ৰ বিষয়েই ইয়াত আলোচনা কৰা হৈছে।

চোৰে নেৰে চোৰ পকিঁত
কুকুৰে নেৰে ছাই,
যাৰ যি পকিঁতি
মৰিলে লগত যায়।

* * *

খাবলৈ নোহোৱাৰ পেট ডাঙৰ।
পিন্ধিবলৈ নোহোৱাৰ কংকাল ডাঙৰ ॥

* * *

মোতে শিকিলি, মোতে বিকিলি।
ঢোৰা কাউৰী হৈ মোকে খুটিলি ॥

তাৎকালিক বুদ্ধিৰ এটি বঢ়িয়া চানেকী যোজনা-পটন্তৰ বিলাক। বহুতো সময়ত এবকলা কথাৰ মোখনি মাৰিব পাৰি এষাৰ কথাৰেই। এনেকুৱা কথাবিলাক জুকিয়াই কথোপকথনৰ ঠাঁচত উলিয়াব পাৰি। সতিনীৰ ঈৰ্ষা আৰু খোৱা-কামোৰা চিৰন্তন ৰীতি। নতুন সতিনী অহা দেখি পুৰণি সতিনীয়েকে কৈছে—

আহিছ সতিনী থম চুকত,
তুৰি-মুৰি কৰিলে গোৰ দিম বুকত।
উত্তৰ— লাটিম বৰুৱাক চাটিম,
লাগে চাৰিকড়া কাৰিমেই তেও
তোৰে সতিনী খাটিম।
আকৌ— তিনিটাতে টেটেৰী ৰাহপাতৰ জুই।
কোন জনী আহিছ কাৰ সতিনী হই ॥
উত্তৰ— তয়ো মাকৰ জী, ময়ো মাকৰ জী।
তপত জাতক ফেঁচা কৰো
মেঁচা পোৱাকা ঘি।

এনেকুৱা পানী নসৰকা উত্তৰ দিয়াৰ পিছত আৰু তৰ্কৰ বাট নেথাকে।

বিষয়বস্তু অনুযায়ী আমি যোজনা-পটন্তৰবিলাক বহুতো ভাগত ভাগ কৰিব পাৰোঁ। মানুহৰ সামূহিক অভিজ্ঞতাই সৃষ্টি কৰা এই যোজনা-পটন্তৰ বিলাকক লোক-জ্ঞানৰ ভঁৰাল বুলিব পাৰি। মানুহৰ জাগতিক জীৱনত প্ৰয়োজনীয় সকলো কথাকেই ইয়াত সামৰি লোৱা হৈছে। মানুহৰ কিছুমান জাতিগত দোষ বা গুণ আছে। ফকৰা-যোজনা-পটন্তৰত সেইবোৰ দোষ বা গুণৰ স্বীকৃতি দিছে। লোক-সাহিত্যৰ এপদ বহুমূলীয়া সম্পদ হলেও চৰ্য্যাপদৰপৰা আৰম্ভ কৰি বৈষ্ণৱ যুগৰ কবিসকলৰ ৰচনাত লিখিত ৰূপত সোমাই পৰিছে। মাধৱ কন্দলীৰ ৰামায়ণত অনেক প্ৰবচনে ভাবৰ জাতীয়তা প্ৰকাশ কৰাত সহায়তা কৰিছে। লিখিত ৰূপতেই হওক বা মৌখিক ৰূপতেই হওক, যোজনা-পটন্তৰসমূহ বুদ্ধি আৰু জ্ঞানৰ উৎকৃষ্ট চানেকী আৰু অসমীয়া লোক-সাহিত্যৰ বহুমূলীয়া সম্পত্তি।

বিয়ানাম

বিয়া মানুহৰ জীৱনৰ এটি স্মৰণীয় ঘটনা। অকলশৰীয়া জীৱনলৈ নতুন আলহী আহে। সৃষ্টিৰ পাতনি মেল খায়, যুৱতীয়া জীৱনৰ আৰম্ভণি হয়। সেইবাবেই বিয়া উৎসৱত পৰিণত হৈছে আৰু আনন্দমুখৰতাই বিয়া উৎসৱক উজলাই তুলিছে। বিয়াৰ উদুলি-মুদুলি লগা পৰিবেশত যি মধুৰ আনন্দই ধৰা দিয়ে সিয়ে হল বিয়ানামৰ উৎস। কাৰুণ্যই মধুৰ কবিতা সৃষ্টি কৰে বুলি এষাৰ কথা থাকিলেও কৰুণ আৰু হাস্যৰসৰ মাজত যি গভীৰ সম্পৰ্ক আছে, সেই সম্পৰ্কই আনন্দৰ আৱেগ আৰু অনুভূতিৰ সৃষ্টি কৰে আৰু কাব্যিক ৰূপত ধৰা দিয়ে। বিয়া নামৰ বিষয়বস্তু আৰু উপলক্ষ্যৰ প্ৰতি লক্ষ্য কৰিলেই এই সত্যটো উপলব্ধি কৰিব পাৰি। আনন্দৰ স্বতস্ফূৰ্ত্ত আৱেগত নামৰ পাতনি তৰি এঘৰলৈ উলিয়াই দিয়া ছোৱালীজনীৰ লগত হোৱা বিচ্ছেদৰ বেদনাত ভাগৰি পৰে আৰু কৰুণ কণ্ঠেৰে গায়—

> কালি এতেবেলি আছিলা আইদেউ
> মাতাৰ পালেঙত শুই,
> আজি এতেবেলি যাবলৈ ওলালা
> অৰণ্যত লগালা জুই।

সবুৰে পৰা তুলি-তালি ডাঙৰ দীঘল কৰা চেনেহৰ গাভৰুজনী এঘৰলৈ উলিয়াই দিওঁতে বুকুৰ অৰণ্যত জুই জ্বলে। কিন্তু কি হব ?

> আইদেউৰ মজিয়াত কোনে উমলিলে
> কৰচন চৰাইৰে পাখি,
> আন্ধাৰি মজিয়া উজলাই আছিলা
> বামে লৈ যাব আজি।......

আগেয়ে ককাইদেউ কই ফুৰিছিলা
আইদেউ কতবাৰ খায়,
এতিয়া ককাইদেউ চোৰা মনে কৰি
বৰ ঘৰ সুন্দা হৈ যায়।
কতক অসন্তোষ কৰা ঐ আইটী
আমাৰ পুৰি আছে হিয়া,
পুত্ৰ হলাহেঁতেন ৰখাই থলোঁহেঁতেন
কি কৈ দিম মাধৱত বিয়া।

সেয়েহে শেষত আৱেগৰ ভৰত ৰব নোৱাৰি কৈছে—

আইদেউৰ নামেৰে কইনা নতুলিবা
গৰ্ভতো নিদিবা ঠাই।

বিয়ানাম লোক-সাহিত্যৰ এপদ আপুৰুগীয়া সম্পত্তি। আনপিনে বিয়ানামৰ উৎস হল নাৰী-হৃদয়। সেইবাবেই বিয়ানামত নাৰীসুলভ ৰচনাশৈলী আৰু কোমলতা বিদ্যমান। লোক-সাহিত্যৰ অন্য ঠালৰ দৰেই বিয়ানামৰ ৰচনা-নৈপুণ্য, শব্দ-যোজনা, ভাষাৰ সৌষ্ঠৱ, ভাবৰ মাধুৰ্য্য আৰু চিত্ৰ প্ৰাচুৰ্য্য স্বাভাৱিকতে সাৰ্ব্বজনীন আৰু চমৎকাৰ। ভাষাৰ সাৱলীল গতি আৰু মৃদু মধুৰ ছন্দস্পন্দই বিয়ানামত যাদুকৰী পৰশ দিছে। নাৰী-মনৰ আৱেগ বিয়ানামত পাৰ বাগৰি বৈ আহিছে। যিবোৰ চিত্ৰই বিয়ানামত ভূমুকি মাৰিছে তাত নাৰী-জীৱনৰ বহুতো কথাই ফটফটীয়া হৈ ফুটি ওলাইছে। বিয়া সৃষ্টি-পাতনিৰ ভেটি।

এঙ্গনি জেঙ্গনি তিনি ফেৰেঙ্গনি
মাণিক থোপাথুপি লাগে;
হৰলৈ গোৰীকে নিদিওঁ নুৰুলিবা
সৃষ্টি বাঢ়িব লাগে।

কিন্তু এবি পঠিয়াবৰ বেলিকা বুকুৰে নসহে। সেইটি চিত্ৰও ফুটি উঠিছে।

মাকে কান্দিছে জীয়েকৰ মৰমত
বাপেকে কান্দিছে কিয় ?
বান্দিছে আইদেউলৈ ইমানেই মৰম
শৰাই ভাঙি থালে কিয় ।

* * *

মাৰে তুলিলে কতনা দুখেৰে
লোকৰ ঢাপৰ কচু খাই ;
বাপেৰ বিলনীয়া বিলাই পঠিয়ালো
লোকৰ কটা তামোল খাই ।

সেইবাবে এই সমস্যাৰ সমিধান দি শেষত কৈছে—

কেলেই কুটিলা চুমেকৈ পচলা
লোকে বাটি ভৰাই খাব ;
কেলেই তুলিলা ৰূপহী আইদেউ
লোকে বনে কৰাই খাব ।

জীৱনৰ কঠোৰ সংগ্ৰাম ক্ষেত্ৰলৈ উলিয়াই পঠিওৱা আলসুৱা গাভৰুজনীক কষ্ট নিদিবলৈ, শাহুৱেকৰ অসহিষ্ণু ব্যৱহাৰত যাতে কষ্ট নেপায়, আগতেই সতৰ্ক কৰি দিয়ে ।

আমাৰে আইদেউ নিচেই কুমলীয়া
নিচেই কলপাতৰ ধুৰি,
জাটিৰ নেজানে কঁকালৰ কাচুটি
মেলাৰ নেজানে চুলি ।......
সাতে ভাইৰ মাজৰে নুমলী আইদেউ
খায় দোৱা ভজা চিৰা ;
টান বন নিদিবা লঘোণে নথকা
চেঁচুকৰ জাম ভেঁটকা ।

চকুৰ চকুপানী চকুতে সামৰি সৃষ্টিৰ আদিম সত্যটো সাৰ্থক কৰিবলৈ এঘৰলৈ উলিয়াই দিবই লাগিব । কিয়নো—

চাউল চালিবৰে সুবৰ্ণ চালনী
বহি জাৰিবৰে কুলা ;
জীয়ৰী ধনেৰে কিনো দ'ল বন্ধাবা
উৰি যায় শিমলু তুলা ।

কিন্তু 'যাৰ কন্যা তাৰ বিবাহ ।'

সৰুতে আইদেউ মইনা পুহিলা
সজাতে সলালে পাখি ;
আটায়ে খুজিলে কাকো নিদিলা
থলা মাধৱলৈ সাঁচি ।

বিয়ানামৰ ৰচনা-কাল ঠাৱৰ কৰা টান কিন্তু সাধাৰণতে প্ৰচলিত বিয়ানামবোৰৰ ভাষা বৰ বেচি পুৰণি নহয় । কৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা, শিৱ-পাৰ্ব্বতী, উষা-অনিৰুদ্ধৰ বিয়াৰ কাহিনী জড়িত নামবোৰ স্বাভাৱিকতে পুৰণি । ইহঁতৰ ৰচনা-কৌশল আৰু ঠাঁচ দুয়োটাই পুৰণি ।

আগৰথন ভাৰত যি যি আনিছা
ৰৰচঁৰাৰ মুখত থোৱা ;
সদাশিৱ আজি কি কাৰ্য্যে আহিলা
হেমৱন্ত ৰাজাক কোৱা ।
লক্ষ্মী-সৰস্বতী দুই ভনী আহিছে
হৰৰে অলঙ্কাৰ লৈ ;
ওলাই আহা গৌৰী পিন্ধাহি সাদৰি
মেনকাৰ আগতে কৈ ।

* * *

ওলাই আহা কৌশল্যা ৰজাৰ মহাদৈ ।
শুভক্ষণে যাত্ৰা কৰি বোৱাৰী জোৰণ লৈ ।।
খাৰু লোৱা মণি লোৱা কুণ্ডল সাতেসৰী ।
তেল সেন্দুৰ ফণি লোৱা শৰাই ভৰি ।।

কৈকেয়ী ওলোৱা সুমিত্ৰা ওলোৱা
ওলোৱা ৰামৰে মাৱ ;
জনকৰ জীয়াৰী জানকী সুন্দৰীক
জোৰণ পিন্ধাবলৈ যাওঁ।

* * *

ৰুক্মিণীয়ে বোলে মোৰ কপাল নহয় ভাল।
নাহিলেক বেদনিধি নাহিলে গোপাল ॥……
ৰুক্মিণীৰ আগতে কৰা বেদনিধি
মনত নকৰিবা দুখ ;
কালি এতেবেলি হৰি লৈ আহিমে
দেখিব আমাৰে মুখ।
পাটীত বহি ৰুক্মিণীয়ে মাটিত মঙ্গল চায়।
কেতিয়া আহিব কৃষ্ণ সোণৰ বাংশী বাই ॥

* * *

বাণৰজাৰ জীয়ৰী সৰ্ব্বাঙ্গ সুন্দৰী
বহিছে কেপকৰা পাৰি ;
ওচৰতে বহি অনিৰুদ্ধ কোঁৱৰে
আছে ধনুশৰ ধৰি।
সৰ্ব্ব অলঙ্কাৰ সৰ্ব্বাঙ্গে জ্বলিছে
নেপুৰে ধৰিছে ভুলি ;
অনিৰুদ্ধ কুমাৰে ধনুশৰ ধৰিছে
কোনোবাই হৰিব বুলি।

পিছৰ যুগৰ বিয়াৰ বিবৰণী পোৱা নেযায়, কিন্তু ৰুৰুঙ্গীমূলক দুটি-এটি কথা পোৱা যায়। অন্যান্য লোকগীতত ৰুৰুঞ্জীৰ অৰ্থাৎ যুগৰ আঁচ পৰাৰ দৰেই বিয়ানামতো দুই-এটি আঁচ পৰিছে। বিশেষকৈ জোৰা-নামৰ অংশটোত বৰ্ত্তমান যুগৰ আধুনিকতম কথা-বতৰাও দিনকদিনে সোমায়ে আছে।

দৰা-কন্যাই হল বিয়াৰ মূল। গতিকে দৰা-কন্যাৰ ৰূপ-গুণ, পিন্ধন-উৰণ বিয়ানামৰ বিষয়বস্তু হৈ পৰিছে। নাৰীসুলভ আল-সুৰা প্ৰকাশ-ভঙ্গীৰে বিয়ানামত থকা চিত্ৰবোৰ সজীৱ হৈ উঠিছে। এয়া দৰা-কন্যাৰ সাজ-পাৰ—

গা চাই গামোচা আনাগৈ ঘুনুচা
কঁকাল চাই মেখেলা আনা।
মুখ চাই আৰচি আনা গই বানেচি
দাপোণ চাই মেলা গই চুলি।
গা-ধুই আইদেউ মাকক সুধিলে
মোলৈ কি সাজ আছে;
হাঁতে শুকুৰা মুঠিতে লুকুৰা
তোমালৈ সেই সাজ আছে।

* * *

আইদেউৰ চোতালত কি চৰাই চৰিলে
মজিয়াত মচিলে ঠোঁট;
একেই বগীতৰা সোণৰ পিলিপমৰা
দাপোণ চাই লৈছিলে ফোঁট।

* * *

কোনে বই দিলে ফুলাম কাপোৰখনি
তাঁতী বই দিলে তাৰি;
চটিয়াই লৈছে ওলমি পৰিছে
এতোলা সোণৰে পাঁৰি।

আইদেউৰ চঁপাকলীয়া আঙুলি পদুমৰ মৃণাল যেন ললিত বাঁলত হাতৰ ঠাৰিত সোণৰ খাৰু।

সোণাৰী শালতে নিতো টিকেটিকায়
আইদেউৰ হাততে খাৰু।
চিন্তা নকৰিবা আমাৰে আইদেউ
হুৰাগৈ আলাসৰ লাৰু।

নতুন সৃষ্টিৰ নতুন সত্যটোৰ সন্ধান দিবলৈ কেঁচা মাহ-হালধি ঘঁহি গা-ধুৱায়, বাছকবনীয়া কাপোৰ পিন্ধায়, চক্-চকীয়া অয়-অলঙ্কাৰে হাতে-কাণে জেউতি চৰায়। নাৰী শিল্পীৰ সূক্ষ্ম দৃষ্টিত এইবোৰ মনোহৰ চিত্ৰ জল্‌জল্ পট্‌পট্ হৈ জিলিকি উঠিছে আৰু কোমল কোমল শব্দৰে চিত্ৰবোৰ অঙ্কন কৰিছে। টিয়ঁহৰ জালি, কলাপাতৰ থুৰি, কেতেকীৰ পাহি, কপাহৰ জোলা, চেঁচুকৰ ডামডেউকা আদি শব্দই দৰা-কন্যাৰ ৰূপ একেআষাৰ কথাৰেই ফুটাই তুলিবলৈ সক্ষম হৈছে।

পৰ্ব্বতৰ চেকীয়া থোৰালি থোৰালি
নেখাই বা পাৰিব কোনে,
সমাজৰ মাজতে আইদেউ বহিছে
নেচাই বা পাৰিব কোনে।

* * *

থুৰি কলাপাত স্বৰগে লম্ভিলে
কঁকালে লম্ভিলে চুলি,
পাভ মাছ যেন কঁপিব লাগিছে
বেইতে খোপনি ধৰি।

* * *

জোকাৰি পিন্ধিলে সিপ্পাপৰ মেখেলা
মাকে আছিলে চাই ;
এইনো থানে-গড়ে মোৰ আই লাহৰী
উজনি বাজতে নাই।

* * *

আম মলে থোপা-থুপি, কদম মলে হালি।
বেইৰ মাজত পদ্ম জ্বলে, মেঘে ঢালে পানী ॥

* * *

তুলিতে তলিছা বহিছে ললিতা
শবাই লৈ মেলিছে চুলি ;
দহো আঙুলিয়ে বয় জৰালিছে
নুপুৰে ধৰিছে তুলি ।

* * *

ই বোলে আইদেউ সি বোলে আইদেউ
আইদেউ টিয়ঁহৰ জালি ;
আইদেউৰ চুলিটাৰ মেঘতকৈ অৰতাৰ
বংশীবদনৰ চুলি ।

* * *

আগলি পাততে বাঙলী হালধি
ঘঁহে ম'ৰা চালি ধৰি ;
কেলেই ঘঁহিছা কেতুৰি হালধি
আপুনি কেতেকীৰ পাহি ।

বিয়া এখনৰ আৰম্ভণিৰেপৰা শেহলৈকে ভালেমান সৰু-বৰ অনুষ্ঠান আছে। বিয়ানামত এই আটাইবোৰ অনুষ্ঠানৰ চিত্ৰ ফুটি উঠিছে। জোৰণ, মুৰত তেল দিয়া, পানী-তোলা, নোৱনি, মুৰত চাউল-দিয়া, মৰলত বহা, দৰা-কন্যা সজোৱা, গাঁঠিয়ন খুন্দা, দৈয়ন দিয়া, দৰা ওলাই যোৱা, দৰা-আদৰা, সুৱাগুৰি তোলা, হোমৰ গুৰিত কটাৰি-সলোৱা, বাহী বিয়া আদি অনেক ভাগত বিয়ানামবোৰ ভগাব পাৰি। ইয়াৰ উপৰিও নোৱাই-তোলনি আৰু লগুণ-দিয়নি বিয়াৰ নামো আছে। একো একো ফাকি বিয়ানামত উপৰোক্ত অনুষ্ঠানবোৰৰ হুবহু চিত্ৰ ফুটি ওলাইছে।

বিয়াৰ ৰভাতলী আনন্দৰ থলী। সেইবাবে আয়তীৰ কোমল কণ্ঠত বগৰৰ কঁপনি উঠে। দৰাঘৰীয়াই কন্যাঘৰীয়াক, কন্যা-ঘৰীয়াই দৰাঘৰীয়াক, নামতীয়ে ঘৰৰ গিৰিহঁতক আৰু পুৰোহিত বাপুক জোকাই নাম গায়। এই নামবোৰ জোৰানাম বুলি জনা-

জাত। জোৰানামবোৰ সাধাৰণ হাস্যৰসত সিক্ত হৈ উঠিছে কিন্তু কোনো কোনো ক্ষেত্ৰত গ্ৰাম্য-দোষৰ চিটিকনি নপৰা নহয়।

ফু দি জ্বলালো থাপ দি নুমালো
ফলীয়া তুঁহৰে জুই।
কন্যাৰ ককায়েকৰ দাড়িত জুই জ্বলালো
নোৱাৰিন তামোলৰ হৈ।
আগৰ পৰা গুৰিলৈ লাগিছে
লা-দোবোণৰ গুছ;
এখন তামোলেৰে বিয়াখন পাতিছে
মুহুদীন নকৰাব সঁচ।

* * *

জুইতৰ চপৰা দবাটো জপৰা
বহি ফটা কঁথা সীয়ে;
আমাৰে আইদেউ সৰ্ব্বাঙ্গ সুন্দৰী
বটীয়া বাটিৰ দিয়ে।

* * *

ই বাৰীৰ কচু সি বাৰীৰ কচু
একেখন চালনীত থাছো;
দবালি ঘৰীয়া নামতী কেইজনীক
আলোৱাহঁতলৈ বেচো।

* * *

বিধি পৰে বাপুদেৱে মাজে মাজে এৰে।
ঘৰত আছে খালৈপেটী তালৈ মনত পৰে॥

* * *

ববালি মাছবে তিনিটা টোটোলা
টেঙা দি খাবলৈ ভাল;
আমাৰ গুৰু বাপুৰ পেটটো গেৰেলা
অমতোল বাবলৈ ভাল।

* * *

তামোলৰ চকুৱা দবাটো খকুৱা
পিঠা খাওঁ পিঠা খাওঁ কৰে ;
সাতোটা ঢেঁকীৰে পিঠা খুন্দি দিলে
দবা চেৰেলিয়াই মৰে ।

বিয়াই দুটি জীৱনক, দুখন হিয়াক, দুটি মনক একৰূপত ওচৰ চপাই অনাৰ লগে লগে জীৱনৰ দায়িত্ব বাঢ়ে । এঘৰৰ বৰঘৰ শুৱনী গাভৰু ছোৱালীজনী গৈ এঘৰৰ বোৱাৰী হৈ এখন ঘৰ সংসাৰৰ চলোৱাৰ সকলো ভাৰ মূৰ পাতি লবলগীয়া হয় । সেইদৰে আও-ভাও নোপোৱা পিলিঙা ডেকাই বিয়াৰ দিনাই বান্ধত সোমাই পৰে ।

লাও ফুল ছিঙোতে ছিঁগিল লাওপাত
ছিঁগিল মুছিয়ালৰ জৰী,
মনৰ ঘোঁৰা মেলি ফুৰিব নোৱাৰা
ভাৰ্য্যা হল ঘোচামৰ জৰী ।

ঘৰুৱা-জীৱনৰ সহজ-সৰল চিত্ৰ কিছুমান বিয়ানামৰ বহু-মূলীয়া সম্পত্তি । এই চিত্ৰবোৰত এজনী ছোৱালীৰ মাজেদি অসমৰ জীয়ৰী-জীৱনৰ ইতিহাস প্ৰতিভাত হৈ উঠিছে ।

মাৰাৰ আছিলা লাচনি পাচনি
বাপেৰৰ কাচলি ধৰা,
ভায়েৰৰ আছিলা সমান ভাগে খোৱা
আজি পৰৰ জনে হলা ।

* * *

গা-ধুই আইদেউ চোতালত থিয়া
দেউতাক সুধিলে ভাত নেখাৱ কিয় ।
নেখাওঁ মই পিতৃদেউ পেটত নাই ভোক,
সাত গাঁও পাৰেকৈ দিলাহে মোক ।

* * *

আগেয়ে কৈছিলোঁ চেনেহৰ আই মই
থেকেবা নিদিবা ভাতত ;
আজিৰ খহিব পাজিৰ খহিব
লোকৰ ঠেকেচনি মাতত।

বিয়ানামৰ ভাষা সহজ, চিত্র সৰল। অলঙ্কাৰৰ প্ৰাচুৰ্য্য নহলেও নিচেই তাকৰীয়া নহয়। ৰূপক, উপমা আদি প্ৰচুৰ পৰিমাণে পোৱা যায়। তদুপৰি অনুপ্ৰাস, শ্লেষালঙ্কাৰ, পৰ্য্যায়োক্তি আদিৰ পৰিমাণো যথেষ্ট। ছন্দ অধিকাংশই পদ আৰু দুলড়ী আহি'ৰ। ভাষা আৰু প্ৰকাশ-ভঙ্গীৰ উপৰিও বিয়ানামৰ প্ৰাণ ৰক্ষিত হৈছে ইয়াৰ লয় আৰু সুৰত। বিয়ানামৰ জাত বা লয়ৰ আহি ইয়াৰ উপলক্ষ্য আৰু ভাষাৰ লগত খাপ-খোৱা। জাতবিলাকৰ সুৰত ব্যঙ্গ, হাস্য আৰু কৰুণ লয়ৰ সংযোজনাই বিয়ানামৰ লক্ষ্য আৰু উদ্দেশ্য সফল কৰি তোলে। বিয়া ভাগিবৰ সময়ত গোৱা নাম আৰু জাত সঁচাকৈয়ে মৰ্ম্মস্পৰ্শী।

সীতা, আইদেউ নবহে দলিচা তিতা।

*   *   *

অ' মন তগৰ,
আজি সুদা হল আইদেউৰ নগৰ।

*   *   *

অ' মন তৰা,
উঠা ৰাম-জানেকী সমাজৰ পৰা।

এইবোৰ দীঘলীয়া জাতৰ উপৰিও ৰাম ৰাম, ঐ ৰাম, হৰি ঐ, ৰাম কৃষ্ণ, ৰাধা আদি চুটি জাতো আছে। কোনো কোনো জাত সঁচাকৈয়ে সুৰীদ আৰু প্ৰাণস্পৰ্শী।

পাণ পদুলি পচালোঁ, অ' সুমেথিৰা,
হেঙেৰা ভেটালোঁ, অ' সুমেথিৰা,
কোনে ছিঙি ৰাম পাবে সুমেথিৰা
মইনা, মইনাই মতাদি মাতে

মাতে সুমেথিবা,
পাঁজি, পাঁজি কটাদি কাটে।

ভাৰতৰ অন্যান্য প্ৰাদেশিক ভাষাবোৰতো বিয়ানাম আছে। সেইবোৰতো নাৰী-মনৰ গভীৰ আবেগ আৰু স্বকীয় অভিব্যক্তিৰ স্বীকৃতি আছে। অসমীয়া ভাষাত বিয়ানামৰ সংখ্যা বৰ সৰহীয়া হলেও সম্পূৰ্ণাঙ্গ সংগ্ৰহ এতিয়াও প্ৰকাশিত হোৱা নাই। আধুনিক শিক্ষা আৰু সংস্কৃতিৰ নতুন ঢৌৱে বহুতো নগৰীয়া আৰু উপকণ্ঠ অঞ্চলৰ নাৰী-মন দূষিত কৰাৰ বাবে পুৰণি বিয়ানাম সিঁচৰিত হৈ পৰি আছে। এইবোৰ বিয়ানামত আচল অসমীয়া নাৰী-সমাজৰ সাহিত্যিক সৃষ্টি প্ৰতিভা আৰু মনোৰম চিত্ৰ সংৰক্ষিত হৈছে। কাবিক্য সৌন্দৰ্য্য, সুৰৰ মাধুৰ্য্য, আৰু চিত্ৰ-প্ৰাচুৰ্য্যই বিয়ানামক লোক-সাহিত্যৰ অমূল্য সম্পদ কৰি তুলিছে।

ধাইনাম

শিশুৰ সঙ্গীতপ্ৰিয়তা আৰু সঙ্গীতৰ স্বাভাৱিক মাধুৰ্য্যই হল ধাইনামৰ প্ৰাণ, শিশুৰ আমনি ভাঙি টোপনিৰ বাণ মাৰিবলৈ প্ৰয়াস কৰোঁতেই ধাইনামৰ জন্ম। এই নামবোৰৰ মাতত মোহলগা, সুৰত মৌ-বৰষা এটি সম্মোহনী শক্তি আছে। ধাইমাক বা মাকে শিশুক নিচুকাবলৈ এই গীত ব্যৱহাৰ কৰা বাবে ধাইনাম বা নিচুকনি গীত বোলে। গীত শব্দটো লোক-সাহিত্যত বিশেষ ক্ষেত্ৰতহে ব্যৱহাৰ হয়; সাধাৰণতে নাম শব্দই গীতকো বুজায়। সেয়েহে ধাইনামত নাম শব্দই ঠাই পাইছে।

ধাইনামৰ বিষয়বস্তু শিশুৰ উদ্দাম কল্পনা, মাকৰ উজ্জ্বল আশা, আৰু বিশ্বাস-অবিশ্বাসৰ কিছুমান শিশু-সুলভ সাঁথৰ। শিশুক লৈ এগৰাকী কৃষিজীৱী সমাজৰ মাতৃয়ে বুকুৰ এবুকু চেনেহ দি নিচুকাওঁতে যিটো সপোন দেখিছিল সি মাটিৰ সপোন, পৃথিৱীৰ সপোন।

মোৰ বোপাই সৰু বাথে বৰে গৰু
এচাৰি হেৰুৱাই কান্দে;
লোকৰ ধানে খাব কোবাই কিলাব
নৰুৱাই আনিব গৰু।

থুপুক-থাপাককৈ খোজ কাঢ়ি থুনুক-থানাককৈ এটি-দুটি মৌ-সনা কথা কোৱা পুতেক ডাঙৰ হৈ গৰু চৰাব। গৰু চৰাওঁতে এচাৰি হেৰুৱাই কান্দিব। কিন্তু মাক আশাবাদী। সৰু পোনাটোৱে লোকৰ ধান-খোৱা গৰুটো কোবাই-কিলাই লৈ আহিব। এইখন পুৰণি কৃষিজীৱী সমাজ। সৰুকালত গৰখীয়া হৈ গৰুচৰোৱা পুতেক ডেকা হৈ খেতিয়ক হব আৰু লখিমী ভঁৰাল বান্ধিব।

ধাইনামত মাতৃ-হৃদয়ৰ অভিব্যক্তি, আশা-আকাঙ্ক্ষা, মৰম-চেনেহ আদিৰ ইঙ্গিত পোৱা যায়। শিশুৱে ভোক লাগিলে কান্দে, কাৰণ কান্দোনেই শিশুৰ বল।

ভোকাতুৰ শিশু এটিৰ কান্দোন শুনি এগৰাকী মাকৰ অন্তৰত বিটি মাতৃ-স্নেহৰ নিজৰা বৈছে—

লাই হালে জালে আবেলি বতাহে
লফা হালে জালে পাতে ;
আমাৰে মইনাই হালিছে জালিছে
কালি আবেলিৰে ভাতে।

এয়া, এগৰাকী অসমীয়া মাতৃৰ মাতৃত্বৰ মধুৰ চিত্ৰৰ চানেকী হলেও বিশ্বৰ সকলো মাতৃৰেই প্ৰতিনিধিত্ব কৰিছে। কুমলীয়া মইনাটো লঘোণত কঁপি উঠা দেখিলে প্ৰত্যেক মাতৃহৃদয় অনুকম্পাত সিক্ত হৈ উঠিব।

শিশু-মনস্তত্বৰ উচিত বিচাৰ কৰা হৈছে ধাইনামবোৰত। সাধাৰণতে শিশুৱে আমনি কৰে দুটা কাৰণত—এটা টোপনি বিচাৰি আৰু আনটো কিবা বস্তু বিচাৰি। আকাশৰ জোন দেখি কেচুৱাই ব-লাগি চাই থাকে। কেতিয়াবা সৰু-কোমল হাতৰ ঠাৰি দুটি মেলি জোনবাইক মাতে। লগতে শিশু-মনৰ লগত তাল ৰাখি মাকেও কল্পনাৰ পখিলা-পাখিত উৰি জোনবাইৰ ওচৰত বেজী এটি বিচাৰি হাত পাতে।

জ ী এটি দিয়া,
বেজীনো কেলেই—সোনা সীবলৈ
সোনানো কেলেই—ধন ভৰাবলৈ
ধননো কেলেই—হাতী কিনিবলৈ
হাতীনো কেলেই—উঠি ফুৰিবলৈ
হাতীত উঠি পানীবাম ধৰলৈ যায়,
আলিবাটৰ মানুহে ঘূৰি ঘূৰি চায়।

সংসাৰলৈ নতুনকৈ অহা শিশু-মন হেজাৰ প্ৰশ্নৰে ভৰপূৰ। সেইবোৰ প্ৰশ্নৰ মাজতে মাকে পুতেক হাতীত উঠি ডাঙৰ মানুহ হোৱাৰ সপোন দেখিছে। শিশুৱে যেতিয়া কিবা বিচাৰি আমনি কৰে, তেতিয়া মাকে সঙ্গীতৰ নিজৰাৰে দুটি-এটি শব্দ শিশুৰ কাণত বাকি দিয়ে। শিশুৰ কল্পনা বাস্তৱৰ এৰি উৰি যায়, দিঠকৰ অভাৱ-অভিযোগ পাহৰি পেলায়, টোপনি আহি সাৱটি লয়; বিষয়ৰপৰা বিষয়ান্তৰলৈ প্ৰশ্ন বাগৰি যায়।

জোনবাই এ এটি তৰা দিয়া,
এটি তৰা নেলাগে দুটি তৰা দিয়া।
হালধীয়া চৰায়ে বাওধান খায়,
শহুৰৰ পুতেকে নাও মেলি যায়।
নাৱে বোলে টুলুং ভুটুং
বঠাই বোলে টুলুং ভুটুং
গধূলিতে গধূলিতে ডবা কোবায়।

মানুহ আশাত জীয়াই থাকে। শিশুৰ মুখত সেই আশা সুমুৱাই দিয়ে—

আমাৰে মইনা শুব এ
বাৰীতে বগৰী বুব এ
বাৰীৰে বগৰী পকি সৰি যাব
আমাৰে মইনাই বুটলি খাব।

*　　*　　*

মোৰ বোপাই লাহৰী
নেপাইছো আহৰি
ৰবা জুৰিছো আহু;
সেই ৰবা বানি
পিঠাগুৰি সানি
বোপাইলৈ লৈ যাম আমু।

কিন্তু কেতিয়াবা আশা সেমেকি যায়। শিশুৱে আশাত ঠেহ নেৰে। তেতিয়া উপায় কি? তেতিয়া মনত ভয়ৰ গুটি সিঁচি দিব লাগিব। তেহে শিশুৱে কান্দোন-কাটোন সামৰি টেপেচা মাৰি থাকে। শিশুৱে বাঘ-সিংহ দেখা নাই। সিহঁতৰ ভয়াবহতা শিশুক কথাৰে বুজাব নোৱাৰি; গতিকে এক কাল্পনিক, কাণখোৱা আৰু নিতৌ চুৰা-পাতনিত 'হোৱা হোৱা' কৰি ফুৰা 'শিয়ালীক' হে মাতে।

শিয়ালী এ নাহিবি ৰাতি,
তোৰে কাণ কাটি লগাম বাতি।

* * *

ই বোলে কাণখোৱা, সি বোলে কাণখোৱা
কাণখোৱাই কি কাম কৰে,
হাতত দা-খাঠি, কাণত ৰঙা ছাতি
লৰাৰ কাণ খাই ফুৰে।

শিশুৱে সঙ্গীতৰ মধুৰ ধ্বনিত ভোল যায়। সেইবাবে শিশুক ভাত-খুৱাওঁতে, গা-ধোৱাওঁতে আৰু মূৰ-ধোৱাওঁতে একোফাকি নাম গায়।

লাও কলি কলি
জিকা কলি কলি
মইনাই ভাত খালে বৰপীৰাত বহি।
মইনাই ভাত খালে ককায়েকে চক।
মাহীয়েকী পেহীয়েকী ঠেং তলে বক।

* * *

চিলাই নিয়ক কোৱাই নিয়ক
আমাৰ বোপা ভাওৰ দীঘল হক।

* *

চিলনীয়া বিলনীয়া
আমাৰ আইটিৰ চুলি বঢ়াই নিয়া।

চুঁচি-মাজি দিও মই
বাৰহতীয়া হবি তই।

মাকৰ শিশুৰেই সৰ্ব্বস্ব। শিশুৰ মুখলৈ চাই মাকে জীৱনৰ দুখ পাহৰে ; নিজৰ শিশুটিক সবাতোকৈ ধুনীয়া দেখে। মাকৰ দৃষ্টিত প্ৰত্যেক-জীয়েকে কি ৰূপত ধৰা দিয়ে তাৰ একোটি মনোমোহা চিত্ৰ ফুটি উঠিছে।

হাতী খোজে কাঢ়ে শুদুৰে-পুদুৰে
ঘোঁৰাই খোজ কাঢ়ে লৰি ;
শিলৰে আলিতে সোণে খোজ কাঢ়ে
টিয়ঁহৰ জালি যেন ভৰি।

* * *

বৰচ'ৰাৰ মূৰতে বকুল ফুল ফুলিছে
নিতৌ তিনিপাহি সৰে ;
মইনাৰ মুখলৈ চাবকে নোৱাৰি
হীৰা কি মুকুতা জ্বলে।

* * *

আমাৰ আইটি নিচেই কুমলীয়া
নিচেই কলাপাতৰ থুৰি ;
পিন্ধিব নেজানে ক'কালৰ কাছুটি
বান্ধিব নেজানে চুলি।

লোক-সাহিত্য সদায়েই লোক-সমাজৰ অলিখিত ইতিহাস। লোক-সাহিত্যৰ বুকুত বুৰঞ্জীবিদে নিলিখা বা লিখিবলৈ পাহৰা কথাও সোমাই আছে। লোক-সাহিত্য আনকথাত সামাজিক বুৰঞ্জী। সমাজৰ চাৰি-চকুত নপৰাকৈ থকা বহুতো কথা ধাইনামতো পোৱা যায়। এধানমানি ছোৱালীজনী গাভৰু হৈ বেতিয়া এঘৰৰ বোৱাৰী হৈ যাব, তেতিয়াৰ এখনি চিত্ৰ ইয়াত ফুটি উঠিছে —

জোনবাইৰ আগৰে একোটি তৰা,
আয়ে বিয়া দিলে গঁঠীয়া দৰা।

হেৰ' তই গ'ঠীয়া নেপাব গালি,
আইৰ ঘৰলৈ বাম ভাঁৰ পথালি।

আইয়ে বুলিব মোৰ জী আহিছে
ৰবা ভাত এগালি বান্ধো ;
বোপায়ে বুলিব মোৰ জী আহিছে
গ'বালৰ হাঁহিনী মাৰো।

* * *

কামচৰাই ৰঙা ঠোঁট
তাতে মাৰে সেন্দুৰ ফোঁট
পিতাই ঐ দুবৈকে নিদিবি মোক ;
ইবাই বোলে ভাতৰ দুখ,
সিবাই বোলে মাতৰ দুখ,
পিতাই ঐ খেজালি মাৰিব মোক।

এসময়ত দেশৰ প্ৰত্যেক সন্তানেই মাতৃভূমি ৰক্ষা কৰিবলৈ আপোন-মনে ৰণলৈ গৈছিল। সেয়েহে তাহানিৰ মাক এগৰাকীয়ে পুতেক ৰণুৱা আৰু বিষয়া হোৱাৰ আশা পুহিছে—

ৰাৰতে ৰগালে জয়ন্তী পৰুৱা
ৰগায় চোমগছত মুগা ;
আমাৰে মইনাই ৰণলৈ ওলাইছে
সজাই এ পৰলা ঘোঁৰা।

* * *

গাৱঁৰ মাজে মাজে কল শাৰী শাৰী
বাদুলি পাৰি এ খায় ;
বোপাটিৰ হাততে সোণৰ কাঁড় এপাটি
বাদুলি কঁড়িয়াই যায়।

* * *

বাপুকণ ধুনীয়া পাটৰ চুৰিয়া
মুৰত হেঙুলীয়া ছাতি ;
বাটৰ বাটৰুৱাই বৈ বৈ সুধিছে
কোন বিষয়াৰ নাতি ।

* * *

বুঢ়ী আই এ কৰাই ভাজি দিয়া খাওঁ,
ইকৰা পাতেৰে নাও সাজি দিয়া
বঙাল মাৰিবলৈ যাওঁ ।
বঙালো মাৰিলা ভালকে কৰিলা
আমালৈ আনিছা কি ?
তোমালৈ আনিছো পৰলা যোঁৰাটো
সোণৰে শিকলি দি ।

ধাইনামৰ ৰচনা-কাল নিৰ্দ্ধাৰণ কৰা টান। অতি পুৰণি কালতে কোনোবা স্বভাৱ-কবিৰ হিয়াৰপৰা নিগৰি ওলোৱা একো-ফাকি গীত বা নাম সময়ৰ সোঁতত ঘঁহনি খাই ক্ষীণাই গৈছে নতুবা পলস পৰি দীঘল হৈছে। এইদৰে সোঁতত বৈ আহোঁতে যুগৰ সাঁচ পৰাটো স্বাভাৱিক। ধাইনামত মধ্যযুগৰ বুৰঞ্জীৰ সাঁচ পৰিছে। গড়গাওঁ এসময়ত অসমৰ ৰাজধানী আছিল আৰু গীত-মাত, সাহিত্য-সংস্কৃতি সৃষ্টিৰ বাবে অনুপ্ৰেৰণাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল।

এফালে বান্ধিছে চেঁউৰী কাজলী
এফালে বান্ধিছে হাতী ;
হাতীৰে ওপৰত কোনে কাঁহ কোবায়
ভৰালী বৰুৱাৰ নাতি ।
ভৰালী বৰুৱাৰ ছজনী তিৰোতা
তাৰে সৰু জনী কাজী ;
কাজীৰে জীয়েকক আনিব খুজিলো
মাটিৰে মুদল সাজি ।

মাটিৰে মৃদঙ্গ ঘিটিঙাই বাজিলে
গড়গাওঁ দেশলৈ শুনি।
গড়গাওঁ দেশতে কোঁৱৰ বহি আছিল
পাত কটা দাঁড় যেন দেখি।

ৰতনপুৰ প্ৰাক-আহোম যুগত ভূঞাসকলৰ কৃষ্টি-সংস্কৃতিৰ কেন্দ্ৰ আছিল। ধাইনামত ৰতনপুৰে শিশু-কল্পনাৰ ছয়া-মায়া ছবি হৈ জিলিকি উঠিছে।

ঢোল বায় ক'ত—ৰতনপুৰত
তাল বায় ক'ত - ৰতনপুৰত,
কোৱাই কেলকেলায় বান্দৰী নচুৱায়
বাঁহবাৰী, বাঁহবাৰী গোসাইঘৰত।

* * *

শিয়ালীৰ মূৰতে মৰুৱা ফুল,
শিয়ালী পালেগৈ ৰতনপুৰ।

সঙ্গীতৰ মৌ-সনা সুৰত শিশুৰ কোমল অন্তৰ পমি পানী হৈ যায়। সেইবাবে অনাক্ষৰী মাকে শিশুক নিচুকাবলৈ কিছুমান নাম ৰচনা কৰিছিল। এনেকুৱা নামবোৰৰ কোনো অৰ্থ নাই, সুৰ বা লয়টোৱেই ইয়াৰ প্ৰাণ। অনুপ্ৰাস প্ৰচুৰ পৰিমাণে ব্যৱহাৰ কৰি সেই ধ্বনি বা লয় সৃষ্টি কৰিবলৈ প্ৰয়াস কৰা দেখা যায়।

চৈ চৈ এ চিচৈ পোৱালি,
লোণে-মাছে ভাত খাই কি কৈ খীণালি।
চৈ চৈ এ চিচৈ পোৱালি
বাটে টোকাই লৈ যায় টিকা জোকাৰি।

* * *

উৰে দবিকী ঘূৰে দবিকী
বাওলী দবিকীৰ বিয়া,
বাওলী দবিকীৰ বিয়াতে খাইছে
পচলা খৰিকাত দিয়া।

* * *

ভাটিক টিক্ আটিকে টিক অ' ল'মন
ভাটিক টিক্ আটিকে টিক্,
চৰাইনে পাখিলা টিক অ' ল'মন
ভাটিক টিক্ আটিকে টিক্।

* * *

ৰূপহী মদাৰে চুপহি পেলালে
পলাশে পেলালে কলি;
কোন বিশ্বকৰমে সাঁচত ঢালি এ
থইছে সোণেৰে ঢাকি!

আদিতে কোনোবা অনাক্ষৰী মাকৰ স্বতঃস্ফূৰ্ত্ত আৱেগৰ ভৰ সহিব নোৱাৰি এই নামবোৰ ওলাইছিল যদিও আজিৰ শিক্ষিতা মাকৰ মুখৰপৰাও এনে একোটি মুকুতা যেন নাম ওলোৱা টান। শিশুৰ মনস্তত্ব আৰু মাতৃ-স্নেহৰ মধুৰ পৰশে ধাইনামবোৰ চহকী কৰি থোৱাৰ উপৰিও কোমল কোমল শব্দৰ স্বচ্ছ-ৰঙীন কাব্য-চিত্ৰৰে ৰঞ্জিত কৰি তুলিছে। শিয়ালী, হালধীয়া চৰাই, দৰিকী, কামচৰাই, জোনবাই, তৰা, বাঁহৰ আগৰ বগলী, বকুল ফুল, পলাশ, মদাৰ, ভেকুলী, পৰুৱা আদি শিশুৰ চকুৰ আগত থকা চিত্ৰবোৰ ধাইনামত সজীৱ হৈ উঠিছে। অকল সেয়ে নহয়, সেই কাব্যিক চিত্ৰৰ মাজৰে শিশুৰে কল্পনা-শক্তি বঢ়াবলৈকো থল পাইছে। 'লাই হালে জালে আবেলি বতাহে', 'চকু তিৰেবিৰে কৰিছে আইদেউৰ', 'টিয়'হৰ জালি যেন ভৰি', 'এচাৰি হেৰুৱাই কান্দে', 'লৰুৱাই আনিব গৰু', 'কাম চৰাইৰ ৰঙা ঠোঁট', 'পাত কটা দাঁড় যেন দেখি', আদি একো একোটি সৰু ফাকিয়ে একো-একোটি উজ্জ্বল চিত্ৰ দাঙি ধৰে। মাতৃস্নেহৰ পৰশত সিক্ত হৈ উঠা ধাই-নামবোৰ অসমীয়া লোক-সাহিত্যৰ এটি অনুপম সুণীয়া সঁফুৰা।

ল'ৰা-ধেমালিৰ গীত

শিশু-মন চঞ্চল। লৰি-ঢাপৰি, জপিয়াই-ডেউ-দি সিহঁতে ভাল পায়। লগত সিহঁতৰ সঙ্গীতৰ লয়। ধাইনামে সিঁহতৰ সেই আশা পূৰণ কৰে। কিন্তু যেতিয়া মাকৰ কোলাত বহি নাম শুনাৰ যোগ্যতা অতীত হৈ যায় তেতিয়া কি কৰিব? তেতিয়া হাতেৰে কিবা এটা কৰি, ভৰিৰে জাপ মাৰি, মুখেৰে শব্দ উচ্চাৰণ কৰে। এই শব্দবোৰৰ সমষ্টিয়েই একো একোটা গীত। গীতৰ বিষয়বস্তুৰ ক্ৰম নাই; বিষয়ৰপৰা বিষয়ান্তৰলৈ বাগৰি যায়। গীতত লয় বা ছন্দস্পন্দ আছে, সেইটোৱেই ইয়াৰ প্ৰাণ।

আগুৰ গুৰ মাগুৰ জালি
ঘোঁৰাৰ আগত দিলো পানী,
ঘোঁৰাই বোলে নেখাওঁ পানী।
বিৰিণাৰ আগ ঐ
বনমালা ঘাটে
আটিবাম কাটিবাম
দলনীতে লাগি যাম।
দলো কেৰেকেৰায়,
গুটি ধৰেফৰায়,
গুটি ঔ মালী ভুবন পোৱালি
হাতত তৰোৱাল লৈ যাওঁ খেদা মাৰি।

হৈ-গুড়ু খেলোতে গোৱা এই গীতটোত নিৰ্দিষ্ট বিষয়বস্তু নাই কিন্তু বাঢ়িয়া ছন্দ আৰু ছন্দস্পন্দ আছে।

শিশুৰ দৃষ্টি আৰু জ্ঞানৰ পৰিসৰ সীমাবদ্ধ। গতিকে চকুৰ আগতে ঘটা কাহিনী একোটাই ল'ৰা-ধেমালীৰ গীতত ভুমুকি মাৰে। হাত দুখন মাটিত থৈ খেলা খেলত গায়—

তাই মাই লোণে মাছে খায়,
ৰৰঘৰৰ মেকুৰী সৰুঘৰলৈ যায়।
ঢাকোন পেলাই পঁইতা ভাত খায়।
এইটো তই খা, এইটো মই খাওঁ
এইটো ঘৰৰখীয়া বুঢ়ালৈ থক॥

গীতটোত লোণ, মাছ, পঁইতা ভাত, ৰৰঘৰ, সৰুঘৰ আৰু ঘৰৰখীয়া বুঢ়াই ভূমুকি মাৰি এখন অসমীয়া ঘৰৰ চিনাকি দি গৈছে। সেইদৰে ৰ'দ-বৰষুণ আমাৰ জীৱনত সদায়েই লাগি থকা বস্তু। গৰমৰ উকমুকনিত থাকিব নোৱাৰি শিশুৱে বৰষুণ বিচাৰে আৰু সেইদৰে পুহমহীয়া কুঁৱলীয়ে চাকি ধৰা বা কাতি-মহীয়া কাতি সঁতাই আমনি লগোৱা বতৰত শিশুৱে ৰ'দালিক মাতে।

ৰ'দালি এ ৰ'দ দে,
আলি কাটি জালি দিম
বৰপীৰা পাৰি দিম
ভাতে বহি বহি ৰ'দ দে।
ৰ'দালি মাকৰ কুটকুৰা চুলি।
গৈ গৈ পালেগৈ দিহিঙৰ বালি।

* * *

বা-বৈচ বা-বৈচ, বা-বৈচ মাকৰ দুখন কাণ,
হুৰ হুৰ কৰে বতাহ আন।
হাতী কাণ ঘোঁৰা কাণ
হুৰ হুৰ কৰে বৰষুণ আন।

* * *

বৰষুণ দে বৰষুণ দে ভজা চাউল খাওঁ।
ধীহৰ আগে পানী ৰক পানীৰ বং চাওঁ।
চৰাই-চিৰিকতি পহু পতং।
নগাই ধান খানে খটং খটং॥

কিন্তু বোতিয়া ব'দ-ববষুণ উভয়ে একে সময়তে জুমুৰি দি ধৰে তেতিয়াও এটি আমোদজনক পৰিবেশ সৃষ্টি হয়। শিশুৰ দৃষ্টিত সেই দৃশ্যই ধৰা দিছে বাৰীৰ চুকত 'হোৱা' দিয়া খ'ৰা শিয়ালৰ বিয়া হে।

ব'দো দিছে বৰষুণো দিছে
খ'ৰা শিয়ালৰ বিয়া ;
ঘনীচৰিকাই তামোল কাটিছে
আমাকো এখন দিয়া।

'ইৰিকিটি মিৰিকিটি বাহুৰ শলা'ৰ কোমোৰা বিচাৰি যোৱা খেলটো বা 'এৰা গছত কাপোৰ থৈ জাপ মাৰি' আহিবলৈ কোৱা লঙ্কাপুৰৰ খেলটো অসমীয়া শিশুৰ অতি প্ৰিয়। সেইদৰে ইয়াৰ আনুসঙ্গিক গীত কেইটিও অতি জনপ্ৰিয়। হাতৰ মুঠিত গুটি এটি লুকুৱাই কোনখন হাতত গুটিটো আছে এনেয়ে আঙুলি টোৱাঁই দেখুৱাবলৈ নিদি গীতৰ শব্দৰ জোখতহে কবলৈ দিয়ে।

অলো গুটি টলো গুটি
কচুগুটি ঘাই ;
এইখনা হাতৰ গুটিটো
এইখন হাতত পায়।

কিন্তু মন সদায় আদৰ্শানুগামী। মাক-দেউতাক, ককায়েক-বায়েকহ'তে যি কৰে তাকে অনুকৰণ কৰিব খোজে। এমুঠি ধূলি, দুখিলা গছপাত, কেইটুকুৰামান খোলাকটি লৈ ভাত-পানী বান্ধে। এনেয়ে মুখৰ ভিতৰত 'কইত্' 'কইত্' কৰি খোৱাৰ ভাও জুৰে। কিন্তু তাকে কৰোঁতে ওচৰতে গোবৰ খুচৰি থকা শালিকী চৰাই-জনীলৈ মনত পৰে। কিন্তু তাই নাই ; উৰি গল। শিশু-মনে সমস্যাৰ সীমাত উপনীত হল—

শালিকী এ লঠো ঠৌ,
ভাত হল শাক হল,
শালিকী কলৈ গল ?

এইখিনিতে আছিলে গোবৰ খুচৰি
কোনোবাই লৈ গ'ল ডিঙি মুচৰি ॥

সেইদৰে পুৰণি চিনাকি কপৌ চৰাইজনীকো মাতিছে—

কপৌটি এ মোৰ তালৈ যাবি ।
লোণে-মাছে ভাত দিম ডালত পৰি খাবি ॥

গৰখীয়া লৰাই গৰু চৰাওঁতে গোৱা গীতো দুটামান আছে গীত মানে কথাৰে কবলগীয়া ইঙ্গিত একোটা গীতেৰে দিছে ।

গৰু গল গৰু গল
কলীয়াপানী পাৰ হল,
নৰ্কাৰ দেইবা,
তোক দিম ফুলপাহ ।

* * *

গৰখীয়া এ খেদ খেদ গৰু ।
বাঘৰ বাহত থৈ আহো চৰু ॥
বাঘ মৰিছে বাঘিনী আছে,
নাকান্দ বাঘিনী নাকান্দ তই,
বাৰিষা হুমাহ পুহিম মই
খৰালি হলে যাবি তই ।

কিছুমান ধেমালি আছে শব্দৰ ধেমালি । আনকি কুৰিলৈকে শব্দবেই নেওতা মুখস্থ কৰাৰ দিহা আছে—

একে দুকৈ লৰা চৰা ।
বেত বাঁহৰ খঁতৰ শলা ॥
চাম চুম চৰাই ডিম ।
কাঠৰ নাঙল ম'হৰ শিং ॥
থাপি থুপি ।
উনৈশ কুৰি ॥

সেইদৰে এজনে এটা প্ৰশ্ন কৰে, এজনে উত্তৰ দিয়ে, উত্তৰত ঘাটি খালে হাঁহিৰ জাউৰি উঠে । অৱশ্যে ধেমালিৰ মৌলিক লক্ষ্যই হল আনন্দ লাভ ।

কথা এটি কওঁ—
কি কথা—বেং কথা
কি বেং—পাত বেং
কি পাত—থুৰি পাত
কি থুৰি—বামুণ বুঢ়ী
কি বামুণ—চণ্ডী বামুণ
কি চণ্ডী—পিঠা খুন্দি
কি পিঠা—চা পিঠা
কি চা—বেয়া বস্তু খা।

* * *

এইটি কাৰ দ'ল—বজাৰ
ভাঙিবলৈ দিয়েনে নিদিয়ে—নিদিয়ে
কলীক মাতিমনে—নেমাতিবা
বগীক মাতিমনে—নেমাতিবা
কলী ঔচ, বগী ঔচ—ঘেকেচ্।

সেইদৰে 'অ' ফুল অ' ফুল নুফুল কিয়' গীতটোও এই ভাগত পেলাব পাৰি।

শিশুৰ মনৰ আৰু দেহৰ স্ফুৰণৰ পৰিসৰ সীমাবন্ধ। গতিকে অনেক গীতত আঞ্চলিক প্ৰভাৱ পৰিছে। উদাহৰণ স্বৰূপে তলৰ গীতটিৰ সুকীয়া ৰূপলৈ আঙুলিয়াব পাৰি।

উকুলি মুকুলি দুকুলি কাঁহী,
আদৌ দৌ ডামৰ ডাঁহী।
খেতি-বাতি শাক তেল।
কি কি চৰাইৰ কি কি নাও,
সোণা চৰাইৰ কথা কওঁ।
আম পাত জাম পাত,
পদুম পাতে বুৰাই পেলায়,
জপা থুৰি উনৈশ কুৰি,
সাত ভাই কাঁপলী বুঢ়ী।

* * *

উকুলি মুকুলি দুকুলি কাঁহী,
এপৰ ৰাতি দুপৰ ডাহী।
চাপলো লো চেপ গছৰ ঢকুৱা
মোকে বোলে ৰপুৱা,
এৰ হাত, বেৰ হাত,
ৰজাই কাটে শ্ৰীহাত।
শ্ৰীহাতৰ অকাথকা,
মাহ লঙ্কাৰ দীঘল দঁকা
পানীভো পানীভো মুৰলি ভাই,
আমলথু জামলথু চিতলথু পাই।
* * *
উকুলি মুকুলি দুকুলি কাঁহী,
আদো দো ডামৰ ডাঁহী।
আম পাতে চাম চেলায়
পদুম পাতে হৰ হৰায়,
কি কি চৰাইৰ কি কি নাও,
সোণা চৰাইৰ কথা কওঁ
উদি মুদি কঠাল পাত,
ইখন এৰি সিখন কাট।

সৰু লৰা-ছোৱালীৰ মাজত জোকা-জুকি এটা সাধাৰণ বস্তু। কোনোবাই কাৰোবাক জোকাওঁতে গীতিধৰ্ম্মিতা প্ৰকাশ পায়। পেটুৱা লৰা আৰু খাঁৰীনাকী ছোৱালী দেখি জোকায়—

খিনতো তবা তাখিনতো তবা,
খাঁৰীনাকী ছোৱালী
পেটুৱা দবা।

শকত পেটুৱা মানুহ সদায়েই হাঁহিৰ পাত্ৰ। এইটো অঙ্গ বিকৃতি বা খৰ্ব্বকায়ৰ বাবে নহয়, সৰহকৈ খোৱাৰ বাবে বা চাৰ্ব্ব বৃদ্ধিৰ বাবে হয়, গতিকে জোকালেও নিন্দা কৰা নহয়।

পেহী ঔ পেহা,
আমলখি কেহা
টেকেলিপেটা গোবিন্দাই
জাল বাওঁগৈ আহা,
জাল বাই জকাই বাই থাওঁ সিপাৰত
আৰতনী পলাই গল মনৰ বেজাৰত।

কিছুমান লৰা-ধেমালিৰ গীত আছে। তাতো মাথোন শব্দৰ ঝংকাৰ আছে; কাহিনী বা ধাৰাবাহিকতা একো নাই। এইবোৰ গীত চিঞৰি-বাখৰি গোৱাতেই আনন্দ।

বহত বহত ঐ সোমাই কি এ কৰ ঘৰত,
টেকেলা কি বেঙেনা, হাতত খঁৰা দা
ওলাই লৰে মাৰে ভয়ত।
পানীমলা গছতে মাৰিলে ঘা,
সুলকি পৰিলে চেং-কলি দা।
আই ঔ মাৰিলোঁ,
বোপাই ঔ মৰিলোঁ
বগৰী জেওতে পৰিলোঁ।
এনে কথা হেং জেং
কপৌটি বনমালী
কুক্লং কুক্লং হিলৈদাৰী।
আইৰ ঘৰলৈ গলোঁ মই
খেৰু মেৰু শাকেৰে খালোঁ,
বোপাইৰ ঘৰলৈ গলোঁ মই
খেৰু মেৰু শাকেৰে খালোঁ।
বোপাইৰে বাৰীৰে জেক্লোঁ কোমোৰা
সখীক নোযাবলৈ গলোঁ,
সখী ঔ সখী, ভিতৰাত কিমান পানী?
ইমান কুঁজী ভাঁহী সিমান কুঁজী ভাঁহী
ইমান বৰকৰাই পানী।

অ' ৰৰককাই, অ' ৰৰককাই
ৰৰবৌ কিমান জনী ?
তেতেলী তলতে তাঁত বৈ আছিলে
ডিঙিত কোটকোৰা মণি ।

লৰা-ধেমালিৰ গীতবোৰে শিশুৰ মনস্তত্ত্ব আৰু চঞ্চল মনৰ চিনাকি দিয়াৰ উপৰিও জাতীয় খেল-ধেমালিবোৰৰ বিষয়েও বহু কথা কব পাৰে। এই খেল-ধেমালিবোৰ আৰু ইয়াৰ অনুষঙ্গিক গীত-মাতবোৰ শিশু-মনৰ পৰা স্বতঃস্ফূৰ্ত্তভাবে ওলাই আহে বাবেই আচুতীয়া লৰা-ধেমালিৰ গীতবোৰ অসমীয়া লোক-সাহিত্যৰ এক বহুমূলীয়া সম্পত্তি।

টোকাৰী নাম

টোকাৰী নাম টোকাৰীক বাদ্য হিচাপে লৈ গোৱা এবিধ দেহ-বিচাৰৰ গীত। টোকাৰী নাম হিচাপে এটা শিৰোনামা দি সুকীয়া ভাগ এটা কৰা হৈছে কিয়নো গোটাচেৰেক নাম টোকাৰীৰ লগত গোৱাৰ উপৰিও টোকাৰীৰ উৎপত্তি সম্পৰ্কে বিবৰণ আছে। লোক-সাহিত্য সদায়েই লোক-বিশ্বাসৰ পটভূমিত ৰচিত হয়। টোকাৰীৰ উৎপত্তি বিষয়ক কাহিনীটোও লোক-বিশ্বাসৰ ওপৰতে প্ৰতিষ্ঠিত। কিন্তু এই পৌৰাণিক লোক-বিশ্বাসৰ ওপৰতে সময়ৰ প্ৰভাৱ পৰি এটা নতুন ৰূপ আৰু অৰ্থ দিয়ে। দেখাত টোকাৰী নামৰ ৰচনাকাল কিছু পুৰণি হলেও প্ৰাক-শঙ্কৰী যুগৰ তন্ত্ৰ আৰু দেহ-তত্ত্ব চৰ্চ্চাৰ অলপ প্ৰভাৱ পৰা যেন লাগে। অৱশ্যে শঙ্কৰী যুগতো দেহ-তত্ত্বৰ আলোচনা নোহোৱাকৈ থকা নাছিল; অনাদি পাতন ভাগৱতেই ইয়াৰ প্ৰমাণ।

টোকাৰী নামৰ লগত সদাশিৱ আৰু পাৰ্ব্বতীৰ নাম জড়িত থকালৈ চাই তন্ত্ৰ যুগৰ প্ৰভাৱ স্পষ্ট যেন লাগে। গীতত আছে—

ৰেতিয়া বিৰিখে দুই পাত মেলিলে
তললৈ মেলিলে শিয়া;
সেই গছে জুপি খোজে মহাদেৱে
টোকাৰী সাজোঁগৈ দিয়া।
মহাদেউ গোঁসায়ে টোকাৰী সাজিলে
বাটে পাৰৱতী গুণা।

* * *

এইনো বিৰিখ জুপি কোনে ৰুই গলে
কোনে চপাই গলে মাটি,
শঙ্কৰে ৰুই গল এইনো বিৰিখ জুপি
মাধৱে চপালে মাটি।

আমেৰ চামৰে দুখনি টোকাৰী
কৈলাসত আছিল বৈ,
কৈলাসৰ টোকাৰী কোনে আনি দিলে
শঙ্কৰে আনিলে গই।

* * *

বেৰাবে চেৰাবে দুখনি টোকাৰী
আহিল ভাৰতলৈ নামি
এখনি লৈ গল পগলা শঙ্কৰে
এখন চাৰি বেদৰ সাথী।

টোকাৰী নামৰ ৰচকে টোকাৰীৰ লগত মানুহৰ দেহৰ সম্পৰ্ক বিচাৰি পাইছে আৰু হয়তো সেইবাবেই টোকাৰীৰ লগত দেহ-বিচাৰৰ গীত গায়। মানৱ দেহৰ ইড়া, পিঙ্গলা, চিত্ৰা আৰু সুষুম্না এই চাৰি গছি নাড়ীৰ লগত টোকাৰীৰ চাৰি গছ গুণাৰ সম্পৰ্ক বিচাৰি উলিয়াই কৈছে—

ইঙ্গলা পিঙ্গলা চিত্ৰা সুষুম্না
এই চাৰি গছি গুণা ;

কিন্তু আন এটি নামত গোটেই টোকাৰীখনৰেই এটা আধ্যাত্মিক পটভূমি দিবলৈ প্ৰয়াস কৰিছে।

কোনে আহি ভৈলা টোকাৰীৰ খোলা
কোনে আহি ভৈলা গুণা ?
মহাধৰ্ম্মে আহি টোকাৰীৰ খোলা
পাৰ্ব্বতী বাটিলে গুণা।
ইঙ্গলা পিঙ্গলা সুষুম্না এ চিত্ৰা
এইনো চাৰি গাছি গুণা
চাৰি মহন্তাই চাৰিটি শৰণে
ভাব কথা কৈছে শুনা।

চৈধ্য পাৰিষদে কাণবে জগালে
দন্তে ঘোৰ ভৈলা আসি ;
ভকতি-ভোমোৰা হৃদয়ত গুঞ্জৰে
অনন্তই ভৈলা নালটি ।

টোকাৰী নামত যেনেকৈ দেহৰ ভিতৰত থকা চাৰিডাল নাড়ীৰ কথা উল্লেখ কৰিছে সেইদৰে জাগতিক জীৱনৰ জালত নপৰাকৈ সদগতি লাভ কৰিবৰ বাবে সতৰ্ক কৰি দিছে ।

বাটে বাটে যাবা মুৰ দাঙি নেচাবা
বেইচাত নকৰা ৰতি ;
সাতো সাতো পুৰুষ নৰকত পৰিব
জীৱৰ হব অধোগতি ।

আন এটা নামত আকৌ সংসাৰৰ ক্ষণস্থায়িত্বৰ বিষয়েও উল্লেখ কৰিছে ।

দুনিয়াই এদিনে দুনিয়াই দুদিনে
দুনিয়াই ফুলনি বাৰী
কতক ছলে-বলে কৰ তই দুনিয়াই
ধৰিবো খেৱালি মাৰি ।

সেই একেটা নামতেই সৃষ্টিকৰ্ত্তাই যে সৃষ্টি-স্থিতি-প্ৰলয়ৰ গৰাকী সেই বিষয়ে উল্লেখ কৰিছে—

তুমিসে জালোৱাই তুমিসে পলোৱাই
তুমি ভবি বং চোৱা,
হৰিণ ৰূপ ধৰি বনতে চৰিছা
ব্যাঘ্ৰ ৰূপ ধৰি খোৱা ।
তুমিসে খুৱাইছা তুমিসে খুৱাইছা
তুমিসে লগাইছা মাত ;
হাটে-বজাৰে ঘুৰাই লৈ ফুৰিছা
তুমি ত্ৰিজগতৰ নাথ ।

আন এটা টোকাৰী নামত শংকৰ মাধৱৰ নাম উল্লেখিত হৈছে— ।

ৰৰদোৱা থানতে শঙ্কৰ জনম ললে
ভকতিৰ লগালে পাক ;
বাহ্মন বিলাকক ভুটীয়া বুলিলে
ভকত বা বুলিলে কাক ।…
তিনি আলৰ মূৰতে শঙ্কৰ বহি আছে
ভক্তে জুমি জুমি চায়,
অন্ধলা মনিচে সাগৰথন জুখিলে
তাৰ তত্ত্বভেদ নাই ॥

চান্দসাইৰ ভণিতা থকা গীত এটাৰ উপৰিও সুনন্দদেৱ আৰু মাধৱদেৱৰ ভণিতা থকা গোটাচেৰেক গীতো টোকাৰী নাম বুলি গায় । সুনন্দদেৱৰ ভণিতা থকা গীত কেইটি পুৰ্ণভগীয়া ভকত-সকলে তেওঁবিলাকৰ স্বকীয় অনুষ্ঠানত নিয়ম সহকাৰে গায় । চান্দসাইৰ ভণিতা থকা গীতটি বেছ আমোদজনক ।

কিনো গীত গাইলি চান্দৰে ৰবাই
কিনো গীত গাইলি চান্দে,
গঁতুৱা এন্দুৰৰ পাৱত পৰিয়া
বোন্দা বিড়ালীয়ে কান্দে ।
বাঁহৰে আগতে বেলি চিকেমিকায়
চিলনী কি খায় জীয়ে,
বেজীৰ আগত বান্ধন বাড়ন
উধানে কি কাপোৰ সীয়ে ।…
গায়ে গোহালি গিলিলে ৰবাই
পথাই গিলিলে গৰু ;
হাতত টাৰু লৈ বান্ধনী পলালে
খেদি লৈ গল চৰু ।……
হাতত জপা লৈ চোৰে খেদি নিলে
গিৰিহঁত মাৰিলে লৰ ।

চাউলে খুবলি গিলিলে বৰাই
তুঁহে উৰুৱালে কুলা ;
ৰজাৰ হাতীদাঁত চিকুটি ছিঙিলে
কুঠাৰে কাটিলে মুলা ।

এই গীতটিৰ সমপৰ্য্যায়ৰ আৰু এটি গীত আছে। গীতটি ঢান্দসাইৰ গীতটিৰ প্ৰক্ষিপ্ত বা পিছৰ যুগত ইয়াৰ ছাঁ লৈ ৰচনা কৰা যেন লাগে। অৱশ্যে তেনে গীতৰ ওপৰঞ্চি আৰু এটি আছে। এই দুটি গীতত যথাক্ৰমে এইদৰে আছে—

শিৰিং পৰ্ব্বতত মাছৰে উজান
চাকোলাই পল লই যায় ।
মাখিৰ মুৰ কাটি সাজে জয়ঢোল
পিপৰা-ছালেৰে চায় ;
কেঁতকুৰি চালেৰে বৰটি কাটিলে
ফৰিঙৰ ঠেঙেৱে যায় ।

* * *

বোবাই ৰাগ দিয়ে কলাই শলাগে
কোঙাই মুদং বায় ;
মুদঙৰ মাত শুনিব নোৱাৰি
অন্ধই চকু মেলি চায় ।
এটি ৰাগ মাৰিলে কবিৰা ভকতে
গছৰ পাত মৰি যায় ;
এটি ৰাগ মাৰিলে ডালিমচৈ ভকতে
গছৰ পাত জোৰা খায় ।

* * *

শ'লৰ পেটত শাল উপজিল
বগক ধৰি ধৰি খায় ;
হাতীৰ পিঠিত উজান পৰিছে
চৌবাশি পলোৱা ঠাই ।...

ধাৰৰে ছাগৰে হালখন জুৰিলোঁ
কাড়শলা সাপৰে লৰু;
ডালৰ বান্দৰে আলি-পাহ কাটিলে
ভালুকে ছাৰিলা গৰু।

এই তিনিওটা গীতত, কিছুমান এনে আৰু সমাৰ্থক পংক্তি আছে। এনেকুৱা বিষম বা অমিল কথাবোৰৰ অন্তৰালত একো একোটা গভীৰ তত্ত্বব্যঞ্জক অৰ্থ সোমাই আছে। এনে অৰ্থ গুৰু-মুখেহে বুজিব পাৰি। পদাৰ্থ বা জীৱসমূহক প্ৰতীক স্বৰূপে লৈ আধ্যাত্মিক অৰ্থ দিয়াৰ চেষ্টা কৰা হৈছে—সংসাৰ অতিথি-শালা। মানুহ দুদিনৰ অতিথি। এই অতিথি-শালাতে দুদিন থাকোঁতেই মানুহে নানা তৰহৰ জেঙা-জঞ্জালত পৰিব লাগে। আনপিনে অই অতিথি শালাতে থাকিয়েই ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ এই চাৰি পৰমাৰ্থ সাধন কৰিব লাগে। টোকাৰী নামত ইয়াকে সংকিয়াই দিছে। এহাতে লোকবিশ্বাস আৰু আনপিনে আধ্যাত্মিক বিশ্বাস সামৰি লৈ টোকাৰী নামে অসমীয়া লোক-সাহিত্যত বৈশিষ্ট্যপূৰ্ণ স্থান অধিকাৰ কৰিছে।

দেহবিচাৰৰ গীত

দেহবিচাৰৰ গীত দেহ-তত্ত্বৰ গীতিধৰ্ম্মী বিচাৰ। কবিতাৰ যিটো অংশ সুৰ-সংযোজনা কৰি গাব পাৰি সেই অংশটোক গীত বা লিৰিক আখ্যা দিব পাৰি। দেহবিচাৰৰ গীতবোৰ আধ্যাত্মিকতা আৰু দৰ্শনৰ একো-একোটা অভিব্যক্তি হলেও প্ৰকৃততে এইবোৰ গীতহে। দেহবিচাৰৰ গীতৰ সুত্ৰ আমি নিজে দিবলৈ চেষ্টা নকৰি, আৰু বিষয়-বস্তুনো কি ব্যাখ্যা কৰিবলৈ চেষ্টা নকৰি এটি দেহবিচাৰৰ গীতৰ একাংশ উদ্ধৃত কৰিলো।

দেহাৰ বিচাৰ কৰোঁ প্ৰাণ বান্ধৱ
দেহাৰ বিচাৰ কৰোঁ;
চৈধ্যয় বৈকুণ্ঠ চৈধ্যয় ব্ৰহ্মাণ্ড
দেহাতে বিচাৰ ধৰোঁ।
ইন্দ্ৰ আদি কৰি ত্ৰিদশ দেৱতা
দেহাতে বিচাৰি পাই;
উৰণ বৰুণ আদি চাৰি মুঠি জীৱ
লৈবো শৰীৰতে চাই।
ব্ৰহ্মা হৰিহৰ কৃষ্ণ বলোভদ্ৰ
আতমাৰ ভিতৰে আছে,
গঙ্গা গয়া কাশী গণ্ডকী যমুনা
আছে শৰীৰৰে কাছে।

গীতাত আছে মানৱ দেহ 'বাসাংসি জীৰ্ণানি'। দেহৰ ক্ষণস্থায়িত্ব, আত্মাৰ অবিনশ্বৰতা, কাম-ক্ৰোধ-লোভ-মোহ আদিৰ প্ৰভাৱ, মনেই সুখ-দুখৰ মুল—আদিয়েই দেহবিচাৰৰ গীতৰ বিষয়বস্তু। প্ৰতীকৰ যোগেদি দেহটোক উপলব্ধি কৰিবলৈ বা কৰোৱাবলৈ চেষ্টা কৰা হৈছে। দেহটোক ঘৰ, নাও, গছ আদি প্ৰতীকৰ সহায়ত প্ৰত্যক্ষ কৰা হৈছে।

চৈধ্য ইন্দ্ৰ ভৈলা শিমলুৰে খুটা
সিও লৰফৰ কৰে ।
টাটকীয়া ঘৰ বাগৰি পৰিলা
জীৱ গৈলা অকলশৰে ।

* * *

স্বৰ্ণৰ কাঠি কামী মাণিকৰ ৰুৱা ।
তাতে বহি ভোজন কৰে শগুণ বগুৰা ॥
কাক হল কাণ্ডাৰী শগুণ মহাদানী ।
শৃগালে দোকান দেয় মাংস টানি টানি ॥
পৰুৱা-পিপৰা সবে খান্দি তোলে মাটি ।
জোৰাই জোৰাই থহি পৰে শৰীৰৰ গাঁঠি ॥

* * *

একেখনি দুৱাৰত নৰটি তৰজুত সঞ্চাৰ মাৰিছে টানি ।
সেই নৰটি সঞ্চাৰ যি বন্ধু মেলিব পূৰ্ণভাৱে নিব টানি ।
এখনি দুৱাৰত নৰটি দুৱৰী চৌপাশে আছে বেঢ়িয়া ।
যমদূতে নিয়া যাতনা ভুঞ্জাইব, শৰীৰতে দণ্ড দিয়া ॥

* * *

ঘৰগুটি সাজ মনাই থাব-জীৱৰ আশে ।
সিও ঘৰ ভাঙা গল ধুমুহা বতাহে ॥
ঘৰগুটি সাজি মনাই দুৱাৰখনি বান্ধা ।
আপোনাৰ ঘৰ নাই পৰক লাগি কান্দা ॥...
নখান দুৱাৰতে ন-জন দুৱৰী ।
তাৰ মাজে বহি আছে পূৰ্ণানন্দ হৰি ॥

* * *

ৰুৱাৰেহে পাত্তি পাত্তি মাৰলিৰে জোটা ।
সেই ঘৰে লগাই থৈছে একৰুৰি খুটা ॥
সেই ৰুৰি খুটাৰ আকৌ গুৰিত নাই মাটি ।
সি কাৰণে খুটাই, কৰে উজান-ভাটি ॥

চাৰিখান বেৰা দিয়া কৰিয়া আন্ধাৰ।
ন-টি সুৰং মাত্ৰ ৰাখিলা তাহাৰ॥
*　　*　　*
ৰুৱা দিলা, কামী দিলা, মাৰলিৰে খোটা।
দুই চাল তুলি থৈলা একেৰুৰি খুটা॥
চতুৰ্দ্দিকে বেৰি ঘৰ কৰাইলা আন্ধাৰ।
অধ্বৰ্-উৰ্দ্ধে লগাই থৈলা নৱখানি দুৱাৰ॥
একজনী কন্যা আছে ঘৰৰ ঘৰিণী।
তাক যেই পাই দেখা হোৱে মহামুনি॥

দেহাটো নাও, মনটো কাণ্ডাৰী, মনৰ ইচ্ছা অনুযায়ী ইন্দ্ৰিয়বিলাকে কাম কৰে। সেইবাবে দেহবিচাৰৰ গীতত নাৱৰ প্ৰতীক ব্যৱহাৰ কৰিছে।

অকাঠী কাঠৰে　　নৌকা সাজিলোঁ
পৱন কাঠৰে বঠা;
স্বৰ্গক যাইবাৰ　　যাৰ ইচ্ছা আছে
নৌকাৰ কাড়িতে উঠা।
চাৰিও বেদে　　নাৱৰ তলি ভৈলা
ভাগৱতে ভৈলা যাৰা;
হৰিৰ নামৰে　　খিলি গজাল মুঠি
নৌকাকে কৰিলোঁ চাৰা।
*　　*　　*
আগ নাই গুৰি নাই মধ্যে নাই চৈ।
কাণ্ডাৰী নহলে নৌকা ফুৰে বই বই।
আগ নাই গুৰি নাই মধ্যে নাই সিৰি।
কাণ্ডাৰী নহলে নৌকা ফুৰে ঘুৰি ঘুৰি॥
*　　*　　*
. শিমলি কাঠৰে নাও　　নাপালো বণিজৰ ভাও
ধনাই মনাই দুভাই কাণ্ডাৰী॥

ত্ৰিপনীৰ ঘাটতে নৌকা ৰ'ৰ গৈল সবে লোক
ভাৰ ফেলে পলাল বেগাৰি।
নাওখনি অষ্টহাত লগাই থৈছে পঞ্চহাত
গুৰা লগাই সন্ধি সন্ধি তাৰ,
গুৰুই দিলা অনুমতি নামে পৰম গতি
সুখ হোৱে ভৱনদী পাৰ।

* * *

অকাঠী শিমলু নাও নাজানে বণিজৰ ভাও
নৌকাৰ ভিতৰে জ্বলে বাতি,
হীৰামন মাণিকে ভৰা আৰু ভৰা ৰতন
সাধুৰ সঙ্গ কিবা দিন-ৰাতি।
সুৱৰ্ণৰ ছৰি বৈঠা ৰূপৰ গলা নাও
সেই নাও শুকানত চলে;
গুৰুৰ আশীৰ্ব্বাদে কাড়শলা কুৰাতে
সেই নৌকা উজান-ভাটী কৰে।

নাও আৰু ঘৰক মানুহৰ দেহৰ লগত তুলনা কৰাৰ উপৰিও গছৰ লগতো তুলনা কৰা হৈছে। চৰ্য্যাপদতো তেনে প্ৰতীক দেখা যায়।

কা আ তৰুবৰ পঞ্চবি ডাল।
চঞ্চল চীঅ পইঠো ফাল॥

* * *

মন তৰু পাঞ্চ ইন্দি তৰু সাহা।
আসা বহল পাত ফল বাহা॥
বৰ গুৰু বঅন কুঠাৰে ছিজঅ।
কাহ্ন ভনই তৰু পুন ন উইজঅ॥

চৰ্য্যাপদৰ দৰেই দেহবিচাৰৰ গীতবো ভালেমান ঠাইত গছৰ প্ৰতীক ব্যবহাৰ কৰা হৈছে।

একডালি বৃক্ষ আছে সংসাৰক জুৰি।
তলৈ ভৈলা শিপা-পাত ওপৰে ভৈলা গুৰি।

নাহি শিপা ছাল-গতি ৰসে ভৰি-পূৰ।
আৱৰণে ঢাকি থৈছে দেৱৰ দূৰ্দ্দুৰ॥

*   *   *

কুণ্ডলিকা বৃক্ষডালি   জলৰ মধ্যত থাকে
তথাপি তাহাৰ সুকণ কায়া ;
একান্ত ভকতসবে   সাধুৰ সঙ্গত থাকে
তথাপি নাছাৰে লোভ মায়া ।
বন কদলি ফুল   পৰ্ব্বত শিখৰে থাকে
ৰস ধৰি হোৱে ভৰপূৰ ;
প্ৰিয়তম ভকতৰ   জানা সেহি পটন্তৰ
কাল মায়া এৰি হুইবে দূৰ ।

নদীৰ প্ৰতীকক কেতিয়াবা কেতিয়াবা ইহকাল আৰু পৰকালৰ মাজৰ ব্যৱধান হিচাপে অঙ্কিত কৰিছে।

আৰ এক নদী আছে বয় তীক্ষ্মধাৰে ।
কাল-বিকাল দুটি পক্ষী ইপাৰে-সিপাৰে ॥

এই কাল-বিকাল পক্ষী হয় জীৱাত্মা আৰু পৰমাত্মা। ভৱনদীৰ ইপাৰত জীৱাত্মা আৰু সিপাৰত পৰমাত্মা। জীৱাত্মাই ভৱনদী পাৰ হৈ পৰমাত্মাৰ সঙ্গ বিচাৰে। কিন্তু এই দুইটি পক্ষী দৃষ্টিৰ অগোচৰত থাকে। ৰাজহংসৰূপ পক্ষী উৰি যায় ; যমুনাৰ পাৰত দেহাটো পৰি থাকে।

হেঙ্গুলীয়া পক্ষী দুটি কাজলীয়া পাখি।
জনমে জনমে তাৰ নাহি দেখা দেখি॥
উৰি গল ৰাজহংস পৰি গল পাখি।
সিও দেহা পৰি ৰৈলা যমুনাৰ বালি॥

সেই একে সুৰতে আন এটি গীতত কৈছে—

দেহত আছে নিৰঞ্জন নদীত আছে বালি।
ওলাই গল সাত মইনা দেহা হৈলা খালি॥

দেহৰ বিষয়ে চিন্তা কৰিবলৈ গৈ যোগ-দৰ্শনৰ অনুগামী পুৰুষে যদিও নাও, গছ, ঘৰ আদিৰ প্ৰতীক ব্যৱহাৰ কৰিছে তথাপি অনেক ঠাইত পোনপটীয়াকৈ দেহৰ নাড়ী, ইন্দ্ৰিয়, মন আদিৰ বিষয়ে ·· টকৈ কৈছে।

একদল, দুইদল, নাভি দশদল।
অষ্টদল পদ্ম আছে হৃদয় কমল॥
তালুত ষোল ডাল ললাটত দুই।
যোগশাস্ত্ৰ মতে এই ছয় চক্ৰ হুই॥
ছয় নাম ছয় চক্ৰ মধ্যে শ্ৰীহৰি।
হৃদয়ৰ মাজে থাকে মহাৰঙ্গ কৰি॥

* * *

ইৰা যে পিঙ্গলা সুষম্না যে হংসা
চাৰি নাড়ী অনুপাম;
চাৰিৰো মধ্যত সাৰাংশ জানিবা
সুষম্না যাহাৰ নাম।
ডাহিনে ইঙ্গলা বামে যে পিঙ্গলা
সুষম্না মেৰু অন্তৰি,
হৃদয়ে যে হংসা ইৰা যে পৃষ্ঠত
কহিলোঁহো শাৰী শাৰী।
অষ্টদল পদ্ম কৰ্ণিকাৰ মধ্যে
জীৱ-পৰমাত্মাৰ স্থান;
জীৱে শিষ্য জানা পৰমাত্মা গুৰু
লভিবাহা ভক্তি-জ্ঞান।

* * *

আকাশে কামিনী পাতালে মন্দাকিনী
মধ্যে ভাগীৰথী বহে,
ত্ৰিবেণীত স্নান কৰি পাপীসবে যায় তৰি
ইহাক বেদশাস্ত্ৰ কহে।

ডাইনে ইঙ্গলা বামেসে পিঙ্গলা
সুখ মন মেৰু ভাগে,
দেহ অৰণ্যৰ মাজে কোনজন বসি আছে
তাহাঙ্ক চিনাব লাগে।
ইঙ্গলাৰ ৰজোগুণ পিঙ্গলাৰ তমোগুণ
সুষম্নাৰ শুদ্ধ সত্ব গুণ,
হিয়া কমলৰ মাজে হংস হংসিনী আছয়
ইয়াকে বোলয় নিৰ্গুণ।

* * *

দেহাৰ ভিতৰে আছে ছয় চক্ৰ
বাৰৰি হাজাৰ না
মেৰু গিৰি বন যত নদীগণ
লয়োক তত্ব বিচাৰি।

* * *

জানিবা জানিবা এই চাৰি খুৰা
দুনো ভৰি দুনো হাত ;
কাষ বুকু পিঠি ইহাকো জানিবা
এইনো চাৰিচলি পাট।
পিঠি-ভাগ মেৰু ওপৰতে মুণ্ড
ভাবি বা কি বোলে তল,
হাড় ৰাক বোলে বুৰীল মাৰীল
সাতো বৰণৰ ছাল।
মুখে হুতাশনী নাসিকা বুকিৰণী
চকুতো লুভীয়া বয়,
কৰ্ণ শবদে এইনো ন দুৱাৰে
সবেও মল বাজ হয়।
বায়ুৰ নাম আত্মা ঠাৱে বুজিবা
ঠাৱে জনমে নাই,

মাংসয়ে পৃথিবী ইয়াতে লয় পায়
তেজ হৈ ওল যায়।

* * *

তালু ললাটত চক্ষু শ্ৰৱণত
নাক জিহ্বা বদনত,
কণ্ঠে কোনজন দেৱ বিচক্ষণ
বাক্য বোলে ঘনে ঘন।
দুই বাহুৰ তলে চাৰি চক্ৰ জ্বলে
কোন আছে হৃদি মাজে ;
বাসত্তৰ হাজাৰ, নাড়ী উদৰত
কোন কৈত বসি আছে।

* * *

দেহাৰ ভিতৰত কোন দেৱতাই ক'ত থিত লৈছে তাকো কৈছে।

অক্ষিত আদিত্য নাকে অশ্বিনীকুমাৰ।
জিহ্বাত বৰুণ বাক্যে বহ্নিৰ সঞ্চাৰ॥
কৰ্ণে' দিশ চৰ্ম্মে' বায়ু ভুজে ইন্দ্ৰস্থিত।
মনত চন্দ্ৰমা, বিধি আছন্ত বুদ্ধিত॥
পদে বিষ্ণু গুহ্যে মিত্ৰ লিঙ্গে প্ৰজাতি।
হৃদিত আছন্ত মন কণ্ঠে সৰস্বতী॥

সংসাৰৰ অনিত্যতাই বিশেষকৈ দেহবিচাৰৰ গীতত প্ৰাধান্য লাভ কৰিছে। পৃথিবীত জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হওঁতে মায়াই আৱৰি ধৰে। মায়াত নিবদ্ধ মানুহে জীৱাত্মা-পৰমাত্মা, ইহকাল-পৰকাল, মৃত্যু আদিৰ কথা পাহৰি থাকে। কিন্তু মানৱ জীৱনত মৃত্যু অনিবাৰ্য্য। দম্ভ-অহঙ্কাৰত অন্ধ হৈ থকা মানুহে যিদিনা মৃত্যুৰ দুৱাৰমুখত উপস্থিত হয় তেতিয়াহে ঈশ্বৰলৈ মনত পৰে। আনপিনে যিখন ঘৰৰ মোহত ইমান দিনে দুচকু মুদি আছিল সেইখন ঘৰ চুৰা যায় বুলি মৃত্যুৰ আগ-

মুহূৰ্ত্তত বাহিৰলৈ উলিয়ায়। মিত্র-কুটুম্ব বুলি যাক সাৰাটি আছিল, তেওঁবিলাকো লগত নেযায়। লগত যায় দুডালি জাতি বাঁহ, দুচলা খৰি।

সৰু কালৰে পৰা ঘৰ সাজি ভাঙি
শিৰবো পকালো চুলি;
অন্তিম বেলিকা বাজলৈ উলিয়ায়
ঘৰ চুবা যাব বুলি।
বাৰীৰে কোণৰে জাতিবাঁহ এজুপি
সিও মোৰ সোদৰৰ ভাই;
জীয়াই থাকোঁতে কৰো কাঠী কামী
মৰিলে লগতে যায়।

* * *

ভাই বোলা ভতিজা বোলা মিছা লেনা-দেনা।
মিছা মায়াত বন্দী হৈ হ্ৰাল চেতনা॥
কেঁচা বাঁহৰ খাট পালেং ধুলীয়া পাটৰ জৰী।
ভাই-ভতিজাই বান্ধি নিব যেন পৰাণৰ বৈৰী॥

* * *

ধন-জন পুত্র-ভাৰ্য্যা মিছা মায়া জৰী।
মিছাতে মৰিছে জীয়ে অহঙ্কাৰ কৰি॥……
দেহকে কৰিছোঁ আশা যাব মাটি-জুই।
লগত সাৰথি যাব পাপ পুণ্য দুই॥

লোক-সাহিত্যৰ বহুতো ঠালৰেই ৰচনা-কাল থাটাংকৈ নিৰ্ণয় কৰা বৰ টান। দেহবিচাৰৰ ক্ষেত্রতো সেই একে কথাই খাটে। ৰচনাৰ বিষয়-বস্তু, ঠাঁচ আৰু গীতিধৰ্ম্মিতালৈ চাই দেহবিচাৰৰ গীত ৰচনাৰ বাবে দশম শতিকাত ৰচিত চৰ্য্যাপদৰ পৰাই অনু-প্ৰেৰণা লাভ কৰা যেন লাগে। বৌদ্ধ আদৰ্শত উদ্বুদ্ধ চৰ্য্যাপদৰ ৰূপক আৰু প্ৰতীকৰ সহায়েৰে নৈৰাত্মা দেৱী আৰু মহাসুখ লাভ কৰিবলৈ দূৰলৈ যাব নেলাগে, আত্ম-সংযম কৰি সহজ সাধনাৰেই

লাভ কৰিব পাৰি। মাধৱ, চান্দসাই, কবিৰা আদিৰ নামত ভণিতা থকালৈ চাই ভালেমান দেহবিচাৰৰ গীত পৰৱৰ্ত্তী বৈষ্ণৱ যুগত ৰচনা হোৱা যেন লাগে। সংসাৰৰ অনিত্যতা, কাম-ক্ৰোধৰ প্ৰভাৱ আদিৰ প্ৰতি সোঁৱৰাই 'ৰাম নাম লৈ সংসাৰ তৰণৰ উপায় দিয়ালৈ চাই শংকৰ-মাধৱৰ বড়-গীতৰ পৰা আদৰ্শ আহৰণ কৰিব পাৰে বুলি ভাবিবলৈকো থল আছে। দুই-এটা দেহবিচাৰৰ গীতৰ ভাব আৰু আদৰ্শৰ প্ৰভাৱ আজান-পীৰৰ জিকিৰতো পৰা যেন লাগে।

দেহবিচাৰৰ গীতৰ কাব্যিক সৌন্দৰ্য্যও প্ৰশংসনীয়। যদিও নৈৰ্ব্যক্তিকতা দেহবিচাৰৰ গীতবো লক্ষণ, তথাপি ইয়াত জড়িত হৈ থকা দৰ্শন আৰু আদৰ্শই চিন্তাশীল মনৰেই পৰিচয় দিয়ে। যোগশাস্ত্ৰৰ চৰ্চা নথকা মানুহে নাড়ী, ষটদলপদ্ম আদিৰ কথা গীতত ৰজিতা খুৱাই প্ৰকাশ কৰাটো সম্ভৱ নহয়। ৰূপক, প্ৰতীক, উপমা আদিৰ যোগেদি সৰল দুলড়ী ছন্দত ৰচিত গীত-সমূহ সঁচাকৈয়ে একো একোটি মুকুতা মণি। দুই-এটি গীতৰ ছন্দ আৰু ঠাঁচ চৰ্য্যাপদৰ আহিৰ আৰু দুই-এটি গীত বড়-গীতৰ আহিৰ। দেহবিচাৰৰ আদৰ্শ আৰু লক্ষ্য বহু ক্ষেত্ৰতেই বাস্তৱ-ধৰ্মী। জৰা-বাৰ্দ্ধক্যই বেৰি ধৰা জীৱন, আলাই-আথানি হোৱা মৃতদেহ, মৃত্যু-ক্ষণত ইষ্ট-কুটুম্বৰ নিৰৰ্থক বিষাদ আদিৰ চিত্ৰ নিতান্তই বাস্তৱধৰ্মী। দৰ্শন, আদৰ্শ, ধৰ্ম্ম, সকলোৰে ভাব-মিশ্ৰিত দেহবিচাৰৰ গীতবোৰৰ স্থান অনন্য আৰু ই লোকসাহিত্যৰ বহুমূলীয়া সম্পদ।

আইনাম

জাতীয় সাহিত্য জাতীয় জীৱনৰ দিনলিপি বুলি ক'লেও বঢ়াই কোৱা নহয়। লোক-সাহিত্য জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতা বা লোক-বিশ্বাসৰ অভিব্যক্তি বুলিয়েই লোক-সাহিত্যত জাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। ধৰ্ম্ম'ই বা ধৰ্ম্ম-মূলক লোক-বিশ্বাস মানুহৰ মনত অতি দকৈ শিপায়। আই-নাম ধৰ্ম্ম-বিশ্বাস আৰু লোক-বিশ্বাসৰ মণি-কাঞ্চন সংযোগত সৃষ্টি হৈছে। তান্ত্ৰিক শাক্ত ধৰ্ম'ই সৃষ্টি কৰা মহামায়াৰ সাত-ভনী, ন-ভনী, বাৰ-ভনী আদি লোক-বিশ্বাসৰ আৰু পৰম্পৰাৰ সৃষ্টি। বসন্ত মহামাৰীৰ মাৰাত্মক ৰূপৰ অন্তৰালত কোনো উগ্ৰ দৈৱিক শক্তি নিহিত আছে বুলিয়েই আদিম মানুহৰ ধাৰণা আছিল। সেই শক্তিৰ ওচৰত কৰা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল আইনাম। আই মহামায়া শক্তি বা দুৰ্গাৰ এক ৰূপ মাত্ৰ। বিয়া-নামৰ দৰেই আইনামবোৰ নাৰীকণ্ঠৰ কাকুতিৰে সিক্ত হৈ উঠিছে।

দুখীয়াৰ ঘৰলৈ আহে সাতে ভনী
দিবলৈ নাইকিয়া একো;
মূৰৰ চুলি ছিঙি দুটি পাৰ মলচি
দেহাক পাৰি দিমে সাঁকো।
নাজানি সোমালোঁ আইৰে ফুলবাৰীত
নিচিনি ছিঙিলোঁ কলি;
এইবাৰ দোষকে ক্ষমা ভগৱতী
মাতো চৰণতে ধৰি।
দুখীয়াৰ পুভলা আমে তুলি দিলে
আইৰ মান ধৰমী নাই;

আইৰ নাম শীতলা দুখীয়াৰ পুতলা
দি যোৱা বুকু জুৰাই।

কামাখ্যা, দেওঘৰ, ফুলবাৰী, শদিয়া শক্তিপূজাৰ কেন্দ্ৰ আছিল। অৱশ্যে কামাখ্যাই আইৰ থকা ঠাই যেন লাগে, কাৰণ, লুইতেদি আই উজাই আহে কামাখ্যাৰ মুখৰপৰা।

কামাখ্যাৰ মুখতে নাও ভৰা দিলে
লুইতৰ মুখলৈ চাই;
বাটত লগ পাই গণেশে সুধিলে
কি ফুল ভৰা দিছা আই।

তাৰ পাচত আহি দেওঘৰ পালেহি—

আইৰে পাৱে মচা কপাহী গামোচা
আইৰে কলিকটা পীৰা;
ৰব আই পাচিছে সবু আই আহিছে
দেওঘৰ ফুলনিৰপৰা।

দেওঘৰৰপৰা আই উজাই আহি পিছলা নৈৰ পাৰৰ ফুলবাৰী পালেহি—

পিছলাৰে পানী আনাগৈ গোসানী
তামৰে কলসী লৈ;
ছঅ'ৰা ব্ৰাহ্মণে চণ্ডীপাঠ কৰিছে
ভৱানীক আগতে থৈ।
পিছলাৰে ঘাটে আয়ে স্নান কৰে
লাহৰ কেশটাৰি মেলি;
বাউতিবুণীয়া আইৰে শৰণীয়া
পৰলৈ নিদিবা এৰি।

তাৰ পাচত আই নাৱেদি উজাই গৈ শদিয়াত থান পাতেগৈ।

নাৱতে আনিলা ফুলৰে কৰণী
মঠাত আনিলা দান;

কৈলাসত আছিলা আই ভগৱতী
শদিয়াত পাতিছা থান।

আই উজাই আহিবৰ শুনি আটায়ে ভয় কৰি নতশিৰে ৰয়। আইৰ শক্তি অসীম কিন্তু আইমাতৃ সদায় দয়াশীলা ; প্ৰজাক কৃপা কৰি যায়।

উজাই আহিলে আইৰে সাতে ভনী
চটাই পৰ্বতত জুৰি ;
তৃণ-তৰু-লতা সবে দোঁৱাই মাথা
আই আহিবৰে শুনি।
উজাই আহিলে আইৰে সাতে ভনী
লুইতত মাৰিলে খেৰা ;
ভয় নকৰিবা ভয়াতুৰ নহবা
আয়ে কৰি যাব দয়া।
উজাই আহিলে আইৰে সাতে ভনী
নাৱত গুটিফুলৰ থোপা ;
গুটিকৈ আনিলে মুঠিকৈ বিলাইছে
নৰক কৰি গৈছে কৃপা।

তথাপি গোপিনীয়ে স্তুতি কৰে যাতে আই ভটীয়াই যায়।

উজাই আহিলে আইৰে সাতো ভনী
বালিতে পাতিলে খুটি ;
ভটীয়াই যোৱাগৈ আইৰে সাতো ভনী
গোপিনীয়ে কৰিছে স্তুতি।

দুৰ্গা বা মহামায়াৰে এটি ৰূপ বুলি ধৰিলেও 'আই' লোকাচাৰসম্মত শক্তিহে। আইক শাস্ত্ৰসম্মত বিধিৰে পূজা দিয়া নহয়। আনকি মুছলমান মানুহেও আইক মানে আৰু আসন পাতি নাম গায়। ঠাই আৰু জনগোষ্ঠী অনুসাৰে আইৰ নামত অনুষ্ঠিত অনুষ্ঠানৰ পাৰ্থক্য দেখা যায়। সাধাৰণতে ফুল, আথৈ, পিঠা, পায়স, কৰাইগুড়ি, কল-কুঁহিয়াৰ, অয়-অলঙ্কাৰ, বস্ত্ৰ আদিৰে

সাতখন বা ন খন শৰাই পাতে। শৰাই পাতি নাম লোৱাৰ উপৰিও আইলৈ বুলি আসন পাতি নাম গায়। আৰম্ভণিৰেপৰা শেষলৈকে প্ৰতিটো কাৰ্য্যক্ৰমৰে সুকীয়া নাম আছে। আসন পাতিবৰ সময়ত গায়—

চাৰিও কাষৰে পোৱালে বাথৰে
সজাইছে বিচিত্ৰ কৰি ;
আই ভগৱতী আছে সভা পাতি
গোপিনী নিমন্ত্ৰণ কৰি।

আসনত বহুৱাওঁতে গায়—

আসন পাৰি দিয়া বহক মহামায়া
থাকক হৰিকথা শুনি ;
সকলো গোপীয়ে একেটি চিতেৰে
বোলোঁ দুৰ্গতিনাশিনী।
নাম ধৰ নামতী আই পাৰ্ব্বতী
নামকে বিচাৰি চাওঁ ;
পিছলাৰ ঘাটে আই নামি আহে
বৰ আইৰ আগতে গাওঁ।

আইলৈ বুলি মাননি আগ বঢ়াওঁতে গায়—

বৰ আইৰ মাননি পায়স পিঠাগুড়ি
মাজু আইৰ মাননি গুৱা ;
সৰু আইৰ মাননি পাৰিজাত গোপিনী
নামতে সন্তুষ্ট হোৱা।

আই ওলোৱা জনক উদ্দেশ্য কৰি গায়—

কি চৰাই নাচিছে আয়ে ফুল বাচিছে
চাব বা পায় নাপায় ;
জলমল কৰিছে ছৰালক পিন্ধাইছে
দেখিলে শৰীৰ জুৰায়।

কি চৰাই নাচিছে আয়ে ফুল বাছিছে
দুখীয়াৰ ঘৰ সোমাই ;
বাটত লগ পাই নাৰদে সুধিলে
কি ফুল বাছিলা আই।
বাছো সৰুমুগী বাছো বৰমুগী
মানুহে চিনি নাপায়।

আই-ওলোৱা মানুহক লোকাচাৰমতে পকনি দিয়ে।

বাটত লগ পাই নাৰদে সুধিলে
আইৰ ভোজন কিহেৰে হয় ;
মোৱা মাছ পকনি কলাডিল শুকনি
আয়ে ভোজন বুলি লয়।
শাকৰ সোলেং টেঙা মাছৰ মোৱা-চেঙা
চাউলৰ বৰা বাগ্ধনি ;
মুৰৰ তিনি দিন গুটি আই পকনি
লোৱা আই জগতজননী।

পকনি-মাননি দিয়াৰ পাচত শুকনি-মাননি দিয়ে।

দিন কি ৰাতি কি আই যায় চিটিকি
আই যায় নিকাৰি সাৰি ;
অতি চেনেহৰে আয়ে ফুল বাছিলে
বাউতিৰুগীয়া কৰি।

দৈৱিক শক্তিসমূহক তুষ্ট কৰিবলৈ সকলো ক্ষেত্ৰতেই গীত আৰু গীতিধৰ্মী প্ৰাৰ্থনাৰ আয়োজন কৰা দেখা যায়। আই মাৰাত্মক হ'লেও গীতিধৰ্মী স্তুতি মিনতিৰে সন্তুষ্ট কৰিবলৈ প্ৰয়াস কৰা দেখা যায়। থুৰীয়া তামোল আগবঢ়াই গায়—

আসনৰ আগতে গুৱা কাটি থৈছো
ওলাওঁতে সোমাওঁতে খাবা ;
আগত পাৰে ধুৱা আসনত বহিবা
ছাটিয়াই জুৰাণ দিবা।

কৈলাসৰপৰা আহিলা জগতে
নিজ নাম গুণে চাবা ;
তোমাৰ কৰণিৰে গুৰা আগ বঢ়াইছোঁ
মনত ৰং কৰি লবা ।

শৰাই সজাই নাম লওঁতে যি নৈবেদ্য সম্ভাৰ উচৰ্গা কৰে তাকে এভাগ সজাই-পৰাই আই-ওলোৱা মানুহজনক দিয়ে। আই-ওলোৱা মানুহজনৰ গাত সেই সময়তে আয়ে থিত দিছে বুলি বিশ্বাস কৰি তেওঁক সাক্ষাৎ মহামায়া বুলি স্তুতি কৰা হয়।

পায়স-পিঠাগুৰি বঢ়াই কেনেকৰি
আয়ে বা কেনেকৈ লয় ;
মই মহাপাপী আয়ে ধৰা চাপি
তেহে জীৱ সফল হয় ।

অবিদ্যাই হ'ল মায়া। মায়াৰ প্ৰভাৱত মানুহ অবোধ হয়—

অবিদ্যাক আই থেমিয়োক দায়
আমাৰ মান নাই অবোধ ;
পায়স-পিঠাগুড়ি দিওঁ আগে বঢ়াই
কপিলী গৰুৰে দুধ ।

যাৱতীয় কাৰ্য্যক্ৰমৰ অন্তত আসন তোলে—

আসন দাঙি দিয়া উঠক মহামায়া
চলে লাহে লাহে কৰি ;
পথৰ পথিক পথ এৰি দিয়া
আই যায় আশীৰ্বাদ কৰি ।

আৰু সদৌশেষত গায়—

নামতী আয়ে নামক মোখিলে
ডালি কৰণীত থৈ ;
ধুপ-নিৰ্মালি লৈয়ো মাথা পাতি
আইকে সেৱা কৰি যায় ।

কোনো কোনো ঠাইত আইক শীতলা বোলে। বঙ্গদেশতো শীতলাক মানে। শীতলাৰ নাম আইৰ নামেৰে একে—

আইৰ নাম সুমলা দিছে ফুলৰ মালা
পানী হেন কৰিছে গা ;
আইৰ নাম শীতলা শীতল চৰণেৰে
ধূলা দি কৰিব দয়া।
আইৰ নাম শীতলা দুখীয়াৰ পুতলা
দি যাবা বুকু জুৰাই ;
আইৰে চৰণে শৰণে পশিলো
দিয়া পদৰ তলে ঠাই।

আইক যদিও লোক-বিশ্বাস আৰু লোকাচাৰমতে স্তুতি-প্ৰাৰ্থনা কৰা হয়, তেৱেঁই স্বয়ং মহামায়া ভগৱতী। তেওঁ কৈলাসত সদা-শিৱৰ লগত থাকে। তেওঁ অন্যান্য নামেৰেও জনাজাত।

আই ভগৱতী চণ্ডিকা ভৱানী
দুৰ্গতিনাশিনী আই ;
চৰণত ধৰি দাসীয়ে মাগিছোঁ
দিয়া পদৰতলে ঠাই।
এ ঠাকুৰাণী আই,
তোমাৰ নীলাচলে বাতি ;
দুয়ো চৰণলৈ প্ৰাৰ্থনা কৰিছোঁ
তুষ্ট হোৱা ভগৱতী।
আই আহিবৰ হল বহু দিন
মহাদেউ পঠাইছে খেদা,
যোৱানে নোযোৱা আই ভগৱতী
কৈলাস হইছে সুদা।

আইনামত সামাজিক বুৰঞ্জী আৰু লোক-বিশ্বাসৰ এটা অংশ ফটফটীয়া হৈ উঠাৰ উপৰিও কাব্যিক সৌন্দৰ্য্য আৰু সাহিত্যিক মূল্যৰ ফালৰপৰাও ই বহু পৰিমাণে চহকী। আইনামত নাৰী-

মনৰ কাৰুণ্যকাতৰ অভিব্যক্তি ফুটি উঠিছে। বিয়ানামৰ চিত্ৰ, শব্দচয়ন, প্ৰকাশ-ভঙ্গী অতি কোমল, আলসুৱা। নাৰীকণ্ঠৰ মনোমোহা ভাষা আৰু ধ্বনি সুৰে দৈৱিক শক্তিৰো অন্তৰ স্পৰ্শ কৰি যায়। আইৰ চিত্ৰ এটি আইনামত ফুটি ওলাইছে—

আই আই মহাদেউ সুধিলে
ফুলতো মেলিছে পাহি;
আইৰে চৰণ অতি বিতোপন
আইৰ গা কেতেকী পাহি।

আই মহামায়া শক্তি। তথাপি নাৰীমনৰ মাতৃত্ব-সুলভ মহীয়ান আদৰ্শ-আইৰ ৰূপত দেখা পাইছে। মাতৃৰ মাতৃস্নেহৰ পৰশত আইৰ মাৰাত্মক ৰূপটো ঢাক খাই পৰিছে; আইৰ মান মৰমী, আইৰ মান ধৰমী নাই। আই ফুলৰ পাপৰিৰ দৰে শুভ্ৰ, কোমল, পৱিত্ৰ। আই আহি পৃথিৱীৰ মানুহক পৰশ দি পৱিত্ৰ কৰে—

লুইতৰ বালি তিয়াব নোৱাৰি
ৰৰুণে নিতিয়ায় মানে;
মনিচৰ পোৱালি তুলিব নোৱাৰি
আইমাতৃ নোতোলে মানে।

আইৰ ৰূপ আৰু গুণৰ চিত্ৰসমূহ উজ্জ্বল আৰু মৰ্ম্মস্পৰ্শী।

আহতৰ পাততে আয়ে পুথি পঢ়ে
দুখীয়াই কাকুতি কৰে;

আহতৰ তলতে আয়ে ঢাল খেলে
সোণ পোৱালৰে মণি।
এইনো জহেকালি তলে ৰোকা-পানী
কেনেকৈ আহিলা আই;
সোণৰ নাৱেখনি ৰূপৰ বঠাগছি
বৈহাই আনিলে যাই।

আইৰে চেনেহৰ ম'ৰা চৰাইহালি
দোলৰ চউকাষে ফুৰে ;
হস্তীৰ গমনে আই নামি আহে
চহৰ ফুৰিবৰ মনে।

আইৰ পূজকসকলৰ নম্রতা আৰু আন্তৰিকতাৰ পাৰ নাই। অন্তৰ উদিয়াই গায়—

ফুল দি পূজিলোঁহেঁতেন ভমৰে চুম্বিলে,
দুগ্ধ দি পূজিলোঁহেঁতেন দামুৰীয়ে পিলে।
ধন দি পূজিলোঁহেঁতেন আপোনাৰে আছে,
জল দি পূজিলোঁহেঁতেন বিতালিলে মাছে।
অন্ন দি পূজিলোঁহেঁতেন গৰুৱে খাচলে।
বস্ত্র দি পূজিলোঁহেঁতেন মাৰবে সিজালে।
মন দি পূজিলোঁহেঁতেন মন নাই থিত,
চিত্ত দি পূজিলোঁহেঁতেন পাপে জর্জ্জৰিত।
যেহি বস্তু দিওঁ মাতৃ সেহি বস্তু চুৱা ;
নামেৰে পূজিম আই গধূলিকৈ-পুৱা।

আইনামৰ শব্দচয়ন আৰু চিত্রব্যঞ্জনা স'চাকৈয়ে চমৎকাৰ। উপমা-ৰূপক আদি অলঙ্কাৰৰ প্রাচুর্য্য অধিক হোৱাৰ উপৰিও অতি মোহনীয়। 'আইৰ গা কেতকীৰ পাহি', 'সোণৰ খৰিকা যেন ভৰি', 'সোণৰে আকুহি', 'ৰূপৰে চকৰী উৰে জাকি মাৰি', 'সোণৰে দুখনি পাহি', 'আইৰে কলিকটা পীৰা', 'আইৰ নাম মৰুৱা, জোনাকী পৰুৱা' ইত্যাদি বাক্যাংশই আইনামৰ ঘৰুৱা চিত্রব্যঞ্জনা মোহনীয় কৰি তুলিছে। ধৰ্ম্ম আৰু লোকবিশ্বাসৰ সমন্বয়ত সৃষ্টি হোৱা আইনামৰ নিজা বৈশিষ্ট্য আৰু সেই বৈশিষ্ট্যই অসমীয়া লোক-সাহিত্যত আইনামৰ মূল্য আৰু বৈশিষ্ট্যপূর্ণ স্থান অলঙ্কৃত কৰিছে।

লখিমী সবাহৰ নাম

লোক-সংস্কৃতি আৰু লোক-বিশ্বাসৰ মধুৰ সমন্বয়ত সৃষ্টি হল এটি লোক-উৎসৱ। সেই উৎসৱৰ নাম লখিমী সবাহ। লখিমী সবাহৰ নাম লোক-সাহিত্যৰ এটি বৈশিষ্ট্যসম্পন্ন সম্পদ। হিন্দু-ধৰ্মৰ লক্ষ্মীদেৱী আৰু লখিমী সবাহৰ নামৰ লখিমী একে ঐশ্বৰ্য্য-বিভূতিৰ অধিকাৰিণী শক্তি হলেও লখিমী সবাহৰ লখিমী সম্পূৰ্ণ-ৰূপে কৃষিজীৱী সংস্কৃতি আৰু লোক-বিশ্বাসৰ পৰা উদ্ভূত দেৱী—।

আথৈৰে খৰাহী ভাৰহি ভুৰহি
পিঠাৰে খৰাহী সৰু ;
লখিমী আয়ে ভ'ৰালটি ভৰাব
ভৰাব গোহালিৰ গৰু।

সেই লখিমীক কাকুতি জনাইছে—

গছে সৰু সৰু পাতে ভিৰে থালে
মাণিকীমধুৰী লাগে ;
লোকৰে দেখলে নেখাবা লক্ষ্মী আই
ভ'ৰালটি ভৰিব লাগে।

লক্ষ্মীপূজা নিৰ্দিষ্ট তিথিত দেশৰ প্ৰায় সকলো ঠাইতে পাতে। কিন্তু লখিনী সবাহ সেই তিথি বা সময়তে নেপাতে। লখিমী সবাহ বহাগ-জেঠ মাহত (খেতিৰ আগে আগে) সাধাৰণতে পাতে। কিন্তু প্ৰথম শইচ (লখিমী) আনিবৰ দিনা আৰু কেতিয়াবা বোৱা পোকে খালেও লখিমী সবাহ পাতি সনাহী-খনাহী নাশ কৰিবলৈ প্ৰাৰ্থনা জনায়—

আঁত কুলকলী দবিয় জীয়াৰী
দিলা খুৰি পোকে খেদি,

সনাহী মেজিলা বনাহী মেজিলা
বাইজৰ কি গতি হব ?
খাওখাম দেৱতা লোৱা বলি পূজা
সনাহী ভটীয়াই যাব।

পৃথিবীৰ অন্যান্য দেশতো শইচৰ অধিষ্ঠাত্রী দেৱীক শাস্ত্ৰীয় বিধিৰ উপৰিও লোকাচাৰ অনুসৰি পূজা-পাতল দিয়া হয়। নামনি অসমত লখিমী সবাহৰ নিচিনা উৎসৱ নাই। উজনি অসমত প্ৰচলিত লখিমী সবাহ হিন্দু আদৰ্শ আৰু আহোমসকলৰ লোকাচাৰৰ সংমিশ্ৰণত সৃষ্টি হোৱা যেন লাগে। খাওখাম দেৱতাৰ নাম উল্লেখ থকাটোৱেই যথেষ্ট সাক্ষী দিয়ে। কিন্তু এই গৰাকী আই লখিমী এগৰাকী ৰোৱনী-দাৱনীৰ দৰে ধানখেতিৰ লগত অবিচ্ছেদ্য সম্পৰ্কৰ অধিকাৰিণী হৈ পৰিছে—

কাতিতে পকিলে কাতিৰে নেঊলী
আঘোণত পকিলে ৰবা ;
লক্ষ্মী আই সুন্দৰী আহিছে গৃহীৰ
প্ৰাণ তাবোঁগৈ বুলি।
ধান দালো বচক-পচক
হেঙুলীয়া কাচি ;
ভৰাল ভৰি উপচিলে
থাগাৰিলে পাচি।

লক্ষ্মী আই দেৱাসুৰৰ সাগৰ মন্থনত আবিৰ্ভাৱ হৈছিল। লখিমী সবাহৰ সময়তো সেই বাবে ওচৰৰ নৈ বা পুখুৰীৰপৰা পানী তুলি আনি ঘটত সজাই থয়। পানী তোলাৰ বিশ্বাস এইটোৱেই যে সাগৰত পৰি থকা লক্ষ্মী আই পূজা লবলৈ উঠি আহে।

কি কাৰণে লক্ষ্মী আই
সাগৰতে পৰি,

ভঁৰাললৈ যাব লাগে
জাকে-খালৈ ভৰি।

* * *

সাগৰৰ মাজতে আছিলা লক্ষ্মী আই
সাগৰৰ শেলুকা খাই;
মানিচৰ ৰাজ্যলৈ আহিলা লক্ষ্মী আই
কলে-পিঠাগুৰি পাই।

* * *

জাকে ঘনে কৰি বাবা ঐ দেওধাই
খালৈ ঘনে কৰি বাবা;
খোপয়াই খোপয়াই জাহেকৈ ধৰিবা
লক্ষ্মী আইক হাততে পাবা।

ওপৰত কৈ অহা উপলক্ষ্যৰ বাহিৰেও ধান-দাই শেষ কৰি লখিমী বুলি তিনি গোছা ধান আনে। আলি-পদূলি সাৰি, ভঁৰালত চাকিশলিতা জ্বলাই সেইদিনাও লখিমীক আদৰণি জনায়—

নবায়ো কান্দিলে ভবায়ো কান্দিলে
তই থাক মই যাওঁ কৰি;
ভঁৰালৰ ধৰণী কঁপে থৰে থৰি
লখিমী পালেহি বুলি।
হাবিতে হৰিলে হাবিৰে হৰিণা
নৈতে হৰিলে শিহু;
আজি ভালে যাবে লক্ষ্মী আই আহিছে
ভঁৰালত পাতিছে বিহু।

লখিমী সবাহৰ লক্ষ্মী আই 'দেৱী' নহয়, কোনো এক সাধাৰণ নাৰী।

লক্ষ্মী আই সুন্দৰী   মৰাণৰ জীয়ৰী
খোবা হুচুঙৰে জী ;
দলোৰ কানমাৰি   বজালৰ লাখুটি
আহা ভৈয়ামলৈ নামি ।
থিয় পৰবতত   আছিলা লক্ষ্মী আই
কচুলু কোমোৰা খাই ;
মণিচৰ ৰাজ্যলৈ   আহিলা লক্ষ্মী আই
কলে-পিঠাগুৰি পাই ।

লখিমী সবাহৰ নামৰ লগত মহাদেৱে কৃষি কৰাৰ কাহিনীটো জড়িত হৈ আছে। মুখভঙ্গা মন্ত্ৰত মহাদেৱে কেনেকৈ খেতি কৰিবলৈ পালে আৰু কি কি ঘটনা ঘটিলে বৰ্ণিয়াকৈ আছে। ইয়াত সেই কাহিনীটোৰ গীতি-ৰূপ প্ৰকাশ পাইছে।

ইন্দ্ৰক খুজিলা   পানী ঐ মহাদেউ
কুবেৰে কঠীয়া দিলে ;
হোলোঙা গোমেৰে   জোঁট জৰী কৰিলা
বলোভদ্ৰই নাঙল দিলে ।
কুৰুলা কাঁপিলা   হালেখন জুৰিলা
কাৰ্শলা সাপৰে লৰু ;
ডালৰ হনুমানে   আলিৰ কাষ কাটিলে
ভালুকে ডকালে গৰু ।

লোক-সাহিত্যত সদায় লোকবিশ্বাসৰ প্ৰভাৱ স্পষ্ট। অনেক সময়ত সৃষ্টিমূলক কাহিনীৰ গীতি-ৰূপ প্ৰকাশ পায়। লখিমী সবাহৰ নামত সেয়েহে ধানৰ বাকলি কেনেকৈ হ'বলৈ পালে, এই সৃষ্টিমূলক উপকথাৰ ঘাই শিপাডালৰ উমান পোৱা যায়।

গোঁসাই ধানে বলে   মাণিকীমধুৰী
থোকে হালি-জালি পৰে ।
ব্ৰহ্মাণ্ডৰ ভোজ খাই   থকুৱা বামুণে
চুঁচি পালে মাৰি থলে ;

সেইনো অপমানে আই লখিমীয়ে
পাতে বাৰকাল ললে।

লখিমী সবাহ কৃষিজীৱী সমাজৰ অনুষ্ঠান। লক্ষ্মীদেৱী যদিও ধন-ৰত্ন, ঐশ্বৰ্য্য-বিভূতিৰ অধিকাৰিণী, ইয়াত কিন্তু লখিমী সকলো প্ৰকাৰে কৃষি আৰু ধানৰ লগত সম্পৰ্ক থকা দেৱী হৈ পৰিছে। খৰালি কেইমাহত লখিমী পথাৰৰপৰা আঁতৰি গৈ সাগৰৰ তলীত ঠাই লয়গৈ। সেই গৰাকী লখিমীক আদৰি আনিবৰ বাবে পতা এই কৃষি-সংস্কৃতি সংশ্লিষ্ট উৎসৱটোৰ বৈশিষ্ট্য লোক-সংস্কৃতিৰ ইতিহাসত বিশেষ উল্লেখযোগ্য।

সাহিত্যিক দৃষ্টিভঙ্গীৰপৰা চালে লখিমী সবাহৰ গীত কেইটিৰ ভাষা বিয়ানামৰ দৰেই কোমল—আৰু নাৰী-অনুভূতি জড়িত, 'আলিৰে কাষৰি লক্ষ্মী আই লাহৰী', সনাহী মেলিলা বনাহী মেলিলা,' 'ধান দালো ৰচক পাচক', 'আথৈৰ খৰাহী ডাবহী-ডুবহী' আদি অনুপ্ৰাসব্যঞ্জিত বাক্যাংশৰ উপৰিও কাব্যিক চিত্ৰৰ সজীৱতা লক্ষ্য কৰিবলগীয়া। এপিনে সাংস্কৃতিক লোক-বিশ্বাস আৰু আনপিনে সাহিত্যিক মূল্যসম্পন্ন এইকেইটি গীতৰ মূল্য লোক-সাহিত্যত অনন্য সাধাৰণ।

অপেচৰা সবাহৰ নাম

অসমীয়া লোক-সাহিত্যৰ কিছুমান গীতক লোক-বিশ্বাসৰ গীত বুলি নামকৰণ কৰিব পাৰি। এই গীতবোৰ বিহুনাম বা বিয়ানামৰ দৰে পোনপটীয়াকৈ অনুভূতিৰঞ্জিত গীত বুলিব নোৱাৰি, বৰঞ্চ উদ্দেশ্যধৰ্ম্মী গীত বুলিব পাৰি। কোন দেৱতা, অপদেৱতা বা আধিভৌতিক শক্তিক সন্তুষ্ট কৰি মানুহৰ উপকাৰত লগাবৰ বাবে কিছুমান অনুষ্ঠান পতা হয় আৰু তাৰ বিহিত ব্যৱস্থাৰে নাম বা গীত গোৱা হয়। এনে অনুষ্ঠানবোৰৰ কোনো ধৰ্ম্মীয় ভিত্তি বা বৈজ্ঞানিক যুক্তি নাই; লোকবিশ্বাসৰ কোমল ভেটিটোহে ইয়াৰ মূল বস্তু। অপেচৰা সবাহ এবিধ লোক-বিশ্বাসৰ গইনা লৈ সৃষ্টি হোৱা অনুষ্ঠান। উজনি অসম আৰু নামনি অসম উভয়তে অপেচৰা সবাহ-জাতীয় অনুষ্ঠান অনুষ্ঠিত হয়। উজনি অসমত চকুৰ অসুখ, পিঠাখোৱা ৰোগ, ছোৱালী যথাসময়ত পুষ্পিতা বা ঋতু নোহোৱা আদি ৰোগ বা অৱস্থাক অপেচৰাৰ ঘাটি লাগিলে বুলি বিশ্বাস কৰে। কোনো প্ৰত্যক্ষ ৰোগ-ব্যাধি নোহোৱাকৈ মানুহ ক্ষীণাই-শুকাই গলেও অপেচৰাৰ দোষ বুলি বিশ্বাস কৰে। এনে দোষ খণ্ডনৰ বাবে কল, পিঠাগুৰি, গাখীৰ, চেনি আদি দি সবাহ পাতে। সবাহ সাধাৰণতে দুপৰীয়া চোতালত পাতে। ৰোগ-ব্যাধিৰ বাবে সবাহৰ উপৰিও অন্যান্য কিছুমান অনুষ্ঠানো কৰা দেখা যায়। দিনে-ৰাতিয়ে কেচুৱাই ৰবকৈ কান্দি থাকিলে কান্দনি-কলাই লাগিছে বুলি ভাবে আৰু তাকে খেদিবলৈ কেঁচুৱাটোৰ মোমায়েকে কেঁচা কল, চপৰাদলি আৰু কিবাকিবিৰে ভাৰ এখন পাতি কান্ধতকৈ নি তিনি-আলিৰ মূৰত পেলাই থৈ আহে, অপেচৰা সবাহো এই জাতীয় অনুষ্ঠান। অপেচৰা সবাহৰ নামৰ পৰিমাণ বৰ বেচি নহয়, কিন্তু যি কেই

ফাঁকি আছে ইয়াৰ কাব্যিক মূল্য আৰু চিত্ৰ-কল্প অতি ওপৰত।

জোনে-বেলিয়ে লগে ভটিয়ালে
লগত যায় তামুলী-তৰা ;
খকেক বৈ যোৱা আই অপেচৰী
লৈ যোৱা কুমাৰীৰ পূজা।

* * *

ৰূপৰে জখলা সোণৰ হেতামাৰি
আহে অপেচৰা নামি ;
লেম্বুৰৰ আলি দুপেখ পখুৰী
তোলে অপেচৰাই পানী।

নামনি অসমতো অপেচৰা সবাহ পাতে। সাধাৰণতে একাজী আৰু শিশুৰ চিঞৰ-বাখৰ, কন্দা-কটা আদি ৰোগ অপেচৰাৰ দোষত হয় বুলি ভাবে। কিন্তু নামনি অসমৰ অপেচৰা দুৰ্গাৰ সৈতে অভিন্ন ৰূপত দেখা দিয়ে।

আসনৰ চৌপাশে ঘট শাৰী শাৰী।
ঘট-দুৰ্গা ৰস ঢালে কৈলাশ ঈশ্বৰী॥
আসনত বহি আয়ে ফুলৰ হাৰে লেখা।
গোপিনীয়ে স্তুতি কৰে আয়ে দিছে দেখা॥

অপেচৰা আকাশত ফুৰে। ছাঁ আহি পৃথিবীত পৰে। পথালি-চকুৰা নৰমনিচে চিনিব নোৱাৰি ছাঁত ভৰি দি ঘাটি লগায়। সেই দোষ মৰিষণ কৰিবৰ বাবে অপেচৰা সবাহ পাতি প্ৰাৰ্থনা জনায়।

দেওবাৰে ৰূপৰ বেলা ছাঁয়াত পৰিল ভৰি।
মাতিলে কেমিৰ দায়, স্বৰ্গৰ অপেচৰী॥

ৰূপৰ জখলাৰে নামি, সোণৰ হেতামাৰি ধৰি অপেচৰা আহে। গোপিনীৰ প্ৰাৰ্থনা শুনি পূজা ভাগ গ্ৰহণ কৰে।

অপেচৰা সবাহৰ নামত ৰম্ভা অপেচৰাৰ নাম পোৱা যায়।

অপেচৰাৰ সঙ্গে আসি ৰম্ভা আছে চাই।
হৰি হৰি, দুখুনীৰ কি হব বিলাই ॥

অৱশ্যে ৰম্ভা অপেচৰাৰ নাম থাকিলেও আইৰ সাত-ভনীৰ দৰে অপেচৰাবো সাত-ভনী বুলি কৈছে, লগতে "বায়ুতকৈ বেগেৰে সূৰ্য্যতকৈ তাপেৰে গোঁসাইতকৈ মায়াৰে নাই" বুলি সাতজন দেৱতাৰ কথাও উল্লেখ কৰিছে।

অপেচৰাৰ সাত ভনী, ৰামৰ চাৰি ভাই,
চৰণতে পৰি মাগো ভৰণি নেপাই ॥

* * *

দেৱতা দেৱৰে সাতজন দেৱতা
লাগিল কোনজনত ঘাটি ;
ঘাটিও ধৰিব এৰিও পেলাব
দিব দাসৰ পিনে পিঠি।

আনে এটি গীতত অপেচৰাক মহামায়াৰ স্বীকৃতি দি কৈছে—

দেৱৰো দেৱতা সাতজন দেৱতা
লাগিল কোনজনত ঘাটি ;
গোপিনী সকলে তুতিকৈ মাতিছো
ভাগক মহামায়াৰ ঘাটি।

অপেচৰা সবাহৰ নামৰ পৰিমাণ তাকৰীয়া হলেও লোক-সাহিত্যৰ ভঁৰালত এডোখৰ আচুতীয়া আসন আছে। কাৰণ ই গীতি-সাহিত্যৰ মূল্য বঢ়োৱাৰ উপৰিও লোক-বিশ্বাসৰ সাক্ষী দি, লোক-সাহিত্য সৃষ্টিত লোক-বিশ্বাসৰ ৰৰঙনি কিমান তাক নিৰ্ণয় কৰি দেখুৱাইছে। সেইবাবেই অপেচৰা সবাহৰ নামৰ মূল্য লোক-সাহিত্যত বিশিষ্টতাপূৰ্ণ বুলি সদায়েই পৰিগণিত হৈ থাকিব।

ভেকুলী বিয়াৰ নাম

লোক-বিশ্বাসৰ গইনা লৈ সৃষ্টি হোৱা আন এটি লোক-সাহিত্যৰ ঠাল হল ভেকুলী বিয়াৰ নাম। মন্ত্র বা গীতেৰে আধিভৌতিক শক্তিক জয় কৰি মানুহৰ উপকাৰৰ অৰ্থে প্ৰয়োগ কৰাৰ যি প্ৰবৃত্তি সিয়েই লোক-বিশ্বাস জড়িত গীতবোৰৰ জন্ম দিয়ে। বৰষুণ দিলে ভেকুলীয়ে টোৰ্‌টোৰায়। চুক-ভেকুলীয়ে বৰষুণৰ আগতেও টোৰ্‌টোৰায়। চকু-ভেকুলীৰ টোৰ্‌টোৰনি বতৰৰ আগলি বতৰা বুলি মানুহৰ মনত এটা বিশ্বাস সোমাল। সেইদৰে পানীপিয়া চৰাই আৰু ৰাক চৰায়ে চিঞৰিলে পাতিহাঁহে এটা বিশেষ ভঙ্গিত টে ট্‌টেটালে, বিহ-পৰুৱা ওলালে, বৰষুণ দিয়ে বুলি মানুহে বিশ্বাস কৰে। কিন্তু ভেকুলীৰ লগত বৰষুণৰ সম্পৰ্কটো ইমান গাঢ় কেনেকৈ হল বুজা টান, কিন্তু এই সম্পৰ্কই লোক-বিশ্বাসৰ ভেটিটো শকত কৰি এটা উৎসবৰ জন্ম দিলে—সেয়ে ভেকুলী বিয়া। খেতিৰ বতৰত বৰকৈ খৰাং হলে মানুহে ভেকুলী বিয়া পাতে। এহাল চুক-ভেকুলী ধৰি এজনী কন্যা আৰু এটাক দৰা পাতি দুয়ৰ মানুহত থয়। তাৰ পিছত যথানিয়মে পানী তুলি, নোৱাই-ধোৱাই, নাম-গুণ গাই বিয়া পাতে। মানুহৰ মাজত এটা গভীৰ বিশ্বাস আছে যে ভেকুলী বিয়া পাতিলে নিৰ্ম্মল আকাশৰ বুকুলৈ ডাৱৰৰ চপৰা উঠি আহে আৰু ধাৰাসাৰে বৰষুণ দিয়ে।

ভেকুলী বিয়াৰ লগত সাঙুৰ খাই আছে ইন্দ্ৰদেৱতা। ইন্দ্ৰদেৱতাই বৰষুণ দিয়ে। চুক-ভেকুলীয়ে টোৰ্‌টোৰালে বৰষুণ দিয়ে। সেইবাবেই আদিম মনৰ মানুহে ভেকুলী আৰু ইন্দ্ৰদেৱতাৰ সম্পৰ্ক বিচাৰি পাইছিল। অথৰ্ব্ব বেদত বৰষুণ কামনা কৰি ভেকুলীক প্ৰাৰ্থনা জনাইছে।

(অথৰ্ব বেদ ৪।৪।১৫।১২,১৪,১৫)

ভেকুলীৰ বিয়ালৈ
আহে ইন্দ্ৰদেৱে
ৰতাহ বৰষুণত তিতি ;
স্বৰ্গৰ অপেচৰী
নামি আহিছে,
ভেকুলীৰে বিয়া শুনি ।

*   *   *

ভেকুলী মৰৰে   জলঙা পাগুৰিৰ
ভেকুলী হাতৰে খাৰু ;
ভেকুলীক বিচাৰি   ইন্দ্ৰ আহিলে
দেখুৱাই নিদিবা কেৰে ।

ভেকুলী বিয়াৰ নামত এটা প্ৰাৰ্থনাৰ সুৰো আছে ।

চুকৰে ভেকুলী   মেঘৰ মন মুকলি
বাইজক পানী কৰি দিয়া ।

*   *   *

মেঘে কৰে   এগা গুমা
ভেকুলীৰে বিয়া ;
আজি প্ৰভু   ৰক্ষা কৰা
সুৰুৰমুখে ৰাকা ।

*   *   *

উৰুলি বাজতে   বজায় ঢাকে-ঢোল
বজায় দেৱীদলত ডবা ;
আপোনাৰ বাজলৈ   ঘোৰাগৈ ভেকুলী
বাইজক পানী কৰি দিয়া ।

ভেকুলীৰ লগত দৈবিক সম্পৰ্ক স্বীকাৰ কৰিলেও বাস্তৱ ৰূপটোও পাহৰি যোৱা নাই ।

খহুলী ভেকুলী চুকৰে সুন্দৰী
তোকে জানো কিহবাই পালে ;
খহুলী ফাপৰী চুকৰে ভেকুলী
হাতৰ কাণৰ খুলি পিন্ধে ।

কিন্তু এই খহুলী ভেকুলীৰ বিয়ালৈ ৰাইজ ভাগি-ভুৰি আহে ।

খহুলী ভেকুলীৰ বিয়াখন পাতিছে
ৰাইজে বেৰি বেৰি চায় ।

অকল সেয়ে নহয়, ভেকুলীৰ বিয়ালৈ ইন্দ্ৰদেৱতা অহাৰ দৰেই চন্দ্ৰ, সূৰ্য্য, বায়ু দেৱতাও আহে আৰু ৰাইজৰ আশা পূৰণ কৰি মেঘে সাদিন বৰষুণ দিয়ে ।

চন্দ্ৰ আহিছে সূৰ্য্য আহিছে
আহিছে সৰগৰ তৰা ;
বায়ু দেৱতাক মেঘে নমুৱালে
সাদিন বৰষুণ দি ।

ভেকুলীৰ বিয়া দেখি মহাদেৱেও হাঁহে—

দেখি মহাদেৱে
ভেকুলীৰে বিয়া
হাঁহে খলে খলি চাই ।

ভেকুলী বিয়াৰ নামত ভেকুলীৰ পৰিবেশ অনুসৰি বিয়াখনৰ চিত্ৰ অঙ্কিত কৰা হৈছে ।

সোপ পোপী নাৰী
আহে ৰঙ্গ কৰি
ভেকুলীৰ বিয়ালৈ বুলি ।
মনত ৰঙ্গ কৰি
আহিলো বিয়ালৈ
বহিবলৈ নেপালো ঠাই ।

কেঁকোৰা গাতত
বিয়াখন পাতিছে
খাবলৈ নেপালো পাণ।
বাঁহৰে আগতে
বগলী পৰিছে
আগে হালি-জালি পৰে।
বৰষুণৰ লগত
ভেকুলী পৰিছে
চিলাই ধাঁৰ ধাঁৰ গিলে।

সাধাৰণ বিয়ানামৰ দৰেই ভেকুলী বিয়াৰ নামো নাৰী-কণ্ঠৰ পৰা নিগৰি ওলোৱা কোমল কোমল শব্দৰ সহজ সৰল ৰচনা।

এই নামবোৰত সাধাৰণ বিয়ানামৰ ভালেমান লক্ষণ একেই। সেইবাবেই হয়তো বিয়ানামৰ অনেক অংশ ভেকুলী বিয়াৰ নামতো সোমাই পৰিছে। "যমুনাৰে ঢৌ দেখি ৰাধাৰ কম্পে হিয়া" শিতানৰ পানী তুলিবলৈ যাওঁতে গোৱা নামটোৰ মাজতে আছে—

খহুলী ভেকুলীৰ বিয়া এ,
ৰাইজে পানী তুলি দিয়া এ।
চুকৰে ভেকুলী মাটি-কলী ফাপৰি
নেমাতি কেনেকৈ থাকোঁ।
ওলাই আহু আইটী ৰাবি কেনে কৰি এ।
মাটিতে নিদিবি ভৰি এ,
ভেকুলী খাবি জাপ মাৰি এ।

* * *

ৰাবি ৰবাৰবি ইন্দ্ৰে বৰষুণ দিয়ে।
চাওঁ দিন চাওঁ ৰাতি ইন্দ্ৰে বৰষুণ দিয়ে।

* * *

খহুলী ভেকুলীৰ বিয়া এ,
ইন্দ্ৰে বৰষুণ দিয়া এ।

* * *

বোলৰে সাৰাঁধি চাঁদ-সূৰুযে
জোনৰে সাৰাঁধি ভৰা ;
আমাৰে আইটী সীতা-সমন্বৰ ৰাতি,
ওলাই আহা ভিতৰৰ পৰা ।

ভেকুলী বিয়াৰ নামবোৰ খেমেলীয়া কিন্তু সুৰত মেঘমল্লাৰ ৰাগৰ কিঞ্চিৎ প্ৰভাৱ থকা যেন লাগে । একো গৰাকী নামতীৰ কণ্ঠত ভেকুলী বিয়াৰ নাম শুনিলে সঁচাকৈয়ে ডাৱৰ নামি অহা যেন লাগে । তলৰ নাম কেইফাঁকিৰ ভাষা খেমেলীয়া যদিও সুৰৰ বৈশিষ্ট্য আছে ।

বড়গছ কাটিলে ঘিটিঙাই পৰিলে
লতাগছ কাটিলে বেৰে ;
ভেকুলী কটকীক বঙালে কাটিলে
সাদিন বৰষিলে দেৰে ।

* * *

আগবেলা মাতিলোঁ পিছবেলা আহিলি
মেখেলা কৰিলি চুৰ ;
গায়নক মাতিলোঁ ঢুলীয়া আহিলে
লগতো মদাৰৰ ঢোল ।

ভেকুলী বিয়াৰ নামৰ পৰিমাণ তাকৰীয়া হলেও লোক-বিশ্বাসৰ ঐতিহ্যজড়িত কৃষিজীৱী সমাজৰ গীত হিচাপে লোক-সাহিত্যত ইয়াৰ মূল্য বৈশিষ্ট্যপূৰ্ণ ।

নাওখেলৰ গীত

পৰিশ্ৰমৰ অন্তত অৱসাদ আহে। দীঘলীয়া পৰিশ্ৰমৰ মূৰত মনে, দেহে সকলোৱে জিৰণি বিচাৰে ; গীতে দুয়োটা দিয়ে। কেতিয়াবা বলে-নোৱৰা কাম সমাধা কৰিবলৈ বল দি থাকোঁতে “হেই অ, হেই চ, মাৰ-জোৰ’ আদি শব্দ উচ্চাৰণ কৰে। সেইদৰে একেৰাহে নাও বাই গৈ থকা নাৱৰীয়াৰ মনটো আমনিয়ে হেঁচি ধৰে আৰু সেই আমনি পাহৰিবলৈ গীতৰ বকলা মেলে। এইদৰেই নাওখেলৰ গীত বা নাৱৰীয়াৰ গীতৰ জন্ম। ফাকুৱাৰ সময়ত বৰপেটাত হোৱা নাওখেলত গীত প্ৰয়োগ হোৱাৰপৰা পিছলৈ ই নাওখেলৰ গীত নামে জনাজাত হয়, কিন্তু ইয়াক বহল অৰ্থত নাৱৰীয়াৰ গীত বুলি কলেহে আটাইখিনি গীত সামৰি লয়। মাছমৰা নাৱৰীয়া, দূৰদেশলৈ যোৱা-অহা সাউদৰ নাৱৰীয়া আদিয়ে বঠাৰ চেৱে চেৱে গীত গায়। গীতৰ ছন্দ আৰু ছন্দস্পন্দ বঠাৰ কোবৰ অনুগামী। সেইবাবে পানীৰ কল্‌কলনি, বঠাৰ চপ্‌চপনি আৰু গীতৰ ধ্বনিৰ মধুৰ সমন্বয়ত নাৱৰীয়াৰ গীত আকৰ্ষণীয় হৈ উঠে।

সাউদে ডিঙা মেলি দূৰ দেশত বণিজ কৰিবলৈ যায়। ঘৰত এৰি থৈ যায় ৰূপহী যুৱতী ভাৰ্য্যা। সাউদৰ মনত পৰে প্ৰিয়ালৈ; প্ৰিয়াই বিৰহত কটোৱা দিনবোৰলৈ। বণিজলৈ ওলাই যাবলৈ সাউদৰ ইচ্ছা, কিন্তু ভাৰ্য্যাৰ বাধা।

বোঁজা আছিলো মই মাও-বাপৰ ঘৰে।
তেজিয়া নগৈলা কেন লঙ্কাৰ বাণিজে ॥
ধনৰ কঙাল নাছিল ধনকে কৰা সাৰ ॥

* * *

ৰাৰীৰ ভলুকা কাটি নাৱৰ দিলা ছৈ।
নালাগে সাউদ বাণিজে যাব, যাওক ছোট ভাই ॥
ৰাৰীৰ বগৰী কাটি নাৱৰ দিলা গুড়া।
নালাগে সাউদ বাণিজ্যে যাব, যাওক শহুৰ বুঢ়া ॥
মাঝিক দিব টকা-সিকা গুৰিয়ালক সোণা।
আমাৰ সাউদ বাণিজে যায়, সবে দিও মানা ॥

বাণিজৰ সমল যতাই লৈ সাউদ ওলাল যাবলৈ। কিন্তু ভাৰ্য্যাই এৰিব নিদিয়ে। আনদিনত যিবোৰ বস্তু বিচাৰি ভাৰ্য্যাই আমনি কৰে, সেইবোৰ আনি দিয়ে কিন্তু বুকুৰ মাজৰপৰা আঁতিৰ যাবলৈ ওলোৱা স্বামীৰ বিৰহৰ বোজা একোৱে পাতলাব নোৱাৰে।

নেঠা নেঠা কৰে তাই, নেঠা আনি দিলোঁ মই।
নেঠাত ধৰি ধৰি কান্দে।
কপাহ কপাহ কৰে তাই, কপাহ আনি দিলোঁ মই
কপাহত ধৰি ধৰি কান্দে।
ৰঁতৰ ৰঁতৰ কৰে তাই, ৰঁতৰ আনি দিলোঁ মই
ৰঁতৰত ধৰি ধৰি কান্দে।
শাল শাল কৰে তাই, শাল আনি দিলোঁ মই
শালত ধৰি ধৰি কান্দে ॥

ৰাধাকৃষ্ণৰ প্ৰণয়ৰ কাহিনীও নাওখেলৰ গীতৰ বিষয়-বস্তু। ৰাধা গৈছিল মথুৰা হাটলৈ। কৃষ্ণক খাটনি ধৰিলে নাৱেৰে পাৰ কৰিবলৈ। কৃষ্ণই পাৰেমানে পলম কৰিছে—

কালাই, পাৰ কৰ ৰে, বেলিৰ দিকে চাৱা।
নষ্ট গৈল দুধেৰ ভাণ্ডাৰ বজাৰ লৈল বৱা ॥

* * *

নালাগে তোহাৰ কড়ি নকৰোঁ মই পাৰ।
অন্য ঘাটে গৈয়া ৰাধা হৈয়ো তুমি পাৰ ॥

চাতুৰীৰ অন্তত কানাই মান্তি হ'ল পাৰ কৰিবলৈ—

বাধাৰ বচন শুনিয়া কানাই
মনত আনন্দ ভৈলা।
ভগা নৌকাখানি কলীয়া কানাই
তাহিতে আনন্দ বৈলা॥
কৃষ্ণে বোলে ৰাধা নৌকাত উঠিয়া
পোহাৰক লাগি বোৱা।
হাঁহি হাঁহি বোলে মই হলো গুৱালা
তুমি নিজে আগে বোৱা।

ভগা নাও। যমুনাত ঢৌ। তাকে দেখি ৰাধাই কয়—

ঢৌ দেখি হালে-জালে
গা হে কলীয়া
কাৰে চপাই দিয়া নাও॥

* * *

বহল পানীত দীঘলীয়াকৈ নাও বাই যাওঁতে দীঘলীয়া সুৰৰ এবিধ গীত গোৱা হয়। এই বিধ গীতৰ বিষয়-বস্তুৰ নাও বা নাৱৰীয়াৰ লগত সম্পৰ্ক নাই। ৰামায়ণ মহাভাৰতৰ একোটি সৰু বা জনপ্ৰিয় কাহিনী নাৱৰ বঠাৰ ছন্দৰ সামঞ্জস্য ৰাখি ৰচনা কৰা হৈছে।

ৰাম আহিলবে মায়া মৃগ মাৰি॥
মায়া কৰে মাৰীচ মায়াৰ চূড়ামণি।
মায়া মৃগ ধৰি সাথে ৰামৰ বিৰিনি॥
আঁতৰ কৰিলা ৰাম-লক্ষ্মণ দুই-ভাই।
ৰাৱণে হৰিলা সীতা শূন্য ঘৰে পাই॥

* * *

সীতা হৰিলা বে পঞ্চবটী বনে।
পুষ্পক ৰথত তুলি মায়াবী ৰাৱণে॥

এ-কি বস্তু খুজিলোঁ বামত মুগৰ হাল।
ডাক দিব নোৱাৰি বামে কৰে আল-জাল ॥

দুই এটি গীত আছে, নাও-নাৱৰীয়াৰ লগত কোনো সম্পৰ্ক নাই। ইয়াৰ সুৰটোহে আচল বস্তু।—

ৰাতি পুৱাইলৰে ৰুৰুৱাই দিলে বাঘ।
বালিত বাগৰি কান্দে দুটি বাঘৰ চাৰ ॥

সাহিত্যিক দৃষ্টিৰে চালে এই গীত ফাঁকিৰ কাব্য-চিত্ৰ অতি মনোৰম। তলৰ গীত ফাঁকিৰ কাব্যিক সৌন্দৰ্য্যও বিশেষ উল্লেখযোগ্য—

আবেলি বেলিকা বানে বৰষুণে
সাতো সাগৰে বেৰা ;
পাৰোঁনে নোৱাৰোঁ ক'বকে নোৱাৰোঁ
দিলোঁ সাগৰতে খেৰা ॥

বহল সাগৰৰ বুকুলৈ আবেলি বেলিকা নাও মেলি দিয়া নাৱৰীয়াৰ মনোধৰ্ম্মী আৱেগ ইয়াত ফুটি ওলাইছে।

নাওখেলৰ গীতৰ পৰিমাণ সৰহীয়া নহলেও বিষয়বস্তু আৰু উদ্দেশ্যৰ পিনৰ পৰা নাওখেলৰ গীতৰ মূল্য বহুত ওপৰত।

সদাশিৱৰ নাম

সদাশিৱ প্ৰাক্-বৈষ্ণৱ যুগৰ অনাৰ্য্য দেৱতা, শঙ্কৰদেৱে শিৱক বিষ্ণুৰ ৰূপত দেখুৱাইছে। শিৱ পূব-ভাৰতৰ বিশেষ প্ৰতিপত্তি-শীল দেৱতা, সেয়েহে শিৱ তন্ত্ৰ-মন্ত্ৰ-নাম-গীত সকলোতে বিয়পি আছে। কিন্তু শিৱ লৌকিক ৰূপতহে ধৰা দিছে। মুখ-ভঙা মন্ত্ৰৰ শিৱ, ভীম-চৰিত্ৰৰ শিৱ নাইবা লোকগীতৰ শিৱ আটায়েই ভঙুৱা, জধলা, সংসাৰ-বিমুখী। পাৰ্ব্বতীৰ মাতৰ খেকেছনিত থাকিব নোৱাৰি শিৱ খেতিলৈ ওলাই যায়। ভিক্ষাৰ চাউলে পেট নভৰে। জগতক বৰ দি আপুনি নাঙঠ হৈ থকা সদাশিৱৰ এই চৰিত্ৰটো স্বভাৱ-কবিৰ লৌকিক দৃষ্টিত সজীৱ হৈ উঠিছে। পগলা শিৱৰ ভাং প্ৰিয়। ইয়াকে লৈ স্বভাৱ-কবি মুখৰ হৈ উঠিছে।

মোহিনী (ভাং) য়ে মুহিলে মন প্ৰভু মহাদেউ
মোহিনীয়ে মুহিলে মন ॥

* * *

এ প্ৰভু মহাদেউ কেনেই খাই শিকিলা ভাং ?
ভাঙৰে জালতে গছৰে তলতে পৰি থাকা খোৱাতে বাং ॥

* * *

ভাঙ খাই পগলা হ'লা মহাদেউ,
ভাঙ খাই পগলা হ'লা ;
ভাঙৰ জালে ধৰি নলৰ ঘৰে যাবা
উমাৰ গৌৰী বোলা ॥
ভাঙ খাই কি বুলি দিলো তিনি চুলি
হপুৰা খজুৰাৰ গুটি ।

ভাঙৰে জালতে নলয় ঘৰে যাবী
থাকা বৰষ্ণৰত তিতি ॥

* * *

কি লাগি পগলা হলা মহাদেউ
কি লাগি পগলা হ'লা ;
ৰাম নামে পগলা হৰি নামে পগলা
ভাঙ খাই পগলা হ'লা ॥

* * *

ৰাম স্বৰস্বতীয়েও, শিৱৰ সেই একে চৰিত্ৰকে 'ভীম-চৰিত'ত অঙ্কন কৰিছে।

ৰাতি দিনে তোহোৰ ভাগৰ নাই উৰি ।
সকলোৰে খুন্দি মৰে ভাঙৰেহে গুৰি ॥
ধান নাই ভাঙ্গৰেহে পাতি আছা ভুলি ।
ভাঙ্গক ধৰিছা তোৰা পঞ্চামৃত বুলি ॥

সংসাৰ পাতি সংসাৰলৈ মন-কাণ নিদি ধোবাং জুৰি পৰি থকা সদাশিৱৰ লগত পাৰ্ব্বতীৰ থৈয়া-নথৈয়া লগাটো স্বাভাৱিক। অসীম সাধনা আৰু আন্তৰিকতাৰে পাৰ্ব্বতীয়ে এদিন শিৱক বিচাৰিছিল। গতিকে অভাৱ-অনাটন, টনা-আঁজোৰাৰ মাজেদিয়েই জীৱনটো আগবঢ়াই নিব লাগিব।

বাঘৰ ছালে পাৰি বৃক্ষৰ তলে পৰি
অচেতনে নিদ্ৰা যায় ;
ঢোপ্তা কাকে পাই জঙ্ঘ খুটি খায়
তথাপি চেতন নাই ॥
দেখিয়া পাৰ্ব্বতী কৰি শীঘ্ৰে গতি
জগাই গুৰুক আনে ;
বাপী এৰিল বুলি আনি ভাঙৰ জুলি
দুনাই ভাঙক টানে ॥

* * *

হেন দেখি গৌৰী চৰণত ধৰি
প্ৰভাতে গৈয়া জগায় ;
উঠা শীঘ্ৰ কৰি বিলম্ব নকৰি
ঘৰতো খুদকণ নাই ॥

* * *

শিৱ-পাৰ্ব্বতীৰ জোৰা-টালি মৰা সংসাৰখনেই আদৰ্শ সংসাৰ। গতিকে সদাশিৱই বিয়ানামতো ভুমুকি মাৰিছে।

গছ সৰু সৰু পাত চিৰিলিয়া
মাণিক থোপা-থুপি লাগে ;
হৰলৈ গৌৰীকে নিদিওঁ নুৰুলিবা
সৃষ্টি বাঢ়িব লাগে ॥

পাৰ্ব্বতীক নিবলৈ সদাশিৱ আহে বৃষভ বাহনত উঠি। লগত আনে ভাঙৰ সঁজুলি।

কৈলাসৰে পৰা মহাদেউ আহিছে
বৃষভ বাহনত উঠি ;
আজি বাৰবছৰ বাহি গা ধোৱা নাই
গোন্ধে যাই প্ৰাণ ফুটি।

* * *

শিৱ আহি পালেহি হেমন্তৰ ঘৰ।
ভাঙখুন্দা সঁজুলিৰে জুৰিছে নগৰ ॥

শিৱ-পাৰ্ব্বতীৰ দীঘলীয়া গীত এটি আছে। পাৰ্ব্বতীয়ে তেতেলীৰ তলত তাঁত বাটি কৰিছিল। আহিবৰ সময়ত কুচিটাৰ পাহৰি আহিল। তাৰে খণ্ডত শিৱই পাৰ্ব্বতীক কিলাব। শিৱই পাৰ্ব্বতীক কিলাব খুজিলে মাকৰ ঘৰলৈ গুচি যাব। গাঁৱৰ এঘৰ সাধাৰণ মানুহৰ এখন সংসাৰ আৰু শিৱ-পাৰ্ব্বতীৰ এইখন সংসাৰৰ মাজত কোনো পাৰ্থক্য নাই। লোক-সাহিত্যই লৌকিক-

তাৰ গইনা লৈ আত্মপ্ৰকাশ কৰাৰ ই এটি উৎকৃষ্ট উদাহৰণ। কিন্তু তেওঁবিলাকৰ অলৌকিক শক্তি থকাৰ কথাটো কবিয়ে স্বীকাৰ কৰিছে; সেয়েহে হাবিত সোমাই থকা পাৰ্ব্বতীক ধৰিবলৈ শিৱই হাবিত জুই লগাই দিব, কিন্তু পাৰ্ব্বতীয়ে ধোঁৱাৰ লগত উৰিব। তাৰ পিছত পাৰ্ব্বতীৰ পলায়ন আৰু শিৱৰ অনুসৰণ, দুয়োটা কথা লৌকিক আৰু অলৌকিক মায়াৰে জড়িত হৈ পৰিছে। জগতৰ সংহাৰকাৰী শিৱৰ সংসাৰথনৰ ছবিটো উপলব্ধি কৰিবলৈ গীতটো উদ্ধৃত কৰি দিয়া হল।

তেতেলী তলতে কৰোঁ তাঁতে বাটি,
পাহৰি আহিলো কুচি;
কুচিৰে লগতে পগলাই কিলাব
মামে আইব ঘৰলৈ গুছি।
মাবৰ ঘৰলৈ যাব তই পাগলী
বাটত খাপে দিয়ে ধৰিম;
বাটত খাপে দিয়ে ধৰ তই পগলা
হাবিয়ে পলায়ে সাৰিম।
হাবিয়ে পলায়ে সাৰ তই পাগলী
হাবিত-জুই লগাই ধৰিম;
হাবিত জুই লগাই ধৰ তই পগলা
ধোঁৱাৰে লগতে উৰিম॥
ধোঁৱাৰে লগতে উৰ তই পাগলী
হাকুটি জোৰায়ে ধৰিম;
হাকুটি জোৰায়ে ধৰ তই পগলা
তোৰে বৰবিলত পৰিম।
মোৰে বৰবিলত পৰ তই পাগলী
জকায়ে জুলুকি বাম;
জকায়ে জুলুকি বাব তই পগলা
শামুকে শেলায়ে হ'ম॥

শামুকে শেলায়ে হয় তই পাগলী
তোকে চুণে পুৰি খাম ;
মোকে চুণে পুৰি খায় তই পগলা
তোৰে মুখতে ডাকিম ।
মোৰে মুখতে ডাক তই পাগলী
তেলে দি জৰাই পেলাম ;
তেলেদি জৰাই পেলায় পগলা
সবিয়হ জনমে ধৰিম ।
সবিয়হ জনমে ধৰ তই পাগলী
তোকে তেলী-শালত চেপিম ;
মোকে তেলীশালত চেপ তই পগলা
খলিহে জনমে ধৰিম ।
খলিহে জনমে ধৰ তই পাগলী
তোকে বাৰী চুকত পেলাম ;
মোকে বাৰীচুকত পেলায় পগলা
বাৰীৰ বড়ে গছে হম ।
বাৰীৰ বড়ে গছে হৱ তই পাগলী
তোকে নাৱ কাটি বাম ;
মোকে নাৱে কাটি বায় তই পগলা
মাজতে বুৰায়ে খম ॥

এইখন খৈয়া-নখৈয়া কাজিয়াত পাগলীৰ জয় হলেও শেষত পাগলীয়ে কৈছে—

জৰাব কুমলীয়া পাত ঐ পগলা,
জৰাব কুমলীয়া পাত ;
এবাওঁ এবাওঁ বুলি এবাব নোৱাৰো
তোৰে কুমলীয়া হাত ॥

পাৰ্ব্বতী মহামায়া আই, শিৱ প্ৰলয়ৰ অধিকৰ্ত্তা । কিন্তু লোক-গীতত শিৱ-পাৰ্ব্বতীয়ে সাধাৰণ মানুহৰ ভূমিকাত অৱতীৰ্ণ

হৈছে। শিৱ-পাৰ্ব্বতীৰ মাহাত্ম্যই আধ্যাত্মিকতাৰ পৰশ লৈ মানুহৰ মনত সোমোৱাৰ আগতে সাধাৰণ মানুহৰ জীৱনৰ চানেকী লৈহে সোমাইছে। আদিম জীৱনৰ চানেকী দাঙি ধৰা, পোনতে খেতি কৰিবলৈ আৰম্ভ কৰা আৰু শিৱ-পাৰ্ব্বতীৰ সংসাৰৰ নিতান্তই লৌকিক ৰূপে গীতৰ পৌৰাণিকতা আৰু আদিম মনৰ চিনাকি দিব পাৰে।

বৃন্দাৱনী নাম

শ্ৰীকৃষ্ণই বৃন্দাৱনত কৰা লীলা-খেলাক পটভূমিত লৈ কিছুমান নাম বা গীত ৰচনা কৰা হৈছিল। এইবোৰ নাম গোপিনীসকলে গোপিনী সবাহত, কোনো কোনো ঠাইত নাম-প্ৰসঙ্গতো গায়। গোঁসাই শ্ৰীকৃষ্ণৰ লৌকিক চৰিত্ৰৰ মাহাত্ম্য সংযোজিত হোৱা বাবে এই নামবোৰক গোঁসাই নাম বোলা হয় কিন্তু কিছুমানে বৃন্দাৱনৰ লীলাই প্ৰাধান্য লাভ কৰা বাবে বৃন্দাৱনী নাম বোলে। ভাৰতীয় আধ্যাত্মিকতাত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক ব্যক্তিত্ব আৰু মাহাত্ম্য ওতঃপ্ৰোতভাৱে জড়িত। ভক্তিমাৰ্গত শ্ৰীকৃষ্ণৰ কাৰ্য্য-কলাক "লীলা" হিচাপে স্বীকৃতি দি সকলো কথা ঐশ্বৰিক দৃষ্টিত বিচাৰ কৰা হয়। সেইবাবে প্ৰখ্যাত বৈষ্ণৱ কবিসকলৰ ৰচনাত শ্ৰীকৃষ্ণৰ মাৰ্জ্জিত ৰুচিসম্মত চিত্ৰহে অংকন কৰা হৈছে। গোপীৰ ব্যাকুলতা, বস্ত্ৰহৰণ, ৰাসলীলা আদিতো আধ্যাত্মিক দৃষ্টি আৰু অৰ্থ আৰোপ কৰা হৈছে। কিন্তু এটা কথা। ধৰ্ম্মৰ দৃষ্টি সদায়েই পৰিবৰ্ত্তনশীল তদুপৰি সাধুৰ তত্ত্বব্যঞ্জক আধ্যাত্মিক আদৰ্শই সাধাৰণ মানুহৰ মনত সহজে শিপাই লব নোৱাৰে। আনপিনে লোকবিশ্বাসৰ সাৰুৱা তলীত গজি উঠা লোকাচাৰ আৰু লৌকিকতাৰ প্ৰভাৱ অতি শক্তিশালী। সেয়েহে বৈষ্ণৱ কবিসকলৰ ৰসোত্তীৰ্ণ কৃষ্ণ চৰিত্ৰতে সন্তুষ্ট নেথাকি শ্ৰীকৃষ্ণৰ লৌকিক চৰিত্ৰ অংকন কৰিবলৈ লোকসাহিত্যৰ পৃষ্ঠপোষক স্বভাৱ-কবিসকল আগবাঢ়ি আহিল। তেওঁবিলাকৰ চকুত ধৰা দিলে শ্ৰীকৃষ্ণৰ মানবীয় কাৰ্য্যকলাপে। বৈষ্ণৱ আদৰ্শত বৰ্জ্জনীয় বাধা চৰিত্ৰ এইবিধ নামত ফটফটীয়া হৈ ফুটি উঠিল। বিহুনাম—বিয়ানামৰ দৰে কোমল ভাষাৰ অকৃত্ৰিম ঠাঁচত ৰচিত এই নাম-খিনিত সময়ৰ প্ৰভাৱ মানি লৈয়ো লৌকিকতাক এৰিব নোৱৰা স্বভাৱটোৰ সাক্ষ্য প্ৰকাশ কৰিছে।

ৰাধাকৃষ্ণৰ প্ৰীতি এই নামবোৰৰ বহুতো ঠাইতে প্ৰকাশ পাইছে।

যমুনাৰ তীৰতে কানাই যেনু চাৰে
মাথাতে মুকলি চুলি ;
সিপাৰবে পৰা ৰাধাই ডাকে দিয়ে
মোকে পাৰে কৰা বুলি।
কেনেকৈ পাৰ কৰিম ৰাধিকা সুন্দৰী
ঘাটত নাইকিয়া নাও ;
যেনে-তেনে কৰি দিয়া পাৰে কৰি
মথুৰা হাতলৈ যাওঁ।

ৰাধাৰ কাকুতি সহিব নোৱাৰি কানাই আহিল নাও লৈ।

আবেলি বেলিকা কানাই নাও মেলে
পচোৱা বতাহে পালে ;
ক'কাল হেলাই হেলাই মাৰে চুঙা বঠা
গৰা পাই বাগৰি পৰে ॥

* * *

নাও হেঙুলীয়া বঠা হেঙুলীয়া
আৰু হেঙুলীয়া চৈ ;
চৈৰে ভিতৰত ৰাধিকা বহিছে
সোণৰে সঁফুৰা লৈ ॥

লৌকিকতাৰ প্ৰভাৱ পৰা হেতুকেই এই নামটিৰ শেষলৈ যৌন-চিত্ৰ দেখা যায়। এই ফাঁকি নাম তেনেই বনঘোষাগন্ধী—

কেঁচা শ্ৰীফলে লাহৰি লুহুৰা
চেপিলে লোল্যায় ৰস ;
তুমি যে ৰাধিকা ৰূপহী গাভৰু
আমাৰে অলপ বয়স ॥

ৰাধাৰ পদূলিত শ্ৰীকৃষ্ণৰ নূপুৰৰ ৰুণুক-জুনুক শব্দ উঠে।

ধৰ ধৰ কলীয়া কঁলৈ পলায়।
নধৰিবি নধৰিবি ৰাধাৰ জোঁৱাই॥
ৰাধাৰ পদূলিয়ে কোন কোন যায়।
ৰুণুক-জুনুক ঐ নেপুৰ বজায়॥

হুচৰিগীতৰ ঘোষা হিচাপে গোৱা কেইটিমান গীততো কৃষ্ণ-চৰিত্ৰ ফুটি ওলাইছে—

ৰাধাই বোলে কৃষ্ণাই
আমাক পাৰে কৰা,
এৰি যমুনাৰে জল ঐ গোবিন্দই ৰাম॥

* * *

কৃষ্ণাইৰ মুখতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ
গোবিন্দাই ৰাম॥

শিশু কৃষ্ণৰ দুষ্টালি, চাতুৰী আৰু লৌকিক কাৰ্য্যসমূহ লোক-গীতৰ বিষয়-বস্তু হোৱাৰ দৰে বৰগীতৰো বিষয়-বস্তু। কিন্তু বৰগীতৰ দৃষ্টি আধ্যাত্মিক, ভাষা সংযত, ভাব-গভীৰ। লোক-গীতত কৃষ্ণৰ লৌকিক চৰিত্ৰ বঢ়িয়াকৈ ফুটি ওলাইছে। তদুপৰি কৃষ্ণৰ জন্ম-বিবৰণীতো ভাষাৰ কৃত্ৰিমতা নাই—

আজি ৰাতি শিলা বৰষিলে এ
নুশুনি প্ৰজাৰ মাত;
পালি-পহৰীয়া সবে নিদ্ৰা গৈলে
উপজিলে জগন্নাথ॥
ভাদ-মাহৰ ৰোহিণী নক্ষত্ৰ এ,
মঙ্গলবাৰৰ দিনা ৰাতি;
কলৰো পাতত সোনাই উপজিলে
জলাইছে সুগন্ধি বাতি॥

গোঁসাই উজিবৰ কেৰে তু নেপালে এ
অকল বসুদেৱৰ বিনে ;
কংসৰ ভয়ত লুকুৱাই থৈছে
নন্দ-যশোদাৰ ঘৰে ॥

দৈৱকীৰ গৰ্ভত জন্ম হৈ যশোদাৰ ঘৰত ডাঙৰ-দীঘল হোৱা শিশু-কৃষ্ণ এটি গৰখীয়া ল'ৰা। হাতত বাঁহী, ওঁঠত হাঁহি আৰু মূৰত দুষ্টালি। শ্ৰীদাম, সুদাম আদি গৰখীয়াৰ লগত গৰু চৰাই ফুৰে।

সুদামে ডাকিছে শ্ৰীদামে ডাকিছে
আহাঁ বৃন্দাবনে যাওঁ,
আথৈ চাউল চিৰা পিঠা-পৰমানে
ভগা-বটা কৰি খাওঁ ॥

তাৰ পিছত—

বৃন্দাবনতে দামুৰি হেম্বেলাই
বান্ধে মথুৰাতে গাই ;
হাতত কঁৰিয়া লৈ প্ৰভুদেউ আছে বৈ
দামুৰি মেলোঁতা নাই।
বৃন্দাবন অচলা সসাঙ্গে ধবলা
মধ্যে চৰে ৰাম কানু ;
মুখে বংশী বাই আঙ্গুলি বুলাই
ৰঙ্গে ফুৰা চাৰি ধেনু।

অসমৰ বৈষ্ণৱ আদৰ্শত চৈতন্য-পন্থী আদৰ্শৰদৰে ৰাধা-কৃষ্ণৰ আদি-ৰসাত্মক প্ৰীতিৰ স্থান নাই। কিন্তু লৌকিক চিন্তাধাৰাৰ প্ৰভাৱতেই নে পিছৰ যুগৰ চৈতন্য-পন্থী প্ৰভাৱৰ ফলতে ৰাধা-কৃষ্ণৰ প্ৰীতি এই নামবোৰত প্ৰকট হৈ উঠিছে।

কাকো নানিলা ৰাধাকে আনিলা
ৰাধা বৰ সুৰাগিনী,
কণ্টক বনতে চলিব নোৱাৰে
কোলে লোৱা বনমালী ॥

কোলে লওঁ বুলি আশ্বাস কৰিলা
হাততে হেৰাইলা হৰি ;
কণ্টক বনতে ৰাধা পৰি আছে
কেশ আউল-জাউল কৰি ॥
কাকো নানিলা ৰাধাকে আনিলা
ৰাধাকে আগে পিছে চাই ;
যৌৱন কালতে এৰি গুছি গ'লা
কিবা অপৰাধ পাই ॥

* * *

বৃন্দাবন এৰি যাবকে নোৱাৰো
গকুলে নচলে ভাৰ ;
পতি-পুত্ৰ এৰি তোমাকে ভজিলো
গৈলা কোন সতে এৰি ॥

* * *

সেউতী ফুলৰে মই ঘৰ সাজিলো
মালতী ফুলৰে বেৰ ;
গুটি-মালতীৰে দুৱাৰ সাজিলো
নাহিলে নন্দকুমাৰ ॥
ফুলৰে ইচাটি ফুলৰে বিচাটি
ফুলৰে সজালো শয্যা ;
ফুলৰে শয্যাতে ঘুমটি নাহিলে
কৃষ্ণ হ'ল তোমোৰাৰ আৰ্য্যা ॥

* * *

শীঘ্ৰে নদী পাৰ কৰা দধি নষ্ট যায় ।
ভাঙিলে মথুৰা হাট আৰু কৈত পায় ॥
কৃষ্ণে বোলে প্ৰিয়া লজ্জা পৰিহৰা ।
আগে আলিঙ্গন দিয়া পাছে নদী তৰা ॥

ৰাধাৰ বচন শুনি হাঁসি বোলে কানু।
তয় পৰিহৰা প্ৰিয়া স্থিৰ কৰা তনু॥
ৰতিদান দিয়া মোক ৰাধা সুবদনী।
আন দান নলাগয় বোলো নিষ্ঠ বাণী॥

* * *

যেতিক্ষণে ৰাধা হাটে চলি গৈলা
কানু বিয়ামোহ ভৈলা।
ৰাধাক সুমৰি কান্দন্ত মুৰাৰি
কিনো দুৰ্ব্বাসনা ভৈলা।

বৃন্দাবনী নামৰ কিছুমান সৰু সৰু কলি আছে। সেই-বোৰতো কৃষ্ণৰ বৃন্দাবনৰ খেল-ধেমালি, গোপ-গোপিনীৰ কৃষ্ণ-প্ৰেম, কৃষ্ণৰ মাহাত্ম্য আদি ফুটি ওলাইছে।

বৃন্দাবনৰ মাজে প্ৰভু আছিলা লুকাই।
ভালেতো গোপিনী কান্দে বিচাৰি নেপাই॥

* * *

কদমৰ গাছে, কানাই বহি আছে,
নিবলৈ পঠাইছে মোক ঐ ৰাধিকা,
এবিৰ নোৱাৰো তোঁক।

* * *

থমকি থমকি পাৱে চলায়,
আগতে গো-বৎস ধেনু চৰায়,
চাৰাইছ, চাৰাইছ, নন্দৰ নন্দন,
হাঁয়ৰে বংশী বজায়।

* * *

শ্যাম ধেনু চাৰে বৃন্দাবনে
ধেনু কানু, হাতত মোহন বেনু।

* * *

গধূলিতে পদূলিতে আছো বাট চাই,
আহিব বান্ধৱ কৃষ্ণ গো-ধেনু চৰাই,
হবি মুৰুলী বজাই ॥

*　　*　　*

মেঘ বৰণীয়া চিকণ মুৰুলী শ্যাম,
কালি শিৰে চৰি নাচে কি ঐ ৰাম।

*　　*　　*

কালিন্দীৰ তীৰে তীৰে যদুৰায় ;
কোটী ব্ৰহ্মাণ্ডৰ ঈশ্বৰে
ধেনু চৰায় ॥

*　　*　　*

এ ৰাম কলীয়া কোন বনে চৰাইছিলা ধেনু,
ৰাম ৰাম চান্দ মুখে বজাইছিলা বেনু ॥

বৃন্দাবনী নামসমূহত লোক-গীতৰ লক্ষণ সুস্পষ্ট হ'লেও অনেক ঠাইত বৈষ্ণৱ যুগৰ কবিসকলৰ আদৰ্শ অনুসৰণ কৰা দেখা যায় আৰু কোনো কোন ক্ষেত্ৰত উক্ত কবিসকলৰ ৰচনাৰ প্ৰক্ষিপ্তকৰণো লক্ষ্য কৰিব পাৰি। কৃষ্ণৰ বাল্য-লীলা ভাৰতীয় পৰম্পৰাত অধিক জনপ্ৰিয় হৈ উঠা বাবে সকলো ভাষাৰে ৰচনাত কৃষ্ণ-চৰিত্ৰ পোৱা যায়। বিখ্যাত কবিসকলৰ ৰচনাৰ উপৰিও নৈৰ্ব্যক্তিক ৰচনাৰ পৰিমাণো অলপীয়া নহয়। এই গীতি-ৰচনাসমূহত শিশু-কৃষ্ণ লৌকিক চৰিত্ৰ আৰু যশোদাৰ মাতৃত্ব বাঢ়িয়াকৈ ফুটি ওলাইছে।

হাতে শিঙা মুখে বেনু নাকে বংশী বায়।
বৃন্দাবনৰ মাজে প্ৰভু গো-ধেনু চৰায় ॥
হাতে শিঙা মুখে বেনু মাথায় ময়ৰা পাখি।
বনৰ পুষ্প মালা পিন্ধি ফুৰে ধেনু ৰাখি ॥
নন্দৰ ঘৰে কানাই তুমি আছিলাহে সৰু।
কোন মতে নন্দে তোমাক ৰখাইছিলা গৰু ॥

লোকৰ বাছা ডাঙৰ-দীঘল আমাৰ বাছা সৰু ।
বাঘে সিংহে লগে চৰে তাতে চৰাই গৰু ॥
যশোদা ডাকয় ঘনে কুলৰ নন্দন ।
বোলি হৈছে মোৰ বাছা কৰাহি ভোজন ॥
যশোদা ডাকয় ঘনে গৃহতে ওলাই ।
আইস কৃষ্ণ আইস বলো আইস দুটি ভাই ॥
গধূলিতে ধেনু চাৰি আহে যদুমণি ।
স্বৰ্ণথালে অন্ন লৈয়া ডাকিছে জননী ॥
দৈ থৈছোঁ দুগ্ধ থৈছোঁ উদৰ ভৰি খাবা ।
সোণৰ বংশী গঢ়াই থৈছোঁ চান্দ মুখে বাবা ॥
দৈ থৈছোঁ দুগ্ধ থৈছোঁ আৰু থৈছোঁ চিৰা ।
সোণৰ ঘিলা কৰাই থৈছোঁ ৰঙেৰে খেলিবা ॥
দৈ থৈছোঁ দুগ্ধ থৈছোঁ ঘৃতৰ লাৰু ।
শীতল পাটি পাৰি থৈছোঁ তাতে থৈছোঁ গাৰু ॥
দৈ থৈছোঁ দুগ্ধ থৈছোঁ আনি থৈছোঁ খাট ।
শীতল পাটী পাৰি থৈছোঁ জুৰুৱাহি তাত ॥
শিশু কালে বাছা তুমি ফুৰিলা বনত ।
কণ্টকে বিন্ধিলে বাছা দুটি চৰণত ॥
গধূলিতে ধেনু চাৰি আঁহে যদুমণি ।
ধূলি জাৰি কোলে লয় নন্দৰ ঘৰিণী ॥

* * *

বৃন্দাবনী নাম কেইফাঁকিৰ কাব্যিক সৌন্দৰ্য অতি চমৎকাৰ ।

গোঁসাইৰ নামে যৰত কথৈ ফুল ফুলিছে
গুটিয়ে ধৰিছে চাটি ;
হিয়ে হিয়ে কীৰ অমৃত বৰষিছে
গল কোন সন্তে এৰি ।
গোঁসাই গ'ল কালিলৈ যমুনা পাৰলৈ
হাঁকলাই এৰিলা বালি ;

সেউতী মালতী দুয়ো বার আলাচ
কেলেই বুলিলো আমি।
পাৰই নাই কোটে পৰুৱাই নোবোলে
তেল নাই নজবলে চাকি ॥
গোসাই নাই কোটে মণিকুট নুশুৱাই
নুশুৱাই কালিন্দী বাতি ॥

শঙ্কৰদেৱকে আদি কৰি বৈষ্ণৱ কবিসকলে কৃষ্ণ-চৰিত্ৰক বিদ্বে আধ্যাত্মিক দৃষ্টিৰে চিত্ৰিত কৰিছিল, সেই আদৰ্শকে পটভূমিত ৰাখি লোক-কবিসকলে কৃষ্ণ-চৰিত্ৰ চিত্ৰিত কৰোঁতে লৌকিক ৰূপত প্ৰকাশ পাইছিল। সি যি নহওক, কৃষ্ণ-চৰিত্ৰক ৰুকুত লৈ বৃন্দাবনী নামে লোক-সাহিত্যৰ বৃন্দাবনত যে কদম্ব হব নোৱাৰিলেও দুবৰি হৈ সত্ত্বা ৰক্ষা কৰিছে, সি সত্য।

মহো-হো—মহখেদা গীত

লোক-বিশ্বাস লোক-সাহিত্যৰ ভেটি। মন্ত্ৰ বা গীতৰ দ্বাৰা আধিদৈৱিক শক্তিকে মানুহৰ বশলৈ আনিব পাৰে বুলি উদয় হোৱা বিশ্বাসৰ দৰেই আধিভৌতিক শক্তিকো দমন কৰিব পাৰে বুলি মানুহৰ মনত বিশ্বাস দৃঢ়ীভূত হয়। মন্ত্ৰৰ দ্বাৰা সৰ্প-দংশন, বৃশ্চিক দংশন, কদো-বৰল-চেলা আদিৰ দংশনৰ বিষ উপশম কৰিব পাৰি বুলি মানুহৰ বিশ্বাস আছে। বাঘ, সিংহ, ম'হ আদি হিংস্ৰ বনৰীয়া জন্তুকো সম্মোহনী মন্ত্ৰেৰে স্তম্ভিত কৰি ৰাখিবৰ দিহা মন্ত্ৰ-পুথিবোৰত পোৱা যায়। মহো-হো গীতৰ পটভূমিও এনে বিশ্বাসৰ ভেটিতে প্ৰতিষ্ঠিত। কিছুমান মন্ত্ৰত অলৌকিক শক্তি নিহিত থাকে বুলি বিশ্বাস হয় যদিও তাৰ কথা আৰু ৰচনা অনেক ক্ষেত্ৰত শিথিল আৰু সামঞ্জস্যহীন। সেইদৰে মহো-হো গীতৰো ৰচনা শিশু-মনোধৰ্ম্মী ৰচনাৰ দৰে শিথিল আৰু বিষয়ৰ পৰা বিষয়ান্তৰলৈ বাগৰি যায়।

অ' হৰি মহো-হো
মহ খেদৰা টোকান লো।
মহে বোলে মইলৈ দে,
টেপল পুৰা খালু দে।
টেপলত নহ'ল নুন,
চাউল লাগে দোণ দোণ॥

টাঙোন লৈ মহ মাৰিবলৈ যোৱাটো উদ্ভট কল্পনা হলেও ই বিশ্বাসৰ ভিতৰুৱা। আঘোণ মাহৰ পূৰ্ণিমা তিথিত মহো-হো গীত গাই, ৰঙালী বিহুৰ দৰে চোতালে চোতালে আশীৰ্ব্বাদ দি ফুৰিলে মহ আঁতৰি যায় বুলি বিশ্বাস কৰে। বুঢ়াদিয়া পাৰকৈ মহ খেদি পঠিয়ায়।

হাল দিলু সিবালে
মৈ দিলু পাটে,
মহৰ মাকোক পাৰ কৈলু
বুঢ়াদিয়াৰ ঘাটে।

* * *

আমি খাওঁ টেঙাই দি। মহ খায় চেঙাই দি ॥
আমি খাওঁ জালি দি। মহ খায় আলি দি ॥

* * *

শিশু-মনোধৰ্ম্মী ল'ৰা-ধেমালিৰ গীতবোৰৰ দৰে মহো-হো গীতৰ বিষয়বস্তুও শিশু-মনোধৰ্ম্মী। এটা বিষয়ত গীতটো আৰম্ভ হৈ বিষয়ান্তৰ বাগৰি আন কিবা এটা বিষয়ত গীতটো শেষ হয়গৈ।

আ হৰি মহো-হো ৰে মহো-হো
মহ খেদিবা টোকান ল'।
কাণা-কুজা এফাল হো,
কাণা-কুজা খেলা গুৰা,
অজা মাতি ল'লো বৰেৰ পুৰা।
অজা মাতি ল'লো লাজ,
চাৰি বামুণৰ চাৰি কাজ।
একলা বামুণৰ হাউৰা পেট,
হাউৰা পেটত পৰিল পানী,
যমে-মানুহে টানা-টানি।

* * *

আবু মই বিয়া খাওঁ
বাঘ মাৰিবা বণে যাওঁ।
বাঘ কাকা হানিয়া,
মুইং কাকা জিনিয়া।

মহুহৰ শিং হেকাৰ বেঁকা,
তাতে পৰিল মাছৰোকা।
মাছৰোকাৰ ভীষণ ঠোট।
ফুৰেই মাৰো চাপ-চুপ;
কলৰ চুচঁনি বাঁহৰ সৈ,
তাল-ভালুকী নাচন দেই।

বহাগ বিহুৰ হুচৰি গাওঁতে মাননি এটি নিয়ে। মাননিত সৰহাঁয়াকৈ পইচা বিচাৰি যেনেকৈ বিহু নাম গায়, তেনেকৈ মহো-হো গীততো পইচা বিচৰাৰ ইঙ্গিত পোৱা যায়।

বাঁহৰ পাত পকা,
আমাক লাগে টকা,
হাঁহৰ পাত চিকিমিকি,
আমাক লাগে আধুলি সিকি।

*   *   *

ঘগা ঘগা ঘগা ঐ মাছ-মৰা ঘগা,
আধুলি সিকি নেদাহ যদি চোতাল কৰিম বেঁকা।

*   *   *

লাউৰ পাত পকা-জকা,
আমাক দিবা টকা-টকা।
বাঁহৰ পাত চিকিমিকি
আমাক দিবা আধুলি সিকি।
অ' ৰাম অ' হৰি
ভাল হোক কুশল হোক
গৰু-চৰু বাঢ়োক।
ভাল-ভোলুকোক দিবাক লাগি
শক্তিমন্ত কৰোক।

মহো-হো গীত গাওঁতে এজনে কলৰ চোঁচনি পাত আঁৰি ভালুক হয় আৰু তেওঁ মহো-হো গীত গোৱা জুমটোৰ মাজত

সোমাই নাচে। ভালুক আৰু মহৰ লগত কিবা সম্বন্ধ বিচাৰি পায়েই মহো-হো গীতত ভালুকৰ অৱতাৰণা কৰিছে যেন লাগে। গীততো ভালুকৰ কথা পোৱা যায়।

মহো-হো ৰে মহো-হো
ভাল-ভলুকা খেদি খো।
চাবা-বাতি ভাল-ভালুকা খেদি,
পইচা আনিম খুঁজি মাগি।
* * *
চলিগলা ওলাওৰে,
ভাল-ভলুকা খেদোৰে।
* * *
ভাল-ভলুকা নাচোৰে
টোঁম গালা নাচোৰে
খন্তি গালা নাচোৰে
পিটা গালা নাচোৰে
নাচোৰে ভাল-ভলুকা নাচ।
গৃহস্থে পইচা দি কৰোক সুকাজ।

মহো-হো গীতৰ ঐতিহাসিক পৰম্পৰা জড়িত তেনে কোনো লোক-বিশ্বাসৰ উৎস নেথাকিবও পাৰে। চেঙেলীয়া লৰাৰ সাধাৰণ খেমালি বা উৎসৱৰপৰাই এনে অনুষ্ঠানৰ জন্ম হৈ গাঁৱে-ভুঞে বিয়পি পৰাটো একো আচৰিত নহয়। উজনি অসমৰ বহাগ বিহুৰ সময়ত গৰু গা-ধোৱাওঁতে গোৱা "দীঘলতী দীঘল পাত ঃ মাখি মাৰো জাক জাক" গীত ফাঁকিৰ উদ্দেশ্যও একে ধৰণৰ। এনে গীত বাস্তৱ সমস্যাৰ পৰিপ্ৰেক্ষিত পৰিস্থিতিৰ পটভূমিত ৰচিত। মহো-হো গীতত সাহিত্যিক মূল্য প্ৰচুৰ পৰিমাণে নেথাকিলেও লোক-বিশ্বাসৰ সাক্ষী হিচাপে লোক-সাহিত্যত ইয়াৰ মূল্য চিৰস্থায়ী।

জুনা

জুনা এবিধ কাল্পনিক কাহিনী গীতি। মূলতে জুনা শব্দই হুঁচৰি গাওঁতে নাচনীয়ে নাচিবলৈ লোৱাৰ আগতে গোৱা বিহুনাম বুজাইছিল। কিন্তু পিছলৈ ই কেইটামান নিৰ্দ্দিষ্ট কাহিনী-গীতক বুজাবলৈ ধৰে। অসমীয়া ভাষাত পৰুৱাৰ জুনা, নাঙলৰ জুনা, তাঁতীৰ জুনা, কপাহৰ জুনা আদি কেইটামান জুনা আছে। এসময়ত নাহৰৰ গীত নামৰ মালিতাটোক মানুহে নাহৰৰ জুনা বুলিহে কৈছিল। পৰুৱাৰ জুনাটোক বহুতে পৰুৱা শিপিনীৰ গীত বুলি কয়। এইটো জুনা এতিয়াও বিহু গাওঁতে নাম হিচাপে গোৱা হয়—কিন্তু নাঙলৰ জুনা আৰু কপাহৰ জুনা হুচৰি গীত হিচাপে আৰু তাঁতীৰ জুনা হৰিনামৰ অন্তৰ্গত কৰি গোৱা হয়। নামনি অসমত ব্যৱহৃত জুনাৰ অৰ্থ কিন্তু সুকীয়া। জুনাক কাহিনী-গীতৰ ভিতৰত ধৰিব পাৰি এইবাবেই যে ইয়াত কাহিনী আৰু গীতিধৰ্ম্মিতা দুয়োটাই আছে।

জুনা কেইটিৰ ভিতৰত তাঁতীৰ জুনাৰ কাব্য-চিত্ৰ আৰু কাব্যিক-সৌন্দৰ্য্য অতি মনোৰম। আন কেইটি জুনাৰ বিষয়-বস্তু হাস্যৰসৰ। পৰুৱাৰ জুনাটোত পৰুৱাক বিহুৱৰীয়া বিহুৱান বিচাৰিছিল। পৰুৱাই টোলোঠা নাই বুলি উত্তৰ দিলে। পৰুৱাৰ তাঁতশাললৈ টোলোঠা বিচাৰি যোৱা কাহিনী-টোৱেই পৰুৱাৰ জুনা।

ভাতে বান্ধি দিয়া খাওঁ ঐ পৰুৱা
পানী আনি দিয়া খাওঁ ;
চাউল মুঠিচেৰেক বান্ধি দিয়া পৰুৱা
টোলোঠা বিচাৰি যাওঁ"।

পৰুৱা শিপিনীৰ টোলোঠা কাটোতে হোৱা অভিজ্ঞতা অতিৰঞ্জনৰ বোল সানি হাস্যৰসৰ বিষয়বস্তু কৰি তোলা হৈছে।

উজনি ৰাজতে টোলোঠা পালোগৈ
ষোলহাত এমুঠেন বেৰ॥

*   *   *

পৰুৱা শিপিনীৰ টোলোঠা কাটোঁতে
হুঅঁৰা ভাগিলে কুঠাৰ।

*   *   *

পৰুৱা শিপিনীৰ টোলোঠা কাটোঁতে
গাঁৱৰ মৰিল চাৰিবুঢ়া।
পৰুৱা শিপিনীৰ টোলোঠা কাটোঁতে
এমাহেই এযুগ হ'ল।

অৱশেষত পৰুৱা শিপিনীৰ তাঁতশাল ওলাল।

পৰুৱাই বান্ধিলে পৰুৱাই বাঢ়িলে
পৰুৱাই নেখালে ভাত;
ৰাতিৰে ভিতৰত কাটে সৰুসূতা
পুৱালৈ তৰিলে তাঁত।

তাঁতীৰ জুনাৰ বিষয়বস্তু ৰাধাক পিন্ধাবলৈ এখন আটকধুনীয়া কাপোৰ লাগে। সেইবাবে কৃষ্ণই তাঁতীৰ ওচৰলৈ গৈ কাপোৰৰ জোখ-মাখ দিছে।

আনন্দে মোহন বাংশী বজাই।
গৈলন্ত গোঁসাই তাঁতীৰ ঠাই॥
দূৰতে দেখিয়া তাঁতী হাসয়।
আমাৰ গৃহক হৰি আসয়॥

তাঁতীৰ আগত কৃষ্ণই কৈছে—

শুন তাঁতী কহোঁ তোহোৰ আগে।
ৰাধাক পিন্ধাইবাক কাপোৰ লাগে॥

তাকে শুনি তাঁতীয়ে উত্তৰ দিলে—

কেমন কাপোৰ কেমন ঠান।
কলেহে জানো মই তাৰ প্ৰমাণ॥
দীঘল পুতল কিমান লাগে
কিবা ফুল মই বাছিম আগে॥

তাঁতীৰ জুনা দুটি পোৱা যায়। দুয়োটিৰে বিষয়বস্তু একে, ৰচনাৰ সামান্য তাৰতম্য আছে। এটি চুটি, এটি দীঘল। চুটি জুনাটোত থোৰতে কৃষ্ণই কাপোৰৰ বিৱৰণী দিছে।

দীঘলে সাৰঙ্গ পুতলে ৰৰ।
তাৰ আগে দিবা গুণা বিস্তৰ॥
শিৰত লিখিবা বসুদেৱ পিতা।
ওৰণীত লিখিবা দৈৱকী মাতা॥
বাহুতে লিখিবা দাদা বলাই।
হৃদয়ত লিখিবা কৃষ্ণ কানাই॥
খোচনিত লিখিবা নেজাল ম'ৰা।
আঁচুতে লিখিবা আকাশী তৰা।

তাঁতীৰ জুনাৰ দীঘলটোত শঙ্কৰদেৱৰ ভণিতা আছে।

শঙ্কৰে ৰচিলা কাপোৰ জুনা।
সমস্ত সমাজে কাণ পাতি শুনা॥

চুটি জুনাটি শঙ্কৰদেৱৰ জুনাৰ আহিঁত সহজকৈ ৰচিত যেন লাগে। সি যি নহওক, তাঁতীৰ জুনাৰ কাব্যিক সৌন্দৰ্য্য সঁচাকৈয়ে মনোৰম।

নাঙলৰ জুনাৰ বিষয়বস্তু খেমেলীয়া। হালৰ সঁজুলিবোৰে আত্ম-পৰিচয় দিবলৈ যাওঁতে এই গীতটিৰ জন্ম। নাঙল, ফাল, ডিল মাৰি, বেঙা, শালমাৰি, আউত-জৰী, এচাৰি, মৈ, আটায়ে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যাওঁতে হাস্যৰসৰ বিষয়বস্তু হৈ পৰিছে। নাঙলে কৈছে—

হাবিতে আছিলে আঁকোবা কাঠ ।
বাঢ়েয়ে পাই তাত লগালে চাচ ॥
চাঁচি-চুবুকি সাজিলে নাঙল ।
লেও দি উঠিলে হালোৱা কান্ধত ॥
নাঙলে বোলে মোৰ পিঠিতে কুঁজ ।
পুৰা হ'লে পুথিবীৰে লাগি থাওঁ বুজ ॥

নাঙলৰ জুনাটি কোনোবা কৃষিজীৱী স্বভাৱ-কবিৰ অনুভূতিৰ আত্মপ্ৰকাশ। সৰু-ডাঙৰ আটাইবোৰ সঁজুলিৰে নিজা নিজা কাম আছে। এইবোৰ সঁজুলিৰ কোনোবা এটা নহলেই কাম নহয়। স্বভাৱ-কবিয়ে সেই সত্যটোকে উপলব্ধি কৰি থেমেলীয়াকৈ এই জুনাটি ৰচনা কৰিছে।

কপাহৰ জুনাক ৺হেমচন্দ্ৰ গোস্বামীয়ে 'ঘঁতৰৰ গীত' শিতানত 'অসমীয়া সাহিত্যৰ চানেকী'ত সন্নিবিষ্ট কৰিছিল। কোনোবা এলাইবাদু, অকাজী তিৰুতাই শিপিনীৰ ভূমিকাত অৱতীৰ্ণ হবলৈ গৈ সম্মুখীন হোৱা পৰিস্থিতিৰ এটি হাস্যৰসাত্মক বিবৰণী কপাহৰ জুনাত পোৱা যায়। মানৱ-সভ্যতাৰ প্ৰথম পদক্ষেপত কৃষি, দ্বিতীয় পদক্ষেপত কাপোৰ। কাপোৰৰ ইতিহাস অতি পুৰণি। অসমীয়া শিপিনীৰ ইতিহাস আৰু কাৰ্য্যকুশলতাও সেইদৰে বিশেষ উল্লেখযোগ্য। পৰোক্ষ বিদ্ৰূপৰ যোগেদি স্বভাৱ-কবিয়ে কপাহৰ জুনাটি হাস্যৰসৰ সঁফুৰাত পৰিণত কৰিছে।

সৰুজনীয়ে খুজিলে ধৰজনী বাই ।
পিজলী কপাহীখিন ক'ত ক'ত পায় ।
* * *
চাউল ছ-পুৰাৰে পিঠাগুৰি খুন্দি ।
মৰুৱা হাটৰে কপাহ আনে কিনি ॥

সৰুজনী কাজীয়ে মৰুৱা হাটৰপৰা ছ-পুৰা চাউল দি ছপোৱা কপাহ আনি কি কৰিলে ?

কপাহ আনি ধোৱাঁচাঙত তুলি থলে।
গাল বিষাইছে বুলি হুমাহলৈ শুলে॥
হুমাহৰ মূৰত মেলি-তাঁৰ চায়।
বাৰেবুৰি শলীয়া কপাহত পায়॥
মেলিতাঁৰ চাই দুৱাৰচুকত থলে নি।
দুৱাৰচুকত পাই হাঁহে পাৰিলে কণী॥

ছপোৱা কপাহ ছঠাইমান বাগৰাৰ পিছত 'কাজী'য়ে সূতা কাটিলে। কিন্তু এনেকুৱা সৰু সূতা কাটিলে, তাৰে দঁতাল হাতী, ভতৰা গৰু, খীৰতী গাই বান্ধিব পাৰি।

এসেৰা কাটিলে মাজনিশা ৰাতি।
তাৰে বান্ধিলে দঁতাল হাতী।
এসেৰা কাটিলে সৰাতকৈ সৰু।
তাৰে বান্ধিলে ভতৰা গৰু॥

উপায়হীন হৈ ল'ৰাহঁতৰ বাপেকক চাঁচথন লৈ সূতাৰ আখিবোৰ মাৰি দিবলৈ মতাই অনালে।

ল'ৰাহঁতৰ বাপেক ঐ কি বন কৰা,
শিলটো লৈ আহা চাঁচথন ধৰা।
সূতাৰ আঁখি মাৰোতে কঁকাল আধি লাগে।
আখি মাৰোতে চাঁচথন ভাগে॥
ওচৰচুবুৰীয়াই নুলুৰিলে থৰি।
হুমাহলৈ পুৰি গ'ল সূতাৰ থৰি॥

সেই নেচা সূতাৰে তাঁত লগাই বলে। কিন্তু কি হব ?

মাকে জীয়েকে বাগিয়াকৈ বয় তাঁত।
হুমাহৰ মূৰত কাপোৰৰ ওলায় আঁত॥

হাতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ-বোৱা শিপিনীৰে দেশৰ কাজীৰ কাপোৰৰ বিবৰণী হল এই—

এবোৰ মাৰিলে কৰকৰা খাই।
তাৰ মাজে হালোৱা গৰু যায়।

এবোৰ মাৰি ফুৰিলেক গাওঁ।
তাৰ মাজে সবকে হাত-বেঁধা নাও॥
এবোৰ মাৰিলে মাজনিশা ৰাতি।
তাৰ মাজে সবাকলে মুৰীয়া হাতী॥

ছমাহৰ মূৰত কাপোৰ ওলাল। কিন্তু কাপোৰ দেখি পৰ্ব্বতীয়া নগা-মিকিৰো লৰি পলাল।

পৰ্ব্বতৰপৰা আহিছিলে নগা।
কাপোৰখন চাই পিঠিত মাৰিলে ঢকা॥

*   *   *

কাপোৰ দেখি মিকিৰে উঠি দিলে লৰ।
লৰা-লুৰি দিলে খেদা ৰুলি ধৰ ধৰ॥

অতিৰঞ্জন, পৰোক্ষ-বিদ্ৰূপ আৰু উদ্ভট বিবৰণীয়ে কপাহৰ জুনাটি হাস্যৰসৰ সংফুৰা কৰি তুলিছে। এই জুনাটি ভাওনাৰ বহুৱাই বহুৱালি কৰোঁতেও গোৱা দেখা যায়। সাহিত্যিক দিশৰপৰা গাঁৱলীয়া স্বভাৱ-কবিৰ সৃষ্টিধৰ্ম্মী ৰচনাৰ সামঞ্জস্য ঘটা দেখা যায়।

বাৰমাহী গীত

বাৰমাহৰ প্ৰাকৃতিক পৰিবেশ অনুসৰি বিৰহী প্ৰিয়াৰ মনলৈ চিন্তাৰ ধুমুহা আহে আৰু তাকে কবিত্বময় ভাষাৰে প্ৰকাশ কৰে। বাৰমাহৰ বিৱৰণী থাকে বাবেই এইবিধ গীতক বাৰমাহী গীত বোলে। বাৰমাহী গীতৰ নামনি অসমত অধিক প্ৰচলন হোৱা দেখা যায়। ৰাম-বাৰমাহী, সীতা-বাৰমাহী, কন্যা-বাৰমাহী, শান্তি-বাৰমাহী আদি নামেৰে বাৰমাহী গীতবোৰ ভাগ কৰা হৈছে। বাৰমাহী গীতৰ বিষয়-বস্তু সাধাৰণতে প্ৰিয়া-প্ৰিয়ৰ বিৰহ। সাউদ অনিৰ্দ্দিষ্ট দিনৰ বাবে ডিঙা লৈ ওলাই যায়। ঘৰত বিৰহী প্ৰিয়াই বাট চাই থাকে। এইদৰে সময়ৰ দীৰ্ঘত্বই মনৰ গধুৰত্ব বঢ়াই নিয়ে। মনৰ মাজত থুপ খাই থকা বিৰহৰ বোজা পাতলাবলৈ বিৰহী প্ৰিয়াৰ গীত গাবৰ মন যায়। মানুহৰ মনৰ ওপৰত প্ৰকৃতিৰ প্ৰভাৱ অনস্বীকাৰ্য্য। সেয়েহে বাৰমাহী গীতত বাৰমাহৰ মানসিক প্ৰতিক্ৰিয়াৰ লগতে প্ৰাকৃতিক বৰ্ণনাও পোৱা যায়। আগৰ দিনত আঘোণ মাহৰপৰা বছৰ আৰম্ভ হৈছিল। সেইবাবেই ইয়াক অগ্ৰহায়ণ আৰু মাৰ্গশীৰ্ষ বোলা হয়। বাৰমাহী গীতবোৰতো আঘোণ মাহতে গীতৰ পাতনি মেলা হয়। ইয়াৰপৰা বাৰমাহী গীতৰ প্ৰাচীনত্ব সম্পৰ্কে আভাষ পাব পাৰি। যি সময়ত অঘোণ মাহক বছৰৰ প্ৰথম মাহ ধৰি বছৰৰ গণনা কৰা হৈছিল, সেই সময়তেই হয়তো বাৰমাহী গীতৰ প্ৰথম ভেটিটো স্থাপন কৰা হৈছিল। প্ৰায়বোৰ গীতেই আঘোণ মাহেৰে আৰম্ভ হৈছে।

আঘোণৰ মাহতে নাকাটিলা পাত।
খাবলৈ লেপালা প্ৰভু নৱধানৰ ভাত॥

• • •

আঘোণৰ মাহতে শাক্তি দ্বিতীয়াৰে জোন।
যেন্‌লে বহুৱে শাস্তিৰ ভৈলত যৌৱন।

*　　*　　*

আঘোণৰ মাহতে কন্যা সংসাৰে নৱান খান।
কতেক খাইতে মধু কতেক পুৰাণ॥

*　　*　　*

আঘোণৰ মাহতে ৰামে মনে কৰে চিন্তা।
কিমতে বঞ্চিব আমি সঙ্গে লৈয়া সীতা॥

সীতা-বাৰমাহী গীত অৱশ্যে বহাগ মাহৰপৰা আৰম্ভ হৈছে। বাৰমাহী গীতৰ অন্তৰ্গত মধুমতীৰ গীতত আছে—

তাতে বহি মধুমতী জুৰিলেক গীত॥
তুলি পাৰে গাৰু পাৰে সোণৰ সিংহাসন।
তাতে বহি মধুমতী জুৰিলা ক্ৰন্দন॥

মধুমতীৰ স্বামী বণিজ বেহাবলৈ গ'ল। প্ৰকৃতিৰ পৰশত পৰিৱৰ্ত্তন-শীলতাৰ ৰীতি মানি এটা এটাকৈ মাহবোৰ আহিল। মধুমতীৰ অন্তৰত বিৰহৰ বান। তাকে গাইছে—

সকল সাউদে ফাগু মাৰে বান্ধি ভাত খাই।
মই অভাগিনী থাকোঁ পৰৰ মুখ চাই॥

*　　*　　*

বৈহাগৰ মাহতে কুলিয়ে কৰে ৰাৱ।
কুলিৰ কান্দন শুনি নুজুৰাই গাৱ॥

*　　*　　*

জেঠৰ মাহত আৱৈ ধানৰ ৰবা।
চাতকীৰ কান্দন শুনি শৰীৰ ভৈলা জৰা॥

*　　*　　*

এইদৰে বিৰহৰ দুকুলডকা বানত উঁটি বুৰি গৈ শাওণ মাহত কৈছে—

কিবা খাওঁ কিবা লওঁ কিবা কৰে মনে।
গৰ্ভত কটাৰি দি ত্যেজিম পৰাণে॥

কিন্তু আশা সদায়েই সৰ্ব্বজয়ী। আশা আৰু সহিষ্ণুতাই নিৰাশাক প্ৰতিহত কৰে। সেয়েহে আহিন মাহত কৈছে—

আহিন মাহতে দেৱীৰ অষ্টমী।
হাঁহ কাটে, পাঠা কাটে, পাৰ জাকে জাক।
ঘ'তে আছে প্ৰাণস্বামী তৈতে ভালে থাক॥

শান্তি-বাৰমাহী গীততো আন এটি প্ৰণয়-কাহিনী প্ৰকাশিত হৈছে। সীতা-বাৰমাহী গীতত অভাগিনী সীতাই স্বামী ৰামচন্দ্ৰৰ বিৰহত কাতৰ হৈ এবাৰ সুঁৱৰিব চাইছে। অগ্নি-পৰীক্ষাৰ পিছত সীতাক বনবাস দিয়ে। বনত থাকি সীতাই বছৰৰ মাহে প্ৰতি একৌটিকৈ অনুভূতি প্ৰকাশ কৰিছে।

আঘোণৰ মাহতে বাপু শালিবে বতৰ।
দুৰৰপৰা ৰামচন্দ্ৰকে কৰিছো কাতৰ॥
পুহৰ মাহতে বাপু অতি বৰ শীত।
মই অভাগিনী সীতাৰ নাই থান থিত॥
মাঘৰ মাহতে বাপু ধৰমৰ থিতি।
বনবাসে দিলা মোক গৰভে সহিতি॥
ফাগুনৰ মাহতে বাপু পছোৱা মেলে বায়।
মই সীতা অভাগিনীৰ নাই বাপ মায়॥

আন এটি সীতা-বাৰমাহী গীতত সীতাহৰণ আৰু উদ্ধাৰৰ বিবৰণী আছে। এই গীতটি ৰামৰ অভিষেকৰ আয়োজনৰ পৰা আৰম্ভ হৈছে—

বহাগ মাসতে নিতে নানা পুষ্পময়।
ৰাম ৰাজা হব বুলি সৰ্ব্বলোকে কয়॥
তাহাতে দাৰুণ বিধি দৈৱৰ লিখন।
ভৰতক ৰাজ্য দিয়া ৰাম গৈলা বন॥

সীতা বাৰমাহী গীতৰ দৰেই ৰাম-বাৰমাহী গীতো ৰামায়ণৰ কাহিনীৰে সম্বন্ধ। এই গীতটিও আঘোণ মাহত ৰাম বনবাসলৈ

ওলোৱা কাহিনীত আৰম্ভ হৈ কাতি মাহত সীতাহৰণত সমাপ্ত হৈছে। গীতত ৰাম-লক্ষ্মণ-সীতাৰ বনবাসৰ কৰুণ মৰ্ম্মস্পৰ্শী কাহিনী প্ৰকাশ পাইছে।

আঘোণ মাহতে ৰামে মনে কৰে চিন্তা।
কিমতে বঞ্চিব আমি সঙে লৈয়া সীতা॥
* * *
আগে গৈলা প্ৰভু ৰাম পাছতে লক্ষ্মণ।
কাতিৰ শুক্ল পক্ষে সীতা হৰিলা হৰণ॥

ৰাধা-বাৰমাহী গীতত ৰাধাৰ বিৰহ অভিব্যক্ত হৈছে, কিন্তু এই গীতটিত ৰাধাৰ কৃষ্ণ-প্ৰীতি প্ৰকাশ পোৱাৰ উপৰিও প্ৰাকৃতিক পৰিবেশো সজীৱ হৈ উঠিছে।

অহে কৃষ্ণ, বহাগৰ মাহতে ৰাধে দেউতাৰ গৰ্জ্জনি।
দেউতাৰ গৰ্জ্জনি শুনি মৎসে দেই উজনি॥
সেই মৎস উজান দেই বছৰে এবাৰ।
* * *
জেঠৰ মাহতে ৰাধে জেঠুৰাবে খৰ।
বনৰে হৰিণা পশু সিউ চাপে ঘৰ॥

ৰাধা-বাৰমাহী গীতত আহিন মাহত ৰাধাই দুৰ্গাৰূপে পূজা লোৱাৰ কথাও পোৱা যায়। অসমীয়া বৈষ্ণৱ আদৰ্শত ৰাধাৰ স্থান নাই। কিন্তু সেই ৰাধাৰ গীত গাবলৈ গৈ আহিন মাহত দুৰ্গাই বলি খোৱাৰ কথা উল্লেখ কৰাটো লক্ষ্য কৰিবলগীয়া।

আহিনৰ মাহতে ৰাধে দুৰ্গাই বলি খায়।
হাঁহ দিয়ে জাকে জাকে পাৰৰ সীমা নাই॥
হাঁহ দিয়ে জাকে জাকে পাৰ দিয়ে বলি।
ঘৰে ঘৰে পৰা আহিছা দেৱী তাকে খোৱা চালি॥

ৰাধা-বাৰমাহী গীতৰ একাংশত কন্যা-বাৰমাহী গীতৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়।

বাৰমাহী গীতৰ ভাষা আৰু সাহিত্যিক মূল্য সম্পৰ্কে অধ্যাপক প্ৰমোদ ভট্টাচাৰ্য্যৰ মন্তব্য বিশেষ প্ৰণিধানযোগ্য। "শান্তি-বাৰমাহী গীতটোৰ ভাষা সৰল আৰু ধৰুৱা। উপমা, পটন্তৰ আৰু প্ৰাকৃতিক বৰ্ণনাবোৰ অসমীয়া জাতীয় জীৱনৰপৰা আহৰণ কৰা। নামনি অসমৰ কথিত ভাষাৰ প্ৰভাৱ গীতটোত পৰিলক্ষিত হৈছে।" আঞ্চলিক বিশেষত্ব আৰু লৌকিক দৃষ্টিৰে ৰচিত হোৱা ৰাম-সীতা বাৰমাহী গীতৰ মূল্য লোক-সাহিত্যৰ আটাইবোৰ গুণেৰে সমৃদ্ধ হৈ উঠিছে।

বিহুনাম

বিহু অসমীয়াৰ জাতীয় উৎসৱ, সংস্কৃতিৰ প্ৰতীক আৰু আনন্দৰ উৎসৱ। অতি চেনেহৰ বহাগৰ বিহুটো অসমীয়াৰ মনৰ, প্ৰাণৰ, হেঁপাহৰ, আদৰৰ উৎসৱ। ভেবেলি লতা ফুলাৰ বতৰ পালেহি গাত বিহুৰো দেওধ্বনি উঠে; উজাটিত ৰ'তৰ ভাঙি গাভৰু গৈ ফুল-পানী-ছিগা পায়গৈ। তাহানি গোটেই চ'ত মাহটোতেই ডেকা-গাভৰুৱে ৰাতি-বিহু পাতিছিল। গীত আৰু বাদ্যৰ মূৰ্চ্ছনাত প্ৰকৃতিও চঞ্চল হৈ উঠিছিল! কৃষিজীৱী সমাজৰ মানুহে বসন্ত কালৰ সময় ছোৱাত ঢোল, পেঁপা, টকা, গগনা লৈ হিয়াতালি উদিয়াই বিহুতলীত আনন্দ প্ৰকাশ কৰিছিল, সেয়ে বিহু। বকুল বৰা ধানৰ আখৈ, মালভোগ ধানৰ তেতেলি-পতীয়া চিৰা, বকনা ম'হৰ থমা দৈ আদিৰে এসাজ খাইছিল আৰু খুৱাইছিল —সেয়ে বিহু-জলপান।—

বিহু বুলিলে গা সাতখন-আঠখন নকৰা অসমীয়া নাই বুলিলেও হয়। কিন্তু তাহানি চ'তৰ বিহু আৰু বহাগৰ বিহু বুলিলে দুটা সুকীয়া বিহুক বুজাইছিল। গোটেই চ'তৰ মাহটো ডেকা-গাভৰুৱে বিহু পাতিছিল। এই বিহুত যৌনাসক্তিপূৰ্ণ গীত গাই ডেকা-গাভৰুৱে মনৰ ভাব বিনিময় কৰাটো একো আচৰিত নাছিল। কিন্তু—সাধাৰণতে ডেকাই ডেকাৰ ভাগে, গাভৰুৱে গাভৰুৰ ভাগে সুকীয়াকৈ বিহু পাতিছিল। ডেকাৰ বিহুৰ সমল আছিল ঢোল, পেঁপা, গগনা আৰু তাল। গাভৰুৰ বাদ্য আছিল টকা আৰু গগনা। এই বিহু এমাহ জুৰি চলিছিল। গাভৰুৰ ৰাতি-বিহু দুকুৰি-ডেৰকুৰি বছৰ মানৰ আগলৈকে শিৱসাগৰ মহকুমাৰ কিছুমান ভিতৰুৱা অঞ্চলত চলি আছিল। ডেকাৰ ৰাতি-বিহু অঞ্চল বিশেষত এতিয়াও চলি

আছে। এনেকুৱা ৰাতি-বিহুত গোৱা নামবোৰত কোনো আঁৰ-বেৰ নাছিল। চৰম আনন্দ প্ৰকাশেই আছিল মুখ্য উদ্দেশ্য। আদিম কৃষিজীৱী সমাজৰ লোক-বিশ্বাস আজি বৈজ্ঞানিক সত্যত পৰিণত হৈছে—সঙ্গীতৰ প্ৰভাৱত ধানখেতিৰ উৎপাদন বৃদ্ধি পায়। এইটো কুৰি শতিকাৰ পৰীক্ষালব্ধ বৈজ্ঞানিক সত্য। আদিম কৃষিজীৱী সমাজে এই তথ্য প্ৰকৃতিৰ পৰা পাইছিল আৰু আহু ধানৰ উৎপাদন বঢ়াইছিল। ধানখেতিৰ বুৰঞ্জীতো শালিতকৈ আহুহে আগ। বসন্তৰ পৰশ লাগি উন্মনা হোৱা প্ৰাকৃতিক পৰিবেশৰ লগত সুৰ মিলাই হিয়া উদিয়াই আনন্দ প্ৰকাশ কৰিছিল, ডেকা-গাভৰুৰ নাচোনৰ গিৰিপনিত পৃথিবী শস্যসম্ভৰা হৈছিল আৰু খেতিয়কৰ আশাৰ, হেপাহৰ ধানমুঠি সোণ জিলিকাদি জিলিকি উঠিছিল! আদিম খেতিয়কৰ এটা ধাৰণা আছিল, যৌন-প্ৰবৃত্তিমূলক গীত গালে পৃথিবীৰ গাতো যৌন-উত্তেজনাই দেখা দিব আৰু শস্যসম্ভৰা হৈ উঠিব, সেয়েহে ৰাতি-বিহুৰ গীতবোৰ স্বাভাৱিক যৌনোদ্দীপক।

"কৈনো কৈ থাকিলে ওৰকে নপৰে, বহাগৰ বিহুৰে কথা।" এই বহাগৰ বিহু হ'ল চতৰ সংক্ৰান্তিৰ দিনাৰ পৰা বহাগৰ ছদিন-লৈকে, ইয়াকে সাতবিহুও বোলে। বিহুৰ আগদিনাকে উৰুকা বোলে। তাৰ পিছদিনা চেনেহী বিহু। এনেকৈ সাতবিহুৰ সাতোটা নাম আছে। বহাগৰ বিহুৰ জা-জলপান খোৱা, মান সৎকাৰ কৰা, বিহুৱান দিয়া আদি নীতি-নিয়ম আৰু সংস্কাৰৰ উপৰিও আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুষ্ঠান হ'ল —হুচৰি গোৱা। ব্ৰহ্মদেশত আজিকালিও বহাগৰ বিহুৰ সময়ত হুচৰি গাওঁতে ৰাজ-আলিয়েদি গৈ থাকে। ঘৰৰ গৃহস্থই সপৰিয়ালে ওলাই গৈ মাননি শৰাই দি আশীৰ্ব্বাদ লয়। আমাৰ দেশতো একালত তেনেকৈয়ে হুচৰি গাইছিল যেন অনুমান হয়। কিন্তু সামন্ত বা মধ্যযুগত ৰজা, ডা-ডাঙৰীয়া আদিক তোষামোদ

কৰিবৰ বাবে তেওঁবিলাকৰ চোতালত হুচৰি গাই আশীৰ্ব্বাদ দিয়াৰ পিছৰ পৰাই সকলোৰে চোতালত হুচৰি গোৱাৰ পৰম্পৰা এটি সৃষ্টি হয়। তেতিয়াৰ পৰাই মানুহে দেউতাৰ পদূলিত মধুৰি গোন্ধোৱাৰ বাতৰি পায়, তেতিয়াৰে পৰাই স্বৰ্গদেও বাটচ'ৰাৰ মুখলৈ ওলোৱাৰ হিচাপ ৰাখে। এইদৰে সময় বাগৰি গৈ আছে, বিহুও আহি আছে, বিহুৱাই বিহু পাতি আছে।

ৰাইজৰ চোতালত থিয় হৈ হুচৰি গোৱা বিহুনামত অশ্লীলতা বা যৌনগন্ধ থাকিব নোৱাৰে আৰু নাই। আচল বিহুনামবোৰত বিহুৰ প্ৰতি মৰম আৰু হেপাহ, আনন্দ প্ৰকাশৰ উদগ্ৰীৱতা আৰু গৃহস্থক কৰ্ত্তব্যৰ সাঁকিয়নি দিয়াৰ ভাৱহে প্ৰকাশিত হয়। নিতান্তই যৌনগন্ধী গীত হুচৰিত অচল। কোনো এঘৰ মানুহৰ চোতালত থিয় হৈয়েই হুচৰি দলে 'হৈ ধ্বনি উৎসৱ কৰিয়ে' বা 'গৃহস্থৰ কুশলৰ অৰ্থে' বুলি এষাৰি আশীৰ্ব্বাদ বৰিষণ কৰি ঢোলত চাপৰ মাৰে। তাৰ পিছতে হুচৰিৰ ঘোষা লগাই হুচৰি আৰম্ভ কৰে। হুচৰি গীতৰ পদ হিচাবে হুচৰি গীতৰ বাহিৰেও পগলা-পাৰ্ব্বতীৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আদি মালিতা ব্যৱহাৰ হোৱা দেখা যায়। হুচৰি গাওঁতে কোনো কোনো ঠাইত ঘুৰণীয়াকৈ মেৰ পাতি, ক'কালত ধৰাধৰিকৈ গায়, তাকে লহৰী-খেলা বোলে।

'হাতৰে চাপৰি আহক টানে কৰি
ভৰিৰ গিৰিপনি, লহ ঐ লহৰীয়া।'

লহৰী খেলত ঢোল-তালৰ লয়ৰ লগত হাতৰ চাপৰি আৰু ভৰিৰ খোজৰ ছন্দ মিলি যোৱাটো বৈশিষ্ট্যপূৰ্ণ। হুচৰি বা লহৰী খেলা শেষ হোৱাৰ পিছত গৃহস্থক এজাউৰি আশীৰ্ব্বাদ দিয়ে। তাৰ পিছত গীতৰ জোৰনি, বিহুৰ বৰ্ণনা, দেউতা-স্বৰ্গদেৱৰ নাম গুণ বৰ্ণনা আদিৰে বিহু পকি উঠে। হুচৰি লৰা-ডেকা-বুঢ়া সম্মিলিত হৈ গায়; গাওঁতাৰ তাত তাল নাই, স্থান নাই। এই

সময়ত 'ঢোল বজায়হে যেনেকৈ ; নেনাচিনো থাকোঁ কেনেকৈ' হয়। ঢোলৰ চাপৰ, পেঁপাৰ লহৰ, নামৰ জাউঁৰিত বিহু-বলীয়া অসমীয়াই মন প্ৰাণ উটুৱাই দিয়ে। সেই সময়ত মৰা গৰুৰ ছালেও বেবায়, শালৰ হাতীও মুকলি হয় ; মানুহৰ যে কথাই নাই।

হুচৰি নিজে আহিলে কথাই নাই, গৃহস্থই মাতি আনিও হুচৰি গোৱায়। হুচৰিৰ অন্তত এটি তামোল-পাণ, দুটিমান পইচা, এখনি হাঁচটিৰে হুচৰি যোৰাক মাননি শৰাই দিয়ে। গৃহস্থই শ্ৰদ্ধা আৰু ভকতিৰে হিয়া উদিয়াই দিয়া শৰাইখন গ্ৰহণ কৰি হুচৰিয়ে 'কুশল কামনা'ৰ আশীৰ্ব্বাদ দিয়ে—হুচৰিৰ সামৰণি পৰে। শৰাইখন বা মাননিটো পাবই সন্দেহ নাই, তথাপি গৃহস্থৰ লগত ধেমালি কৰিবলৈকো 'ৰূপৰ চকলা নেপালে নেৰোঁ', 'এখনি হাঁচটি উলিয়াই নিদিলে শৰাইলৈ নেমেলোঁ হাত', 'এইঘৰ মানুহক কোনো সৰজিলে মৰম নাইকিয়া কৰি' ইত্যাদিৰে জোৰা হয়। কিন্তু আচলতে—

'মাকো পদুমী জীয়েকো পদুমী
বিহাতো পদুমৰ চকা ;
তোমাৰ ধনেৰে কিনো দ'ল কথাই বাম
বচনে এহেজাৰ টকা'।

এই চলতে ঢুলীয়া, নাচনী, শিপিনী আদিকো জোৰা দি নাম গোৱা হয়।

বিহুগীতৰ লগত দীঘলীয়া জাতৰ নাচনী ছেৱৰ গীতো আছে। এই নাম-জাতবোৰ ঠাই অনুসৰি দীঘল, চুটি বা লেহেতীয়া হয়। তদুপৰি ঠাই বিশেষে অন্যান্য গীতবো সুৰৰ পাৰ্থক্য দেখা যায়। বিশেষকৈ যোৱা কেইবছৰমানৰ ভিতৰত বিহুৰ নামৰ সুৰ আৰু ঢং ইমান সলনি হৈছে যে মূলতে হুচৰি কি আছিল তাক ধৰাই টান হৈ পৰিছে। সংস্কৃতি বা লোক-

সাহিত্য মৰাসুঁতি নহয়, বোৱতী নৈ, গতিকে নতুন নতুন সমল অহাটো স্বাভাবিক, কিন্তু সি যদি মূলকে বিকৃত কৰিবলৈ চেষ্টা কৰে, সি উৎসাহপ্ৰদ নহয়। বিহুগীতত বিহুৰ প্ৰতি অসমীয়া মানুহৰ কিমান হেপাহ, কিমান আশা, বিহু অসমীয়াৰ কিমান আদৰৰ সেই কথা বঢ়িয়াকৈ ফুটি ওলাইছে। নতুন যুগৰ বিহুৱাসকলে পুৰণি বিহুগীতবোৰলৈ পিঠি নিদি পুনৰ গোটাই-পিটাই চৰ্চ্চা কৰাটোহে সময়োচিত হব। পুৰণি গীতবোৰত আন্তৰিকতা আছে, আৰু আছে যুগৰ প্ৰতিচ্ছবি।

বিহু অসমীয়াৰ জাতীয় জীৱনৰ উচ্ছ্বাস বিজড়িত জাতীয় উৎসৱ। সেয়েহে বিহুনামত বিহু উৎসৱৰ প্ৰতি অসমীয়াৰ আকুল আগ্ৰহ ফুটি ওলাইছে। বহাগৰ বিহুৰ কথা কৈ থাকিলেও ওৰ নপৰে ; হাততে মলাণ্ডি যায়। মুগাৰ মহুৰাতকৈয়ো মৰমৰ বিহুটি নপতাকৈ কোনে থাকিব পাৰে ? বিহুৰ বতৰত ফুলপানী ঢোলৰ মাত শুনি উৰ্জটিত যঁতৰ ভাঙি যাবলৈকো মন যায়, কিন্তু বছৰেকৰ মূৰত অহা বহাগৰ বিহুটি ধন দি ৰাখিবও নোৱাৰি।

চ'তে গৈ গৈ বহাগে পালেহি
ফুলিলে ভেবেলি লতা ;
কৈনোকৈ থাকিলে ওৰকে নপৰে
বহাগৰ বিহুৰে কথা।

* * *

পৰ্ব্বতৰ চেৰীয়া জিহিৰি জিহিৰি
দেখিলে লৰৰ মন যায়।
অতি চেনেহৰ বহাগৰ বিহুটি
হাততে মলাণ্ডি যায়।

* * *

অতি চেনেহৰে মুগাৰে মহুৰা
তাতোকৈ চেনেহৰ মাকো।

তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো।

* * *

আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ ;
ফুলপানীছিগাতে ঢোলৰ মাত শুনি
উজাটিত ভাঙি যাওঁ ৰ'তৰ।

* * *

লাইৰ মাজে মাজে লফা ৰুই দিলো
কুকুৰাই খুচৰি খায় ;
অতি চেনেহৰে বহাগৰ বিহুটি
ধন দি ৰাখোঁতা নাই।

সেইবাবে বিহু মাৰিবলৈ গৈ ঘৰলৈ উলটি আহিবলৈকো মন নাযায়। গোটেই ৰাতি বিহু পাতিবলৈ আগ্ৰহ—

এপৰ দুপৰ কৰি ৰাতি পাৰে হব
আমাৰ বিহুত আমনি নাই ;
ৰাতি পৰে পৰে কেঁচাই কুৰুলিয়াই
আমাৰ বিহু ভাঙোতা নাই।

বিহুৰ প্ৰতি অসমীয়া মানুহৰ আগ্ৰহ, হেঁপাহ, আন্তৰিকতা আৰু জাতীয় জীৱনৰ লগত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা ছন্দে ছন্দে গীতে গীতে ফুটি ওলাইছে। প্ৰকৃতিৰ পৰশত, সময়ৰ ৰুলনিত আনন্দ মুখৰ হৈ উঠা অসমীয়া জাতিটোৰ প্ৰাণৰ উচ্ছ্বাসৰ স্বীকৃতি দিয়ে বিহুগীতে। আনন্দৰ অনুভূতি প্ৰকাশ পায় দৈহিক চঞ্চলতাৰ মাজেদি। মন বাই-জাই কৰে, গা নাচি উঠে। সেয়েহে ঢোলৰ ছেৱে ছেৱে এপাক নাচিবলৈ আৰু নচুৱাবলৈ মন যায়। নাচনি নহলে বিহু নপকে ; নাচনীয়ে পখিলা উৰাদি উৰিবই লাগিব। সেয়েহে বিহুনামত নাচনীৰ চিত্ৰ উজ্জ্বল হৈ উঠিছে।

নৈৰ পাৰে পাৰে নলৰে গজালি
তাতে ক'লা গৰু চৰে ;
নাচনীৰে মুৰতে গুটি ফুলৰ গামোছা
পখিলা উৰাদি উৰে ।

* * *

বাৰীৰে চাপৰে কজলা উৰাহী
পাতে তিৰেবিৰে কৰে ।
নাচনীৰ মুখলৈ চাবকে নোৱাৰি
চকু ছাটে মাৰি ধৰে ।

* * *

ক'লা চোলা কুৰুতা গুদাম আছে চাৰিটা
চাৰিকো চাৰিয়ে চৰে ;
নাচনীৰ চকুলৈ চাবকে নোৱাৰি
জালুক জলকীয়াই পোৰে ।

* * *

ঢোলে বাই ঢুলীয়া খোলে বাই খুলীয়া
কাৰ ঘৰৰ নাচনী নাচে ;
ওচৰ চাপি চাপি নাহিবা নাচনী
তোমাৰ গাত মোহিনী আছে ।

প্ৰকৃতিৰ বুকুতেই এদিন মানুহে সঙ্গীতৰ সন্ধান পাইছিল । বতাহত কঁপি উঠা গছপাতে শিকাই নাচোনৰ ভঙ্গী, বাঁহে বাঁহে ঘঁহনা খাই ওলোৱা মাতটোত বাদ্যৰ সন্ধান পাইছিল । কিন্তু এদিন মানুহে ইয়াৰে চানেকী লৈ থলুৱা পৰিবেশৰ সমলেৰে নতুন নতুন বাদ্য সৃষ্টি কৰিলে । বিশেষকৈ বাঁহৰ অৱদান লক্ষ্য কৰিবলগীয়া । টকা, পেঁপা, গগনা বিহুৰ একান্তই আৱশ্যকীয় বাদ্য । বাঁহী আছিও সময় বিশেষত ব্যৱহাৰ হয় । গগনাৰ মন উৰুৱাই নিয়া মাত, পেঁপাৰ বনৰীয়া সুৰে বিহুত সুৰৰ অমৃত বাকি দিয়ে । সংস্কৃতৰ, ত্ৰেতিয়া "ৰবতা নবহে মন, পখাৰতো

নবহে মন, কমোৱা তুলাবোৰ যেনেকৈ উৰিছে, তেনেকৈ উৰিবৰ মন। গগনাৰ অমাতৰ মাত ৰূকুৰোঁদ সৰকি যায়।"

ভ'তে শুনিলো সুৰতে বুজিলোঁ
মোৰ ধনে গগনা বায়;
কিনো অমাতৰ মাতে মোৰ চেনাই ঐ
ৰূকোঁদ সৰকি যায়।

মনৰ আশা; আশাৰ ৰূৰৰূৰণি উঠে ৰূকুৰ মাজত। তাৰে প্ৰতিধ্বনিবোৰ গুণগুণনি হৈ ওলায় মুখেদি। দুটি পাতল ওঁঠৰ পৰশ লৈ সজীৱ হোৱা গগনাখনে মনৰ কথা প্ৰকাশ কৰে।

আগলি বাঁহৰে লাহৰি গগনা
বহি তাঁতৰ পাটত বাওঁ,
আহে কি নাহে ঐ মোৰ ধন লাহৰী
চিৰি পাতি মণ্ডলখন চাওঁ।

* * *

ধনে সাজি দিয়া লাহৰী গগনা
বহি বড়ৰ তলত বাওঁ;
ধনো নাহিলে গগনা ফাটিলে
থৰিকা মজলত চাওঁ।

* * *

বোৱাটো বিহুতে গগনা খুজিলোঁ
এইবেলিও নিদিলা সাজি;
তোমাৰে গগনা আমাকো নেলাগে
দিয়াগৈ সিজনীক সাজি।

* * *

সৰু বাঁহ এপাৰেৰে টকা সাজে, কিন্তু টকাৰ টুক্ টুক্ মিহি মাতটোৱে কব নোৱৰাকৈয়ে বিহুৰ উন্মাদনা জগাই তোলে।

টকাৰ সৰু সৰু মাতে সমনীয়া
টকাৰ সৰু সৰু মাত;

টকাৰ মাতে শুনি ৰবকে নোৱাৰো
এৰি যাওঁ পেটৰে ভাত।

*　*　*

ওৰে গছতে মোৰে বাহ ললে
ককাই পাৰি দিয়া খাওঁ;
বাঁহৰে টকাটি সাজি দিয়া ককাইটি
বিহু মাৰিবলৈ যাওঁ।

ম'হৰ শিঙৰ পেঁপাটো বিহুৰ আনন্দ উচ্ছ্বাসৰ মধ্যৰ লগৰীয়া। কলীয়া পেঁপাটোৰ বলিয়া সুৰটোৱে আওকণীয়া হৈ থকা মানুহৰ মনত বিহুৰ মাদকতা জগাই তোলে। চকুৰে চাই, মুখেৰে কথা পাতিবলৈ সুযোগ নোহোৱা বিহুবলিয়া ডেকাই হিয়া উবুৰিয়াই বাকি দিয়ে বুকুৰ বেদনাবোৰ, মনৰ আশাবোৰ, দেহৰ অতৃপ্ত ইন্দ্ৰিয়ৰ পৰিণতি হুমুনিয়াহবোৰ। বুকুৰ বাতৰি লৈ উৰি যায় পেঁপাৰ সুৰবোৰ। পেঁপাৰ মাত শুনি মন উৰুঙা কৰে, হাতৰ বন সৰি পৰে; বিহুতলীলৈ ঢাপলি মেলিবলৈ মন যায়।

ম'হৰ শিঙৰ পেঁপাটি নবজাবা ককাইটি
মোৰে মন উৰুঙা কৰে;
পেঁপাৰ মাত শুনি ৰবকে নোৱাৰি
হাতৰ বন সৰি পৰে।

*　*　*

এইবেলি আহুধান পানীয়ে মাৰিলে
অহা বেলি আহুধান পাম;
ম'হৰ শিঙৰ পেঁপাটি বনাকিয়াই আনাগৈ
তোমাৰ শপত বিহুলৈ যাম।

ঢোল নহলে বিহু নপকে। সেয়েহে ঢোলৰ মাত শুনি থেকেচিহু ৰ'তৰ ভাঙিবলৈ মন যায়। "ঢোল বজায়হে যেনেকৈ, নেনাচিনো থাকোঁ কেনেকৈ।" ঢোলৰ চাপৰত গা উঠে; এপাক

নাচিবলৈ মন যায়। বিহুতলীত ঢোলৰ মাত শুনি বঢ়া ভাত কাঁহীতে থৈ ঢাপলি মেলে।

ঢোলত চাপৰ মাৰি চুলীয়া ওলালে
কাৰ ঘৰৰ নাচনী নাচে ;
ওচৰ চাপি চাপি নাহিবি নাচনী
হাতত ঢোলৰ মাৰি আছে।

* * *

ঢোলত চাপৰ মাৰি চুলীয়া ওলালে
বহি বৈ আছিলোঁ ভাত ;
টোপোলাৰ সেন্দুৰে টোপোলাত থাকিলে
খাবলৈ নহলে ভাত।

বিহু জাতীয় জীৱনৰ আশা-আকাংক্ষা, ৰং-আনন্দ, আবেগ-অনুভূতিৰ উৎসৱ। বছৰেকৰ মূৰত বিহু আহে। বিহুৰ দিনা নিজৰ প্ৰাত্যহিক জীৱনৰ দুখ-বেদনাবোৰ জাৰি-জোকাৰি আনন্দ প্ৰকাশ কৰিলেও সামূহিক জীৱনৰ কৰ্ত্তব্যও আছে। গুৰু ভকতক মান-সংকাৰ কৰা, ৰাইজৰ ওচৰত মূৰ দোঁওৱা আদি বিহুৰ আনুষঙ্গিক কৰ্ত্তব্য।

চ'তে চকৰী বহাগত বগৰী
জেঠত আমনা ধান ;
গৰু বিহুৰ দিনাখন সংকাৰ কৰিবা
তেহে পাবা বৈকুণ্ঠত থান।

ধন জীৱনৰ যথাসৰ্ব্বস্ব নহয় ; মানহে। ধন আৰু জীৱনৰ ক্ষণস্থায়িত্বৰ কথা বিহুৰ আনন্দ-উচ্ছ্বাসৰ মাজতো একোবাৰ ভূমুকি মাৰে,—

ধনকে ধনে কৰিব ধনকে খাটীল
পৰম ৰতন কৰি ;
ধনে খাব চাঁল দেহা খাব শিয়াল
মনত যাব ধূৱলি ধৰি।

চটাই পৰ্বেবত আৰু চিৰি লুইত অসমীয়া স্বভাব-কবিৰ কল্পনাৰে ৰঞ্জিত হৈ উঠে। গাঢ়-সেউজীয়া বা পাতল নীলা ৰঙেৰে জিলিকি উঠা চটাই পৰ্বেবতটো আচল পৰ্ব্বত নহয়; কল্পনাৰ পৰ্ব্বতীহে। বিহুনামৰ ৰূকুত চটাই-পৰ্বেবত আৰু চিৰি লুইত জিলিকি উঠে কাব্যিক পৰশ লৈ।

চটাই পৰ্বেবত ধুৰঁলী কুঁৱলি
কোনে ভাত ৰান্ধি খায়;
মাক নাই মাউৰা তিৰী নাই বঁৰলা
ছাতী ধৰিবলৈ যায়।

* * *

চটাই পৰ্বেবতত পহু জাল পাতিলোঁ
চটাইতে গধূলি হল,
সমনীয়াই সুধিলে কমে কি এৰুলি
জাল ফালি হৰিণা গল।

চটাই পৰ্বেবতত জাল ফালি হৰিণা যোৱাটো ৰূকু ফালি কোনোবা ওলাই যোৱাৰহে বলিষ্ঠ চিত্রধৰ্ম্মী প্ৰতীক।

লোকগীতত সময়ৰ বোল লাগে; বুৰঞ্জীৰ আঁচোৰ পৰে। অসমৰ জাতীয় জীৱনত আহোম ৰাজত্বৰ প্ৰভাৱ বৰ্ণনাতীত। জাতীয় জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি পৰে অনেক কথা। আহোম ৰাজ-সিংহাসনৰ অধিকাৰী স্বৰ্গদেও। সেয়েহে বিহু নামত স্বৰ্গদেৱৰ কথাই ঠাই পাইছে।

স্বৰ্গদেও ওলালে ৰাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা;
কাণত জিলিকিলে নৰা-জাংফাই
গাত সোমচেঙৰ চোলা।

* * * *

চৰাই চিকুণ তেলীয়া সাৰেং
মাছৰ চিকুণ মালি ;
স্বৰ্গদেওৰ চিকুণ কেঁকোৰা দোলাখন
শদ্ৰায় গজেন্দ্ৰৰ আলি।

* * *

স্বৰ্গদেও আনিলে চন্দ্ৰীয়া কাঁড়ী ঐ
ৰক্ত বহল বহল চাই ;
এচেঁচা ভিৰায়ে মাৰে শৰ-ধনু
হেদামত সৰাকি খায়।

* * *

জোনবে তামুলী তৰা সমনীয়া
জোনবে তামুলী তৰা ;
স্বৰ্গদেৱৰ তামুলী গন্ধীয়া ফুকন
মাতে তাওকাকৰে পৰা।

অকল সেয়ে নহয়। বিহুনামত অনেক কাহিনীয়ে নিজৰ চিনাকি দি সময়ৰ পৰশৰ স্বীকৃতি ঘোষণা কৰিছে।

কিনো মাছ মাৰিবৰ ভুৰা সমনীয়া
কিনো মাছ মাৰিবৰ ভুৰা ;
ৰংপুৰ নগৰত কাৰেংঘৰ সাজিলে
মাৰলিৰ নেথালে জোৰা।

* * *

ছা পাই বগলী চৰে সমনীয়া
পানী পাই বগলী নাচে ;
কোন শত্ৰুয়ে টক পতিয়ালে
মৈদামত কেঁচালোণ আছে।

* * *

শিৱসাগৰ পুখুৰীৰ আলুকানি ওলাব
আফিঙত পাতিম জোকা ;
কোম্পানী বাগিছা সদাগৰী কৰিব
ডেকা ল'ৰা কৰিব মুঢ়া ।

* * *

বঙাল বঙাল কিনো ঐ বঙাল
বঙালে আছিলে চাই ;
সাত বাজ মাৰি একেবাজ কৰিলে
লগে যোৰহাটত ঠাই ।

* * *

বিহু আনন্দৰ উৎসৱ। কিন্তু অৰ্থনৈতিক পৰিস্থিতিয়ে বিহুৰ আনন্দ উপভোগ কৰাত বাধা দিয়ে। পৰৰ আনন্দ দেখি দীঘল হুমুনিয়াহ ওলাই আহে। আজিৰ সামাজিক পৰিবেশৰ লগত পুৰণি কালৰ সামাজিক পৰিবেশৰ মিল নেথাকিলেও দুখীয়াৰ মনৰ বেদনা তেতিয়াও আজিৰ দৰেই আছিল।

দুখৰ ভাই-ককাই হলোঁ ঐ দুখীয়া
সাজি লব নোৱাৰোঁ ঘৰ ;
পটীয়া পাটীকে কিনি লব নোৱাৰোঁ
তাতো কৰে ছৰুৰি লব।

বিহু পাতিবলৈ আজীৰ নোপোৱা ডেকাই গায়—

এইবেলি বিহুটি খাবলৈ নাপালো
ম'তা ম'হ বথীয়া দিলে।

বিহুৰ দিনা হুচৰি গোৱা মানুহে হিয়া উদিয়াই আশীৰ্ব্বাদ দিয়ে। সেই আশীৰ্ব্বাদত অসমীয়া মানুহৰ আন্তৰিকতা বৈ-বৈ গৈছে।

এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতুৰা শাক ;

মূৰৰ চুলি ছিঙি আশীৰ্বাদ কৰিছো
চেনাই তই কুশলে থাক।

* * *

ঘৰৰ ফুল চটি মাৰলি মাৰলি
বগায় কাঁড়শলা সাপ ;
মোৰ জানো কপালত যি হবৰ হইছে
চেনাই তই কুশলে থাক।

বিহুনামৰ ভাষা সৰল, ভাব কোমল আৰু বিহুৰ প্ৰতি থকা অসমীয়া মানুহৰ আন্তৰিকতা আদ্যোপান্ত বিয়পি আছে।

কিনো কাপোৰ খনি ফুলে জকেমকি
উৰি যায় বতাহৰ লগত ;
নেথায় চাবি সাজি থাকিব পাৰো মই
বহাগৰ বিহুৰে লগত।

বিহুনাম অসমীয়া লোকসাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা।

বনঘোষা

বনঘোষা উদ্দাম যৌৱনৰ গীতিব্যঞ্জক অভিব্যক্তি। মুক্ত পৰিবেশ, উন্মুক্ত আবেগ আৰু উৰণ্ডা পথাৰখনৰ প্ৰতিধ্বনিবোৰতেই বনঘোষাৰ জন্ম। যৌৱন জীৱনৰ কঠীয়াতলী। অযুত আশাৰ নিযুত বাসনাই ভুমুকি মাৰে যৌৱনৰ দুৱাৰদলিত। জীৱনৰ নতুন সোৱাদ বিচাৰি বাউল হোৱা মনটোৱে সৃষ্টিৰ নিয়ম মানিয়েই উকি মাৰে—লগৰীয়া বিচাৰি। যৌন-পিপাসাৰ পৰশত প্ৰাণৰ পথাৰত পলস পৰে। পথাৰৰ পলসত গজি উঠে সেউজীয়া আশা, আকাঙ্ক্ষা। মিলনৰ দুৰ্ব্বাৰ বাসনাৰে ডেকা-গাভৰুৰ মন ওচৰ চাপি যায়। এই সময়ত ভাবে মুক্তি বিচাৰে, ভাষাই মুক্তি বিচাৰে; মুক্তি বিচাৰে সৃষ্টিৰ আদিম সত্যটোৱে।

ফাগুনৰ ফাগুনী পছোৱাই শীতৰ শেতেলিত শুই থকা প্ৰকৃতিক জগাই দিয়ে; লগে লগে সাৰ পাই উঠে জন-জীৱনৰ আদিম প্ৰবৃত্তিটো। পছোৱাৰ পৰশত সাৰ পাই উঠে মানুহৰ যৌৱন। সেই সময়ত কমোৱা তুলাৰ দৰে উৰি ফুৰা মনটোৱে মেলি দিয়ে গীতৰ পোহাৰ। নৈ-বিল, পৰ্ব্বত-পাষাণ, ইকৰাণি-বিৰিণানিৰ বুকু ৰজনজনাই যায়। যৌৱনৰ জোৱাৰত উটি অহা বনৰীয়া ভাব-ভাষাৰ এই গীতবোৰক মানুহে বনঘোষা বোলে। বনঘোষাবোৰ বনৰীয়া নাম বা গৰখীয়া নাম বুলিয়েই সাধাৰণতে জনাজাত। বনঘোষা—সংজ্ঞাটো নতুন; গীতবোৰ বহুত পুৰণি।

বনঘোষাবোৰ যৌৱনৰ গীত; ই পীৰিতিবো গীত। যৌৱন জীৱনৰ অনাহুত অতিথি। জীৱনলৈ অনাগত যৌৱন আহে অনাহুত হৈ। অনাহুত যৌৱনৰ লগতে পীৰিতি আহে হাতধৰী লিগিৰী হৈ। পীৰিতি মানুহৰ ব্যতিক্ৰম নহয়। বনঘোষাবোৰ

'ৰতৰৰ গীত'। মানুহৰ জীৱনৰো ৰতৰ; প্ৰকৃতিৰো ৰতৰ। পৰিৱেশ আৰু প্ৰকৃতিয়ে যেতিয়া সন্ধান দিয়ে এখন নতুন পৃথিৱীৰ, মিলন যেতিয়া মানুহৰ জীৱনত অপৰিহাৰ্য্য হৈ উঠে, তেতিয়া পীৰিতিৰ পাতনি মেল খায়—

প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছত স্ৰজিলে জীৱ;
সেইনো জন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয় ?

সৃষ্টিৰ আদিম পীৰিতি প্ৰকৃতি আৰু পুৰুষৰ পীৰিতি। আদম-ইভ, কৃষ্ণ-ৰাধা, হৰ-গৌৰী আৰু ঊষা-অনিৰুদ্ধৰ পীৰিতিও প্ৰকৃতি আৰু পুৰুষৰে পীৰিতি, অভেদ্য—অচ্ছেদ্য। ঈশ্বৰ আৰু মানুহ, মানুহ আৰু যৌৱন, যৌৱন আৰু যৌনাসক্তি—সেয়ে পীৰিতি, ইহঁতৰ সম্পৰ্ক অনবদ্য। পীৰিতিৰ আবেগত উথলি উঠা মনত আৰু নেথাকে। নিজান পৰিৱেশৰ সুবিধা লৈ মনৰ তলিৰ গোপন কথাবোৰ হিয়া উদিয়াই কৈ দিব খোজে। তাকে কৰোতে ভাষাই পাৰ ভাঙি যায়, শব্দই মুক্তি বিচাৰে, কথাবোৰ কবিতা হৈ যায়। কবিতাবোৰ পমি গীত হৈ সিৰে সিৰে সোমাই যায়।

চৰাই হৈ চৰিমগৈ হুঅ'কা পুখুৰীত
লাও হৈ লাগিমগৈ চালত।
মাখিৰূপে ধৰি চুমা খাই আহিমগৈ
তোমাৰ কুমলীয়া গালত।

গীত ফাঁকিত আছে উৰণীয়া মনৰ অসীম কল্পনা আৰু কাব্যিক অভিব্যক্তি, লগতে আছে দুৰ্ব্বাৰ যৌনাকাঙ্ক্ষা।

সময়ৰ চকৰী ঘূৰে, সমাজৰ পৰিৱেশো সলনি হয়। এশবছৰ বা তাতোকৈ আগৰ সমাজত শিক্ষাৰ চকাচ'ন্দা পোহৰ পোৱা আভিজাত্য বা আৰ-বেৰ নাছিল। চ'ত গ'ল, জীয়ৰী মুকলি

হ'ল। বছৰেকৰ বিহুত শালৰ হাতীও মুকলি হয়; ডেকা গাভৰুৰ কথাই নাই। যৌৱনৰ বিহু আছিল চিৰজীৱনৰ বাবে লগৰী বিচাৰি লোৱাৰ উপযুক্ত সময়।

তোমাৰে বাবীতে কলাপাত কাটিলো
আগলি আগলি চাই;
বিহুৰেতলীতে তোমাক বাছি ললো
ক'কাল খামুচীয়া পাই।

যৌৱন আৰু বিহুৰ সমন্বয়ে ডেকা-গাভৰুৰ জীৱনত পূৰ্ব্বৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি, প্ৰণয় আৰু মিলনৰ মাধুৰিমা বাকি দিছিল। কোনোবাই প্ৰণয়ৰ পূৰ্ণতাৰে দাম্পত্য জীৱনৰ পাতনি তৰিছিল; কিন্তু কোনোবাই পাইছিল বিচ্ছেদ-বিৰহৰ দোকোল টকা বান, আমঠু ক'লা পৰি যোৱা শোক আৰু বুকুত সৰিয়হ ফুটা একুৰা জুই। তেতিয়াও মনৰ অঠাইসাগৰত গুজৰি গুমৰি থকা ভাববোৰ অবাৰিত গতিৰে ওলাই আহে—

ধনশিৰী দলংখন ভেটিলে ঐ চেনাইকণ
লোহাৰ ঐ শলখা মাৰি;
তোমাকে ঐ আমাকে ভেটিলে ঐ সমাজে
দুটি দেহা দুফালে কৰি।

বিচ্ছেদৰ দোকোল টকা বানত মনৰ সেউজীয়া আশা-আকাঙ্ক্ষাবোৰ উটি যাব খোজে, বিৰহৰ প্লাৱনত মন বুৰ যায়, তথাপি মনে নেমানে, মন অবুজন, মনে ওদালৰ ডোল ছিঙি লব মাৰিব খোজে। পুৰণি পীৰিতিৰ স্মৃতিত নতুন সজীৱতাই মাথোন দেখা দিয়ে, সেয়েহে আকৌ এবাৰ গায়—

ধৰধৰৰ মুখতে ভ'ৰালৰ টুপতে
চৰাই ফুটুকলা খায়;
মোৰ জানো মনতে পৰে খনে খনে
তোৰ জানো মনতে নাই।

সেয়ে জানো বুকুৰ বেদনা পাতলাব পাৰে ? বিচ্ছেদ-বিৰহৰ জীয়াজুই সহিব নোৱাৰি জীৱনৰ প্ৰতি মোহ হেৰুৱাই পেলায়। তেতিয়া মৰি যাম মৰি যাম লাগে।

কিনো খাই পাহৰিম তোকে ঐ লাহৰী
কিনো খাই পাহৰিম তোক,
মিচিমি আহিব বৰবিহ আনিব
তাকে খাই পাহৰিম তোকে।

যৌৱন ধুনীয়া। যৌৱনৰ পৰশত পৃথিবীখনো ধুনীয়া হয়। সৌন্দৰ্য্যৰ প্ৰতি তীব্ৰ হেঁপাহ এটা জাগি উঠে। যৌনাসক্তিৰ প্ৰভাৱৰ পৰা দৃষ্টিত কায়িক সৌন্দৰ্য্যও যৌনাসক্তিপূৰ্ণ হৈ পৰে। পুৰুষৰ নাৰীৰ প্ৰতি, নাৰীৰ পুৰুষৰ প্ৰতি আকৰ্ষণ বাঢ়ে, অঙ্গ বিশেষৰ আকৰ্ষণ প্ৰকট হৈ উঠে।

তোমাৰ চকুজুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা,
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
যেচমৰ কাপোৰে ঢকা।
তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা
ঘোঁৰা ফানৰ নিচিনা চুলি
লম লম বুলি এদিনো নল'লা
দুখনি হাতৰে তুলি।

কাব্যিক দৃষ্টিভঙ্গীত বনঘোষাৰ ভাষা যেনেকৈ আঁৰকাপোৰ উদঙাই মুকলিমূৰীয়া হৈ প্ৰকাশ পায়, আলঙ্কাৰিক বিচাৰতো বনঘোষাৰ সৰলতা আৰু স্বচ্ছতাই দেখা দিয়ে। বনঘোষাও প্ৰতীকধৰ্ম্মী, কিন্তু সহজবোধ্য আবেগত উথলি উঠা শিল্পীমনৰ বনঘোষাত সুপৰিকল্পিত ভাৱে অলঙ্কাৰ সৃষ্টি কৰি দেখুৱাবলৈ আজৰি নাই, স্বতঃস্ফূৰ্ত্ত ভাৱেই অলংকৃত হৈ পৰিছে। শব্দালংকাৰ, অৰ্থালংকাৰ, উভয়বিধকেই বনঘোষাত পোৱা যায়। শব্দালঙ্কাৰৰ

ভিতৰত ৰূপক আৰু উপমাই সৰহ। সাধাৰণতে মানুহৰ শাৰীৰিক সৌন্দৰ্য্য আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰ বিজনিতেই উপমাবোৰ সজীৱ হৈ উঠিছে। 'দোলা-দাপোণ যেন মুখ'; 'জামুকী বোলোৱা দাঁত'; 'ঘোৰা ফানৰ নিচিনা চুলি'; 'পাভমাছৰ নিচিনা তোমাৰ গাল দুখনি', 'ক'কালটি বীণৰে গোট', 'হাতলৈ কি চাবা হাতীৰে শুৰে যেন': 'যেন দাম কলৰ পুলি'; ইত্যাদি। অনুপ্ৰাসৰো প্ৰয়োগ তেনেকৈ নোহোৱা নহয়। তদুপৰি বিদ্ৰূপ, ব্যঙ্গোক্তি, বক্ৰোক্তি, মিশ্ৰিতৰূপক' বিনয়োক্তি, আবেগালঙ্কাৰ আদিৰো গোন্ধ আৰু উদাহৰণ পোৱা যায়।

বনঘোষাৰ ভাষা সাধাৰণতে অশ্লীল বা অশ্ৰাব্য বুলি এটা উপৰুৱা ধাৰণা আছে। সাধুভাষা আৰু গ্ৰাম্যভাষা বুলি একেটা ভাষাৰে দুটা ৰূপ থকাৰ দৰে বনঘোষাৰ ভাষাতো বনৰীয়া ভাব আৰু মুক্ত ৰীতি এটা দেখিবলৈ পোৱা যায়। নৈৰ পানীঘাট, গৰখীয়াতলী, চ'ত-মহীয়া নিশাৰ ৰাতি-বিহুৰ বিহুতলী নতুবা ইকৰাণি-বিৰিণানিৰ মাজত উন্মুক্ত ভাবে চহা স্বভাৱ-কবিয়ে গাই ফুৰা গীতবোৰত আমাৰ তথাকথিত শিক্ষিত আৰু ভদ্ৰসমাজৰ বাবে আচহুৱা আৰু অশ্লীল ভাৱ প্ৰকাশ হোৱাটো স্বাভাৱিক। গীতেৰে হলেও গাওঁতাই প্ৰকৃততে মনৰ ভাৱটোহে ব্যক্ত কৰিব খোজে; তাকে বলিষ্ঠভাৱে প্ৰকাশ কৰিবলৈ ৰাওঁতে শব্দ চয়নৰ প্ৰতি চকু দিবলৈ আঁজৰি নাই। যি শব্দেৰেই ভাৱটো শক্তিশালী হৈ প্ৰকাশ পোৱা যেন লাগে, তেনে শব্দকে ব্যৱহাৰ কৰে আৰু সেই সময়ত অশ্লীল শব্দও প্ৰকাশ পাব পাৰে। এনে তথাকথিত অশ্লীল বা অশ্ৰাব্য গীতবোৰৰ মাজতো মাৰ্জ্জিত, সুৰুচিপূৰ্ণ, কাব্যিক অভিব্যক্তিব্যঞ্জক মুকুতা-মণি যেন একোটা গীতো পোৱা যায়।

বনঘোষা যৌন-জীৱনৰ অভিব্যক্তি। পত্নীকে মইনা, জোনাই, লাহৰী, মহলা, ধন আদি সম্বোধনবোৰৰ ব্যৱহাৰ সৰহ। তদুপৰি

প্ৰণয়াত্মক গীতৰ প্ৰাচুৰ্য্য অধিক। যৌন-জীৱনৰ আৱেগ-অনুভূতি প্ৰকাশ পোৱাৰ লগতে বহুতো সামাজিক বৈষম্যৰ কথাও প্ৰকাশ পাইছে। 'আমি দুখীয়াৰ জী', 'হাতত নাইকিয়া ধন', 'কি কৰিব অজাতিৰ কুলে', 'মতাম'হ ৰখীয়া দিলে', 'তোমাকে আমাকে ভেটিলে ঐ সমাজে', 'ঘাটে সেৱা কৰে নাও', আদি খণ্ডবাক্যৰ পৰাই সামাজিক বৈষম্য আৰু অৰ্থনৈতিক অৱস্হাৰ বিষয়েও জানিব পাৰি।

বনঘোষাত সময়ৰ বুলনি আছে ; স্হানীয় পৰিবেশৰ কৰাল লাগি আছে—আৰু আছে প্ৰকৃতিৰ মধুৰ পৰশ। চৰাইৰ উৰণীয়া পাখি, নৈৰ বগী চকেচকী বালি, পাৰৰ কঁহুৱা ফুল, বৰ্হমথুৰি এজুপি, বিৰিণা বননিৰ উজ্বল ছবি আছে, নৈ, পৰ্ব্বত, পথাৰৰ ভূমুকি আছে। গীতৰ বা ঘোষাৰ মূল কথাটো কবলৈ তুলনা-মূলক চিত্ৰটো অঙ্কন কৰোঁতে নৈৰ সুকীয়া সুকীয়া বৈশিষ্ট্যই দেখা দিছে। ধনশিৰীৰ দলঙ্, ব্ৰহ্মপুত্ৰৰ পাৰৰ বৰ্হমথুৰি, লুইতৰ বালি, বৰচাপৰি, ৰঙানৈৰ মাছ, দিখৌ গুমেগুমাই অহা কোম্পানীৰ জাহাজ, দিহিঙৰ এৰা সুঁতি, জাঁজী নৈৰ জাঁজৰি, ভোগদৈৰ লেতেৰা পানী, ডিবৰুৰ আগলি, কাব্যিক ৰহণেৰে উজলাই তুলিছে। 'তোৰনো ঘৰ সিপাৰে, মোৰনো ঘৰ ইপাৰে—কোনে দিয়ে যাব সাঁকো'। গতিকে দীঘল হুমুনিয়াহ এটা আগত লৈ গধুৰ বুকু পাতল কৰি ওলাই যায়—

ধনৰে বাতৰি বেয়াটো শুনিলো
কঠিয়াতলীলৈ গৈ ;
চৰাই হোৱা হ'লে উৰি গলোহেঁতেন
মাজত ধনশিৰী নৈ ॥

নৈৰ কাষত নদালি ভলুকা নৈৰ বুকুত হালি পাৰে। সেইদৰে কাবোবাৰ হিয়া এখন হাউলি পৰিছিল কিবা আকৰ্ষণত। সিয়ে দৃষ্টি কৰিছিল একুৰা চিন্তাৰ জুই। জুয়ে দহি নিছিল এখন

বন্ধু, এটা দেহা। সেয়ে মৰমৰ ধাৰ খাব নোখোজা ডেকাই চিঞৰি উঠিছে—

নৈলৈ হালিলে নদালি ভলুকা
পথাৰলৈ হালিলে কাক;
বন্ধুৰ হাড় ওলালে জালি জালি কৰি
কালৈ চিন্তা কৰি থাক।

* * *

বগা নৈ শুকালে মাছৰে বেজাৰত
লুইতখন শুকালে কিয়?
মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমিনো শুকাইছো কিয়।

বনঘোষাৰ জোৰানি অংশত থকা নৈৰ চিত্ৰ আৰু মূল উদ্দেশ্যৰ মধুৰ সমন্বয় দেখিবলৈ পোৱা যায়।

ধনশিৰী ভেটিলে জেঙে ঐ জাবৰে
সোৱণশিৰী ভেটিলে কিহে,
ভগা খোলাকটি কমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে বিহে।

* * *

ধনশিৰী দলঙখন ভেটিলে ঐ চেনাইকণ
লোহাৰে শলখা মাৰি;
তোমাকে আমাকে ভেটিলে সমাজে
দুটি দেহা দুফালে কৰি।

* * *

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো থাকিলুঁৱা ঠাই;
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।

* * *

লৰুৱা বিলখন জাপমাৰি ভেই থাম
ব্ৰহ্মপুত্ৰ কেনেকৈ ডেম ;
সিপাৰৰ পৰা বাঁশে হাত মেলিব
মকৰা জোৰাদি থাম।

* * *

দিখো নৈৰ পাৰৰে খোৰালি ঢেকীয়া
নিতৌ চাৰি আঙুল বাঢ়ে ;
তোলৈ লাহৰী মনত ঐ পৰিলে
বাতিও টোপনি নাহে।

* * *

হাতী পানী খালে হোৱাঙে দৈয়াঙে
ঘোৰাই পানী খালে বৈ ;
ধনে পানী খালে পীৰিতি নিজৰাত
থিয় গৰাত খোপনি লৈ।

স্বভাব-কবিৰ অপলক দৃষ্টিত অসমৰ চৰাই-চিৰিকতি, গছ-লতাই প্ৰাণ পায়। ওপৰে উৰি যোৱা যুৰীয়া চৰাই হাল দেখি সৃষ্টিৰ সনাতন সত্য প্ৰকৃতি পুৰুষৰ এৰাব-নোৱৰা সম্পৰ্কটোলৈ মনত পৰে। নৈ-সাগৰ, পৰ্ব্বত-পাষাণে আগুৰি থকা পৃথিবীৰ সীমা পাৰ হবলৈ চৰাইৰ পাখি দুখনি দেখি অনুশোচনা আহে। চৰাইৰ হালধীয়া পাখি দেখি মনৰ বৰণো সলনি হয়।—

চমকত চাবলৈ নহওঁ মই বিজুলী
নহওঁ মই যোৱতী নৈ
চৰায়ো নহলো উৰি গলোহেঁতেন
দুকাষে দুপাখি লৈ।

* * *

চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধুই আছিলো
ওপৰে উৰিলে চুলি ;

টুনিৰ লগতে উকিয়া যেন লাগিলে
ওচৰত নহ'লা তুমি ।

* * *

চৰাই হালধীয়া পাখি বিনন্দীয়া
অৰণ্যৰ ভিতৰত টোপ্,
দিনটোৰ ভিতৰত এবাৰ নেদেখিলে
পেটতো নেলাগে ভোক্ ।

* * *

বনঘোষাত চৰাইৰ চিত্ৰ সজীৱ হৈ উঠিছে। বৰঘৰৰ মুখত, ভঁৰালৰ টুপতে চৰায়ে ফুটুকলা খায়, নলনিত হেটুলুকা চৰায়ে মাতে, চাকৈ-চকোৱাই বৈ-বৈ কান্দে, ওপৰে উৰিলে কৰচন-কনুৰা তাৰ লগত উৰিলে বগ, শালিকী চৰায়ে কিৰিলি পাৰিলে গছৰ গুটি খাবলৈ পায়, হাঁহে-বাটে বুলে লুডুৰে-পুডুৰে, পথাৰ ঢাকি পৰিলে কাম, আলি ঢাকি পৰিলে কাণকুৰিকা চৰাই, মৌ-পিয়া চৰায়ে ডালত কটালিলে পাখি, চৰাইৰে পোৱালি উৰিব নোৱাৰে ঘূৰি ঘূৰি বাহতে পৰে, বৰঘৰৰ মুধতে কাপৌ কুৰু-লিয়াই, বগৰীৰ ডালতে কপৌটি বিনালে, ঠেও ধৰি বিনালে কুলি, চুঁচৰি চৰিলে ঠেঙ্ ভগা চৰাইটি, কুহু কুহু কৰি কপৌটি বিনালে ডাউকে বিনালে বৈ, বাঁহৰে আগতে কপৌ চৰাই হালি ইত্যাদি ।—

প্ৰকৃতি আৰু পুৰুষৰ আকৰ্ষণ সৃষ্টিৰ আদিম সত্য। যৌৱনৰ উন্মাদনাই যেতিয়া জীৱনলৈ এবুকু নতুন আশা লৈ আহে তেতিয়া গাভৰুৰ মুখ, চকু, ওঁঠ আদিত সৌন্দৰ্য্যৰ সপোন দেখে। তেতিয়া হয়তো বুকুৰে বুকুৰ কথা জানিবলৈ বিচাৰে, দুটি জীৱন এটি হৈ যোৱাৰ অমূৰ্ত্ত বাসনা জাগি উঠে। তেতিয়া প্ৰণয়ৰ পূৰ্ব্বৰাগত মনবোৰ মাখন-কোমল হৈ পৰে। এপাহ ফুল, এখনি তামোল, এটি চাৱনি, এটি মিচিকিয়া হাঁহিৰে মনৰ তলিৰ গোপন-গভীৰ

কথা এটিৰ পূৰ্ব্বাভাস দিবৰ প্ৰয়াস কৰে। তেতিয়া কৰৰ মন যায়—

আহোঁতে দেখো ধন বাওঁতে দেখো ধন
বগী জামুকৰে পুলি ;
খোৱাবো ন'হলি পিন্ধাবো ন'হলি
চকুৰহে পোৰাণ হলি ॥

তেতিয়া মনটো আশা, ভয় আৰু অচিনাকি মনৰ অজান আশংকাই আগুৰি ধৰে। তেতিয়া সুধিবৰ মন যায়—

চকুৰে চকুৰে কি চাৱ মইনা
মই চলে তলমুৰ কৰে ;
তই নো মাতোঁতেই মাতিব পাৰোঁ মই
জানোচাই কেটেৰাই মাৰ।

* * *

চকুলৈ চালে হাঁহা মিচিকিয়াই
হাঁতিতে লগোৱা বেথা।

* * *

তুমি চোৱা আমালৈ আমি চাওঁ তোমালৈ
চাইনো চাই কৰিবা কি,
এদিন এবেলা ৰাখিব নোৱাৰো
কোনোবা কাৰোবাৰ জী।

যেতিয়া পূৰ্ব্বৰাগৰ পৰশত মন ৰঞ্জিত হৈ উঠে, তেতিয়া প্ৰণয়ীৰ দৃষ্টি কেন্দ্ৰীভূত হৈ পৰে কোনো এক নিৰ্দ্দিষ্ট বিন্দুত—নিৰ্দ্দিষ্ট ব্যক্তিত ; তেতিয়া পৃথিবীৰ সমূহ সৌন্দৰ্য্য আহি তাতে থুপ খায়। তেতিয়া—?

উজাই চালোঁ মই ভটীয়াই চালোঁ মই
তোমাৰ মান শুৱনী নাই,
দেৱে ঐ মাৰিব মনিচে মাৰিব
তোমাক জানো অকলৈ পাই।

* *

তেতিয়া সৰ্ব্বভূক হ'বৰ মন যায়—

কিনো চ'ভমহীয়া ৰ'দে চোঁ চোঁ
পেটতো লাগিছে ভোক,
টিঁয়হো ন'হলি চিৰালো ন'হলি
চোবাই খালোহেঁতেন তোক।

যৌৱনৰ ৰাঙলী আভাৰে উদ্দীপ্ত চকুযুৰিৰে সৰ্ব্বাঙ্গসুন্দৰ দেখে। অঙ্গে অঙ্গে বিয়পি পৰে কামনাৰ শিখা।

তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা;
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।

* * *

তোমাৰ মুখখনি মালিমাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি।

* * *

হাতলৈ কি চাবা হাতীৰে শুৰে যেন
ভৰিৰনো কি চাবা গোট;
মুখলৈ কি চাবা দোলা-দাপোণ যেন
এখামোচ কঁকালৰ গোট।

* * *

বিহুৰে তলীতে তোমাক বাছি ললো
কঁকাল খামুচীয়া পাই।

* * *

হাতৰে আঙুলি পৰালি পৰালি
ভৰিলে আঙুলি বন।

* * *

কিনো হাত দুখনি কিনো ভৰি দুটি
কিনো তোমাৰ শদুৰা দাত;

ৰ'দ পাই জিলিকে তোমাৰ গাল দুখনি
হাঁহিলে জিলিকে দাঁত।

* * *

বন্ধু বহল কৰি ক'কাল চিয়া কৰি
তোমাৰ মান শুৱনী নাই,
তোমাৰে ক'কালটি অতিকৈয়ে লাহী
খোজত হালি জালি যায়।

* * *

হাতৰে আঙুলি কিনো চাই বাবা
জিলিকে জেতুকাৰ বোল।

* * *

তোমাৰ দেহাটি পদুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।

* * *

তিতাকৈ তিয়নী যৌৱনৰ শুৱনী
গোহালি শুৱনী তাঁত;
লাহৰীৰ শুৱনী চকুৰ চেলাউৰি
জামুকী বোলোৱা দাঁত।

অঙ্গে অঙ্গে জ্বলি উঠে অঙ্গৰাগ। কিন্তু অঙ্গ-সৌষ্ঠৱ, তাহানিৰ চকুৰেহে চাইছিল। অৱশ্যে উপমাত পুৰণি-কবি প্ৰসিদ্ধিৰ প্ৰভাৱ নপৰা নহয়। জামুকী বোলোৱা দাঁত, ক'কাল খামুচীয়া, খোপা উখনীয়া, ঘোঁৰা ফানৰ নিচিনা চুলি, ষাঠীৰে কুঢ়া যেন লাহৰী ক'কাল, টিয়'হৰ জালি যেন চেহেৰা, পাভমাছৰ নিচিনা গাল, মালিমাছৰ নিচিনা গা, লাহৰী ওঁঠ, মাণিকী মধুৰী হাঁহি, ক'কালটি বীণৰে গোট আদি উপমা অসমীয়া স্বভাৱ-কবিৰ প্ৰতিভাশালী সৃষ্টি।

যৌৱনৰ মন, মতলীয়া হাতী—গজামুৰী খাই। ভালৰ ভোল

ছিগু যোনিয়ে তেনিয়ে যাব খোজে। তেতিয়া আৰু কথা লুকাই নেথাকে, বুকু ডাঠ কৰি কৈ দিবৰ মন যায়—

প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছত সৃজিলে জীৱ,
সেইনোজন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয় ?

তেতিয়া সংচাকৈয়ে মুখ ফালি ওলাই আহে—

দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী
জীজী জৈ এৰিব পাৰোঁ,
তোমাৰে পীৰিতি এৰিব নোৱাৰোঁ
নেথায়ো মৰিব পাৰোঁ।

বনঘোষাৰ ভাষা আৰু কথন ৰীতি অতি চমৎকাৰ। নিচেই তাকৰীয়া কথাৰেই হিয়াৰ গভীৰ আবেগজড়িত কথাবোৰ বন-ঘোষাৰে প্ৰকাশ কৰিব পাৰি।

ৰবৰবৰ মুখতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায় ;
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোমাৰ জানো মনতে নাই ?

* * *

হাতী হেৰুৱালোঁ লিহিৰি বনত ঐ
ঘোৰা হেৰুৱালোঁ বণত ;
পাই হেৰুৱালোঁ সৰুলৰ মুকুতা
চোতালৰ দুৱাৰি বনত।

* * *

লুইতৰে বালি বগী চকেচকী
কাহই কণী পাৰে লোখ ;
গাত জুই জ্বলিছে পৰিছাহ জুলিছে
ধনক পানীঘাটত দেখি।

* * *

চনক চনক কৰি ভাগে বুকুখনি
যেন বিৰিখৰে ডাল।
* * *
সাদিনৰ বাটতে তোলৈ মনত পৰি
শৰীল মৰি আছে মোৰ।
* * *
দিনৰে দিনটো তোমালৈ ধাউঁতি
ৰাতি পুৰি মাৰে গা।
* * *
বুকুত দি গলি জীয়া জুই একুৰা
মুখৰ হৰি নিলি হাঁহি।
* * *
কাণে চাই জাওফাই দিব পাৰ যদি
গানো চাই খনীয়া দিম ;
যদি ঐ জাহৰী মোকে নিওঁ বোল
দেহা উবুৰিয়াই দিম।

বনঘোষাৰ বুকুত অসমীয়া জাতিৰ মনৰ আৰু প্ৰাণৰ স্পন্দন স্পন্দিত হৈ আছে আৰু সাহিত্যিক দৃষ্টিৰ পিনৰ পৰাও ই আপুৰুগীয়া।

মালিতা—বেলাড

মালিতা শব্দটোৰ সমাৰ্থক ইংৰাজী প্ৰতিশব্দ হল বেলাড। অসমীয়া মালিতা শব্দটো মালা শব্দৰপৰাই সৃষ্টি হৈছে। ফুলৰ মালাৰ দৰে ধাৰাবাহিক ভাবে গাঁথি থোৱা গীতিব্যঞ্জক কাহিনীয়েই হল মালিতা। মালিতাক গীতিব্যঞ্জক কাহিনী বা কাহিনীজড়িত গীত দুয়োটাই আখ্যা দিব পাৰি। ইংৰাজীত বেলাডৰ বিষয়ে ভালেমান সূত্ৰ পোৱা যায়। অসমীয়াত সাধাৰণতে প্ৰচলিত মালিতা কেইটাৰ লক্ষণ আৰু বিষয়বস্তুলৈ চালে একে আষাৰে কব পাৰি যে মালিতাৰ প্ৰাথমিক লক্ষণ গীতিধৰ্ম্মিতা। বিহুনাম বা বনঘোষাবোৰ একো একো ফাকি গীত। মালিতাতো এনেকুৱা গীত একোফাকি থাকে কিন্তু প্ৰতি ফাকি গীতৰ বিষয়বস্তুৰ ধাৰাবাহিকতা ৰক্ষা কৰা হয়। গীতিধৰ্ম্মিতাই মালিতাৰ মুখ্য লক্ষণ হলেও কাহিনী অবিহনে মালিতা হব নোৱাৰে। বেলাড শব্দটোৰ মূলত নৃত্যছন্দী গীতৰ সম্পৰ্ক আছিল। অসমীয়া ভাষাৰ ফুলকোঁৱৰ, মণিকোঁৱৰৰ মালিতা দুটা বিহুৰ সময়ত বিহুনামৰ দৰে গোৱা হয়। সেয়ে হলে গীতিধৰ্ম্মিতাৰ লগতে নৃত্যও আহি পৰে। ইউৰোপীয় বেলাডবোৰ আৰু আমাৰ মালিতাৰ মাজত অলপ পাৰ্থক্য আছে। আমাৰ মালিতাৰ কাহিনী ৰোমাণ্টিক। আনকি বুৰঞ্জীমূলক মালিতা কেইটাতো বুৰঞ্জীৰ কাহিনীৰে কাব্যিক পুনৰাবৃত্তি পোৱা যায়। ইউৰোপীয় বেলাডবোৰত দেশপ্ৰেমৰ স্তুতি এটি আদিৰে পৰা অন্তলৈকে বৈ থাকে।

নৈৰ্ব্যক্তিকতা মালিতাৰ প্ৰধান লক্ষণ। মূল মালিতাটো কোনে, ক'ত, কেতিয়া ৰচনা কৰিছিল কোৱা টান, কিন্তু ইয়াৰ জনপ্ৰিয়তাই আটাইকে সামৰি লয়। এইদৰে ঠাই আৰু মুখ বাগৰি এটা নতুন

ৰূপ লয় আৰু শেষত জনসাধাৰণৰ সামূহিক উচ্ছ্বাসৰ পৰিণতি হিচাপে পৰিগণিত হয়।

একেটা কাহিনীয়েই ঠাই বিশেষত সুকীয়া ৰূপত প্ৰকাশ পায়। 'বৰফুকনৰ গীত' নামৰ মালিতাটো উনবিংশ শতিকাৰ দ্বিতীয়-তৃতীয় দশকত ৰচিত, কিন্তু ইয়াৰ দুটা ৰূপ পোৱা গৈছে। দুয়োটাৰে বুৰঞ্জীমূলক কাহিনী-ভাগ আৰু ছন্দ-ৰীতি একে হলেও প্ৰকাশভঙ্গী অলপ সুকীয়া।

তামোল খাবৰ শৰাই,
আনিব বাপেৰক লোৰৰ ডিঙৰাত ভৰাই।
চৰায়ে কৰে চিউ,
কথা শুনি জীয়েকৰ ভাৰি গল জীউ।
এই কথা বুজো,
এটা কথা তোতে সোধোঁ।
জবাব কোমল জিম,
পিতালৈ বাতৰি কেনেকৈ দিম ?
নেথাকিবি বৈ,
আন্ধাৰৰ কোঠাত আইটি কান্দিবি তই।
বাপেৰ জীব,
মৰম লাগিলে চিঠিখন লিখিয়েই দিব।
আছিলে বৈ,
আন্ধাৰৰ কোঠাত তাই কান্দিলে গৈ।
কোনেনো ছান্দে,
আজি দেখোন দেউতা গাভৰুৰে কান্দে
কাটি খাবৰ জবা,
লাগে যদি আনি দিও' সৰগৰ তৰা।
নেমাৰিবি হাই,
জগতখন আছে মোৰ হাতত্তে পাই।

বিণাই ৰবকুকনৰ জী,
মোৰনো বোপায়ে কৰিলে কি ।
(ৰবকুকনৰ গীত : ডঃ সূৰ্য্যকুমাৰ ভূঞা)

* * *

এহে কহুৱা শৰাই,
এইটো ডিঙৰাত আনিবি ভৰাই ।
মাছৰ কুমলীয়া শ'ল,
বাপেৰক ধৰিবলৈ কালিয়ে গল ।
হুজুৰাই মাৰিবৰ হাই,
বাপেৰৰ ঘাটত নাও বান্ধিবগৈ পায় ।
হাই দি তুলিবৰ লাই,
কি জানি বাপেৰক ধৰিবই পায় ।
দামুৰীয়ে কৰিবৰ ৰে,
বাপেৰৰ চিঠিখন বেগতে দে ।
দকৈ পথাৰৰ ভেকো,
মই তিৰীমতি নেজানো একো ।
মৰিচা টেঙাৰে জিম,
পিতাদেউৰ চিঠিখন কেনেকৈ দিম ?
শালেকৈ মাছৰে ছাল,
বোৱা বৰুৱাই বাপেৰে ভাল ।
লগতো নিদিবি ভাৰী,
তেহে যাবগৈ বাপেৰ সাৰি ।
আৰু নেমাৰিবি হাই,
বুধি দি মানুহটো উভতি যায় ।
পথাৰৰ পোনা মাছ চান্দে,
হিয়া ভুকু মাৰি ফুকনৰ জীয়েকে কান্দে ।
তিতিকি পাতৰ সিৰ,
মোৰনো পিতাদেয়ে কৰিলে কি ?
(অসমীয়া লোকগীতি : লীলা গগৈ)

সেইদৰে ভদ্ৰসেন বৰাৰদ্বাৰা সংগৃহীত ফুলকোঁৱৰ আৰু মণিকোঁৱৰৰ গীতৰ লগত যোগেশ তামুলীৰ সংগৃহীত গীতবো এনেকুৱা পাৰ্থক্য দেখা যায়। কিন্তু ভদ্ৰসেন বৰাৰ সংগ্ৰহত থকা মন্যাৱতী কুঁৱৰী যোগেশ তামুলীৰ সংগ্ৰহত বৰছা কুঁৱৰীৰূপে উক্ত হৈছে। গীতৰ লক্ষণলৈ চালে তামুলীৰ গীতত লোক-সাহিত্যৰ অধিক স্পষ্টতা দেখিবলৈ পোৱা যায়।

অসমীয়া মালিতাসমূহক ঘাইকৈ দুটা ভাগত ভাগ কৰিব পাৰি—(ক) বুৰঞ্জীমূলক মালিতা, (খ) পৌৰাণিক কাহিনীমূলক মালিতা। ইয়াৰে ভিতৰত বুৰঞ্জীমূলক মালিতাৰ সংখ্যাই সৰহ। সততে পাবলৈ থকা মালিতা কেইটাৰ উপৰিও কিছুমান ভগাছিগা খণ্ডৰপৰা আৰু ভালেমান কেইটা মালিতা থকাৰ প্ৰমাণ পোৱা যায়। পৌৰাণিক কাহিনীৰ গইনা লৈ ৰচিত হোৱা মালিতা কেইটিতো সময়ৰ আৰু বুৰঞ্জীৰ আঁচোৰ নপৰাকৈ আছে বুলি কব নোৱাৰি। বৰঞ্চ ফুলকোঁৱৰ, মণিকোঁৱৰৰ গীত বুৰঞ্জীৰ বাস্তৱ তথ্যেৰে ভাৰাক্ৰান্ত হৈ পৰিছে।

আমগুৰি থাতৰ শুকান খৰিচা
বৰমা বিলৰ মাছ ;
তুমিযে আছিছা সোণাবৰ তামুলী
মণিধৰ কিমানৰ পাছ।
ওপৰ দিখৌৰ শিলঘঁৰিয়া
বৰ পথাৰৰ জহা,
ৰাজভঁৰালৰ সোণ-খৰাহীৰে
দিয়া বাইলুঙৰ বঁটা।

এই কেইফাঁকি গীতত আহোম যুগৰ প্ৰভাৱ স্পষ্ট। অৱশ্যে মুখে মুখে চলি অহা এই গীতবিলাকত যোগ-বিয়োগ হোৱাটো এটা সাধাৰণ লক্ষণ। সেইদৰে বুৰঞ্জীমূলক মালিতা সমূহতো যে বুৰঞ্জীৰ বাস্তৱতা ৰক্ষা হৈছে, তাক ডাঠি কব নোৱাৰি, কাৰণ,

কাব্যিক কল্পনাই বহুতো সময়ত বুৰঞ্জীৰ কাহিনীৰ গাত কল্পনাৰ স্নিগ্ধ প্ৰলেপ দি যায়। গীতৰ ভিতৰত সোমাই, ই এনে ৰূপ লয় যে বহুতো সময়ত বুৰঞ্জীকে ভুল বুলি ভাবিবলৈ মন যায়, কাৰণ, গীতে মানুহক অনুভূতিপ্ৰৱণ কৰি সেই সাঁচত গঢ় দি পেলায়।

বুৰঞ্জীমূলক মালিতাসমূহৰ ভিতৰত বৰফুকনৰ গীতটোৱেই দীঘলীয়া আৰু স্বয়ংসম্পূৰ্ণ। এই মালিতাটোত কাহিনীৰ ধাৰাবাহিকতা ৰক্ষা পৰিছে।

মণিৰাম দেৱানৰ গীতটোত বুৰঞ্জীমূলক কাহিনীৰ প্ৰায় আটাইখিনি কথা থাকিলেও ইয়াৰ প্ৰতিটো গীতেই স্বয়ংসম্পূৰ্ণ। ইয়াৰ লগতে নাহৰৰ গীত, চিকণ-সৰিয়হৰ গীতৰ কথাও উল্লেখ কৰিব পাৰি। এই কেইটাৰ উপৰিও আৰু ভালেমান মালিতাৰ ভগা-ছিগা টুকুৰা পোৱা গৈছে, যিবোৰৰপৰা এসময়ত একোটা স্বয়ংসম্পূৰ্ণ মালিতা ৰচিত হৈছিল বুলি সহজে কব পাৰি।

মালিতাসমূহৰ ভাষা সাধাৰণতে বিহুনামৰ লগত মিলে কিন্তু বৰফুকনৰ গীত, চিকণ-সৰিয়হৰ গীত আৰু জনা-গাভৰুৰ গীতত একো ফাঁকি কথা ছন্দ মিলাবলৈ যোগ দি পিছৰ ফাঁকিতহে আচল কথাষাৰ কোৱাৰ এটা পদ্ধতি দেখা যায়। সাধাৰণতে বিহুনাম বা আন আন মালিতাত প্ৰথমৰ ফাঁকিটো ৰিজনিমূলক বা নিৰৰ্থক হলেও ছন্দৰ মাধুৰ্য্য আৰু ছন্দস্পন্দ ৰক্ষিত হয়। প্ৰায়বোৰ মালিতাতে আইসৰেচতী, দেৱী-পাৰ্বেৰতী আদিক বন্দনা কৰাৰ পিছতহে গীতটো আৰম্ভ হয়। চিকণ-সৰিয়হৰ গীতত আই সৰেচতী দেৱী পাৰ্বেৰতীৰ লগতে ইন্দ্ৰ, নাংকুৰি-নাথাম, দামফিৰাম্ কেচাইখাতী গোঁসানী, থলেশ্বৰ দেৱতা আদিক স্তুতি কৰাৰ চাই স্থানীয় প্ৰভাৱ গীতটোত স্পষ্ট হৈ পৰিছে। মালিতাসমূহৰ ভাষা স্বাভাৱিকতে গীতিধৰ্ম্মী, উপমা-অলংকাৰ আদি সৰল আৰু কোমল।

সম্প্ৰতি প্ৰচলিত মালিতা কেইটাৰ বাহিৰেও কিছুমান মালিতা

জাতীয় গীত বিভিন্ন অঞ্চলত পোৱা যায়। স্থানীয় কোনো প্ৰতিপত্তিশালী ব্যক্তি বা স্মৰণীয় ঘটনাক পটভূমিত লৈ এনেকুৱা মালিতাসমূহ সৃষ্টি হৈছিল। বাখৰ বৰাৰ গীত, পৃথু ৰককাকতীৰ গীত প্ৰথম শ্ৰেণীৰ; সেন্দুৰী-পমিলীৰ গীত, হালকন চাহাবৰ গীত আদি দ্বিতীয় শ্ৰেণীৰ। তলৰ গীত ফেইফাঁকিত একো-একোটি কাহিনীৰ আভাস পোৱা যায়।

চুঁচৰি চৰিলে ঠেং-ভগা চৰাইটি
চুঁচৰি চৰিলে গুই;
মাটিবৰ দাৰোগাক ম'হে খুচি মাৰিলে
বন্দুকে নিদিলে জুই।

* * *

চৰাই ধানে খালে চিটিকি পৰিলে
উফৰি পৰিলে কণ;
কিনো চাই আছ গগৈ ৰাজখোৱা
মানত্ৰাই জিকিলে ৰণ।

* * *

নগাৰ চাঙে চাঙে ফুৰিবলি হালকন
নগাৰ টেপু কচু খাই;
অকৰা নগাই খকবাই কাটিলে
চিপাহী থাকিলে চাই।

বিহুনামৰ অন্তৰ্গত পৰুৱা শিপিনীৰ গীত আৰু হাবৈ-পাবৈৰ গীত দুটিতো মালিতাৰ লক্ষণ সুস্পষ্ট। পৰুৱা শিপিনীৰ গীতত তাঁতৰ টোলোঠা কাটিবলৈ যোৱাৰ কাহিনী এটি আছে—

হাই দি তুলিবৰ লাই মোৰ চেনাই ঐ
হাই দি তুলিবৰ লাই;
তুমি যে খুজিলা হাঁচতি এখনি
ৰবলৈ টোলোঠা নাই।

ভাতে বান্ধি দিয়া খাওঁ ঔ পৰুৱা
পানী আনি দিয়া খাওঁ ;
চাউল মুঠিচেৰেক বান্ধি দিয়া পৰুৱা
টোলোঠা বিচাৰি যাওঁ।

হাৰৈ-পাৰৈৰ গীতত এটি ৰোমাণ্টিক কাহিনী জড়িত হৈ আছে।

হাৰৈয়ে খুজিলে হাৰেকটা মাদলি
পাৰৈয়ে খুজিলে মণি ;
বুকুৰ নুমলীয়ে খুজি পঠিয়ালে
এখন হাতী দাঁতৰ ফণি।
হাৰৈলৈ কিনিলো হাৰে কটা মাদলি
পাৰৈলৈ কিনিলো মণি ;
বুকুৰ নুমলীকে বুজাই কৰি গৈ
নেপাওঁ হাতী দাঁতৰ ফণি।

শিৱসাগৰৰ কিছুমান অঞ্চলত ৰূপচান্দ কোঁৱৰৰ গীত এটি প্ৰচলিত থকাৰ কথা জানিবলৈ পাইছিলোঁ। নামনি অসমতো এনে কিছুমান ভগা-ছিগা মালিতাৰ টুকুৰা পোৱা যায়। সাউদ কোঁৱৰৰ গীত, দুবলাৰ শান্তিৰ গীত আদি এই শ্ৰেণীৰ। যঁতৰৰ গীত, নাওলৰ গীত আদিক জুনা বুলিলেও ইয়াতো মালিতাৰ লক্ষণ পোৱা যায়।

মালিতাবোৰ গীত আৰু কাহিনী উভয় দিশৰ পৰাই বিশেষত্ব-পূৰ্ণ। আনপিনে গীতিধৰ্ম্মিতাই ইয়াত সুকীয়া বৈশিষ্ট্য আৰোপ কৰিছে। ইউৰোপৰ বেলাডসমূহত যেনেকৈ দেশপ্ৰেমৰ গুটি সিঁচি উদ্দেশ্যধৰ্ম্মী কৰি তোলা হৈছে, অসমীয়া মালিতা-বোৰ তেনে নহয়। মণিৰাম দেৱানৰ গীত আৰু বৰফুকনৰ গীতত দেশপ্ৰেমৰ চিটিকনি পৰিলেও ইয়াক শুদ্ধ দেশপ্ৰেমাত্মক গীত বুলিব নোৱাৰি। আনন্দ প্ৰকাশৰ অৰ্থে ইয়াক গীতিধৰ্ম্মী কৰি তোলাই আমাৰ মালিতাকাৰৰ লক্ষ্য আছিল যেন লাগে।

মালিতাবোৰত ৰস আৰু অলঙ্কাৰৰ প্ৰাচুৰ্য্য নাই, সাৱলীল গতিত, সৰল ভাষাৰ মৃদু মধুৰ ছন্দত ই আগ বাঢ়ে। জয়মতী কুঁৱৰীৰ মালিতা আৰু মণিৰাম দেৱানৰ গীতত কৰুণ ৰসৰ স্ফুৰণ দেখা যায়। আনপিনে ফুলকোঁৱৰ-মণিকোঁৱৰ আৰু জনা-গাভৰুৰ গীতত সামান্য পৰিমাণে হলেও আদি-ৰসৰ পৰশ পৰিছে। বৰফুকনৰ গীতত ভয় আৰু ঘৃণাৰ ভাবৰ উদ্ৰেক হোৱা দুই-এফাঁকি কথা পোৱা যায়। শব্দ ব্যঞ্জনা আৰু উপমা আদিৰ ক্ষেত্ৰত সাধাৰণতে অন্যান্য লোকগীতত ব্যৱহাৰ হোৱা, পৰিবেশৰ চাৰি চুকত থকা বস্তুকেই দেখা যায়। তাকৰীয়া শব্দৰে বহল ভাব প্ৰকাশৰ কৌশল মালিতাবোৰতো প্ৰয়োগ কৰা হৈছে।

অসমীয়া ভাষাত শুদ্ধ মালিতা জাতীয় অনেক গীত আছে। আটাইবোৰ এতিয়াও শুদ্ধভাৱে বিতংকৈ সংগৃহীত হোৱা নাই। কিছুমান মালিতাৰ কাহিনী চুবুৰীয়া বঙ্গদেশৰ কাহিনীৰ লগতো মিল আছে। এইবোৰৰ তুলনামূলক আলোচনাৰ বহল পথাৰ এতিয়াও পৰি আছে।

নাহৰৰ গীত

নাহৰৰ গীত এটি বুৰঞ্জীমূলক মালিতা। ৰাজকাৰেঙত চলা প্ৰণয়ৰ অভিসাৰ আৰু ৰজাৰ বকুত সোমাই থাকি জীৱনৰ প্ৰথম প্ৰণয় পাহৰিব নোৱৰা কুঁৱৰীৰ ই এটি ৰোমাণ্টিক কাহিনী। নাহৰৰ কাহিনী সদৰামিনৰ বুৰঞ্জীত এইদৰে পোৱা যায়—"এওঁকে খোৱা ৰাজাও বোলে। এওঁ ৰাজাৰে সোণাৰিৰ জীয়ৰী সৰুমেচলো, বৰমেচলো দুজনা কুঁৱৰী আছিল। ঐ দুইজনা কুঁৱৰীয়ে সোণাৰিৰ লৰা নাহৰক দুয়ো কুঁৱৰীয়ে পো বোলাত নাহৰে কুঁৱৰীত বলেৰে তাৰ নামে আলি ও পুখুৰী কৰি, আনো অনেক শকতালি কামকাজ কৰিবলৈ ধৰিলে। একদিন কুঁৱৰীহঁতে ৰাজাক কলে, বোলে আমাৰ বঙ্গহ অথচ বংশ সৰহ, তোমাৰ বঙ্গহহে নাই। এনে বোলাত ৰাজাদেৱে ভাবিলে, মোৰ বঙ্গহ নাই হেন বুলি তোলনীয়া লৰা নাহৰলৈ টানিছে। এনে ভাবি পৰদিনা ৰাজাদেৱে আপুনি ফুৰি যাকে ভাল পালে, তাকে আনি বঙ্গহ বুলি সোণোৱালী হিলৈ দি লগত ললে। পাছে ৰাজাত অনুমতি লৈ ডাঙৰীয়াসকলে নাহৰক মাৰিলে। আমাৰ লৰা মাৰিলে বুলি বেজাৰত দুয়োজনা কুঁৱৰী আপোনা-আপুনি কটাৰী হানি মৰিল।" সাতসৰী অসম বুৰঞ্জীৰ অন্তৰ্গত ৰাহঁগড়ীয়া বুঢ়াগোহাঁইৰ বুৰঞ্জীত এইদৰে আছে—"বৰমিছাওৰ (বৰমেচলো) লগত সোণাৰী জীয়ৰী এটি আছিল পাচনী হৈ। পাছে তেওঁ মৰিলত সৰু মিছাওৰ লগতো সেইৰূপে আছিল। পাচে তেওঁ মৰিলত সোণাৰী জীয়েকক কুঁৱৰী পাতিলত সোণাৰীৰ উন্ধৃতি ডাঙৰ-ৰূপে বাঢ়িল। সিহঁতৰ ঘৰ সজাই পুখুৰী খনাই দি ভাল মানুহ কৰিলে। কুঁৱৰীয়ো ৰাজাক বশ কৰিলে।......নানাৰূপে প্ৰজাক উপদ্ৰৱ কৰে কুঁৱৰীৰ খাটনীয়াৰবোৰে।৷ ৰাজখোৱা চেটিয়া নাহৰ,

তাক কোঁৱৰ পাতিলে।……নাহৰে অনেক প্ৰকাৰে প্ৰজাক পীড়া কৰোঁতে বৰগোহাঁয়ে ৰজাক জনাই বোলে, কুঁৱৰী নাহৰে ৰাজ ভাঙিলে।……ৰজা বোলে, যেনে লাগে, তেনে কৰোক, মোক কব নালাগে।……গোজলোঙৰ-পৰা নাহৰ উজাই আহোতে ততে ৰাখিলে। আইকুঁৱৰীয়ে শুনি কাটি আনিবলৈ পঠালে। এৰি নিদি তাক তাতে মাৰিলে।"

নাহৰৰ বুৰঞ্জীমূলক কাহিনী তলৰটোহে শুদ্ধ। সদৰামিনে কোৱাৰ দৰে সৰুমেচ্‌লৌ বৰমেচ্‌লৌ সোণাৰিৰ জী নাছিল। সাতসৰী অসম বুৰঞ্জীত "বৰগোহাঁইৰ জীয়ৰী মিছাউ, সৰুমিছাউ, বৰমিছাউ" বুলি এঠাইত উল্লেখ আছে। নাহৰৰ কাহিনীটো এনে হব—সৰুমেচ্‌লৌ—বৰ মেচ্‌লৌৰ লিগিৰী ছোৱালী সোণাৰিৰ জীয়ৰী কাঞ্চনীৰ পূৰ্ব্বৰেপৰা নাহৰৰ লগত প্ৰণয় আছিল। সৰুমেচ্‌লৌ বৰমেচ্‌লৌৰ মৃত্যুৰ পিছতো কাঞ্চনী যেতিয়া ৰাণী হল, তেতিয়াও পোন যৌৱনৰ সোণসনা প্ৰণয়ৰ স্মৃতি পাহৰিব নোৱাৰি নাহৰক তোলনীয়া পো বুলি চপাই লয় আৰু ৰাজকাৰেঙলৈ লৈ আহে। এপিনে গুপ্তপ্ৰণয়, আনপিনে নাহৰৰ পদমৰ্য্যাদা বাঢ়ি গল। অৱশেষত ডা-ডাঙৰীয়া আৰু ৰজাকো নমনা হল। ইয়াকে দেখি বৰগোহাঁয়ে ৰজাত গোচৰ দিলে, স্বৰ্গদেও, নাহৰৰ উৎপাত অসহনীয় হৈ উঠিছে। ৰজাই উত্তৰ দিলে, যি শাস্তি হয় দিব লাগে। এই কথা শুনি নামচাঙৰ-পৰা আহোঁতে বৰদুৱাৰৰ মুখতে নাহৰক বধ কৰা হয়। নাহৰৰ গীতত নাহৰৰ মৃত্যুৰ বিষয়েহে পোৱা যায়,

কচুৰ গেপা যেন বাঢ়িলি নাহৰ ঐ
চাৰিবেলা চাকিলাজ খাই;
এটিয়া নাহৰ ঐ বিপদত পৰিলি
এসাজি পাবলৈ নাই।

• • •

ধাননি ধাননি   নেযাবি কাওনী
ধানৰ পাতে কাটিব গা ;
মোৰ বিলাই   যি হয় হওক
ঘৰলৈ উভটি যা।
কাউৰী কাউৰী   অজাতি কাউৰী
কি খাই বোলালি ঠোঁট ;
বৰদ্ৰাবৰ মুখতে   নাহৰক কাটিলে
তাকে খাই বোলালো ঠোঁট।

নাহৰৰ গীতৰ এটা অংশ যে চিৰদিনৰ বাবে পাহৰণিৰ গৰ্ভত লীন হৈ গল সেইটো খাটাং। গীতটো মাজৰপৰা আৰম্ভ হৈছে যেন লাগে, অৱশ্যে প্ৰশ্ন আৰু উত্তৰৰ ঠাঁচত আগবাঢ়ি যোৱা গীতটোত এখনি পুৰণি অসমীয়া ঘৰৰ চিত্ৰ ফুটি উঠিছে—

বাওলী মদাৰৰ পাত ;
এইনো মাজেনিশা   আহিলি নাহৰ ঐ
খালি কি নেখালি ভাত।
আইনো আই বুলি   নাহৰে মাতিলে
বুঢ়ীমাকৰ মুখলৈ চাই ;
কেলেই মাতিলি   নাহৰ চেনামুৱা
চৰুতে পঁইতা নাই।
আয়ে নেৰাখিলে   বায়ে নেৰাখিলে
নেৰাখিলে মুৰবে চুলি ;
ভেৰা-কৰ্কৰা   খাচোঁতা নাইকিয়া
চুলাতে মাউৰা বুলি।
ভাতে বাঢ়ি দিয়া   খাওঁ মই বুঢ়ী আই
পানী আনি দিয়া খাওঁ।
জগৰ সমনীয়া যায়   মইহে জহাবলৈ
মইয়ো বেহাৰলৈ যাওঁ।

মহং ৰেহাৰ নেলাগে চেনামৰা
নেথাওঁ ভুখৰীয়া লোণ ;
ক'ৰবাত কেনেৰাকৈ পৰ্ব্বত খাহি মৰিবি
তোৰ লগত মৰিব কোন ?

* * *

মিচিমি দেশলৈ নেৰাবি চেনাই ঐ
মিচিমি অকৰা ঠাই ;
অকৰা মিচিমি খৰাই কাটিব
তোৰ লগত কান্দোতা নাই।
লেহেতী ৰাঁহৰে জকাই বুঢ়ী আই
লেহেতী বাঁহৰে জকাই ;
পৰ্ব্বতে পৰ্ব্বতে বগাব পাৰোঁ মই
নগাকনো বুলি যাওঁ ককাই।

নাহৰৰ গীতৰপৰা ৰাজকাৰেঙত হোৱা অভিসাৰৰ এটি ধুনীয়া কাহিনী উপলব্ধিৰ থল আছে। গাঁৱত আছিল ৰূপত জুই-বৰষা এজনী ধুনীয়া ছোৱালী। ৰজা বুলিলে বুলিবৰ নাই। ছোৱালীজনী লৈ আহিল কাৰেঙৰ লিগিৰী কৰি। পোন যৌৱনৰ সোণ পৰশত দুটি হিয়া এটি কৰি লিগিৰী ছোৱালীয়ে কোনোবা চেনামৰাক ভাল পাইছিল। পাহৰিব তাই নোৱাৰিলে। গাঁৱৰ লৰাটোক কিবা এটা সুবিধা দি ৰাজকাৰেঙলৈ লৈ আহিল। আৰম্ভ হল অভিসাৰ। বাৰ্দ্ধক্যৰ দুৰাবদলিত থিয় হোৱা ৰজাই "বৃদ্ধস্য তৰুণী ভাৰ্য্যা" কৰি সকলো সুবিধা দিলে। নাহৰৰ কাহিনীটো এনে ঘটনাৰ পটভূমিতে সৃষ্টি হোৱা। ৰজাৰ কাৰেঙত সোমাই লাই পোৱা লিগিৰী কুঁৱৰীয়ে নাহৰক ৰাজখোৱা পাতিলে। নাহৰে কাকো গণিতা নকৰা হল। আটাইৰে আটাৰি হৈ নাহৰে মৃত্যুৰ ক্ষণ গণিবলগীয়া হল।

কুহু কুহু কৰি কপৌয়ে কান্দিলে
ডাউকে কান্দিলে ৰই ;

বুঢ়ীমাকৰ ভিতিত ধৰি নাহৰে কান্দিলে
আটাইবে আটাৰি হই।

* * *

সোণাৰি-জী কুঁৱৰীৰ অভিসাৰেই যে নাহৰৰ মৃত্যুৰ কাৰণ তাক গীতিকাৰে স্পষ্টকৈ কৈছে।

হেৰ বুঢ়ী পাখৰী সোণাৰিৰ জীয়ৰী
নাহৰক কটালে কোনে,
জালি কোমোৰা যেন নাহৰ চেনামুৱা
কি জৰৰত মৰালে প্ৰাণে।
বকুল জুই লাগতী ৰজাৰ ঘৰ কুঁৱৰী
পুৰুষক কৰিলি আৰ,
তাই ঐ শাখিনী জহনী মৰতী
নাহৰৰ তেজ খালে গাৰ।

নাহৰৰ গীতৰ যি কেইটা অংশ এতিয়ালৈকে উদ্ধাৰ হৈছে তাক এতিয়াও সম্পূৰ্ণ বুলিব নোৱাৰি। উদ্ধাৰ হোৱা গীতৰ অংশ-টোৰ পৰা পৰ্ব্বত-ভৈয়ামৰ সম্প্ৰীতিৰ আঁত এটি বিচাৰি উলিয়াব পাৰি। মহং লেতেৰা ঠাই। মহঙত লোণ-পুং আছে। নগাই লোণ-পুঙৰ পানী ধৰি ডুখৰীয়া লোণ তৈয়াৰ কৰে। নাহৰে লোণৰ বেপাৰ কৰিছিল।

মহং যেহাৰ নেলাগে চেনামুৱা
নেখাওঁ ছুখৰীয়া লোণ;
ক'ৰবাত কেনেবাকৈ পৰ্ব্বত খহি মৰিবি
তোৰ লগত মৰিব কোন।

* * *

নাহৰ চেনামুৱা ওলায় বাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ;

দিহিং নৈৰ পানী কৰে তলে বলে
খাটেঁয়ে নকৰে পাৰ।

গীতত যি গৰাকী বুঢ়ীমাকে নাহৰক অতি চেনেহকৈ ভাত-পানী খুৱাই মৰমত এৰি দিব পৰা নাই, সেই গৰাকী কুঁৱৰীৰ বাহিৰে আন কোনো নহয়। ৰাজকাৰেঙৰ মৰ্য্যাদা ৰক্ষা কৰিবলৈ গীতিকাৰে ইয়াত বুঢ়ীমাক হিচাপে থিয় কৰাইছে। মালিতাটোৰ-পৰা সেই সময়ৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনৰ দুটিমান কথা জানিব পৰা যায়। কুকুৰা বিক্ৰী কৰা, লোণৰ বেপাৰ কৰা, অভিসাৰিকাৰ অভিসাৰ, নাহৰৰ দুজনী ঘৈণীয়েক থকা আদি ভালেমান কেইটা তথ্যপূৰ্ণ কথা জানিব পৰা যায়।

চিকণ-সৰিয়হৰ গীত

চিকণ-সৰিয়হৰ গীত বুৰঞ্জীমূলক কাহিনীৰ পটভূমিত ৰচিত। চিকণ-সৰিয়হ স্বৰ্গদেও জয়ধ্বজসিংহৰ শহুৰেক ৰজা-শহুৰ নাওবৈচা ফুকনৰ পুতেক। চিকণ-সৰিয়হৰ সাতজন ককায়েক-ভায়েক—চান, বয়ন, হেলন, পেলন, চিকণ, সৰিয়হ আৰু মৌপিয়া। জয়ধ্বজসিংহ অপুত্ৰক আছিল। তেওঁৰ দ্বিতীয় গৰাকী কুঁৱৰীৰ লগত অহা বুঢ়াগোহাঁই ফৈদীয়া লৰা এটি আছিল। তাৰ নাম আছিল তোলন। চিকণ-সৰিয়হহঁতে তোলনকে ৰজা পাতিবলৈ বিদ্ৰোহ কৰাৰ ভাও জুৰি নিজেই ৰজা হব খুজিছিল। ডা-ডাঙৰীয়া সকলে ৰজাৰ ভতিজাক চক্ৰধ্বজক ৰজা পাতিলে। এনেতে ৰমাই বাৰীচোৰা আৰু সনাতন কটকীয়ে ৰজাত গোচৰ দিলেহি। এই ষড়যন্ত্ৰৰ ভূ পাই ৰজাই মৌ-পিয়াৰ বাহিৰে বাকী ছজন ককাই-ভায়েক আৰু ভাগিনীয়েক তোলনক বধ কৰায়। শিৱসাগৰ মহকুমাৰ বাঘচো অঞ্চলত এই কাণ্ড ঘটিছিল আৰু ইয়াৰ ওচৰতে আজিও চিকণ-সৰিয়হৰ সাতোটা মৈদাম আছে।

এশাৰী পুতিলো   বাবুকৈ ৰবছা
দুটিয়াই পুতিলো শেল।
হেলন পেলন   সীচন (চান) বয়ন
চিকণ সৰিয়হে কৰিছে
ৰাকছু নগৰত মেল।

* * *

টঙৌত পৰিবৰ টুলী
অতি টেঙৰ   ৰমায়ে সতায়ে
আছিল কলভলত পদুলি।

থলে কি অথলে থল,
সেই কথা শুনি ৰমায়ে সতায়ে
ৰজাত লগাবলৈ গল।
ঢাপত ৰুবৰ তগৰ,
স্বৰ্গদেও স্বৰ্গদেও অতি তগমৰে গম
চিকণৰ সাত-ভাই ককায়ে
কৰবাত লগাবৰ জগৰ।

* * *

ফৰিং ধৰিবৰ সজা,
চিকণৰ ছয় ভাইক পাতিছিল বিষয়া
চিকণক পাতিছিল ৰজা।

চিকণ-সৰিয়হ বৰ ধুনীয়া আছিল।

নগাওঁ থৰঙী কলিয়াবৰ মৰঙী
সাত বাজ মাৰিলোঁ-ভাই;
চিকণ-সৰিয়হৰ মান ধুনীয়া নাই।

চিকণ-সৰিয়হৰ এই কামদেৱহেন ৰূপটোৰ বাবেই হয়তো আটাইৰে মাজত জনাজাত হৈ পৰিছিল। যেতিয়া ৰাজদ্ৰোহৰ অপৰাধত মৃত্যু হল, তেতিয়া স্বভাৱ-কবিয়ে চিকণ-সৰিয়হৰ শূন্যতা উপলব্ধি কৰি এই মালিতাটি ৰচনা কৰে। পাহৰণিৰ সোঁতত পৰি ইয়াৰে কিছুমান অংশ হেৰাল; বাকী অংশটো সম্পূৰ্ণ নহলেও এটা মালিতা বুলি স্বীকৃতি পাবৰ যোগ্যতা আছে। অন্যান্য মালিতাৰ-দৰে এইটি মালিতাতো আদিতে আই সৰেচতী, দেৱী পাৰেৰতী, কেচাইখাতী গোসানী, দাম-ফিৰাম, থলেশ্বৰ, নাংকুৰি-নাখাম, ইন্দ্ৰ আদি দেৱতালৈ সেৱা জনাইছে। দাম-ফিৰাম, নাংকুৰি-নাখাম আৰু ইন্দ্ৰক স্তুতি প্ৰাৰ্থনা জনোৱাটো বিশেষ তাৎপৰ্য্যপূৰ্ণ।

চিকণ-সৰিয়হৰ গীতৰ কাব্যিক সৌন্দৰ্য্য বিচাৰৰ বাবে সিমান বিশেষত্বপূৰ্ণ নহয়। গীতৰ কোনো ফাঁকি বিহুনামৰ শাৰীৰ

আৰু বাকীবোৰত এটা মোচোৰা দি পিছৰ ফাঁকিতহে কাহিনীটো আগবঢ়াই নিয়ে।

ম'হ ৰাখিবৰে টকোন,
সেইনো কথা শুনি স্বৰ্গী মহাৰজা
গোটালে বিষয়া ফুকন।
বোকাৰে গৰৈমাছ ধৰোঁ,
অতি তমেগমে চিকণৰ সাতভাই
অথবা উবুৰিয়াই ধৰোঁ।

গীতটিত লোকবিশ্বাসৰ এটি আভাস পোৱা যায়।

অমঙ্গল মিলিছে,
কোৱাই কেলকেলায় ঘৰত,
ৰাতি ৰাতি আলচি দিনত মেল কৰে
কলী কুমাৰনীৰ ঘৰত।

চিকণ-সৰিয়হৰ গীতটি সম্পূৰ্ণকৈ উদ্ধাৰ কৰিব পাৰিলে হয়তো বুৰঞ্জীৰ তথ্য আৰু মালিতাৰ লক্ষণ সম্পৰ্কীয় অনেক কথা পোৱা যাব। অসমীয়া লোক-সাহিত্যত চিকণ-সৰিয়হৰ স্থান বুৰঞ্জী আৰু লোকগীতিৰ সমন্বয়ত উজ্জ্বল হৈ উঠিছে।

মণিৰাম দেৱানৰ গীত

১৮৫৭ চনৰ ভাৰতৰ প্ৰথম স্বাধীনতা যুঁজৰ ঢৌ আহি অসমতো কোবাইছিলহি। এই যুঁজত উজান দিয়াৰ বাবে মণিৰাম দেৱান আৰু পিয়লি বৰুৱা ওৰফে মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱাৰ ফাঁচী হয়। সাত সাগৰৰ সিপাৰৰ ফিৰিঙিৰ হাতত দুজন স্বদেশ-প্ৰেমিক অসমীয়াৰ মৃত্যু হোৱাত জনসাধাৰণৰ মনত শোক উথলি উঠাটো স্বাভাৱিক। এই সামূহিক শোকৰ অনুভূতিয়েই মণিৰাম দেৱানৰ গীতৰ উৎস।

সোণৰ ধোঁৱাখোৱাত খালি ঐ মণিৰাম
বুপৰ ধোঁৱাখোৱাত খালি;
কিনো ৰজাঘৰত দোৰোহ আচৰিলি
ডিঙিত চিপেজৰী ললি।

* * *

টেকেলি টেকেলি তিনিটি টেকেলি
টেকেলি পৰিলে নাদত;
চ'ৰাৰ চাৰিফুকন জাপমাৰি সাৰিলে
মণিৰাম পৰিলে ফান্দত।

* * *

মণিৰাম দেৱানৰ গীতত ভালেমান বুৰঞ্জীমূলক কথাৰ ইঙ্গিত পোৱা যায়। প্ৰথম অৱস্থাত ইংৰাজক আদৰণি জনাই আগবঢ়াই অনাৰ বাবে কিছুমান মানুহে মণিৰামক পেটে-সমন্বিতে ভাল পোৱা নাছিল। গীতত আংশিক পৰিমাণে ইয়াৰ ইঙ্গিত পোৱা যায়—

সোণৰ খোৱাখোৱাত খালি ঐ মণিৰাম
ৰূপৰ খোৱাখোৱাত খালি ;
আঁত অলবজীয়া হৈছিলি মণিৰাম
বৰণী আকোৰা পালি ।
লথোৱে লঠালে পুৰন্দৰে পুৰিলে
হৰনাথে মাৰিলে কণ ;
অতক ধনেকৈ নাটিলে মণিৰাম
ভাটীলৈ মেলিলি মন ।

* * *

মণিৰাম হলে ঐ উঠি বহি ৰজা
দহ বুলিলে হয় পাঁচ ;
ফৌজদাৰী দেৱানী আদালত পাতি
বাইজক নিলে ঐ চুঁচি ।

* * *

কেলেই এনেকুৱা হলি ঐ মণিৰাম
কেলেই এনেকুৱা হলি ;
দেশ পাতিমৰে নহল চাবিদিনে
বাইজৰ দোবোহী হলি ।

পুৰন্দৰসিংহ ৰজাই লালবন্দী দিবলৈ বন্দোবস্ত কৰি উজনি অসমখণ্ডৰ ৰজা হৈছিল কিন্তু তিনিবছৰত ডেৰলাখ টকা দিব নোৱৰাত ৰাজ্য কাঢ়ি ললে। এই লালবন্দী দিবলৈ মণিৰামেই গৈছিল—

হুৱঁৰা নাগৰ ঠৈ [illegible] দিলৈহি
মণিৰাম উঠাইছে [illegible] ;
পাহাৰে পুৰিলে [illegible]
[illegible] ।

মণিৰাম দেৱানৰ গীত বিহুনামৰ ৰচনা-পদ্ধতিৰে একে। আটাইবোৰ একেলগ কৰিলে গোটেই কাহিনীটো ওলায় যদিও, প্ৰতি ফাঁকি গীতেই স্বয়ংসম্পূৰ্ণ। প্ৰতি ফাঁকি গীতেই একো একোটি কাহিনীৰ ইঙ্গিত দিয়ে। দেশৰ জনপ্ৰিয় পুৰুষজনৰ অকাল-মৃত্যুত গীতিকাৰ আৰু গায়ক উভয়ৰে অন্তৰ আৰু কণ্ঠ শোকত উথলি উঠিছে। তদুপৰি মণিৰামৰ ফাঁচীৰ কাহিনী শুনি কোৱাই কা নকৰা, জিলীয়ে জা নকৰা পৰিবেশ সৃষ্টি হৈছিল আৰু গাঁৱে-ভূঞে, পৰ্ব্বতে-প্ৰান্তৰে বিয়পি পৰিছিল।

তামোল খাই তৰিবৰ বটা ঐ মণিৰাম
তামোল খাই তৰিবৰ বটা ;
য'লৈকে যাওঁ মই ত'লৈকে শুনোঁগৈ
মণিৰাম দেৱানৰ কথা।

লোকবিশ্বাসে সদায়েই লোক-সাহিত্যত প্ৰভাৱ পেলায়। লোক-সমাজৰ সাধাৰণ বিশ্বাসৰ সামূহিক অনুভূতি লোক-সাহিত্যত অভিব্যক্ত হয়। মণিৰাম দেৱানৰ গীতত লোকবিশ্বাসৰ চানেকী ফুটি ওলাইছে। নাৰীৰ সোঁ-হাতৰ মঙহ লৰা, সপোনত আগদাঁত সৰা, ফেঁচাই কুৰুলিওৱা, কাণৰ গুণা ছিগি পৰা ইত্যাদি অমঙ্গলীয়া কথাই অমঙ্গলৰ সূচনা কৰে।

চম্পাৱতী গাভৰুৱে সেন্দুৰ মহে খালে
ঘনে সোঁ-হাত লৰে ;
কাউৰীয়ে ৰমলিয়ায় ফেচাই কুৰুলিয়ায়
সপোনত আগদাঁত সৰে।

দেশ পাতিবলৈ ওলালি মণিৰাম
যতবাই ৰাখিলে হাঁচি ;
জনম সফলীয়াই শতুৰু পালিলে
লীলি যোৰহাটত ফাঁচী।

মণিৰাম গৈছিল বঙালৰ দেশলৈ
বংপুৰত মাৰিলে হাঁচি ;
কাণৰ গুণা ছিগি অমঙ্গল মিলিল ঐ
দিলে যোৰহাটত ফাঁচী।

কবিৰ কল্পনাৰ পখিলা-পাখিত বহি কবিতাই জন্ম ললেও কেতিয়াবা বাস্তৱৰ সত্যও ধৰা পৰে। মণিৰাম দেৱানৰ গীতৰ মোচৰা অংশটোৰ বাক্যাংশত কাল্পনিক চিত্ৰ দুই-এটি দেখা পোৱা যায়।

মিৰিটি কান্দিলে কান্দে মিৰিয়নী
মিৰিটিৰ মুখলৈ চাই।

* * *

ৰূপৰ টোলোঠা সোণৰ দোপতি
বহি বৈ আছিলে তাত।

* * *

চালত মলগিলে চালেদি কোমোৰা
টেকেলিত মলগিল লোণ।

কিন্তু গীতফাঁকিৰ পিছৰ অংশটোত গীত হলেও অনেকখিনি বুৰঞ্জীৰ সত্য কথা পোৱা যায়।

দেশৰ কলিকতা ঘূৰাই লৈ আহিলে
দিলে যোৰহাটত ফাঁচী।

* * *

মণিৰাম পিয়লি দুতিৰাম কাকতিক
লগতে নিলেগৈ বান্ধি।

* * *

মণিৰাম দেৱানে ভাটীৰ ভাট কবীৰক
চিঠি দি পঠিয়াই দিলে।
দিখৌ নৈৰ পাৰতে হৰনাথ দাৰোগাই
কবীৰক ধৰোৱাই দিলে।

* * *

মণিৰাম দেৱান   ৰাখিবলৈ গৰা
চৌৰ খাজানা লাগিল।

* * *

হাওলাট চাহাবে   টোকোলাই পাৰতে
ডিঙত চীপেজৰী দিলে।

* * *

মান খেদিবলৈ বুলি ইংৰাজ আহি শাসনৰ লাই খুটা পুতিবলৈ উপায়-দিহা কৰা দেখি পুৰণি ৰাজতন্ত্ৰৰ অনুগামী বা-বিষয়া-সকলে সমুলঞ্চে ভাল পোৱা নাছিল। আনপিনে ইংৰাজক স্বাগতম জনোৱা জনচেৰেক স্বাৰ্থান্বেষী বা-বিষয়াৰ লগতে মণিৰাম আছিল অন্যতম। সেইবাবে বহুতেই মণিৰামৰ ঐশ্বৰ্য্য আৰু ওপৰহতীয়া কাৰ্য্যকলাপ ভাল নেপাইছিল। মণিৰামৰ লগতে ফাঁচী হোৱা মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱাৰ সংক্ৰান্তত ৰচিত গীত-ফাঁকিত মণিৰামৰ প্ৰতি গীতিকাৰৰ কিবা আক্ৰোশ থকা যেন লাগ।

মণিৰামক মাৰিলি   ভালকে কৰিলি
পিয়ালিক মাৰিলি কিয়;
সেইনো কথা শুনি   বংপুৰৰ আমোলাৰ
আকাশে উঠি গল জীৱ।

ইয়াৰ উপৰিও মণিৰামৰ কাৰ্য্য-কলাপে আহোম ৰাজতন্ত্ৰক অধিক ক্ষুণ্ণ কৰিছিল যেন লাগে।

বামুণে গণকে   পাইক কাকতীয়ে
লালবন্দী কৰিলে ৰাজ;
বঙালে কঙালে   দেশখন ভৰালে
ৰবৰৰুৱাক কৰালে ৰাজ।
মণিৰাম হলে ঐ   উঠি বহি ৰজা
দহ বুজিলে হয় পাঁচ;
ফৌজদাৰী দেৱানী   আদালত পাতিলে
বাইজক দিলে ঐ চুঁচ।

লোক-গীতৰ ৰচনাকাল নিৰ্দ্ধাৰণ কৰা টান যদিও মণিৰাম দেৱানৰ গীতৰ ৰচনাৰ সময় ১৮৫৮ চনৰ আগলৈ যাব নোৱাৰে। ১৮৫৮ চনত মণিৰাম দেৱানৰ ফাঁচী হয়। মণিৰামৰ মৃত্যুত দেশত শোক উথলি উঠে আৰু এই শোকে সামূহিক ৰূপ পৰিগ্ৰহণ কৰি স্বভাৱ-কবিক গীত ৰচনাৰ বাবে অনুপ্ৰেৰণা যোগায়। পিছত হয়তো আন আন গীতিকাৰে নিজৰ দৃষ্টিভঙ্গীৰে চাই মণিৰামৰ সম্পৰ্কে গীত ৰচনা কৰে। পিছলৈ আটাইবোৰ গীত গোট খাই মণিৰামৰ মালিতাটি ৰচিত হয়। বুৰঞ্জী আৰু সাহিত্য উভয় দৃষ্টিতেই মণিৰাম দেৱানৰ গীতৰ স্থান বিশেষ উল্লেখযোগ্য।

বৰফুকনৰ গীত

বৰফুকনৰ গীত অসমৰ স্বাধীনতাৰ বেলিমাৰৰ গীতি-বুৰঞ্জী বুলি কলেও বঢ়াই কোৱা নহয়। উজনিত বুঢ়াগোহাঁই পূৰ্ণানন্দ, ভাটীত বৰফুকন বদনচন্দ্ৰ। দুয়ো সম্বন্ধত বিয়ৈ, মহা মিত্ৰ। ক্ষমতা, শক্তি আৰু ৰাজকীয় প্ৰভাৱৰ তুলনা নাই। লোকে বোলে, বদনচন্দ্ৰ দেশদ্ৰোহী। বুৰঞ্জীবিদে বোলে, পূৰ্ণানন্দ দেশদ্ৰোহী, দেশখন ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ থলী তৈয়াৰ কৰিলে পূৰ্ণানন্দই। কিন্তু পৰমেশ্বৰ নাওবৈছা ফুকনে তেওঁৰ অসম বুৰঞ্জীত শেহতীয়াকৈ এটি ভিতৰুৱা বতৰা দি কৈছে, বদন-পূৰ্ণানন্দ মিলেৰে থাকিলে সতৰামৰ ষড়যন্ত্ৰ কৃতকাৰ্য্য হোৱা টান। সেইবাবে "দৈচুঙ্গীয়া বামুণ জগধৰ চাৰিঙ্গীয়া বৰুৱা আৰু গুৰুদত্ত মজিন্দাৰ বৰুৱা, সতৰাম চাৰিঙ্গীয়া ফুকন এই তিনিজনে টুটকীয়া লগাই বৰফুকনৰ মন বিধাৰণ কৰিলে।" এখন গোপন পত্ৰত বৰ-ফুকনক অতিপাত প্ৰৰোচিত কৰি সতৰামৰ ষড়যন্ত্ৰত বুঢ়াগোহাঁইক হত্যা কৰিবলৈ সমৰ্থন বিচৰা হ'ল। তাৰ পিছত বদন গল মানদেশলৈ। মান লৈ বদন অসমত সোমাল। বুঢ়াগোহাঁইৰ মৃত্যু হল। এবাৰ দুবাৰকৈ তিনিবাৰ মান আহিল। দেশ উপান্ত কৰিলে। মানুহ গৈ হাবিয়ে-হুচঙ্গে সোমাল। তাৰ পিছত মান খেদিবলৈ ইংৰাজ আহিল। তাকে দেখি ৰাইজৰ মন ভাল হল—এইটোৱেই গীতৰ বিষয়-বস্তু।

বৰফুকনৰ গীতৰ আৰম্ভণিতেই পূৰ্ণানন্দ আৰু বদনচন্দ্ৰৰ মাজত শত্ৰুতাৰ বাতৰি দিছে—"কিনো কম পাচে? ভাটীৰ বৰফুকনদেউ শতুৰু আছে।" কিন্তু বুঢ়াগোহাঁইৰ মহাপ্ৰতাপৰ কথা সুঁৱৰিয়েই চাগৈ গীতিকাৰে 'অৱতাৰ হল' বুলিছে। গীতিকাৰে এঠাইত "কাল-হীৰা চেলেকি বুঢ়াগোহাঁই নাৰকী

বাতিয়েই সৰ্বাক গল” বুলিছে কিন্তু আন এঠাইত “ৰাজ্যৰ বৈৰী ভাটীৰ বৰফুকনে ঘৰতে লগাইছে জুই” বুলিও কৈছে। কিন্তু “পৰম হিতকাৰী চাৰি সেনাপতি”ক মাতি অনাই “অনেক গুণনি ধৰিল বুঢ়াগোহাঁইৰ, উঠিল মাজনিশা ৰাতি”। বুঢ়াগোহাঁইৰ মৃত্যু হল। মান আহি দেশ ললে—পেট ফালি চালে, কলাডিল উলিয়াই খৰিকা দি খালে, কটা মানুহৰ তেজেৰে চেউনী আলি বগা হৈ গল। তাৰপিছত ৰাজমাওৰ উপদেশমতে ৰুপসিং বঙালে বদনক বধ কৰিলে—“কোমোৰা ছিঙ্গাদি দুভোখৰ হ’ল।” এই সংক্ৰান্তত গীতিকাৰে ৰাজমাওক ‘পাখৰী’ বুলিছে—“ৰুপচিং বঙ্গাল আৰু ৰাজমাও পাখৰী ৰাতিয়েই খবৰ পাই পলাল।” এইবেলি মানে “সাদিনৰ বাটলৈ পেলালে কাটি, নিৰ্দ্দোষী মানুহৰ ঘৰত দিলে জুই।” এইদৰে ছবছৰ মানে ভোগ কৰাৰ পিছত ইংৰাজ আহিল। মানৰ অত্যাচাৰৰ অন্তত যদিও কবিয়ে “ইংৰাজ উঠা দেখি ৰাইজৰ মন ভাল হ’ল” বুলিছে কিন্তু লগতে অন্তৰৰ দীঘল হুমুনিয়াহেৰেই কৈছে—“আসাম দেশ গুচি বঙ্গাল দেশ হ’ল।”

অসম বুৰঞ্জীৰ ১৭৩৭ শকৰপৰা ১৭৪৬ শকলৈ এই প্ৰায় দহবছৰ কালৰ ঘটনা মালিতাটিত সোমাই আছে। সামান্য কাব্যিক কল্পনাৰ ৰহণ লগাৰ বাহিৰে ঘটনাটিত বুৰঞ্জীৰ বিকৃতি ঘটা নাই। ডঃ ভূঞাই লিখিছে—“মানৰ আক্ৰমণ আৰু অত্যাচাৰৰ নিচিনা জাতীয় বিপ্লৱত অসমীয়াৰ অন্তৰত যি বেদনাৰ সোঁত বৈছিল তাৰ এটি উজ্জ্বল আঁক এই গীতটিত বৈ গৈছে। কোনো এটি জাতিৰ প্ৰাণ ভেদি ওলোৱা এনে এটি গীত জগতৰ লোক-সাহিত্যতো অতি বিৰল।”

বদন বৰফুকনৰ গীতৰ ঘটনা একে হলেও ইয়াৰ দুটি ৰুপান্তৰ পোৱা গৈছে। ডঃ ভূঞাৰ সংগ্ৰহত একো একোটি জোৰণি ৰাক্যৰ পিছে পিছে আচল কাহিনীটো আগ বাঢ়ি গৈছে। অনেক ঠাইত

এনে বাক্যবোৰ নিৰৰ্থক বা মূল বাক্যৰ লগত সঙ্গতি নাই। লীলা গগৈৰ সংগ্ৰহতো একেদৰেই কাহিনী আগ বাঢ়িছে কিন্তু পংক্তিবোৰ একে নহয়। জোৰনি বাক্য কিছুমান একে, যেনে—মাছৰ কুমলীয়া শল, মৰিচা টেঙাবে জিম, হাই দি তুলিবৰ লাই, ইত্যাদি। অসমত মানৰ আক্ৰমণৰ পটভূমিত বদন বৰফুকনৰ গীতৰ শাৰীৰ দুই চাৰি ফাঁকি মালিতা জাতীয় গীত ৰচিত হোৱাৰ প্ৰমাণ পোৱা যায়।

চৰাই ধানে খালে চিঁটীক পৰিলে
উফৰি পৰিল কণ,
কিনো চাই আছ গগৈ ৰাজখোৱা
মানতবাই জিকিলে ৰণ।

এই মালিতাটিৰ ৰচনা কাল উনৈশ শতিকাৰ তৃতীয়-চতুৰ্থ-দশক-মান হব। মানৰ আক্ৰমণৰ গাৰ নোম শিয়ৰি উঠা কাহিনীয়ে ৰূকুত খুন্দিয়াই থকা অৱস্থাতেই গীতটি ৰচিত হৈছিল যেন লাগে। দুৱৰাৰ ঘৰৰ ৰাঙলী কুঁৱৰী, পিজৌ আইদেউ আৰু নুমলী ৰাজমাও, এই তিনিওটি নাৰী চৰিত্ৰই বুৰঞ্জীৰ গতি সলনি কৰাত যাই ভূমিকা লৈছিল আৰু ইয়াৰ চিত্ৰ উজ্জ্বল হৈ ফুটি ওলাইছে। ৰাঙলী কুঁৱৰীৰ ৰূপ-সৌন্দৰ্য্য কবিয়ে মৌলিকতাৰে বৰ্ণনা কৰিছে—

নিদিবা এৰি
আজুলি দেখোন পাঁজিখেৰি।
বাহিৰ প্ৰকাল,
গাটি দেখোঁ তোমাৰ কেতেকীৰ কঁকাল।
নধৰিবা দোষ
পূৰ্ণচন্দ্ৰ যেন তোমাৰ এই মুখ।

বদন বৰফুকনৰ জীয়েক পিজৌ আইদেউ পূৰ্ণানন্দৰ বৰবোৱাৰী। জীয়েকৰ মাকৰ ঘৰলৈ মনত পৰাটো স্বাভাৱিক। সেয়েহে তেওঁ কৈছে—

কাতৰ কৰো
লেখা নিদিলে বৰহবদেউ, টেটু কাটি মৰো।
আছিলে বৈ
আন্ধাৰ কোঠাত তাই কান্দিলে গৈ।
কান্দিবলৈ ধৰিলে   ফুকনৰ জীয়েকে
গুৱাহাটী ৰাজ্যলৈ চাই;
সেউতা বোপাইলৈ   বাতৰি দিওঁ কেনেকৈ
মোৰ জানো সাৰথি নাই।

মানৰ প্ৰথম আক্ৰমণৰ পিছত বদন বৰফুকনক বধ কৰিবলৈ ধনী বৰবৰুৱাই "ৰাজমাওক সুধিলে বুধি"। ৰাজমাওৰ আগত বদনে তেওঁৰ গাত থকা বিৰিৰ কথা কলে—"কঁকালত আছে মোৰ ছ-অঁৰা বিৰি।" গাৰপৰা সেই বিৰি আঁতৰাই থলেই বদনক মাৰিব পাৰে। সেইবাবে—

অনেক গুণনি   ধৰিল ৰাজমাওৰ
উঠিল মাজনিশা ৰাতি
পৰম হিতকাৰী   ৰূপচিং বঙালক
তেতিয়া অনালে মাতি।

তাৰ পিছত ৰূপচিঙক উপদেশ দিলে—

ৰূপচিং নহবি খোৰা,
শালত বাহি লবি ভাল চাই ঘোঁৰা।

আৰু নিজে "জাপৰ তৰোৱাল ভাল চাই দিলে।" ৰাজমাওৰ উপদেশ মতেই বদনক বধ কৰা হল। বদনৰ মৃত্যুৰ পিছত তেওঁৰ বিধবা স্ত্ৰীৰ মানসিক অৱস্থাও কবিয়ে সমবেদনাপূৰ্ণ কৰি তুলিছে—

মাহ মৰাই থলোঁ,
তোমাৰ আঁৰতে বাৰী হলোঁ।
কাৰ খালো আৰ,
আজন্মৰ ছিঙো মই সোণৰ হাৰ।

ক'ত গলা দূৰ,
মলাছি পেলাওঁ মই শাকে সেন্দূৰ ।

বদনক হত্যা কৰাৰ বাতৰি পাই আৰো মান আহিল। দেশ উপান্ত কৰিলে। জয়পূৰত গড় বান্ধোৱা পাতাল বৰবৰুৱাক বধ কৰিলে। "পতালি ফুকনৰ ফালিলে পেট", "কলাডিল উলিয়াই থৰিকা দি খালে।" তাৰ পিছত "নিৰ্দ্দোষী মানুহৰ ঘৰত দিলে জুই", "বৰ বৰ বজায়ো এৰিলে ভেটী", "ভাল ভাল ছোৱালীবোৰ মানে ধৰি নিলে।"

সম্পূৰ্ণ ঘৰুৱা ঠাঁচত বৰফুকনৰ গীতটি এনেকৈ সজোৱা হৈছে যে ঘটনাবোৰ চকুৰ আগতে এটা এটাকৈ ঘটি যোৱা যেন লাগে। তদুপৰি দুয়োটি সংগ্ৰহতে কিছুমান সৰু সৰু বাক্যাংশই উনৈশ শতিকাৰ ঘৰুৱা জীৱনৰ চিত্ৰ দাঙি ধৰিব পাৰে—"ঘিউ চাকি লগাই লিখিলে চিঠি", "গাতে পিন্ধাই দিম কুৰুতা চোলা", "মানুহ চেপাশালত কান্দিলে গৈ", "গাত লৈছিলে গৰিয়লি চেলেং", "আন্ধাৰৰ কোঠাত তাই কান্দিলে গৈ", "লাৰ চাব মেলি চিঠিখন চায়" "মলাছি পেলাওঁ মই শাকে-সেন্দূৰ", ইত্যাদি।

বদন বৰফুকনৰ গীত কেৱল এটি গীতেই নহয়, গীতি-বুৰঞ্জীও। বুৰঞ্জীৰ বাস্তৱতা বিকৃত নকৰাকৈ কল্পনাৰ স্নিগ্ধ পৰশেৰে সজাই তোলা ই এটি অনুপম সাহিত্যিক সম্পদ।

———

জনা গাভৰুৰ গীত

জনা গাভৰুৰ গীত এটি সম্পূৰ্ণ মালিতা। গীতটিৰ কাহিনীটো যিমান প্ৰাচীন লক্ষণাক্ৰান্ত, তাৰ ৰচনা-ৰীতি সিমান আৰ্ব্বাচীন। গীতত ব্যৱহাৰ হোৱা গোটাচেৰেক শব্দলৈ চাই মান আৰু চিংফৌ ৰণৰো পিছত ৰচিত বুলি ধাৰণা হয়। কলিধন নটে গোপীচন কোৱঁৰক কৈছে—

মানৰো ৰণলৈ গলে সাথিদেউ
হব তোমাৰেই জয়,
চিংফৌ ৰণলৈ যদি তুমি যোৱা
হব তোমাৰেই জয়।

ৰাজেশ্বৰসিংহৰ দিনৰ 'লতাকটা ৰণ'কো কোনো কোনোৱে মানৰ ৰণ বোলে। অৱশ্যে শদিয়াৰ কেচাইখাঁতী গোঁসানীৰ আগত নৰবলি চলি থকাৰ সময়ত ৰচিত হব লাগিব। গীতৰ মোচোৰা অংশটোৰ ৰীতি আধাতকৈ সৰহ ফুলকোৱঁৰ-মণিকোৱঁৰৰ গীতৰ লগত মিলে। আনপিনে বঙ্গলা গোপীচান্দ-ময়নামতীৰ গীতৰ লগতো মিল দেখা যায়। অৱশ্যে নৈৰ্ব্যক্তিক লোকসাহিত্যৰ এই সাৰ্ব্বজনীনতা সকলো ঠাইতে দেখা যায়। গীতটিত গ্ৰাম্য-দোষ আছে আৰু বৰ্ণনাত আঁৰ-বেৰ নাই। এইবোৰলৈ চালে কোনোবা চহা স্বভাৱ-কবিৰ মুখৰপৰা গীতটি ওলাইছে আৰু কোনোবা মুছলমান মানুহৰ মুখেদি এবাৰ বাগৰি গৈছে। দিল, আচমান আদি শব্দই ইয়াৰ প্ৰমাণ। আমি শুনাত টিক্লক-কাকজান অঞ্চলৰ কোনো কোনো মৰীয়া মানুহে গীতটো জানিছিল। মোগল সৈন্যবাহিনীৰ লগত অহা কোনোবা সৈন্যই ভাটীৰ ৰংপুৰৰ মানুহৰপৰা কাহিনীৰ ভুঁকাটো লৈ আহিব পাৰে আৰু তাকে অসমৰ পৰিবেশত অসমীয়া কবিয়ে সজাই পৰাই উলিয়ায়।

জনা গাভৰু গৰুড়ৰ ৰাজ্যৰ কন্যা। গোপীচন কোৱঁৰক জনাই

বঙালী-কছাৰী বুলি গালি পাৰিছে। কলিধন নটেও জনা গাভৰুক "কছাৰী লৰাকে তামোল দিওঁ বুলি মাতিছ ঠানুৰা বুলি" ইতিকিং কৰিছে। গৰুচৰ ৰাজ্য যদি গৌড়েশ্বৰৰ ৰাজ্য হয় আৰু গোপীচন যদি কছাৰী কোৱঁৰ হয়, তেনেহলে কছাৰী ৰজা আৰু গৌড় দেশৰ কুঁৱৰী গড়মা ওৰফে সুশদ্ধিৰ চাণ্ডল্যকৰ প্ৰণয়-কাহিনীয়েও গীতৰ গাঁথনিৰ প্ৰেৰণা যোগাব পাৰে। প্ৰশ্ন বা সাঁথৰৰ জাল মাৰি ৰজাৰ জীয়েকে কোৱঁৰক বন্দী কৰি থোৱাৰ সাধুকথা প্ৰায় সকলো ভাষাতে পোৱা যায়। এনেকুৱা পুৰণি সাধুকথাৰ জন্মুথিত বুৰঞ্জীৰ যুগৰ ৰহণ সানি গীতটি ৰচনা কৰা যেন লাগে।

গৰুচৰ ৰাজ্যৰ বুঢ়া ৰজাৰ জীয়েক জনা গাভৰু। পৰীক্ষাত হৰুৱাই ন-শ কোৱঁৰক বাৰ বছৰ বন্দী কৰি থৈছে। এই কথা শুনি কামপুৰৰ কলিধন নট গ'ল জনাক পৰীক্ষাত ঘটুৱাবলৈ। কলিধনক জনাই নাক-কাণ কাটি ঘূৰাই পঠিয়ালে। কলিধন গৈ নগাওঁ পাই গোপীচন কোৱঁৰক সকলো কথা কলে আৰু জনাক পৰীক্ষাত ঘটুৱাই আনিবলৈ পৰামৰ্শ দিলে। গোপীচনক বাঁৰী মাক আৰু নৱঁৰা কুঁৱৰীয়ে বাধা দিলে। গোপীচন লুইত পাৰ হৈ গৰুচৰ ৰাজ্যত ওলালগৈ। এটা এটাকৈ তিনিটা পৰীক্ষাত জনা ঘাটিল। এইবাৰ জনাই গোপীচনক স্বামী-বৰণ কৰিলে। গোপীচন উলটি আহিল কিন্তু জনাৰ বাপেক বুঢ়া ৰজাই অভিমন কোৱঁৰক গোপীচনৰ লগত যুঁজিবলৈ পঠালে। যুঁজত অভিমন মৰিল। কটা মূৰ উফৰি গৈ ৰজাৰ আগত পৰিলগৈ। এইবেলি ৰজাই বাৰ-কুৰি হাতী পঠিয়াই দিলে। গোপীচনে মায়াৰে কোমো-ৰবল লগাই হাতীক কামোৰালে। কথা বিষম দেখি ৰজাই সৈমান হৈ গোপীচনলৈ জনাক বিয়া কৰি উলিয়াই দিলে। গোপীচন গৰুচৰ ৰাজ্যলৈ ওলাওঁতে মাকে জনাক শাখিনী কু-লক্ষণী বুলি কৈছিল কিন্তু জনাৰ ৰূপ দেখি মোহিত হল।

জনা গাভৰুৰ গীতটি কেইবাটাও দৃষ্টিকোণৰপৰা বৈশিষ্ট্য-পূৰ্ণ। লোক-সাহিত্য সাধাৰণতে লোক-বিশ্বাসৰ পটভূমিত সৃষ্টি হয়। গোপীচনৰ মাকে জনাক কু-লক্ষণী বুলি গালি দিয়া বৰ্ণনাত লোক-বিশ্বাস ফুটি ওলাইছে।

জনাৰ চুলিটাৰ জেঠী নেগুৰীয়া
তাইৰ মান শাখিনী নাই,
হিয়া ভাঙি ভাঙি খোজক বুলে তাই
তাইৰ মান কুলক্ষণী নাই।
জনাৰ ভৰিযোৰ খৰমৰুৰীয়া
তাইৰ মান গজমুৰী নাই।
পাছক মানুহ চাই খোজক বুলে তাই
তাইৰ মান খাইমুৰী নাই,
এপুৰা চাউলক জনা গাভৰুৱে
কোচত লৈ গলিয়াই খায়।
জনাৰ দাঁত দুপাৰি শখা এফুলা
হাঁহিলে আপচু দেখি,
* * *
কেঁকোৰা চুলীয়া উজলা দাঁতিনী
তাইৰ মান আগচী নাই।

বিপদ-বিঘিনি খণ্ডন কৰিবৰ বাবে দেৱ-দেৱীলৈ হাঁহৰ এবলি, পাৰৰ এবলি, বগা ম'হৰ এবলি দিয়াৰ উপৰিও নৰ-মনিচৰ বলি দিবলৈ আগ কৰিছিল। মঙলবাৰে "আগেয়ে যোৱাৰ সজ নাই", সোমবাৰে যাব নেপায়, বুধবাৰে "বাপেক মৰা যাব", পতিকে যাত্ৰা নিষেধ আদি লোক-বিশ্বাসবিলাকো গীতটোত সাঁচ খাই আছে। ইয়াৰ উপৰিও যাত্ৰাকালত চন্দ্ৰ, সূৰ্য্য, বাসুদেউ থান, তামৰ ঘৰ, কেচাইখাতী গোসানী, পগলা-পাৰ্ব্বতীলৈ নমস্কাৰ জনাইছে।

জনা গাভৰুৰ গীতত বুৰঞ্জীৰ যুগৰ সাজ-পাৰ, কাপোৰ-কানিৰো এটি চিনাকি পোৱা যায়। গোপীচনৰ সাজ-পাৰ এই—

জোকাৰি পিন্ধিলে গোমচেঙৰ চোলাটি
মাজত বাথৰাম্মি কৰা,
ক'কালত মাৰিলে জৰদৰ টঙালি
দেখিলে জিলমিল কৰা।
থুৰিয়াই পিন্ধি গল খলপাটৰ চুৰিয়া
মূৰত দাউকীয়া পাগ।

জনাৰ সাজ-পাৰত আছে—

ভৰিত পিন্ধিলে হেজাৰী সোণৰ জোতা
কাণত গজ-মুকুতাৰ লং,
গাতে পিন্ধিলে দুহেজাৰ সূণীয়া
মূৰত বাল্চৰি চং।

বিহুনামত বা বিয়া-নামত দিয়াৰ দৰেই জনাৰ অঙ্গ-সৌষ্ঠৱৰ বৰ্ণনা দিছে।

মুখলৈ কি চাবা পূৰ্ণিমাৰ জোন যেন
চকু যুৰি সৰগৰ তৰা,
গাললৈ কি চাবা সেন্দুৰী আম যেন
জিলিকে নিলগৰপৰা।
হাতলৈ কি চাবা লোহোৰা লোহোৰে
ক'কাল যেন বাঁহৰে নলা,
ভৰিলৈ কি চাবা ঠানুৰা ঠানুৰা
চুলিবোৰ সেওঁতা ফলা।
আঙুলি কি চাবা পৰালি পৰালি
দাঁতবোৰ আচাঁৰ খাণ,
থুতুনো কি চাবা চন্দনৰ পটা যেন
নগা পাণ যেন কাণ।

জনা গাভৰুৰ গীতত অনেক পুৰণি ইতিহাস খুচৰিবলৈ সমল পোৱা যায়। বেনাবচী চেলি, বেহুমী কাপোৰ আদিয়ে উনৈশ

শতিকাত ইংৰাজ বেপাৰীয়ে আমদানি কৰা বস্তুৰ জৰিতি জনা গাভৰুৱে পাইছিল যেন লাগে। আনপিনে আকৌ "খোপাত আছিলে চোকা কটাৰী" কথাষাৰে ১৪৭৬ শকত গড়গঞা ৰজাই বিয়া কৰাই অনা নৰা ৰজাৰ জীয়ৰী নাঙত্যোপথাম গাভৰু ওৰফে চাউচিং কুঁৱৰীয়ে মৰত চুৰি কটাৰী লৈ থকা কথালৈ মনত পেলায়। পুৰণি সাধুকথাৰ জংকা এটাত যুগৰ বহুণ সানি জনা গাভৰুক কবিয়ে সজাই-পৰাই উলিয়াইছিল আৰু এই গীতটি সেইবাবেই অসমীয়া লোক-সাহিত্যৰ এটি লেখত লবলগীয়া সম্পত্তি।

মণিকোঁৱৰ-ফুলকোঁৱৰৰ মালিতা

মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ মালিতা দুটি অসমীয়া মালিতা-সমূহৰ ভিতৰত সবাতোকৈ জনপ্ৰিয় আৰু আকৰ্ষণীয়। চৰ্চ্চাৰ অভাৱত গীত দুটি পাহৰণিৰ বুকুত লীন হবলৈ উপক্ৰম কৰিছে। ৺ডিম্বেশ্বৰ নেওগে গীত দুটি সবাতোকৈ পুৰণি বুলি ষষ্ঠ শতিকামানলৈ ঠেলি নি শঙ্কলাদিৱ ৰজাৰ লগত সাঙুৰিব খোজে। কিন্তু গীতত বৰ্ণিত সমাজ আৰু পৰিবেশলৈ লক্ষ্য কৰিলে আহোম ৰাজত্বৰ পটভূমিত ষোড়শ-সপ্তদশ শতিকামানতহে ৰচিত হৈছিল যেন লাগে। পোন্ধৰ-ষোল শতিকাৰ অসমীয়া সাহিত্যৰ সকলো ঠালতে বৈষ্ণৱ আদৰ্শৰ প্ৰভাৱ সুস্পষ্ট। ৰুদ্ৰসিংহৰ দিনৰপৰা আদিৰসাত্মক কল্পনাবিলাসী এশ্ৰেণী সাহিত্য সৃষ্টি হবলৈ ধৰে। অলৌকিক কল্পনাৰ পটভূমিত ৰচিত এই গীত দুটি সোতৰ শতিকামানৰহে ৰচনা যেন লাগে।

শঙ্খদেৱ (শঙ্কৰদেউ) ৰজাৰ পুতেক মণিকোঁৱৰ। খেলত খতিখন নাই। এবেলা দোলাত, এবেলা ঘোঁৰাত, এবেলা শেনৰ ৰং চায়। এদিন ঘোঁৰা মেলাই নগৰত ফুৰোঁতে ফুকনৰ (বৰবৰুৱাৰ) জীয়েক কাঞ্চনমতীত চকু পৰিল। তাৰেপৰা মণিকোঁৱৰৰ মন-মৰা। মাক ৰৰছা কুঁৱৰীয়ে লগৰীয়া সোণাৰৰ তামুলীক সুধি উৱহী গছৰ ওৰ পালে। তাৰ পিছত—

গায়নে-বায়নে লেম্পুৰী আলিয়ে
কেঁকুৰী দোলাতে উঠি;
হাঁৰা-মকুতাৰে মণিৰৰ কোঁৱৰে
কাঞ্চনক আনিলে তুলি।

ৰৰছা কুঁৱৰী অপুত্ৰিকা আছিল। জলকোঁৱৰক পুজা দি

পুত্ৰলাভ কৰিলে। গণকে কলে, "আঠিছে বাৰে বছৰ থাকিব যোলে বছৰ নিব জলকুঁৱৰীয়ে হৰি।" কাচনক বিয়া কৰোৱাৰ পিছত এদিন মণিকোঁৱৰে দোলা-ঘোঁৰাত আমোদ নেপাই পাহ-ডাল খেলিলে। তাতো ৰং নেপাই ঘিলা খেলিলে। তাতো ভাল নেলাগিলত "নৈত গা ধুৱলৈ গল।" গা-ধুই থাকোঁতেই জল-কুঁৱৰীয়ে পাই ধৰি নিলে। সোণাবৰ তামুলী গৈ কাচনমতীক বাতৰি দিলে—

গৰু লবে মাৰি ভাঙিল শলেমাৰি
গাহৰিয়ে ভাঙিলে গঁৰাল,
শনিবাৰৰ দিনা কালকণ লাগিলে
কোঁৱৰ পানীত পৰি হৰাল।

তাকে শুনি কাচনমতীয়ে কান্দিবলৈ ধৰিলে—

আউঁলি কাচনে বাউলী ধৰিলে
আজুৰি ছিঙিলে কেশ,
ধুলিতে লোটিয়াই হিয়াতে ভুকুৱাই
ছিনাজিন কৰিলে বেশ।

কাচনকুঁৱৰীৰ বিলাপ সহিব নোৱাৰি বজাই ফুকনক কলে—

ইয়া কঠালৰ শিয়া না স্বৰ্গদেও
ইয়া কঠালৰ শিয়া,
মণিও হেৰালে বটীয়া ছিঙিলে
তোমাৰে ধৰলৈ নিয়া।

তাৰপিছত "আগতে স্বৰ্গদেও পাছতে ফুকন মাজত কাচনক নিলে।" কাচনৰ এবা নগৰতে এটি সন্তান জন্ম হল। নাম থলে ফুলকোঁৱৰ। এদিন ফুলকোঁৱৰে কাচনক কলে—"কৰব শুনিছো যোপাই মণিকোঁৱৰ চকুৰে নেপালো দেখা।" তাকে শুনি মাকে কলে—

ফুলেতে বাজিলা হাঁল ফুলকোঁৱৰ
কি শুৱাই ছুৱিল তোক।

ভৰূণ হাট পাতিলোঁ বেহাৰতে নেপালোঁ
বিধতাই দীঢ়'লে মোক।

ফুলকোঁৱৰে বাপেকক বিচাৰি কাঠৰ পখীঘোঁৰাত উঠি উৰা মাৰিলে। উৰিবৰ সময়ত ৰজাই কলে—"বোপাই ফুলকোঁৱৰ, কাঠৰ পখীঘোঁৰাত উৰি যাওঁতে কেতিয়াও পিছলৈ উলটি নেচাবা। যদিহে উলটি চাবা, গুৰুৰ দোষ লাগিব, ঘোঁৰাৰ পাখী ছিগি তাতে পৰিবা।" তাৰ পিছত—

আকাশী ঘোঁৰাতে উঠি ফুলকোঁৱৰে
পিতাকৰ দেশকে এৰে,
মনিচে নয়নে দেখেও নয়নে
বিজুলী সঞ্চাৰে চলে।

ছমাহৰ বাট গৈ কোঁৱৰে উলটি চালে। ফলত—

গুৰুৰ দোষে চুলে তলধাই ছিগিলে
ঘোঁৰাৰে এখনি পাখি,
দেখে নেৰাখিলে মনিচে কি ৰাখে
কাঠৰ পখী-ঘোঁৰা সাক্ষী।

ফুলকোঁৱৰ দিজাই মালিনী বুঢ়ীৰ বাৰীত পৰিল। বাৰে বছৰীয়া শুকান ফুলনি লগে লগে ৰমক-জমক হৈ পৰিল। সেউতী, মালতী, তগৰ, গুটিমালী আটায়ে নতুনকৈ কলি পেলালে। তাকে দেখি বাটৰ বাটৰুৱাই বৈ বৈ চাবলৈ ধৰিলে। দিজাই মালিনীয়ে ফুলনিৰ এই ৰূপ দেখি ইফালে-সিফালে চাওঁতে ফুলকোঁৱৰত চকু পৰিল। মালিনীয়ে সুধিলে—

নিবানে চিনাকি চান্দৰ জোনাটি
নিবানে চিনাকি তুমি।
কোননো গোঁসায়ে সাঁচত সাঁচিলে
তোমাৰে ৰূপ খানি।

কোঁৱৰে চিনাকি দিলে—

দেৱোও নহওঁ মই   পিশাচো নহওঁ মই
নোহোঁ মই সৰগৰ ভৰা,
মানুহৰ পেটৰে   নাম ফুলকোঁৱৰ
আহিলোঁ এক দেশবেপৰা।

দিজাই মালিনীয়ে ৰজাৰ কাৰেঙত ফুল যোগায়। এদিন কোঁৱৰে ৰজাৰ জীয়েক ধন-পচতুলাক দিবলৈ এধাৰ মালা গাঁথি দিলে। মালা দেখি পচতুলা গাভৰু আচৰিত হল। মালিনীক সুধিলে—

চান্দ-সুৰুযলৈ   চাবি ঐ মালিনী
চান্দ সুৰুযলৈ চাবি,
গৈছে দুইকাল   আছে যে একাল
সইত সইত কথা কবি।

দিজাই মালিনীয়ে কোঁৱৰক নিজৰ নাতিয়েক বুলি চিনাকি দিলে। ফুলৰ মালাতে পচতুলাই বুকুৰ বাতৰি পালে। মালিনীক কলে—

কাউৰী শতুৰু   মুগাকে চুঁৱায়া
পৰিৱলৈ নিদিয়ে ভালত ;
মোৰে শতুৰু   তই বাই মালিনী
কোঁৱৰক ৰাখিছ আৰত।

তাৰপিছত কালিন্দী ভোমোৰা হৈ ফুলকোঁৱৰ পচতুলাৰ ঘৰত সোমাল।

কপোৰ শতুৰু   আকাশৰ চিলনী
মাছৰো শতুৰু আছে,
পচতুলাৰ শতুৰু   দিনৰে দিনটো
কোঁৱৰ চন্দুকতে থাকে।

এইদৰে দহমাহ পাৰ হল। দিনত জপাৰ ভিতৰত সোমাই থকা কোঁৱৰে ৰাতি ৰতি-ৰঙ্গ কৰে। পচতুলাৰ গাত গৰ্ভৰ লক্ষণ

দেখা গল। ৰজাই চোৰ ধৰিবলৈ মানুহ নিয়োগ কৰিলে। অলপ দিনৰ পিছত পচতুলাৰ সখীয়েকে চোৰ ধৰা পেলালে। ৰজাৰ আদেশমতে ফুলকোঁৱৰৰ প্ৰাণদণ্ডৰ আদেশ হল। ফুকনৰ ভাৰিত ধৰি কোঁৱৰৰ প্ৰাণ ভিক্ষা কৰিলে। ফুকনে ৰূপৰ হেংদানেৰে কুকুৰ কাটি কুকুৰৰ তেজেৰে হেংদান ৰাঙলী কৰি ৰজাক দেখুৱালেগৈ।

ফুলকোঁৱৰ পচতুলা দুয়ো পলাল। ঘোৰ অৰণ্যত বাস কৰিবলৈ ধৰিলে। তাতে পচতুলাৰ অৰুণা-জগৰা নামেৰে দুটি সন্তান উপজিল। এদিন পানী বিচাৰি যাওঁতে ফুলকোঁৱৰক শুকুলা হাতীয়ে পিঠিত তুলি নি কোনোবা দেশত ৰজা পাতিলেগৈ। মাক পচতুলাক সাউদৰ মুদৈয়ে ধৰি নিলে। অৰুণা-জগৰা হাবিতে ডাঙৰ হল। বাঘ-ভালুক ৰখীয়া-পৰীয়া। মেনীম'হে গাখীৰ খুৱায়। এইদৰে ডাঙৰ হৈ হাতত টোকাৰি লৈ, গাত ফটাকানি পিন্ধি অৰুণা-জগৰাই মালিতা গাই ফুৰে।

আই যে আছিলে ধনে পচতুলী
যোপাই মালিনীৰে নাতি ;
ভাও কাপোৰক ঘিণত নিপিন্ধলো
মাৰো লাংমাইৰ গাঁঠি।
যোপাইক লৈ গ'ল শুকুলী হাতীয়ে
পাতে এক দেশত ৰজা,
আইক লৈ গ'ল সাউদৰ মুদৈয়ে
পাতিলাহক দিয়ে জ্বলা।

এদিন গৈ অৰুণা-জগৰা মাকৰ ওচৰ পালেগৈ। কিন্তু—

মায়ে নেজানে নিজৰ পো দুটি
থাকে হৈ-খৰৰ আঁৰে ;
পোয়েও নেজানে নিজৰ আই বুলি
ৰজা [illegible]

অৰুণা-জগৰাৰ বিলাপ শুনি মাকে পুতেকহঁতক কোলাত বহুৱাই ললে। এইদৰে এদিন অৰুণা-জগৰা ৰজাৰ নগৰত ওলালগৈ। ৰজাই সিহঁতৰ ভণিতা শুনি—"শ্ৰীফুলকোৱঁৰে কোলাতে বহুৱাই ললে।" পিছত—

গায়নে-বায়নে এহেজাৰ পাইকে
কেঁকুৰী দোলাত তুলি;
ধনে পচতুলীক আনি ফুলকোঁৱৰে
মুদৈক পেলালে কাটি।

ধন-পচতুলা, অৰুণা-জগৰাৰ মিলন হল।

মালিতাটোৰ বুকুত সোমাই থকা কাহিনীটো পৌৰাণিক সাধু কথাৰ লক্ষণাক্ৰান্ত। গীতৰ ৰচনা-ৰীতি বিহুনামৰ। আনকি বিহু গাওঁতে ফুলকোঁৱৰ-মণিকোৱঁৰৰ গীত বহুলভাবে ব্যৱহাৰ কৰা হয়। কিন্তু যিটো পটভূমিত গীতটো সৃষ্টি হৈছে, সেয়া আহোম যুগৰ। আহোম ৰাজসভাৰ বৰুৱা-ফুকন, ৰাজখোৱা-তামুলী আদিয়ে গীতত সঘনাই ভূমুকি মাৰিছে।

মণিকোঁৱৰৰ নগৰ বৰকলা। গদাধৰসিংহই ৰজা হৈ নগৰ পাতিছিল। কাচনকুঁৱৰীৰ ঘৰ এৰা নগৰত। ৰকতাক এৰা নগৰ আৰু শলগুৰিক পোৰা নগৰ বোলে। ৰকতাৰ ৰবীপঞ্জল গাৱঁৰ ওচৰতে ফুলকোঁৱৰৰ ঘাৰী আছিল বুলি মানুহে কয়। ফুলকোঁৱৰ কাচনৰ ঘৰত এবা নগৰত উপজিছিল। পুঠিয়া শক্তিকাৰ কোঁৱৰ বিদ্ৰোহৰ সময়ত নিশা কোনোবা কোঁৱৰক শুকুলা হাতীয়ে পিঠিত তুলি লিয়ে বুলি জনৰৱ ওলাইছিল। গীতটিত অৰুণা-জগৰাই মালিতা গাই ফুৰা কথাষাৰে ৰামায়ণৰ লৱ-কুশলৈ মনত পেলায়। সেইদৰে নিজাই মালিনীৰ ঘৰত ফুলকোঁৱৰ-পচতুলাৰ মিলনে ঊষা-অনিৰুদ্ধৰ মিলনৰ চানেকি দাঙি ধৰে।

মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীতত একে একোটি সত্যৰূপ চিত্ৰ অংকিত হৈছে।

ফুকনৰ জীয়েক কাচন কুঁৱৰী
দাঁব বান্ধি মেলাওঁতে চুলি,
সোণৰ কাকৈৰে মূৰ ফণিয়াওঁতে
কোঁৱৰৰ নিজে মন হৰি ॥

* * *

ফাগুনৰ বিৰিণাত জুয়ে বেৰিলে
ওপৰে উঁৰি গল ছাই।

* * *

বজাৰে নগৰখন চাৰিকৈ-চুকীয়া
হেজাৰী বৰুৱাই ৰখে ;
চৰাই-চিৰিকতি পাণিৰ নোৱাৰে
কোঁৱৰলো কেনেকৈ পশে।

বাইলুং, হেংদান, মাইহাং, পুথাও, জলচেং, ঠানুৱা কোঁৱৰ আদি আহোম শব্দ ব্যৱহাৰ হোৱালৈ চাই আৰু বৰকলা, দিখৌ, বলমা, আমগুৰি আদি শিৱসাগৰ অঞ্চলৰ ঠাইৰ নাম উল্লেখিত হোৱালৈ চাই গীতৰ সৃষ্টিভূমি শিৱসাগৰ অঞ্চল বুলি ভাবিবলৈ থল আছে। গীতত আহোম যুগত ব্যৱহাৰ হোৱা কিছুমান বয়-বস্তুৰো উল্লেখ পোৱা যায়। চেওমণি, সোণৰ কাকৈ, বোহঘৰ, কেকোঁৰা-জোলা, হীৰা-মুকুতা, দিখৌৰ শিলখঁৰিয়া, বৰপথাৰৰ জহা, আমগুৰি খাতৰ শুকান খৰিচা, বলমা বিলৰ মাছ, শৰাই পিজলুৱা, গোবৰৰ ভেৰৰ লাই, পাহ-ঢাল, হাতীখুজীয়া গাৰুৰে তলীচা, ৰুনুচা নোহোৱা গুটি-ফুলৰ মালা ইত্যাদি। গীত দুটিত কাচনকুঁৱৰীৰ বৈধব্য আৰু অৰুণা-জগৰাৰ যাতনাউৰা অৱস্থা সমবেদনাশীল হৈ প্ৰকাশ পাইছে।

মণিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীত দুটি আদ্যোপান্ত পোৱা যায়। আহোম ৰাজত্বৰ পটভূমিত সৃষ্টি হোৱা বুৰঞ্জীমূলক মালিতা চিকণ-সৰিয়হৰ গীত, নাহৰৰ গীত, জয়মতী কুঁৱৰীৰ মালিতা আদি পাহৰণিৰ বুকুত পৰি আজি আধৰুৱা হৈ পৰিছে

অথচ ফুলকোঁৱৰ-মণিকোঁৱৰ এতিয়াও সজীৱ হৈ আছে। ই গীতৰ স্বাভাৱিক জনপ্ৰিয়তাৰেই চিনাকি দিয়ে। এই মালিতা দুটি পাৰস্পৰিক সম্পৰ্কজড়িত আৰু নৈৰ্ব্যক্তিক লক্ষণাক্ৰান্ত। শিৱসাগৰৰ অঞ্চল বিশেষত এই গীতৰ কিছুমান মূল পংক্তিৰ লগত দুই-চাৰি ফাঁকি সুকীয়া সুকীয়া গীত পোৱা যায়। অসমীয়া লোক-সাহিত্যৰ মালিতা শাখাত মণিকোঁৱৰ-ফুলকোঁৱৰৰ গীতৰ ৰচনা-ভঙ্গী, কাহিনী আৰু পৰিৱেশ সৃষ্টিয়ে এখনি সুকীয়া আসন নিৰ্দ্ধাৰণ কৰিছে।

বিবিধ মালিতা

লোক-সাহিত্যৰ অন্তৰ্গত মালিতাৰ সংখ্যা অসমীয়া ভাষাত ভালেমান আছে কিন্তু স্বয়ংসম্পূৰ্ণ ৰূপত কেইটিমান মাত্ৰ পোৱা যায়। তাৰে ভিতৰত বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, জনা-গাভৰুৰ গীত ইতি-মধ্যে পুথি আকাৰত ছপা হৈ ওলাইছে। এই কেইটি গীত কাহিনীৰ গতি খেদি স্বয়ংসম্পূৰ্ণ বুলিয়েই কব পাৰি। কিছুমান মালিতা বা কাহিনী-গীত স্থানীয় ঘটনাৰ পটভূমিত ৰচিত। এনেকুৱা মালিতা ভালেমানৰ খণ্ডিত অংশ বা ভগ্নাংশ পোৱা যায়। এই ভগ্নাংশবিলাকে একোটা মালিতাৰ সন্ধান দিব পাৰে।

জয়মতী কুঁৱৰীৰ শাস্তি আৰু হত্যা অসম বুৰঞ্জীৰ এটি চাঞ্চল্যকৰ ঘটনা। এনে ঘটনাই স্বভাৱ-কবিৰ মনত অনুভূতিৰ সঞ্চাৰ কৰাটো স্বাভাৱিক। ৺কৃপানাথ ফুকনে এখন আহোম বুৰঞ্জীৰ সমল লৈ জয়মতী কুঁৱৰীৰ মালিতা ৰচনা কৰিছিল। এই মালিতাটি বুৰঞ্জীৰ দৃষ্টিকোণৰপৰা অতি বৈশিষ্ট্যপূৰ্ণ, কিন্তু লোক-সাহিত্যৰ স্বাভাৱিকতা তাত নাই। অৱশ্যে লোকগীতৰ স্বভাৱ আৰু ৰীতিসম্বন্ধ দুফাকিমান গীত পোৱা গৈছে।

লায়ে কান্দিলে লেছায়ে কান্দিলে
মাকৰ মুখলৈ চাই;
জেৰেঙা পথাৰত জয়মতী কান্দিলে
স্বামীৰে গুণ বৰ্ণাই।
হাবিতে কান্দিলে হুঁহকলী চৰায়ে
চিটিকাৰ মুখলৈ চাই;
জেৰেঙা পথাৰত কান্দে জয়মতী
চাওভাঙৰ মুখলৈ চাই।
চিউ বুলি চিলনী লনী সুৰে মাতিলে
কাউ বুলি উঁৰিলে কোৱা,

জয়মতী কুঁৱৰীৰ অৱস্থা গদাধৰ সিংহলে
নেদেখা বাজ্যলৈ বোৱা।

বদন বৰফুকনৰ গীতৰ ছন্দৰ আহি'ত কেইফাকিমান গীতো পোৱা গৈছে।

আকাশত জ্বলে তৰা,
কাললৈ নমৰালো আজিৰে পৰা।
ধৰমক কৰিছো সাক্ষী,
স্বামীগৰুক থাকক বিপদত বাখি। ইত্যাদি

এই গীতটিৰ আগৰ এছোৱা আন এঠাইত পোৱা গৈছে।

হাবিত হৰিণী কান্দে
দুখনি হাততে শিকলি বান্ধে।

মাঘত মলিয়ালে আমৰে মল,
কোনেনো বাখিব কালৰে চল।
ভেমডেউকাৰে ঠাৰি,
মইনো তিৰীমতি অবলা নাৰী।
নৈৰে গৰাৰে খাওঁ,
যমৰে টেকেলা চপোৱা নাও।
পানী পৰুৱাৰে শাৰী,
বৰনৈ মাজেদি দিওঁগৈ পাৰি।
আকাশত জ্বলে তৰা
কাললৈ নমৰালো আজিৰেপৰা।

এই কেইফাকি গীতৰপৰা জয়মতী কুঁৱৰীৰ বেদনাবিধুৰ কাহিনীৰ এটি মালিতা আছিল বুলি প্ৰমাণ পোৱা যায়। ৺কৃপানাথ ফুকনৰ বচনাখিনিও অৱশ্যে মালিতা শ্ৰেণীৰ—

মাদুৰি চহৰত অশ্বৰ চৈ আছিলো
বৰগোহাঁইৰ আছিলো জী।

গদাপাণি কোঁৱৰে নিলে তুঙ্গখুঙ্গলৈ
চকলং বিয়াকৈ দি।

* * *

ছঅ'ৰা ৰুকাই-ভাই আহুত খাইছিলো
ৰাজমন্ত্ৰীৰ আছিলো জী;
ছঅ'ৰা চাওভাঙে নানা শাস্তি কৰে
মাৰিৰ যাতনা দি।

* * *

লাই-লেচাই কোঁৱৰক তোমাতে অৰ্পলো
সততে পালিবা আই;
বেলা চাই খুৱাবা বেলা চাই ধুৱাবা
খেমিবা সকলো দায়।

গৌৰীনাথসিংহ ৰজাৰ গাত 'সুপুত্ৰৰ কু-বুদ্ধি' আছিল বুলি কয়। তেওঁ বোলে, ৰাতি ঘোঁৰাত উঠি গড় পাৰ হৈ হাৰীপৰা আলিৰ কাষৰ সোণধৰ হাৰীৰ ঘৰলৈ যায়। তাত ৰজাই—"দধি-দুগ্ধ এৰি থৈ স্বৰ্গদেৱে খালে পুঠিমাছৰ পেটু"। এই সম্পৰ্কে দুফাঁকি গীত পোৱা গৈছে—

পাতো কাটিলো পচলা কাটিলো
কলাডিল লেৰেলি গ'ল,
তৰাৱতীৰ গিৰিয়েক সোণধৰ হাৰীৰ জোঁৱায়েক
খোন্দৰ তলে সৰকি গল।

* * *

আহু তলে গল শালি তলে গল
কেঁকোৰা গাতৰে পানী;
আটাইতকৈ তলে গল স্বৰ্গদেৱ ঈশ্বৰ
সোণধৰ হাৰীৰ জীয়েকক আনি।

কমলেশ্বৰসিংহৰ ৰাজত্ব কালত নামনি অসমৰ কামৰূপীয়া প্ৰজাই বিদ্ৰোহ কৰিছিল। এই বিদ্ৰোহকে দন্দুৱা দ্ৰোহ বা দুন্দীয়া দ্ৰোহ বোলে। ইয়াৰ নেতা আছিল হৰদত্ত-বীৰদত্ত। হৰদত্তৰে জীয়েক পদুম কুঁৱৰী বা পদ্মকুমাৰী। পদ্মকুমাৰীক বৰফুকনে কুমেদান নামেৰে হিন্দুস্থানী সেনাপতি এজনলৈ বিয়া দিছিল।

হৰদত্ত জীয়াৰী পদ্মকুমাৰী
ধনবাত নেখালে ভাত,
কুমেদান বঙালে হাতত ধৰি নিলে
পদ্ম বিচাৰি গাত।

হৰদত্ত-বীৰদত্তই যদিও কামৰূপীয়া প্ৰজাক মুক্তি দিব খুজিছিল তথাপি প্ৰজাই তাক ৰাইজ-দ্ৰোহ বা ৰাজদ্ৰোহ বুলি ভাবিছিল।

ক'ত গলি হৰদত্ত ক'ত গলি বীৰদত্ত
ক'ত গলি খাওঁ সাৰা,
ৰাইজৰ শপতে হৰদত্ত-বীৰদত্ত
দুয়োজন হল ভোটিমাৰা।

গৌৰীনাথসিংহৰ দিনত নগাঁৱৰ বাথৰ বৰা নামেৰে এজন বিষয়াক ৰাজদ্ৰোহী প্ৰজাই বধ কৰে।

আঠীয়া কলৰে পাত সৰু সৰু
জাতিকলৰে পাত ;
গা-ধুই উঠি বাথৰৰ তেমেকাই
খাবলৈ নেপালে ভাত।
লুইতৰ বাঙলী পৰা,
ভবলুমুখতে ঘৰবাৰী সাজিছে
পালেহি বাথৰৰ বৰা।

১৮৭৪ চনৰ ফেব্ৰুৱাৰী মাহত এছিষ্টেণ্ট কমিছনাৰ হলকম্ব চাহাব টিৰাপৰ নিলু নামৰ ৰাংছো গাৱঁত জৰীপ কৰিবলৈ গৈছিল। দলটোত ১৯৭ জন মানুহ আছিল। তাৰে ৮০ জন মানুহক ৰাংছো

নগাই কচুকটা দিয়ে। এই লোমহৰ্ষক ঘটনা শুনি হয়তো অসমীয়া স্বভাৱ-কবিয়ে এটি মালিতা ৰচনা কৰিছিল। হলকম্বক অসমীয়াই হালকন বোলে।

নগাৰ চাঙে চাঙে ফুৰিলি হালকন
নগাৰ টেপুকচু খাই;
অকৰা নগাই শকবাই কাটিলে
চিপাহী থাকিলে চাই।

* * *

কাহু কাটি পেলাবৰ চলং নগৰীয়া
কাহু কাটি পেলাবৰ চলং
হালকন চাহাবক আবৰীয়ে কাটিলে
দিহিঙত বন্ধালে দলং।

হলকম্ব চাহাবৰ শোকাবহ হত্যাকাণ্ডৰ কথা গোটেই গীতটিতে বিয়পি আছে। গীতটি বিহুগীত সুৰীয়া।

উনৈশ শতিকাৰ শেহৰফালে যোৰহাটৰ মনাইমাজি গাৱঁৰ পটভূমিত এটি বিহুগীত সুৰীয়া মালিতা ৰচিত হয়। গীতটি নামতিয়ে দি ৰেল পাৰ হৈ যোৱাৰ আৰু অসমত টেলিগ্ৰাফ স্থাপিত হোৱাৰ পিছত ৰচিত যেন লাগে। ভাটী দেশৰপৰা উজাই আহি ম'হৰ খুটি-পতা নেপালী ডেকাৰ প্ৰেমত পৰিল সেন্দুৰী-পমিলী।

উজাই আহিলে ভাটী দেশৰ নেপালী
ম'হগড়ৰ মুখতে ৰ'ল,
মনাইমাজি গাৱঁৰে সেন্দুৰী-পমিলী
নৈত গা ধুবলৈ গল।

'আগত যায় সেন্দুৰী, পিছত যায় পমিলী, মাজত যায় নেপালী।' ইপিনে 'ৰৰঘৰৰ মুখতে সেন্দুৰীৰ তাঁতশাল নেপালীৰ জিৰোৱা ঠাই, অৱশেষত—

মাকক ভুলালে ম'হৰ দৈ গাখীৰে
বাপেকক ভুলালে ধনে,

সেন্দুৰীক ভুলালে সেন্দুৰৰ টেমা দি
পমিলীক ভুলালে লঙে।

তাৰপিছত উৰুকাৰ দিনাখন সেন্দুৰী-পমিলীৰ উৱাদিহ নাইকিয়া হল—

নামতি ষ্টেশ্যনত টৌলিগেৰাফ কৰিলে
সেন্দুৰীক পাবলৈ নাই ;
সেন্দুৰী পালেগৈ শদিয়া সীমান্ত
পমিলীৰহে উৱাদিহ নাই।

গীতটি আপেক্ষিকভাবে অৰ্বাচীন কিন্তু সেন্দুৰী পমিলীৰ তাঁতশালে অসমীয়া গাভৰুৰ চিত্ৰ সজীৱ কৰি তুলিছে।

অসমক জ্বলা-কলা কৰা মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মোৱামৰীয়া-মটকৰ ৰণুৱাই গোৱা গীত এফাঁকিও পোৱা গৈছে।

এই ধেনু এই কাঁড় ডেকাদেউ ধেনু ধৰ
মলুং মাৰিবলৈ যাওঁ,
ভালকৈ গুণ ধৰ মটকৰ ডেকাদেউ
ভৰা গিয়াতিৰে নাও।

মোৱামৰীয়া সৈন্যই হাতত টোকন লৈ মাটিত খুন্দি খুন্দি এই নাম গাইছিল—

অষ্টভুজে সপ্তভুজে চতুৰ্ভুজে বাখে,
তাৰে দাই তাকে কাটে
তাৰে হিলৈ তাকে মাৰে
চতুৰ্ভুজে বাখে।

চন্দ্ৰকান্ত সিংহই মানৰ প্ৰথম আক্ৰমণৰ সময়ত বগা কোঁৱৰৰ জীয়েক হেমো আইদেউক মানলৈ দিছিল। তাকো অসমীয়া স্বভাৱকবিয়ে গীতেৰে সাঁচি থৈছে—

অৰণ্য নগৰী বাটত হেৰুৱালি
কদমক বগীয়া দি,

স্বৰ্গদেৱৰ ৰূপস্যা সোণৰ কাণখিৰিকা
কৰিবৰী মানলৈ দি।

ব্ৰডী চাহাব শিৱসাগৰ জিলাৰ মেজিষ্ট্ৰেট থকাৰ সময়ত এবাৰ কাকতী ফৰিং উজাইছিল। সেইবাৰ কথাও গীতত পোৱা যায়।

উজাই আহিলে কাকতী ফৰিঙে
বৰবতি চাহাবৰ দিনত;
মাহ-সৰিয়হ হুপাই খাই গলে
পকা ধান নেখালে ঘিণত।

শিৱসাগৰৰ চাৰিওফালৰ বিখ্যাত পুথুৰ বৰকাকতী বাইডঙীয়া ফুকনক লৈয়ো গীত ৰচিত হৈছিল—

ধনৰে চহকী পুথুৰ বৰকাকতী
ধৰতে লাগিলে জুই;
ধনবোৰ উতলি বাৰীখন বান্ধিলে
যেন ইটাগুৰি হুই।
অতি বৰ চহকী পুথুৰ বৰকাকতী
সোণেৰে বন্ধোৱা পেৰা,
চমুৱা চাহাবো ওলাই বৈ থাকে
চকুৰে দেখাৰে পৰা।

ওপৰত উল্লেখিত মোৱামৰীয়া বণুৱাই গোৱা গীত ফাঁকিৰ দৰেই ৰজাঘৰীয়া বণুৱাই গোৱা একেজাতীয় এফাঁকি গীতো পোৱা গৈছে।

এই ধেনু এই কাঁড়
ডেকাফুকন ধেনুধৰ
মৰাণে জাঙিলে গাওঁ ঐ।

কোনোবা এজন মাটিবৰ দাৰোগাই বনৰীয়া ম'হ চিকাৰ কৰিবলৈ যাওঁতে ম'হে খুঁচি মাৰিছিল। মাটিবৰ দাৰোগা বেংমৰাৰ বৰ সেনাপতি মাটিবৰো হব পাৰে।

চুঁচৰি চৰিলে ঢেং-ভগা চৰাইটি
চুঁচৰি চৰিলে গ'ই ;
মাটিৰৰ দাবোগাক ম'হে খেদি মাৰিলে
বন্দুকে নিদিলে জুই।

উজনি অসমত হাবে-পাবেৰ গীত বুলি দুফাকিমান বিহুনাম পোৱা যায়। বিহুনাম কেইফাকিৰ লক্ষণলৈ চালে এসময়ত এটা দীঘলীয়া গীত থকা যেন লাগে।

হাবৈয়ে খুজিলে হাবেকটা মাদলি
পাবৈয়ে খুজিলে মণি,
বুকুৰ নুমলীয়ে খুজি পঠিয়ালে
হাতী দাঁতৰ এখনি ফণি।
হাবৈলৈ কিনিলোঁ হাবেকটা মাদলি
পাবৈলৈ কিনিলোঁ মণি
বুকুৰ নুমলীক বুজাই কবিগে
নেপাওঁ হাতীৰ ফণি।

কলিকালৰ অঘটনবোৰ উনুকিয়াই এটি ব্যঙ্গ গীত ৰচিত হৈছিল। গীতটি টোকাৰী-গীতৰ সুৰতো গাব পাৰি। এই গীতটিত ৰেল-আলি, টেলিগ্ৰাফৰ তাঁৰ, জাতি-বৰ্ণৰ ৰক্ষণশীলতা-হীনতা, যুদ্ধ আদিৰ কথা বৰ্ণোৱা হৈছে। গীতটিত ভবিষ্যত-বাণী কৰা হৈছে। লুইত গৈ গাভৰু পৰ্ব্বতত লগা, অকালবৃষ্টি অনাবৃষ্টি আদিৰ কথাও আছে।

মৰামৰা আলি থিতাতেই হল
কামাখ্যা এবাতিৰ বাট।
এতাল জৰীৰে পৃথিবী বান্ধিলে
কিনো ঐ ৰভবাৰ হাট।
কামাখ্যাত উঠিব উ'ইৰে হাফলু
কিনো ঐ আচৰিত কথা,

জগতে গোসানীত কালিকা লাগিব
পৃথিবীত লাগিব লেঠা।
জাতি-কুল সকলো থিতাতে উঁৰিব
একাকাৰ মনিচৰ জাতি,
সাতো মনিচৰে খেৱাই ঐ লাগিব
কৰিব বন্দামাৰ কাটি।

আগৰ দিনৰ সাউদসকলৰ বণিজলৈ যোৱা জীৱনৰ কাহিনী ঘটনাবহুল আৰু ৰোমাঞ্চকৰ। নামনি অসমত প্ৰচলিত 'সাউদ কোৱঁৰৰ গীত'টিত এটি সৰু প্ৰেমৰ কাহিনীৰ এৰাতিৰ অভিজ্ঞতা বৰ্ণনা কৰা হৈছে। মাগুৰি দেশৰ ধন সাউদৰ পুতেক সাউদ কোঁৱৰ। এঘৰ মানুহত এৰাতি আলহী হল। এই 'বৈদেশী-কোঁৱৰ'ৰ ৰূপ দেখি কোনোবা অনামিকা গাভৰু প্ৰেমত পৰিল। 'এনে এটি কোঁৱৰ পালে এৰোঁ জাতি কুল!'

মজিয়াতে লগাই থৈছোঁ তেল-ভৰা চাকি;
শেতেলিতে পাৰি থৈছো কাইমা ৰঙৰ পাটি।
কাইমা ৰঙৰ পাটিত নাসিলা ঘুমটি,
হাসিতে খেলিতে ইটো পুৱাই গৈল ৰাতি।

বেহেৰুৱা সাউদ কোঁৱৰ একে ঠাইতে বৈ থাকিব নোৱাৰে।

হাসিতে খেলিতে কুৰুৱাই দিলে ডাক,
বঁৰেপৰা আইছা কোঁৱৰ তেঁকে লাগি হাঠ।

উজনি-নামনি উভয় অঞ্চলতে থলুৱা ঘটনাৰ পটভূমিত সৃষ্ট হোৱা সৰু-সুৰা অনেক গীত আছে। এই গীতবোৰে স্থানীয় পৰিবেশৰ চিনাকি দাঙি ধৰাৰ উপৰিও বিভিন্ন গীতি-ৰীতিৰ পৰিচয়ো দিব পাৰে। অনেক গীত হয়তো পাহৰণিৰ বুকুত চিৰদিনলৈ হেৰাই গৈছে। এই ভগ্নাংশ বা সৰু-সুৰা গীতবোৰো অসমীয়া লোক-সাহিত্যৰ একো একোটি মুকুতামণি।

সাধুকথা

অসমীয়া ভাষাৰ সাধুকথা শব্দটোৰ অৰ্থ ব্যাপক। পুৰণি কাহিনী সকলোবোৰকে মানুহে সাধুকথা বুলিবলৈ ভাল পায়। ইংৰাজী ভাষাৰ Tales, Legends, Myths, Fables আদিক অসমীয়াৰ সাধুকথাই সামৰি লয়। সাধুকথা শব্দৰ মূল বিচাৰি বহুতে কয় যে কাহিনীৰ অন্তৰালত সাধু, সৎ বা নীতি কথা একোটা জড়িত থাকে বাবেই পুৰণি লোককাহিনীবোৰক মানুহে সাধুকথা বোলে। সংস্কৃত ভাষাৰ পঞ্চতন্ত্ৰ, হিতোপদেশ আদি নীতিজ্ঞানমূলক কথাবোৰ অসমত প্ৰচলিত হোৱাৰ পিছত সাধুকথা শব্দটো নীতিজ্ঞানমূলক বুলি ভাবিবলৈ অৱকাশ পাইছে। পুৰণি কালত বুঢ়া-বুঢ়ী মানুহে অনেক সময়ত সাধুকথাক সাউদকথা বুলি কৈছিল। আনপিনে সংস্কৃত ভাষাত সাধু শব্দই বণিক বা সদাগৰকো বুজায়। অসমত বণিক শব্দটোৰ পৰিৱৰ্ত্তে সাউদ শব্দটো বহুলভাবে প্ৰচলিত আছিল। সৰহীয়া ডিঙা লৈ বণিজলৈ যোৱা সাউদ বহুত দিনৰ মূৰত ঘৰলৈ উলটি আহে। দেশ-বিদেশৰ ৰসাল কাহিনী টোপোলা বান্ধি লৈ আহে সাউদে। গাঁৱৰ গঞাৰ আগত সাউদে নিজৰ বিচিত্ৰ অভিজ্ঞতা বৰ্ণনা কৰে। এই সাউদ-কথাই সময়ত সাধু-কথা হৈ পৰে। ইংৰাজী ভাষাত বিভিন্ন পৰ্য্যায়ৰ লোক-কথাবিলাক বিভিন্ন নামেৰে নামকৰণ কৰা হৈছে। পুৰণি কাহিনী (Legend)-ৰ গইনা লৈ সৃষ্টি হোৱা কথাকো সাধুকথা বোলা হয়। সেইদৰে সৃষ্টি-কাহিনীবিলাকো (Myths) সাধুকথা। আজিকালি সাধুকথা শব্দটোৱে সকলো ধৰণৰ মৌখিক লোককথাকেই বুজায়। আনকি ৺লক্ষ্মীনাথ বেজবৰুৱাই আধুনিক চুটিগল্প শব্দটোকো সাধুকথা শব্দটোৱে সামৰিবলৈ বিচাৰিছিল (সাধুকথাৰ কুকি)।

সাধুকথা বা লোক-কথাবোৰ লোক-মনৰ প্ৰতিচ্ছবি। সাধুকথাত জন-জীৱনৰ লোক-বিশ্বাস, কল্পনা, চিন্তা আৰু আদৰ্শ সঞ্চিত হৈ থাকে। সেইবাবে আজিকালি পাশ্চাত্য দেশসমূহত লোককথা-বিলাক শ্ৰেণীবন্ধ কৰি বৈজ্ঞানিক প্ৰণালীৰে অধ্যয়ন কৰিবলৈ যত্ন কৰা হৈছে। শিশু-মনৰ উপযোগী লঘু কল্পনাত্মক কথাবিলাক Fairy tales বুলি নামকৰণ কৰি Sagas আৰু Marchen এই দুটা ভাগত ভাগ কৰিছে। অৱশ্যে ইংৰাজী ভাষাত Nursery tales শব্দটো অধিক প্ৰযোজ্য। Leyenএ আকৌ দুটা ভাগতেই ভাগ কৰি কৈছে—"Generally, we can say the saga is the simple picture, the Marchen the complex one." Wesselškiএ Marchen শব্দটোৰ অৰ্থ সীমাবদ্ধ কৰিবলৈ Marlein শব্দটো নতুনকৈ ব্যৱহাৰ কৰিছে। অধ্যাপক থম্পছনে অধিক বৈজ্ঞানিক প্ৰণালীৰে সাধুকথাবিলাক ভাগ কৰিছে।

অসমীয়া সাধুকথাবিলাক জন্তু সম্পৰ্কীয়, অলৌকিক, টেটোন আৰু সৃষ্টি সম্পৰ্কীয় বুলি ভাগ কৰিব পাৰোঁ। সাঁথৰ-সাধু নামৰ এটা শ্ৰেণীতো ভাগ কৰিব পাৰি। একোটা সাঁথৰৰ অন্তৰালত একোটা কাহিনী থাকে।

শিয়াল সুৰুষমুখী
কাউৰী ৰাজপখী,
ভেকুলী পাত্ৰ ;
গণকে পাই জোলোঙাত ভৰালে মাত্ৰ।
ছাই লেটি-পেটি
চাৰি কাণ কটা ;
চৈধ্য ভুবন দেখুৱালে চিলনীৰ বেটা।

এটা চেঙেলী মাছ এটা খালৰপৰা আন এটা খাললৈ বামৌদ জপিয়াই গৈছিল। এনেতে এটা শিয়াল আহি তাক খাব খুজিলে। শিয়ালটোক 'সুৰুষমুখী' বুলি কোৱাত সি এৰি দিলে। সেইদৰে

কাউৰীক 'ৰাজপখী', ভেকুলীক 'পাত্ৰ' বুলি কৈ সাৰিল। কিন্তু এজন গণকে পাই জোলোঙাত ভৰাই লৈ গল। ঘৰত বুঢ়ীয়ে ছাই সানি, কাণ কাটি বাছিব খোজোতেই চিলনীয়ে থাপ মাৰি নিলে। আন এজনী চিলনী আহি ওপৰতে থপিয়াথপি কৰোঁতে চেঙেলী আহি পানীত পৰিল। তাৰ পিছত লগৰীয়াবোৰক সি ওপৰত কোৱাৰ দৰে কাহিনীটো কৈছে। এনেকুৱা সাঁথৰ-সাধু অসমীয়াত ভালেমান কেইটা আছে।

এক কলোঁ লেখি
এক কলোঁ দেখি ;
হা-দৈ বোলোঁতে ওলাল হাৰভাল ;
এই বেলিহে পৰিল
ফৰিঙৰ মৰণৰ পাল।

বিখ্যাত 'সৰবজান'ৰ সাধুটোৰ এই সাঁথৰটোৱেই গুৰি।

অসমীয়া সাধুকথাবোৰ থলুৱা, সংস্কৃতৰপৰা অহা আৰু বিদেশীমূলৰ বুলিও তিনি ভাগত ভাগ কৰিব পাৰি। থলুৱা সাধুবোৰৰ চৰিত্ৰ, পৰিবেশ সকলো অসমৰ। অতি পুৰণি কালৰেপৰা পঞ্চতন্ত্ৰ, হিতোপদেশ আদিৰ প্ৰচলন থকাত এই শ্ৰেণীৰ সাধুকথাবোৰো কাণ বাগৰি কেতিয়াবা নতুন ৰূপ লৈছে। কিছু-মান সাধুকথাৰ মূল জʼকাটো আকৌ মধ্য-এচিয়া বা ইউৰোপৰ কিছুমান কাহিনীৰ লগত মিলে। এইয়া মানৱ জাতিৰ প্ৰব্ৰজনৰ লগতে অহা, নে পিছত অহা ঠাৱৰ কৰিব নোৱাৰি।

লোককথাবিলাকত জীৱ-জন্তুৱে মানুহৰ দৰে কথা পাতে ; আচৰণ কৰে। শিয়াল, কাউৰী, বান্দৰ, মেকুৰী, বাঘ আদি জন্তু বিশেষ উল্লেখযোগ্য। শিয়াল আৰু বান্দৰৰ ধূৰ্ত্তালি সাধাৰণতে ৰূপায়িত কৰা হয়। তদুপৰি 'মিথ' জাতীয় অনেক কথাও এই জীৱ-জন্তুৰ কাহিনীবোৰৰ লগত জড়িত হৈ আছে। কুকুৰৰ শিং নাই কিয় ? মʼহ মেনা হল কিয় ? কেকোঁৰাৰ দহ ঠেং হʼল কিয় ?

চিতল মাছৰ মূৰ চেপেটা হল কিয় ? টোকোৰা চৰাইৰ মূৰ টকলা হল কিয় ?—আদি এই শ্ৰেণীৰ কাহিনী। সাধাৰণতে অসমীয়া ভাষাত শিয়াল জড়িত সাধুকথা কেইটাত শিয়ালৰ ধূৰ্ত্তালি প্ৰকাশ পাইছে। 'শিয়াল-তামুলী', 'শিয়াল-পণ্ডিত', 'শিয়াল-কোঁৱৰ', 'শিয়াল আৰু বান্দৰ', 'শিয়াল আৰু বুঢ়াৰ কচুখেতি' আদি সাধু-কথাত পদে পদে শিয়ালৰ ধূৰ্ত্তালি ওলাই পৰিছে। বাঘ যদিও ভীষণ আৰু বলী জন্তু তথাপি সাধুকথাৰ বাঘ বূৰ্ব্বক, অকৰা। 'বাঘ আৰু কেকোঁৰা', 'বাঘৰ বিয়া', 'বাঘ আৰু পিঠা', 'জালত পৰা বাঘ', 'বাঘ আৰু ভোবোলা ছাগলী' আদি সাধুত বাঘৰ অকৰামি ফুটি ওলাইছে। নিজৰ পৰিবেশত চিনাকি এই জন্তু-বিলাকে শিশুমনত সহজে সাঁচ বহুৱায়। সেইবাবেই বোধকৰোঁ এই চিনাকি জন্তুবোৰক চৰিত্ৰ হিচাপে গ্ৰহণ কৰিছে। ভেকোলা আৰু মেকুৰীক লৈ ৰচনা কৰা সাধুকথা দুটামানো আছে।

কিছুমান সাধুকথা অলৌকিক বা আধিভৌতিক শ্ৰেণীৰ। 'তেজীমলা' তেনে এটা সাধুকথা। ঢেঁকীত খুন্দি পুতি থোৱা ঠাইত এজোপা লাও হল। লাৱে কথা কয়। সুমথিৰা হল, সুমথিৰাই কথা কয়। সুমথিৰাৰৰ পিছত ফুল হল ; ফুল শালিকী চৰাই হল। তেজীমলাৰ বাপেকে কলে—'যদিহে মোৰ জী তেজীমলা হৱ, তেনেহলে নিজৰ ৰূপ ল।' লগে লগে শালিকী চৰাই তেজীমলালৈ ৰূপান্তৰিত হল। সেইদৰে 'তেজা আৰু তেজী', 'পানেসৈ', 'চম্পাৱতী' আদি এই শ্ৰেণীৰেই সাধুকথা। অলৌকিক ঘটনাৰে ভৰা এই শ্ৰেণীৰ সাধাকথায়ো পুৰণিকালৰ মানুহৰ কল্পনা-শক্তি আৰু বিশ্বাসৰ কথাই প্ৰতীয়-মান কৰে। মধ্যপ্ৰাচ্যৰ অনেক কাহিনীত অলৌকিকতা দেখিবলৈ পোৱা যায়। আৰব্য আৰু পাৰস্য উপন্যাসৰ কিছুমান ৰোমাঞ্চ-কৰ অলৌকিক কাহিনী প্ৰক্ষিপ্ত বা খণ্ডিত হৈ আমাৰ সাধুকথাৰ মাজত সোমাইছে।

এবিধ সাধুকথাৰ কাহিনী সৰু অথচ ৰসাল আৰু খুহুতীয়া এইবিধ সাধুকথাৰ চৰিত্ৰবোৰৰ কাৰ্য্যকলাপ বিসঙ্গতিপূৰ্ণ। এই বিসঙ্গতিয়েই হাস্যৰসৰ মূল। 'সাত ভাই', 'বামুণৰ লিটিকাই', 'কুকুৰীকণা জোঁৱাই' আদি এই শ্ৰেণীৰ সাধু। সাতোটো ককাই-ভায়েকে ভাগ্যৰ অন্বেষণত গৈ চহাই থোৱা চপৰানি পথাৰত সাঁতুৰি আঁঠু-ঘিলা উলিওৱা কাৰ্য্যই আনক হুঁহুৱায়। সৰবজান ফৰিঙৰ সাধুটোও হাস্যৰসাত্মক। কুকুৰীকণা জোঁৱায়েকে মেকুৰী বুলি শাহুৱেকক টঙনিওৱা আৰু শাহুৱেকে চুৱা-পানী পেলোৱা কাৰ্য্যই হাঁহিৰ সমল যোগায়। এনে বিধৰ সাধুকথাবোৰ 'হিউমাৰ' আৰু 'উইট্' জাতীয়। ইয়াৰ চৰিত্ৰবোৰ সাধাৰণতে মানুহৰ। মানুহৰ পৰিবেশত কাহিনীয়ে গঢ় লয়। জাতিটোৰ হাঁহিৰ খোৰাক যোগাবপৰা চৰিত্ৰ আৰু কাৰ্য্যকলাপে ইয়াত ঠাই পায়। ফৰিঙৰদৰে ফাৰতে সৰবজান হোৱা মানুহ আমাৰ সমাজত নিশ্চয় আছে।

সমাজত এশ্ৰেণী মানুহ থাকে যাৰ বুদ্ধি-বৃত্তি, স্বভাৱ-চৰিত্ৰ আনতকৈ একাঠি চৰা। বিপদত নাকটো মোহাৰিয়েই বুদ্ধিটো উলিয়াব পৰা মানুহ এইবিধ। এইবিধ মানুহে আনক ঠগে বুদ্ধিৰে। অসমীয়াত এইবিধ সাতঘাটৰ চেঙেলী মানুহক টেটোন, টেটন বোলে। 'টেটোন-তামুলী', 'টেটোন', 'লটকণ', 'অজলা আৰু টেটোন' 'টেটোনৰ বুদ্ধি' আদি এই শ্ৰেণীৰ সাধুকথা। সৰ্ব্ব-সাধাৰণৰ সমাজত যে কিছুমান অতি টেঙৰ মানুহ থাকে আৰু এইবিধৰ কাৰ্য্যকলাপ্ যে পোনতে আনে মণিব নোৱৰা, সেইকথাৰ প্ৰমাণ পোৱা যায়। ৰজা আৰু মন্ত্ৰীকো টেটোনে কথাৰ বান্ধত পেলাই ৰজাৰ জোঁৱাই আৰু তামুলী বিষয়া হৈছিল। এনেকুৱা টেটোনজাতীয় সাধু পৃথিবীৰ প্ৰায় আটাইবোৰ ভাষাতে পোৱা যায়।

কিছুমান সাধুকথা আছে লেজুৰদৰে দীঘল ; ইটো ঘটনাৰ

গাত গইনা লৈ সিটো আগ বাঢ়ি গৈ থাকে। 'অ' ফুল অ' ফুল, নুফুল কিয়' গীতজাতীয় সাধুটো এই শ্ৰেণীৰ। 'পৰুৱা আৰু ভেকোলা' সাধুটোও এই জাতীয়। লুচাই আৰু নগা জনজাতীয় দুটামান এনেকুৱা সাধুকথা আছে। পগলা-পাৰ্ব্বতীৰ গীত আৰু লৰা-ধেমালিৰ হাত-লুকুওৱা খেলৰ গীতটোও এনে সাধুকথা জাতীয়।

গীত সাহিত্যৰ আদিম ৰূপ। সেইবাবে সাধুকথাৰ মাজে মাজে গীতজাতীয় কথা পোৱা যায়। চম্পাৱতী সাধুটোৰ—

হুৰ্ হুৰ বটা চৰাই
মোৰ ধান নেখাবি
তোক দিম গোটা কৰাই;
ধানো খাম, পতানো খাম
চম্পাৱতীক বিয়া কৰি ঘৰলৈ যাম।

'গঙ্গাটোপ' সাধুটোৰ—

গেদ্‌গেদী বাই, গেদ্‌গেদী বাই,
মেললৈ যায় বা নেযায়।

* * *

কাঞ্চনমতী বাই, কাঞ্চনমতী বাই
মেললৈ যায় বা নেযায়।

সেইদৰে 'চিলনী জীয়েক'ৰ সাধুটোতো আছে—

আগলি কলাপাত লৰে কি চৰে;
চিলনী আই মোৰ গাতে পৰে।

'তেজীমলা' সাধুটোতো গীতৰ প্ৰতিধ্বনি উঠিছে—

হাতো নেমেলিবি ফুলো নিছিঙিবি
ক'বে নাৱৰীয়া ভাই;
পাটৰ কাপোৰৰ লগত মাহী আয়ে খুন্দি থৈছে
তেজীমলাহে মই।

'তুলা আৰু তেজা' সাধুটোত আছে—

ক'ৰপৰা আহিলি শাঁখিনী তেজা ;
সোমায়েই ভাঙিলি ঘৰৰ সেজা ।

'বাঘ আৰু ভোবোলা ছাগলী'ৰ সাধুটোত আছে—

লমো লমো দাড়ি ঘনে কৰে বিলাস ;
সেইজন পুৰুষে খাটে বনবাস ।

সেইদৰে 'বুঢ়াৰ কচুখেতি' সাধুটোত বুঢ়ীয়ে গাইছে—

এটি সোমাল ঔ বুঢ়া,
নাহৰৰ টোকোনডাল ধুৰা,
দুটি সোমাল ঔ বুঢ়া,
নাহৰৰ টোকোনডাল ধুৰা ।

'ঢোৰা কাউৰী আৰু টিপচী চৰাই' সাধুটোতো কাউৰীজনীয়ে কাব্যিক ঠাঁচেৰেহে কৈছে—

দে পানী পখালো ঠোঁট
ভোজন কৰোঁ টিপচী গোট ।

তদুপৰি সাধু কওঁতাই সাধাৰণতে প্ৰথম পুৰুষত কৈ যায় । সেইদৰে কওঁতে কেতিয়াবা গীতৰ সুৰতো গায় । গতিকে পুৰণি সাধুকথা প্ৰায়বোৰতেই দুই-এফাঁকি গীতিব্যঞ্জক কথা পোৱা যায় ।

সাধুকথাবোৰ জন-জীৱনৰ প্ৰতিচ্ছবি । এটা জাতিৰ মনৰ, সমাজৰ, লোকবিশ্বাসৰ আৰু বুদ্ধি-বৃত্তিৰ বাতৰি সাধুকথাত খুন্দ খাই আছে । পৃথিবীৰ সকলো জাতিৰ সাহিত্যৰ বুৰঞ্জীতেই সাধুকথাৰ স্থান আৰু মূল্য বহুত ওপৰত ।

অসমীয়া গীতি-সাহিত্যত তাঁত-শাল

যিদিনাই মানুহে গছৰ খোৰোং, পৰ্ব্বতৰ গুহা এৰি ঘৰ-বাৰী পাতি থাকিবলৈ শিকিলে সেইদিনাৰে পৰাই কাপোৰ মানুহৰ চিৰলগৰীয়া হ'ল, মানুহৰ উদ্ভাৱিকা শক্তিৰ সোঁতত পৰি তাঁত-শালৰ জন্ম হ'ল। লগে লগে আহিল নানা তৰহৰ সঁজুলি উঘা, চেৰেকী, লেটাই, ষঁতৰ, টোলোঠা, দোৰ্পাতি, শলি, মহুৰা, চিপ্‌-কাঠী, ছিৰী, চালিমাৰি, ব, নাচনী, দণ্ডাজৰী, গৰকা, ফুলকাঠী, কঁকিলা-মাৰি, বাঘজৰী ইত্যাদি। এদিন ই অসমীয়া সংস্কৃতিৰ বুকুৰ মাজত সোমাই পৰিল, অসমীয়া জাতীয় জীৱনৰ এটা অপৰিহাৰ্য্য অঙ্গ হৈ উঠিল।

সাহিত্যৰ প্ৰথম জন্ম গীততেই। লোক-সাহিত্যৰ অন্তৰ্গত সাহিত্যত আমি সৰহভাগ গীতেই দেখিবলৈ পাওঁ। এই গীতবোৰ বিশ্লেষণ কৰিলে তাত অসমীয়া জাতিৰ স্বৰূপটো সোমাই থকা দেখিবলৈ পাওঁ। তাঁত-শালখন অসমীয়াৰ বাপতি-সাহোন। অসমীয়া শিপিনীৰ কলা-কুশলতা আৰু উদ্ভাৱিকা শক্তিৰ উদাহৰণ ইয়াতে পোৱা যায়।

এদিন আছিল ৰব-কাটিব নজনা তিৰোতা এলাইজাবৰী, এলাগী। বৰ ঘৰ শুৱনী গাভৰু ছোৱালীজনী উলিয়াই দিবলৈ লওঁতেও যৌতুকত তাঁত-শালখন নহলেই নহয়। বাপুজীৰ 'মনোৰমা অসম'ৰ শিপিনীৰ চঁপাকলীয়া আঙুলিত ফুলপাহিয়ে জীৱন পায়; ছাঁতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ এৰাতিৰ ভিতৰতে ওলায়। অসমীয়া গাভৰুৱে 'অতি চেনেহৰ মুগাৰে মহুৰা'টো বৈ কেঁচা-সোণবৰণীয়া মুগাৰ মেখেলাখন, কেঁচ-বছা ৰিহা, গুণাৰ বনকৰা চেলেংখন লৈছিল। সেই অতীতৰ মৰহা দিনবোৰৰ পৰাই আইদেউৰ তাঁত-শালত মাকোৰ খিট্‌খিটনি বাজি আহিছে।

বিয়া-নামো তিৰোতাৰ, তাঁত-শালো তিৰোতাৰ। বিয়া-নামবোৰত অসমীয়া তিৰোতাৰ বৈশিষ্ট্যবোৰ ধৰা পেলাব পাৰি। বিয়ানামত যেনেকৈ আমি তাঁত-শালৰ বিষয়ে শুনিবলৈ পাওঁ, ঠিক তেনেকৈয়ে বনঘোষা, বিহুগীত, আইনাম, ধাইনাম, ফুলকোঁৱৰ-মণিকোঁৱৰৰ গীত, মণিৰাম দেৱানৰ গীত, বৰফুকনৰ গীত, তাঁতীৰ জুনা—এই সকলোবোৰতে তাঁত-শালৰ কথা দেখিবলৈ পাওঁ। এইবোৰৰ উপৰিও ফকৰা-যোজনাবোৰতো আমি শিপিনী আৰু তাঁত-শালৰ কথা দেখিবলৈ পাওঁ। সেইদৰেই অসমীয়া খণ্ড-বাক্যতো আমি ছিৰিচটা যেন চেহেৰা, টোলোঠা-মুৰীয়া, দহিকটা মুচৰিব নজনাৰ সঁচ আদি শব্দ পাওঁ। আনকি অসম বুৰঞ্জীৰ 'জলম-বটা' শব্দটোও তাঁত-শালেই দিলে। জলম মানে দহিকটা।

তোলনী বিয়াৰেপৰা বৰ বিয়ালৈকে সকলোতে আমি তাঁত-শালৰ কথা শুনো :

গলতে আঁৰিলা চেলেং সাতেকাঠি
ঘঁতৰত এৰিলা পাজি,
এইনো সাতোদিন ক'তেনো আছিলা
কপৌ-বাহ এখনি সাজি।

বাৰীৰ পিছফালৰ আইদেউৰ তাঁত-শালত চৰায়ে সূতা ছিঙিলে—

আইদেউৰ তাঁতৰ শালে বাৰীৰ পিছফালে
চৰায়ে ছিঙিলে সূতা ;
উচুপি উচুপি নেকান্দ ঐ আইটী
আনি দিম বজাৰৰ সূতা।

বৰঘৰ শুৱনী গাভৰু ছোৱালী "আটাইৰে চেনেহৰ"। চেনেহৰ ন-জোঁৱাইৰ হাতত সমৰ্পণ কৰি দিলেও এবললৈ এচেৰেঙা বেজাৰ লাগে। কন্যা-কাল হোৱাৰে পৰা আইদেৱে যিখন তাঁতশালত কাপোৰ বৈ আহিছে সিও এবাৰ চকুলো টোকে।

ৰৰষৰত কান্দিলে মাকে বাপেকে
মাৰলত কান্দিলে ভনী,
বাৰীৰ পিছফালে কান্দে তাঁতৰ শালে
আইদেউক বিয়া দিবৰ শুনি।

অকল সেয়ে নহয়—

ভিতৰত কান্দিলে নেওঠনি খ'তৰে
ঐ ৰাম, কান্দিলে চেৰেকী উৰা—ইত্যাদি।

কেঁচা মাহ-হালধিৰে গা-পা ধুৱাই কি কাপোৰ পিন্ধাব ?

গা-ধুই আইদেউ মাকে সুধিলে
কি সাজ সলাব পায় ;
হাতে শুকুৱা মুঠিতে লুকুৱা
সেই সাজ পিন্ধিব পায়।

সিমানেও নাটে। মেজাঙ্কৰী সিঙখাপৰ কাপোৰেহে আইদেউক শুৱায়—

জোকাৰি পিন্ধিলে শিঙখাপৰ মেখেলা
মাকে আছিলে চাই ;
এইনো থানে গঢ়ে মোৰ আই লাহৰী
মনুষ্যৰ লোকতে নাই।

সিপিনে চিকণ চেহেৰাৰ তিয়ঁহৰ জালি যেন 'ৰামচন্দ্ৰ'ক নোৱাই—ধোৱাই—

গা-চাই গামোচা আনাগৈ ঘুনুচা
ক'কাল চাই আনাগৈ ধুতি
মূৰতে মাৰিলে সোণালি পাগুৰী
চেলেঙৰ মাৰিলে ছাটি।

কিন্তু হৰ-গৌৰীৰ আশীৰ্ব্বাদত হোৱা বিয়াখনৰ প্ৰথম পাতনিতো তাঁতশালেই অংশ গ্ৰহণ কৰিছিল।

ৰৰঘৰৰ মধ্যতে আইদেউৰ তাঁতৰ শালে
হাতত হেণ্ডলীয়া মাকো,
আহোঁতে যাওঁতে আইদেউক চাওঁতে
গৰকি ভাঙিলে সাঁকো।

* * *

অকল সেয়ে নহয়, আইদেউৰ অৱস্থাও তথৈবচ।

বহোঁ তাতৰ পাটত ; চকু আলিবাটত
মাকো সৰি সৰি পৰে।

ঘনে ঘনে মাকো পিচলি পৰা মহৰাত আউল লগায়—

বাৰীৰ পিছফালে আইদেউৰ তাঁতে শালে
বহি বৈ আছিলে তাঁত
কতক মাতি থাকা হে'ৰা ৰামচন্দ্ৰ
মহৰাৰ হেৰাইছে আঁত।

অসমীয়া বনঘোষা যৌৱনকালৰ গীত। বসন্তৰ সঙ্গীত। তাহানি অসমীয়া ডেকা-গাভৰুৱে লোক-সমাজৰ পৰা আঁতৰত, পথাৰৰ মাজত, বৰ গছৰ তলত বিহুৰ উচ্ছ্বাসত নিজকে এৰি দিছিল। তেতিয়া ডেকাই আপোন মনেৰে জীৱনৰ লগৰী বাছি লৈছিল। মনে মনে মিলা মৰমিয়াল চেনাই-চেনেহী কনেঙু-চেনেঙুহঁতে গীতৰ মাজেদি অন্তৰৰ ভাবাবেগ প্ৰকাশ কৰিছিল।

এখনি হাঁচতি খুজিব খুজিছোঁ,
দিয়া কি নিদিয়া ক'ই।

তেতিয়া চেনেহীয়ে প্ৰত্যুত্তৰ দিছিল—

দিখোঁ নৈ ইপাৰে দিখোঁ নৈ সিপাৰে
কোনে দিয়ে যাব সাঁকো।
কোনে দিয়ে যাব কাঠৰ দোৰেপতি
কোনে দিয়ে যাব মাকো।

চেনেহীৰ অভাৱ চেনাইয়ে বুজিলে আৰু হাবিত সুকাঠ বিচাৰি মাকো, টোলোঠা যতনাই দিলে। চেনেহীয়ে—

বাতিৰে ভিতৰত কাটে সৰু সূতা
পুৱালৈ তৰিলে তাঁত।

বসন্তৰ পৰশত প্ৰকৃতিৰ চঞ্চল উন্মেষ জাগে। প্ৰকৃতিৰ সন্তান মানুহৰ অন্তৰতো সুলভ চঞ্চলতাই দেখা দিয়ে। তেতিয়া—

ঘৰতো নবহে মন পৰতো নবহে মন
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।

* * *

তাঁতৰ পাটত বহোতে শিপিনীৰ মাকো সৰি সৰি পৰে। ভালেহে চেনেহীয়ে গায়—

ধনলৈ বুলি হাঁচতি বৈছিলোঁ
ফুলতে লাগিলে কেণা;
কোনজন ঈশ্বৰে তোমাৰে-আমাৰে
ভাঙিব জীৱনৰ জেওঁা।

চেনেহীৰ অৱহেলাত আকৌ চেনায়ে অভিমানৰ সুৰত গায়—

আৰু বোলি কৈছিলা হাঁচতি দিম বুলি
এইবেলি কাটিছা পাঁজি;
তোমাৰ হাঁচতি আমাকো নেলাগে
তিৰোতা আনি লম কাজী।

যৌৱনৰ দিনবোৰ লাহে লাহে ভটীয়াই যায়। তেতিয়া চেনেহীয়ে মিলনৰ সংহাৰি দিব নোৱাৰে। তেতিয়া ডেকাই গায়—

মাৰে নিদিয়ে বাপেৰে নিদিয়ে
বোৱাকটা গুণলৈ চাই;
তুমি ঐ চেনেহী চোৱা ভালে কৰি
যৌৱনকাল ভটীয়াই যায়।

বনঘোষাত যেনেকৈ আমি শিপিনী বা তাঁত-শালৰ কথা দেখিবলৈ পাওঁ ঠিক তেনেকৈয়ে বিহুগীততো ইয়াৰ প্ৰভাৱ এলাপেচা নহয়। বছৰেকৰ বিহুৰ দিনা নতুন বছৰৰ ন আশীৰ্বাদ দিবলৈ হুচৰিৰ আহে। তেতিয়া তামোল-পাণ এশৰাই, শালেকটা হাঁচতি একোখনি দি মান ধৰিব লাগে। ঘৰতে তাঁত-শাল আৰু শিপিনী থাকিও হাঁচটি এখন দিব নোৱৰাটো বৰ লাজৰ কথা। যেয়ে সেয়ে "বৰও নেজানে কাটিবও নেজানে, লোকৰ শালে শালে ফুৰে" বুলি এষাৰ শুনোৱাই দিব—

হাত মেলি হাঁচটি বলা ঐ আইদেউ
ভৰি মেলি হাঁচটি বলা,
বছৰেকৰ বিহুতে বাইজক নিদিলা
কালৈ সামৰি থলা।

অকল সেয়ে নহয়—

হাঁহে পানী পালে চৰে সমনীয়া
পাৰই পানী পালে নাচে;
এখনি হাঁচটি আমাকো নেলাগে
যুৱতীয়া তাঁত-শাল আছে।

বৰ-কাটিব নজনা গাভৰুৰ অনুতাপত অন্তৰ ছাই হৈ যায়ঃ

লবৰ মন গ'লে চিটিকি চেলেং ঐ
হাতেৰেও নহলো কাজী।

বিহুৰ ঢোল-পেঁপাৰ মাত শুনি বৰ নোৱাৰি বিহুৱতী গাভৰুৱে "অতি চেনেহৰ মুগাৰে মহুৰা" আৰু "তাতোকৈ চেনেহৰ মাকোটো" এৰি যাওঁতে গৰকত যঁতৰ ভাগে।

চ'তে গই গই বহাগে পালেহি
তগৰ ফুল ফুলিবৰ বতৰ;
ফুলপানী ছিগাত ঢোলৰ মাত শুনি
থেকেচি ভাঙি যাওঁ যঁতৰ।

অকল কিবা সেয়েনে ?

ঢোলৰ মাতে শুনি ৰথকে নোৱাৰি
গৰকি ভাঙি যাওঁ ৰ'তৰ ।

বিহুনামৰ অন্তৰ্গত 'পৰুৱা শিপিনী'ৰ গীততো শিপিনীৰ বিষয়ে শুনিবলৈ পোৱা যায় । চত'ৰ মাহ সোমালেই অসমীয়া শিপিনীৰ গা সাতখন-আঠখন কৰে । শিপিনীয়ে তাঁতৰ পাটত বহে বিহুৱান ববলৈ । তাঁত-শালত নাচনীয়ে নাচে, পলকত মাকো ঘূৰে, গৰকাই উৰাদিহ নাপায়, ঘনে ঘনে উঠে পৰে, খনে খনে কাপোৰ ওলায়— এই তাঁত-শালেই অসমীয়াক জাৰ গুচাবলৈ কাপোৰ দিছে, লাজ ঢাকিবলৈ কাপোৰ দিছে । নতুন বছৰ আহে, গছে কুঁহিপাত মেলে । মানুহৰ গাতো এডুখৰি ন কাপোৰৰ আৱশ্যক হয় । বহাগৰ বিহুৰ দিনা কেঁচা মাহ-হালধিৰে গা ধুই নতুন শালেকটা বিহুৱানখন ললে পুৰণি-জীৱনটোতো আকৌ এবাৰ নতুনত্বৰ সঞ্চাৰ হয় । এই বিহুৱানখনো দিছে আমাৰ তাঁত-শালেই ।

সান্দহ খুন্দি দিয়া থাওঁ প্ৰাণেশ্বৰী
চিৰা খুন্দি দিয়া থাওঁ ;
ৰাতিৰে ভিতৰত কাপোৰ বই দিয়া
বঙাল মাৰিবলৈ যাওঁ ।

তাহানি স্বাধীন অসমত অসমীয়া ৰণুৱাই বঙাল মাৰিবলৈ যাওঁতে অসমীয়া জীয়ৰী-বোৱাৰীয়ে একে ৰাতিৰ ভিতৰতে কপাহ ধুনি, পাঁজি বাটি, সূতা কাটি কাপোৰ বৈ দিছিল আৰু অসমীয়া ৰণুৱাই তেনে কবচ-কাপোৰ লৈহে যুদ্ধলৈ গৈছিল ।

অসমীয়া ধাই-নামতো শিপিনীৰ কথা আছে । 'জোনেবাই আগৰে একটি তৰা' নামৰ গীতটোত "বোপাইলৈ আনিছো মুগাৰ বৰ-চুৰিয়া আইলৈ আনিছো খাৰ।" এই কথাষাৰ পোৱা যায় । সেইদৰে 'শালিকী এ বটো টৌ' বোলা গীতটোতো শিপিনীৰ গুণাগুণ থকা কথা আছে—

ঘাহিয়াল বৰুৱাৰ পাঁচজনী জীয়েক
তাৰে সৰুজনী কাজী ;
বেৰৰ জলঙাৰে চাই থৈ আহিছোঁ
ধৰিব নেজানে পাজি।

'মণিৰাম দেৱানৰ গীত' আৰু 'বৰফুকনৰ গীত'তো তাঁত-শালৰ কথা সোমাই আছে·—

ৰূপৰ টোলোঠা সোণৰ দোপতি
বহি বৈ আছিলো তাঁত ;
লাহে লাহে কৰি মণিৰাম দেৱানে
লগাই পটেশ্বৰীক মাত।

মণিৰাম ভাটীলৈ ভটিয়াই গ'ল—

এদিন দুদিন কৰি দিনে চৰি গলে
আমঠু পৰি গ'ল ক'লা ;
ৰ'তৰত সুতা কাটে বিনন্দীয়া গাভৰু
ৰ'তৰত নুঘূৰে শলা।

* * *

ভটীয়াই গলেগৈ উজনিৰ মণিৰাম
বাটত খাই গলে জৰা ;
মণিৰাম বাৰ্তাৰ নেপাওঁ ভালে কৰি
ৰ'তৰত নুঘূৰে শলা।

বৰফুকনৰ গীততো তাঁত-শাল সম্পৰ্কীয় ভালে কেইফাকি মালিতা শুনিবলৈ পাওঁ—

তাঁত ববৰ তাঁতী ;
ৰূপচিং বঙালক আনাগৈ মাতি।

ৰাজমাৱে ধনী বৰবৰুৱাক মন্ত্ৰণা সুধিছিল :

তাঁতীৰ হাতৰ কাপোৰখনে জগতখন জুৰিলে
তথাপি তাঁতীৰ গা উদি ;

ঘিণাই বৰফুকনক মাৰিবলৈ ধনী বৰবৰুৱাই
বাজমাওত সুধিলে বুধি।

তদুপৰি গায়কে 'বৰফুকনৰ গীত' গাবলৈ আৰম্ভ কৰোঁতেই পাঁজিকটা শলাক সুঁৱৰিছে—

আই সৰেচতী দেৱী পাৰ্বৰতী
তোমালৈ বঢ়াই যাওঁ মলা,
পাহৰা পদকে সোঁৱৰাই দি যাবা
যেনে পাঁজি কটা শলা।

এইবোৰৰ উপৰিও জনা-গাভৰুৰ সাউদৰ গীত, আইনাম, পানী তোলা সবাহৰ গীত, এইবোৰতো তাঁত-শালৰ বিষয়ে শুনিবলৈ পোৱা যায়।

ফুলকোঁৱৰৰ গীতৰ ফুলকোঁৱৰ পানীত পৰি হেৰাল। তেতিয়া তেওঁৰ কাচন কুঁৱৰীয়ে বেজাৰত গাইছে—

লুইতে এৰিলে লুইতৰ এসুঁতি
দিহিঙে এৰিলে কুল;
আয়ে বোপায়ে ধৰম বিয়া দিলে
নুগুচিল হালধিৰ বোল।

তাৰ পিছতো বেজাৰ কৰি গাইছে ঃ

হেঁচুকি ভাঙি যাওঁ ৰূপহী বঁতৰে
মুচুকাই ভাঙি যাওঁ মাকো,
ঠানুৱা কোঁৱৰ ঐ পানীত পৰি হেৰালে
অকলে কেনেকৈ থাকোঁ।

অকল সেয়ে নহয়—

চালৰে চেৰেকী চালতে কান্দিলে
কৰাণত কান্দিলে মাকো;
ঠানুৱা কোঁৱৰ ঐ পানীত পৰি হেৰালে
নেকান্দি কেনেকৈ থাকোঁ।

তাঁতৰ পাটত বহি ফুল বাছোঁতেও বিৰহৰ জুয়ে অন্তৰৰ এছোৱা পুৰি নিয়ে ঃ

চাপৰি চাপৰি ফুল তোলো বাৰৰি
ফুলেও ধৰিলে চাটি ;
ঠানুৱা কোঁৱৰ ঐ ঘৰত নাইকিয়া
হিয়া যায় ফাটি-ফুটি ।

শ্ৰীশঙ্কৰদেৱে পুৰণি বাউসী সত্ৰৰ তাঁতী-কুচি নামৰ গাঁৱত নিপুণ শিপিনীৰ হতুৱাই সাত বৈকুণ্ঠৰ পট অ'কাই চিহ্নযাত্ৰা নামৰ ভাওনা কৰিছিল । 'তাঁতীৰ জুনা' বুলি এবিধ লোকগীতি আছে, তাঁতী শিপিনীৰ কলা-কুশলতাৰ প্ৰমাণ তাত পোৱা যায় ঃ

হৰি এ নাৰায়ণ,
লৰিলে কানাই তাঁতীৰ ঠাই ।
দুৰতে দেখিয়া তাঁতীয়ে হাসে
কৃষ্ণ কানাই কি লাগি আসে ।
বসিবাৰ আসন আগে যোগায়
কপূৰ তাম্বুল পাছে শোধায় ।
কহোঁ মই তাঁতী তোমাৰ আগে,
ৰাধাক পিন্ধিবলৈ কাপোৰ লাগে ।
কেমন পুতল কেমন দীঘল
কলেহে জানো মই তাৰ বিধান ॥
দীঘল সাৰঙ্গ পুতলে বৰ,
তাৰ আগে দিবা গুণা বিস্তৰ,
শিৰত লিখিবা বসুদেৱ পিতা
ওৰণীত লেখিবা দৈৱকী মাতা ।
বাহুতে লিখিবা দাদা বলাই ।
হৃদয়ে লিখিবা কৃষ্ণ কানাই ।
খোচনিত লেখিবা নেজালি ম'ৰা
আঁঠুতে লেখিবা আকাশী তৰা ।

ইটো দেওবাৰে জাননী দিওঁ
সিটো দেওবাৰে কাপোৰ নিওঁ।
সেহি কাপোৰ ৰাধাক পিন্ধাওঁ,
ৰাধাৰ সহিতে কেলি খেলাওঁ।"

নানা তৰহৰ ফুল-জালিৰ উপৰিও নেজালি ম'ৰা, আকাশী তৰা, কৃষ্ণ, বলাই, দৈৱকী, বসুদেৱ, আটাইকে ফুটাই তোলা কাপোৰখন সাদিনত কৰি দিবলৈ এলাপেচা শিপিনী হ'লে নহব।

একালত বব কাটিব জনাটো সম্ভ্ৰান্তলোকৰ গুণ আছিল। শিৱসিংহ ৰজাৰ ৰাণী সৰ্ব্বেশ্বৰী কুঁৱৰীয়ে কাৰেঙত বছা বছা ছোৱালী আনি পাঁজি কাটিবলৈ শিকাইছিল। কালক্ৰমত গীতে-মাতে, ফকৰাই-যোজনাই, উপমাই-ৰিজনিয়ে তাঁত-শাল আৰু তাঁত-শালৰ সঁজুলিবোৰ সোমাই পৰিল।

গীতি-সাহিত্যত বুৰঞ্জীৰ সাঁচ

চটাই পৰ্ব্বত আৰু চিৰী লুইত বুৰঞ্জীৰ সাক্ষী। অতীতৰ কোনোবা দিনত মানুহৰ মুখত মাত ফুটিল। প্ৰকৃতিৰ চানেকী চাই মানুহে হাঁহিলে; মানুহে নাচিলে, নাচোনৰ চেৰে চেৰে মানুহে অন্তৰ উদঙাই গালে। যুগৰ পিছত যুগ বাগৰি গল। তাহানিৰে পৰা আজিলৈকে মানুহৰ অন্তৰ-নিজৰাৰ গড়া খহাই, পাৰ ভাঙি, বাগৰি গীতবোৰৰ দীঘলী বাটটোত বুৰঞ্জীৰ সাঁচ বৈ গ'ল। চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধুই থকা চেনেঙে চটাই পৰ্ব্বতত হাতী ধৰিবলৈ যোৱা কনেঙলৈ বাট চাই হুমুনিয়াহ পেলায়। সেইটো যুগত মানুহে সংস্কৃতিৰ পৰশ পালে। কাপোৰ ধুই নিজক নিকাকৈ ৰাখিবলৈ পোহৰ পালে। মানুহৰ মিলনেই সৃষ্টি। সৃষ্টিৰ পাতনি হৈছে বিবাহ বা বিয়া। হৰ-পাৰ্ব্বতীৰে পৰা আৰম্ভ কৰি কৃষ্ণ-ৰুক্মিণী আৰু উষা-অনিৰুদ্ধৰ বিয়াৰ কথাও আমাক বিয়ানামে কয়।

সাহিত্যৰ আদিম অৱস্থা গীতি-সাহিত্যতে গইনা লৈ লিখিত সাহিত্যৰ কাব্য আৰু কবিতাৰ জন্ম। যি সাহিত্য যি যুগত জন্ম, সি সেই যুগৰ বহুতো কথা সদৰীকৈ কব পাৰে। সাহিত্য সমাজৰ প্ৰতিবিম্ব। সেই কাৰণেই আমি কাব্যই হওক বা কথাই হওক তাত বুৰঞ্জীৰ কঠীয়া পাওঁ।

বিহু অসমীয়াৰ জাতীয় উৎসৱ। বিহুগীত, বনগীতত আমি অসমীয়া জাতিৰ বিৰহ-মিলন, প্ৰেম-প্ৰীতি আদিৰ হুবহু ছবি এখন দেখিবলৈ পাওঁ। বিহুগীতবোৰৰ জ'কাটো অতি পুৰণি হ'লেও যুগে বাগৰ সলাওঁতে তাত নতুনৰ পলস পৰি যায়। সেই কাৰণে আমি বিহুগীতত বৰ পুৰণি কথা নেপালেও "স্বৰ্গদেৱ বাটচ'ৰাৰ মুখলৈ" ওলোৱা সময়ৰ পৰা ভালেখিনি কথা টুকি আনিব পাৰোঁ।

স্বৰ্গদেও ওলালে বাটচ'ৰাৰ মুখলৈ
দুলীয়াই পাতিলে দোলা ;
গাত জিলিকিলে মকৰে কুণ্ডলে
গাত গোমচেঙৰ চোলা ।

স্বৰ্গদেৱৰ সাজপাৰ আৰু অলঙ্কাৰৰ বিষয়ে আমি সুস্পষ্টকৈ জানিব পাৰোঁ। স্বৰ্গদেও কাৰেঙৰ পৰা ওলাই আহে—কেঁকোৰা দোলাত উঠি। বাটচ'ৰাৰ মুখত প্ৰজাই জয়ধ্বনি কৰে। অসম জয় কৰিবলৈ শেনটো অহাদি বঙাল আহিল। সোতৰবাৰ থেকেচা খাই আকৌ ফেঁচাটো যোৱাদি গল। বঙালক লাৰে লাৰে পানী খুৱাই দগা দি কাটিবলৈ অসমীয়া ৰণুৱাই বিহুৰ ৰঙ্ ৰহইচৰ মাজতো দেশৰ কথা সুঁৱৰি গাইছিল—

সান্দহ খুন্দি দিয়া খাওঁ প্ৰাণেশ্বৰী
চিৰা খুন্দি দিয়া খাওঁ,
বাতিৰে ভিতৰত টঙালি বৈ দিয়া
বঙাল মাৰিবলৈ যাওঁ ।

বিহুনামে যেনেকৈ ৰজাৰ কথা কৈছে তেনেকৈয়ে ডা-ডাঙৰীয়াৰ কথাও ক'ব পাৰে—

চৰাইৰ চিকুণে তেলীয়া সাৰেঙ্
মাছৰ চিকুণ মালি ;
দেউতাৰ চিকুণ কেকোৰা দোলাখন
শুৱায় গজপুৰৰ আলি।

এই বিখ্যাত গজপুৰৰ বৰ আলি প্ৰতাপসিংহ ৰজাৰ দিনতে গজপুৰৰ পৰা গড়গাঁৱলৈ বন্ধাইছিল। এই জনা ৰজাৰ দিনতে কছাৰী ৰণলৈ সোন্দৰ গোহাঁই গৈছিল। তাকো আমাৰ বিহুৱা ৰুকাইহ'তে পাই গীতৰূপে গাঁথি থৈছে—

পুৱেদি ওলাবৰ ৰেণু,
সোন্দৰ বৰগোহাই ৰণলৈ ওলালে
আটাই ঘূৰণে খোৱা ধেনু।

প্ৰতাপসিংহৰ দিনত তাওকাকত নগৰ পাতি পুখুৰী খনাইছিল। সেয়েহে বিহুৱাই গাইছে—

জোনৰে তামুলী তৰা
স্বৰ্গদেৱৰ তামুলী গন্ধীয়া ফুকনে
মাতে তাওকাকৰ পৰা।

স্বৰ্গদেৱসকলৰ ৰাজত্বৰ শেষভাগতো গীতে নতুন ৰূপ লৈছিল।

খোজকে কাঢ়িলোঁ এলাই বেলাই
খোজতে লাগিলে ভাগৰ,
দেউতা মহাৰজাই পুখুৰী খনালে
নাম থলে গৌৰীসাগৰ।
পুখুৰী খনালে ভালকে কৰিলে
পাৰতো বন্ধালে দ'ল,
দ'লো বন্ধালে কলচী চৰালে
আগলৈ খিয়াতি ৰ'ল।

গৌৰীসাগৰ দ'ল পুখুৰী শিৱসিংহ স্বৰ্গদেৱৰ (১৭১৪—১৭৪৪) দিনত খনায়। "তাৰ পাচত দিখৌ গুমে গুমাই" কোম্পানীৰ জাহাজ আহিল। তেতিয়া ১৮৪৪ চন। দিহিং, দিখৌ, লুইত, ধনশিৰী, কলঙে বিহুৰ লগতে বুৰঞ্জীৰ কথাও কয়—

অ' কোম্পানী পালেহী জাপানী
পলাই বা সাৰিবি ক'ত?

ৰোৱা মহাযুদ্ধৰ ৰণশিঙাৰ সুৰতো অসমীয়া বিহুৱাই সুৰ দিলে—বিহুৰ। আৰু

নৈৰ বঙা গঢ়া দলনি দোপনি
হৰিণা চিঞৰে বনত,
তোমাৰে সন্তাপত থাকিব নোৱাৰোঁ
মৰোঁগৈ পদিয়া ৰণত।

বিয়া-নামতো ৰূৰঞ্জীৰ আঁচোৰ। ৰূক্মিণীয়ে কৃষ্ণক আনিবলৈ বেদনিধি বাপুক পঠালে। "পত্ৰ লিখি ৰূক্মিণীয়ে বেদনিধিক পাছে।"

আজিয়ে যোৱাপে হে গুৰু বাপু,
কাইলৈ আহিবা ঘূৰি,
কৃষ্ণৰ হাতে ধৰি ক'বা কাবৌ কৰি
নাতিছোঁ চৰণত ধৰি।

আৰু লগে লগে :

পাটীত বহি ৰূক্মিণীয়ে মাটিত মঙ্গল চায়
কৌতিয়া আহিব কৃষ্ণ সোণৰ বাংশী বাই।

সেইদৰেই :

পাটীতে বহিয়ে উষা মূৰ্চ্ছা গলে
ঐ ৰাম অনিৰুদ্ধক স্বপনত দেখি।

সেই উষাই হ'ল :

বাণৰজাৰ জীয়াৰী সৰ্ব্বাঙ্গ সুন্দৰী
বহিছে কেপ কৰা পাৰি,
ওচৰতে বহি অনিৰুদ্ধ কোৱঁৰে
আছে ধনু শৰ ধৰি।

গাঁঠিয়ন খুন্দা নামতো উজনি নামনি ৰাজ্যৰ কথা সোমাইছে :

উজনি ৰাজ্যৰ গন্ধে গাঁঠিয়ন
নামনি ৰাজ্যৰে পটা,
সাতো আয়তীয়ে গাঁথিয়ন খুন্দিছে
কোনে কেনে কৰে বটা।

তাহানিৰ ডা-ডাঙৰীয়াই নিজৰ নামেৰে আলি বন্ধাই, পুখুৰী খনাইছিল। পানী তুলিবলৈ যোৱা আইদেউহঁতৰ ভৰি বিষালত গাইছে—

দুবৈকৈ পুখুৰী খনালা দেউতা
ঐ ৰাম বন্ধালা সেন্দুৰী আলি,

দৰা যাবলৈ ওলাল ঃ

হাতীকে সজালে হাতীশাল বৰুৱাই
ঘোঁৰাকে সজালে ঘাঁহী ।

কলপুলিৰ তলত জাউঁৰিয়ে জাউঁৰিয়ে উৰুলি কিৰীলি পাৰি দ'ৰাক আগবঢ়াই পঠালে । "বৰঘৰৰ শুৱনী জীয়ৰী ছোৱালী" জনী সজাওঁতে আইদেউহঁতে গাইছে ঃ

একাঠু তুলিতে আইদেউ বহিছে
মেলাইছে বায়েকে চুলি
গজে গজপুৰত বগায় ৰংপুৰত
পেলাই গুৱাহাটীত কলি ।

ৰণত পাগ'ডালি দেখুওৱা ডেকাক ৰজাই পাগ-জামা বঁটা দি বিষয়া পাতিছিল । সেইকাৰণেহে আয়তীয়ে গাইছে—

সোণৰ পাগেজামা শৰাইতে সোলোকাই
ঐ ৰাম, ৰজুৰ থানতে বহা ।

বিয়া-নামৰ দৰেই আমি ধাই-নামতো বুৰঞ্জীৰ কণ-কঠীয়া পাওঁ । বৰবৰুৱা আছিল স্বৰ্গদেওসকলৰ ঘাই বিচাৰক । কোনোবা এজনে সুধিছে—

অ' মালী, অ' মালী, ক'লৈ গ'ল ?
বৰবৰুৱাই মাতি নিলে কাহ কোবাই গ'ল ।

হাবুং বহুত পুৰণি ঠাই । হাবুঙত চুকাফা ৰজাই পোনতে আহি কেইবছৰমান বাস কৰিছিল । বৰবৰুৱাই মাতি নি কি কি দিলে ?

কাহ দিলে, পিতল দিলে, আৰু দিলে জৰা,
তাৰ মাজত সোমাই গ'ল হাবুঙীয়া বৰা

গৈ গৈ শেষত কি হ'ল ?

আচলৰ ডগমগ পদুমৰ চকা
ওলাই চাই আহোঁগৈ গড়গঞা ডেকা ।

ফুলকোঁৱৰ মণিকোঁৱৰৰ কথা যিমানেই পুৰণি নহওক, তাত নতুনৰ ৰহণ আছে, বুৰঞ্জীৰ আঁচোৰ আছে। ফুলকোঁৱৰৰ গীতত আছে—

চৰায়ে খাবৰে ধান মোৰ ৰোপাই
উফাৰি পৰিবৰ কণ
অতি চেনেহৰে ৰবকলা নগৰত
গজিছে দুবৰিৰ বন।

ৰবকলা গড়গাঁও নগৰৰ পুবতে। স্বৰ্গদেও গদাধৰসিংহই ইয়াত ৰাজধানী পাতে। তেনেকৈ ৰজাৰ নগৰৰ কথাও আছে।

ৰজাৰে নগৰখন চাৰিকৈ চুকীয়া
হেজাৰী বৰুৱাই ৰখে,
চৰাই চিৰিকতি পশিব নোৱাৰে
কোঁৱৰনো কেনেকৈ পশে।

গড় বান্ধি ৰজাই নগৰ পাতিছিল। নগৰৰ চাৰিওফালে গড় মেৰাই নগৰ লোৱা প্ৰথম নগৰখন হ'ল গড়গাঁও—

ৰজাৰে নগৰে দেখি ভৰ লাগে
কেঁকোৰা কেঁকুৰি গড়,
হেজাৰী বৰুৱাৰ হাতে আগম-নিগম
কোনে পাব তাৰে থৰ।

মণিকোঁৱৰৰ গীততো বুৰঞ্জীৰ গন্ধ পাওঁ। স্বৰ্গদেওসকলৰ দিনত শেন মেলাই ৰং চাইছিল। মণিকোঁৱৰে—

এবেলা দোলাতে এবেলা ঘোঁৰাতে
এবেলা শেনৰ ৰং চায়।

সোণাবৰ তামুলীৰ সহায়ত কাঁচনৰ বাপেকে মন্ত্ৰীক ক'লেগৈ—

দেউতাৰ জীয়ৰী কাঁচন কুঁৱৰী
আমাৰ মণিধৰক লাগে।

তাৰ পিছত—

গায়নে বায়নে সেন্দুৰী আলিয়ে
কেঁকোৰা দোলাতে উঠি
হীৰা মুকুতাৰে মণিধৰ কোঁৱৰে
কাঁচনক আনিলে তুলি।

মণিকোঁৱৰৰ গীতৰ এফাঁকি কথাই আমাক ইয়াৰ জনমৰ থল বিচাৰি তাহানিৰ উজনি ৰাজ্যলৈ লৈ যায়ঃ

আমগুৰি থাটৰে শুকান খৰিচা
বলমা বিলৰে মাছ
তুমি যে আছিছা 'সোণাবৰ তামুলী
মণিধৰ কিমানৰ পাচ।

বলমা বিল দিহিং আৰু দিচাংমুখৰ মাজত। এতিয়াও এখন ওৱাদানিকৈ মাছ পোৱা ঠাই। আমগুৰিও উজনিৰে শিৱসাগৰ মহকুমাৰ পশ্চিমত। আমগুৰিৰ বিখ্যাত পেঙেৰাথাত ৰজাদিনীয়া খাত।

'বৰফুকনৰ গীত' মান অনা ঘিণাই বৰফুকনক লৈ ৰচিত হোৱা গীত। এই গীতত বৰফুকন আৰু মানৰ আক্ৰমণৰ বুৰঞ্জী নিহিত হৈ আছে। বদন বৰফুকনক ধৰিবলৈ যোৱা শুনি তেওঁ ভটীয়াই গল—

এ' দেউ ব'ল
চিৰী লুইতে ফুকনদেউ ভটীয়াই গ'ল।

তাৰ পিছত—

পৰ্ব্বতীয়া ফুকনে চেলেঙ্গী নাৱেৰে
দিলে পাচে পাচে খেদা।

বদন গৈ মানদেশ পালেগৈ। মানৰজাৰ ঘাটত বদন চাপিল। তাৰ পিছত—

ওপৰে উৰিলে কবচন কণুৱা
লৰি তুলিলে লাই,

অসমৰ জীয়ৰী মানৰজাৰ কুঁৱৰী
গা ধুই আছিলে চাই।

অসম উপচি মান আহিল। কথা শুনি বুঢ়াগোহাঁইৰ চিন্তা হ'ল আৰু কলে—

সকলোখিনি হ'ল,
চাবে দিয়া গাখীৰত মোলান পৰিলে
সোন্দা কল মৰাহি গ'ল।

তাৰ পিছত—

কালহীৰা চেলেকি বুঢ়াগোহাঁই নৰকী
ৰাতিয়েই সৰকি গ'ল।

পূৰ্ণানন্দ বুঢ়াগোহাঁই মৰিল। ৰাজমাৰে বদনৰ প্ৰতাপ তাপহীৰ মোৰাৰিলে। ৰূপসিঙ বঙালক মাতি আনি বদন বধৰ ইঙ্গিত দিলে। ৰূপসিঙে—

কাউৰীয়ে কৰিলে কা,
ৰাম-কৃষ্ণ বোলোতে মুৰত পানী ঢালোতে
ৰূপসিঙে মাৰিলে দা।

বৰফুকনৰ গীতৰ পৰাই আমি সেই সময়ৰ ৰাজনৈতিক পৰিবেশৰ বিষয়ে জানিব পাৰোঁ। জনা-গাভৰুৰ গীততো আমি বুৰঞ্জীৰ ৰৰঘৰত সোমাই থকা ভালেমান কথাৰ সম্ভেদ পাওঁ। আন কথা এৰিলেও আমি সেই যুগৰ সাজপাৰৰ বিষয়ে ইঙ্গিত পাওঁ ঃ

জোকাৰি পিন্ধিলে গোমুচেঙৰ চোলাটি
মাজত বাথৰামি কৰা,
ক'কালত মাৰিলে জৰদৰ টঙালি
দেখিলে জিলমিল কৰা।
থুৰিয়াই পিন্ধিলে ধল পাটৰ চুৰিয়া
মুৰত দাউকীয়া পাগ,
পিন্ধি উঠি পেলাই গোপীচন ওলালে
যেন পূৰ্ণিমাৰ চাঁদ॥

আহোম ৰাজত্বৰ শেহৰফালে নামনি অসমত হৰদত্ত-বীৰদত্ত প্ৰখ্যাত হৈ উঠে। তেওঁবিলাকৰ বিষয়েও কেইফাঁকিমান বুৰঞ্জী-মূলক গীত শুনিবলৈ পোৱা যায়।

হৰদত্ত জীয়াৰী পদ্ম কুমাৰী
ধনৰাত নেখালে ভাত,
কুমেদান বণ্ডালে হাতত ধৰি নিলে
পদ্ম বিচাৰি গাত।

হৰদত্তৰ একেজনী জীয়েক পদ্মকুমাৰী বা পদুমকুমাৰী। তেওঁক কুমেদান বণ্ডালে ধৰি নিছিল। গৌৰীনাথসিংহ স্বৰ্গদেৱৰ দিনত নগাঁৱত বাথৰপৰা বুঢ়ালি এজন প্ৰখ্যাত মানুহ আছিল। তেওঁৰ বিষয়েও ডাঃ সূৰ্য্যকুমাৰ ভূঞাই তেখেতৰ "বৰফুকনৰ গীত"ত এফাঁকি গীতৰ উদ্ধৃতি দিছে—

আঠীয়া কলবে পাত সৰু সৰু
জাতি কলবে পাত,
গা ধুই উঠি মোৰ বাথৰৰ তেমেকাই
খাবলৈ নেপালে ভাত।
* * *
লুইতৰ বাওলী গৰা,
ভৰলু (ভৰলী) মুখতে ঘৰ-বাৰী সাজিছে
পালোঁহি বাথৰৰ ৰৰা।

"নাহৰৰ গীত" বুলিও কেইফাঁকিমান গীত অপ্ৰকাশিতভাৱে সিচঁৰিত হৈ পৰি আছে। এই নাহৰ মোৱামৰীয়া বিদ্ৰোহৰ নেতা নহয়। এওঁ খোৰাৰজাৰ কুঁৱৰীৰ তোলনীয়া ল'ৰা। চুখাম্ফা বা খোৰাৰজাৰ এগৰাকী সোণাৰী কুঁৱৰী আছিল। তেৱেঁই নাহৰক তুলি লৈছিল। ৰাণীৰ লাই পাই পিচলৈ নাহৰ অতি উদ্ধত হৈ উঠিছিল। উত্তৰ পাৰত থকা ভূঁঞাসকলক দমন কৰিবলৈ নাহৰক পঠায়—

কি মাছ মাৰিবৰ হ'ল
লুইতে ভটীয়াই নাহৰ-চেনামুৱা
ভুঞা মাৰিবলৈ গ'ল।

ভুঞা দমন কৰি—

দীঘলকৈ পুখুৰী খনালে নাহৰে
বন্ধালে সেন্দুৰী আলি।

নাহৰৰ উগ্ৰতালি সহ্য কৰিব নোৱাৰি তাক বৰদুৱাৰৰ মুখত কাটে—

উজলকৈ তামোলৰ পুলি,
বৰদুৱাৰৰ মুখতে নাহৰক কাটিলে
ওলোমাই পেলালে চুলি।

নাহৰৰ বুঢ়ী মাকো আছিল—

আইনো আই বুলি নাহৰে মাতিলে
বুঢ়ী মাকৰ মুখলৈ চাই,
বুঢ়ী মাকে বুলিলে নাহৰ চেনামুৱা
চৰুতো প'ইতা নাই।

নাহৰক বধ কৰিব খোজা গম পাই নাহৰে হয়তো পলাই ফুৰিছিল—

নাহৰ চেনামুৱা ওলাই বাতিপুৱা
ছকুৰি কুকুৰাৰ ভাৰ;
দিহিং নৈৰে পানী কৰে তলে-বলে,
ঘাটেয়ে নকৰে পাৰ—ইত্যাদি।

জয়মতী কুঁৱৰীৰ বিষয়ে পোৱা মালিতা কেইফাকিৰ পৰাও আমি বুৰঞ্জীৰ কথা পাওঁ:—

মাদুৰী চহৰত ডাঙৰ হৈ আছিলোঁ
বৰগোহাইৰ আছিলো জী,
গদাপাণি কোঁৱৰে নিলে তুংখুঙলৈ
চকলং বিয়াকৈ দি।

সেইদৰে আমি আন এফাঁকিৰ পৰা জয়মতীক শাস্তি দিয়াৰ কথাও জানিব পাৰোঁ—

হাবিতে কান্দিলে হয়কলি চৰায়ে
চিটিকাৰ মুখলৈ চাই,
জেৰেঙা পথাৰত কান্দে জয়মতী
চাওদাঙৰ মুখলৈ চাই।

গৌৰীনাথ সিংহৰ বিষয়েও এফাঁকি গীত শুনিবলৈ পোৱা যায়—

চাবুমাৰি ধৰিলে
জাপ্‌মাৰি উঠিলে
চাবুকৰ মাৰিলে চাট
গড় দেলে ওঠৰ হাত।"

ৰজাই নগৰৰ পৰা ৰাতি বাহিৰলৈ ওলায় যায়। ক'লৈ? সোণধৰৰ হাৰীৰ ঘৰলৈ।

বগৰিত বান্ধিলে ঘোঁৰা
দুৱাৰত টোকৰ মাৰি
সোমালে স্বৰ্গদেও
সোণধৰৰ চোতালৰ পৰা।
তিনিডাল ইকৰাৰ লগালে ৰাতি
বিশ্বনাথে পাৰিলে শোৱা ঢাৰি-পাটি।
ডোখৰ ডোখৰ বেঙেনাৰ
ডোখৰ ডোখৰ বেটু;
দধি দুগ্ধ এৰি থৈ
স্বৰ্গদেৱে খালে
পুঠি মাছৰ পেটু।"

এইজনা স্বৰ্গদেৱৰ বিষয়ে আৰু এফাঁকি কথা শুনিবলৈ পোৱা যায়:

লাওপাত কাটিলোঁ কচুপাত কাটিলোঁ
লতাপাত কাটোগৈ বল;

তৰাৰতীৰ গিৰিয়েক সোণধৰ হাৰীৰ জোঁৱায়েক
ধোম্দৰ তলে সৰকি গ'ল।

আজান ফকীৰৰ জিকিৰ সমূহতো বুৰঞ্জীৰ সাঁচ পৰিছে। গদাধৰসিংহৰ দিনত আজান ফকীৰ অসমলৈ আহে। ৰূপাই দা-ধৰা নামে আজানৰ জ্ঞাতি এটাই আজানৰ ওপৰত চোৰাংচোৱাৰ অভিযোগ তোলে।

গৰীয়াই গৰীয়াই কিনো ষড়যন্ত্ৰ লগাইছে
ৰূপাই দা-ধৰা ৰজাত।

আজানৰ চকু কঢ়া হ'ল। কিন্তু পিচত ৰজাই মাটি-ভেটি দি পাতিলে।

সুৰাগুৰি চাপৰি দিখৌ নৈ কাষৰি
ৰজাই সজাই দিয়া মঠ;
ছকুৰি ভকতে লয় আল্লাৰ নাম
মাদুৰী বনৰে কঠ।

"মণিৰাম দেৱানৰ গীত"তো আমি অতীতৰ কথা, বুৰঞ্জীৰ বাণী শুনিবলৈ পাওঁ ঃ

ৰজা পাতিবলৈ ওলালি মণিৰাম
ষতৰাই মাৰিলে হাঁচি,
লৰাকৈ তিৰোতা' আথানিত পেলালি
ললি ষোৰহাটত ফাঁচি।

মণিৰাম দেৱানে ৰজা হবলৈ ইচ্ছা কৰিছিল।

সোণৰ ধোৱাঁখোৱাত খালি ঐ মণিৰাম
ৰূপৰ ধোঁৱাখোৱাত খালি,
ৰজা হবলৈ ওলালি মণিৰাম
ডিঙিত চিপেজৰী ললি।

মানৰ হাতৰ পৰা অসম দেশখন লৈ পুৰন্দৰ সিংহক লাল-বন্দীকৈ দিয়ে। খাজনা তুলি ৰজাৰ হৈ মণিৰাম দেৱান, লঠৌ খাৰঘৰীয়া ফুকন আৰু কাশীনাথ তামুলী ফুকনে লালবন্দী শোধাবলৈ যায়।

ছঅ'ৰা নাও লৈ লালবন্দী দিবলৈ
মণিৰাম ভটীয়াই গ'ল ;
পাচতে থাকিলে পিয়লি বৰুৱা
ছকুৰি পাইকৰ মেল।

"চিপাহী বিদ্রোহ"ত যোগ থকা বুলি মণিৰামৰ ফাঁচি হ'ল।

আগনিশা কান্দিলে ঘুঘুৰী কপৌ
পাচনিশা কান্দিলে ফেঁচা,
মণিৰাম দেৱানক যোৰহাটত মাৰিলে
ৰংপুৰ জিলা হ'ল চেঁচা।

মণিৰামৰ লগতে পিয়লী বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱাৰো ফাঁচি হয়। ৰাইজৰ মানত পিয়লী বৰুৱা নিৰ্দ্দোষী।

মণিৰামক মাৰিলি ভালকে কৰিলি
পিয়লিক মাৰিলি কিয়,
এইনো কথা শুনি ৰংপুৰ আমোলাৰ
আকাশে উৰি গ'ল জীৱ।

হৰনাথ পৰ্ব্বতীয়া বৰুৱাই মণিৰামক ধৰা পেলাই দিয়ে—

লঠৌৱে লঠালে পুৰন্দৰে পুৰিলে
হৰনাথে মাৰিলে কণ
অতকে ধনেকৈ নাটিলে মণিৰাম
ভাটীলৈ মেলিলি মন।

চিকণ-সৰিয়হ জয়ধ্বজসিংহৰ জেঠেৰীয়েক। চক্ৰধ্বজসিংহই ৰাজদ্ৰোহ অপৰাধত পেলাই বাঘচোৰ হাফলু হাটত মাৰিলে। এই চিকণ-সৰিয়হৰ সাতোটা ককাই-ভাই। এওঁবিলাকৰ বিষয়েও কেইফাঁকিমান গীত শুনা যায়।

নগাঁও খৰঙী কলিয়াবৰ মৰঙ্গী
সাতৰাজ মাৰিলো ভাই ;
চিকণ-সৰিয়হৰ মান
ধুনীয়া নাই।

ঢোল, মৃদঙ্গ, খোল আৰু তালৰ মালিতাতো ৰুৰঞ্জীৰ ধ্বনিয়ে ৰব ধেমালি সৰু ধেমালি গাব লাগিছে। ৰাজবংশীনিৰ মেলত ৰজাৰ আগে-পিচে গায়নে-বায়নে গাই যায় ঃ

নানা বাদ্যৰ বাজন কৰে ৰজাৰ সভাত
খোল, মৃদঙ্গ কৰতাল বাদ্য অসংখ্যাত ॥
সোধন ঢুলীয়া গই ৰজাৰ সভাত।
ঢোলৰ মালিতা গায় ৰজাৰ আগত ॥
ৰাজবংশনি ছেও মাৰি ৰজাক নমাই।
তাৰ বাদে নানা বাদ্য লেখ-জোখ নাই ॥

ঢোলৰ মালিতাৰ এঠাইত আছে ঃ

স্বৰ্গৰ পৰা নামি চুকাফা স্বৰ্গদেৱ।
কৰিলা ৰাজত্ব যাৰ সম নাহি কেৱ ॥
সেইহেতু অসম-ৰজা নাম ভৈলা খ্যাত।
প্ৰথমতে আসি ভৈলা চুকাফা মহাৰাজ ॥
ৰজাৰ ৰূলনি কৈলোঁ ৰুৰঞ্জীক চায়।
ইন্দ্ৰবংশী স্বৰ্গৰজা ৰাজভোগ খায় ॥
ৰজাৰ ৰুৰঞ্জী বিটো শুনে এক মন।
হৈবেক সম্পত্তি বৃদ্ধি শত্ৰুৰ দমন ॥

পাহৰণিৰ বুকুত লয় পাবলৈ ওলোৱা আৰু ভালেমান গীত আছে। মানুহ স্বভাৱতে সঙ্গীত-প্ৰিয়। অন্তৰৰ ভাবাৱেগবোৰ উজাৰি দিওঁতে ৰাজ্যৰ, সমাজৰ, প্ৰতিভাশালী ডা-ডাঙৰীয়া সকলৰ কথা সহজতে সোমাই পৰে, সেয়েহে আমি যুগে যুগে যুগৰ বাৰতা পাওঁ। গীতি-সাহিত্যই আমাক ৰুৰঞ্জীৰ সাক্ষ্য দিয়ে। লগে লগে সুৰ, লয় আৰু মূৰ্চ্ছনাৰো সমল যোগায়।

বিয়ানাম ঃ নাৰী জীৱন

লোক-সাহিত্য লোক-জীৱনৰ প্ৰতিচ্ছবি। লোক-জীৱনৰ সুখ-দুখ, হাঁহি-কান্দোন, মিলন-বিৰহ আদিৰ কথাবোৰ লোক-সাহিত্যৰ চিত্ৰনত উজলি উঠে। বিয়ানাম লোক-সাহিত্যৰ এটা এৰাব নোৱৰা অঙ্গ। লোক-সাহিত্য বৰ ভঁৰালৰ এখোঁটালি মাণিকী-মধুৰি জহা, যাৰ পাহৰিব নোৱৰা গোন্ধে আটাইকে আপোন-পাহৰা কৰি ৰাখিব পাৰে। বিয়া সৃষ্টিৰ অতি পুৰণি সত্য। যুগ-যুগান্তৰ বাগৰি আহিলেও সেই সত্যৰ ব্যতিক্ৰম আজিও হোৱা নাই। সেয়েহে বিয়াৰ সনাতন সত্যটো উপলব্ধি কৰি আয়তীসকলে বিয়ানাম ৰচিছিল—

এঙ্গনি জেঙ্গনি তিনি ফেৰেঙ্গনি
মাণিক থোপাথুপি লাগে,
হৰলৈ গৌৰীকে নিদিওঁ নুবুলিবা
সৃষ্টি বাঢ়িব লাগে।”

এই বিয়ানামবোৰ স্বাভাৱিকতেই নাৰীৰ ৰচনা, গতিকে নাৰী-জীৱনৰ এটি হুবহু চিত্ৰ ইয়াত ফুটি উঠিছে। অসমীয়া নিচুকনি গীত, বিহুনাম, বনঘোষা, আইনাম আদিত যেনেকৈ অসমীয়া নাৰী-জীৱনৰ চিত্ৰ দেখিবলৈ পোৱা যায় সেইদৰেই বিয়ানামতো পোৱা যায়, কিন্তু বিশেষত্ব এয়ে যে বিয়ানামবোৰ নাৰীৰ নিজা ৰচনা হোৱা বাবে ইয়াত সেই চিত্ৰবোৰ অধিক সজীৱ, অধিক স্পষ্ট, অধিক মোহ লগা হৈ উঠিছে।

ঊষা, ৰুক্মিণী, সীতা, পাৰ্বতীৰ দৰে মনোমত ৰূপে-গুণে বিভূষিত স্বামী লাভ কৰাটো প্ৰত্যেক গাভৰুৰে ইচ্ছা, আকাঙ্কা, হেঁপাহ। সেয়েহে ঊষা-অনিৰুদ্ধ, কৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা, হৰ-পাৰ্বতীৰ যুগজয়ী প্ৰণয়-কাহিনীয়ে বিয়ানামত ঠাই পাইছে আৰু

তেওঁবিলাকৰ জীৱনৰ যোগেদি অসমীয়া নাৰী-জীৱনৰ তথা নাৰীৰ অৱচেতন মনৰ বহুতো কথাই ব্যক্ত হৈছে। সৃষ্টিৰ নিয়ম মানি মিলনৰ লগ্ন-গাঁঠিটোৰ পাকত সোমাবলৈ হয়তো মনত উচ্‌পিচনি লাগে।

পাটীত বহি ৰুক্মিণীয়ে মাটিত মঙ্গল চায়।
কেতিয়া আহিব কৃষ্ণ সোণৰ বাংশী বাই॥
পাটীত বহি ৰুক্মিণীয়ে মনে মনে গুণে।
কৃষ্ণ আহিছে বুলি কাণ পাতি শুনে॥

এয়া, তাহানি নহয় আজিৰ সদ্যসজ্জিতা কন্যাই ৰভাতলীত বহি থাকোঁতে মনত গুমৰি থকা মনস্তাত্বিক সত্যৰে এক অভিব্যক্তি।

বাণৰজাৰ জীয়ৰী সৰ্ব্বাঙ্গ সুন্দৰী
বহিছে কেপকৰা পাৰি,
ওচৰতে বহি অনিৰুদ্ধ কোঁৱৰে
আছে ধনু-শৰ ধৰি॥

* * *

সৰ্ব্ব অলঙ্কাৰে সৰ্ব্বাঙ্গ জ্বলিছে
নেপুৰে ধৰিছে তুলি;
অনিৰুদ্ধ কোঁৱৰে ধনু শৰ ধৰিছে
কোনোবাই হৰিব বুলি।

এয়া, উষা-অনিৰুদ্ধৰ প্ৰতীকেৰে অংকন কৰা আজিৰ দিনৰে ৰভাতলীত জীৱনৰ মহান মন্ত্ৰত দীক্ষিত হবলৈ সাজু হোৱা দৰা-কন্যাৰ হুবহু চিত্ৰ।

বিয়ানামৰ বুকুত জিলিকি উঠা চিত্ৰবোৰৰ আজিৰ আধুনিক জীৱনৰ লগত হয়তো খাপ নেখাব বা আঁত নোলাব, কিন্তু পুৰণি অসমীয়া সমাজ এখনৰ নাৰী-জীৱনৰ সাইলাখ প্ৰতিচ্ছবি পৰিস্ফুট হৈ উঠিছে। মাকে 'লোকৰ ঢাপৰ কচু খাই' ছোৱালী তোলে। বাপেকে 'লোকৰ কটা গুৱা খাই' উলিয়াই দিয়ে। বাৰীৰ পাচ-

ফালে আইদেউৰ তাঁতশাল। সৰু-সূতাৰ তাঁত তাঁৰি এওঁহালি বয়, চৰায়ে সূতা ছিঙে, এয়েই অসমীয়া শিপিনী নাৰীৰ জীৱন। তাঁতশালখন অসমীয়া নাৰী-জীৱনৰ অপৰিহাৰ্য্য আহিলা। আইদেউৰ লগত তাঁতশালখনৰ সম্পৰ্ক ইমানেই নিগূঢ়, ইমানেই এৰাবনোৱৰা যে বিয়াৰ দিনা তাঁতশালখনেই চকুপানী টোকে, কান্দে।

ৰৰঘৰত কান্দিলে মাকে-বাপেকে
মাৰলত কান্দিলে ভনী,
বাৰীৰ পিছফালে কান্দে তাঁতৰ শালে
আইদেউক বিয়া দিবৰ শুনি।

বিয়ানামৰ ফাঁকিবোৰত আৰু বহুতো চিত্ৰ আছে। যেনে ঃ—

ৰৰঘৰৰ মুধতে আইদেউৰ তাঁতৰ শাল
ঐ ৰাম, হাতত হেঙুলীয়া মাকো ;
আহোঁতে যাওঁতে আইদেউক চাওঁতে
ঐ ৰাম, গৰকি ভাঙিলে সাকো।

* * *

বাৰীৰ পিচফালে আইদেউৰ তাঁতৰ শাল
বহি বৈ আছিলে তাঁত ;
কতক মাতি থাকা হেৰা ৰামচন্দ্ৰ
মহুৰাৰ হেৰাইছে আঁত।

অসমীয়া নাৰীৰ পাৰস্পৰিক সম্পৰ্ক আলসুৱা, কোমল। যাকে-ননদে দুদিনলৈ আঁতৰা-আঁতৰি হলেও দুটোপাল চকুৰ পানী ওলায়। চিৰদিনলৈ এখন অচিনাকি ঘৰলৈ ওলাই যাবৰ বেলিকা শোকে খুন্দা মাৰি ধৰাটো স্বাভাৱিক।

আমি তিনি ভনী তিনিটি খঁড়ৰে
আয়ে সৰু সূতা কাটে ;
আমি তিনি ভনী যাওঁ তিনি ঘৰে
আয়ে বাও কাঢ়ি কান্দে।

"পো হ'লে আনে, জী হ'লে দিয়ে,"—সৃষ্টিৰ নিয়ম। এই সৃষ্টিৰ নিয়ম মানি ল'বলৈ চিৰসহনশীলা অসমীয়া নাৰীক উপদেশ দিবৰ সময়ত মাথোন প্ৰবোধ দিয়ে—

কতক অসন্তোষে কৰা ঐ আইটি
আমাৰ পুৰি আহে হিয়া ;
পুত্ৰ হলাহেঁতেন ৰখাই থলোহেঁতেন
কি কৈ দিম মাধৱত বিয়া।

অসমীয়া নাৰী শিপিনী, কাজী, বোৱনী, দাৱনী, ঘৰৰ লখিমী। জীৱনৰ মহান মন্ত্ৰৰে দীক্ষিত হৈ এঘৰৰ লখিমী হৈ ওলাই যাবৰ সময়ত স্বাভাৱিকতে অনাগত জীৱনৰ দায়িত্ব আৰু কৰ্ত্তব্যলৈ মনত পৰে। আইদেউ আলসুৱা। টান বনত ৰতি নাই—হয়তো আছে, কিন্তু কোৱাটো এটা নিয়ম মাত্ৰ।

শুনি থাক শুনি থাক অ' জোঁৱাই লৰা
আইদেউৰ চৰিত্ৰ কওঁ ;
লাহেকৈ মাতিবা টান বন নিদিবা
চেঁচুকৰ ডেম-ডেউকা হে।
চোতালৰে পৰা সোধে জোঁৱাই লৰা
আইদেৱে কি বন পাৰে ?
শৰাইত গুৱা কাটে তাঁতত হালেজালে
আইদেৱে সেই বন পাৰে।
শুকান পিঠাগুৰি চালিব নোৱাৰে
হাতত পানী জোলা বান্ধে ;
লোকৰ বৰে কথা শুনিব নোৱাৰে
উচুপি উচুপি কান্দে।

এইয়া ব্যঙ্গোক্তি মাত্ৰ। অসমীয়া নাৰী-জীৱনৰ লগৰীয়া এই কাম-বোৰৰ প্ৰতি গৰাকী অসমীয়া গাভৰুৰেই পাকৈত। ঘৰৰ লখিমী অসমীয়া নাৰীয়ে ঢেঁকী দিয়ে, ৰৰা চালি লয়, মলখু বাছি

লয়। সেয়েহে বিয়াৰ দিনা এৰা-এৰি হ'বৰ বেলিকা লগৰ লগৰীয়াই সোঁৱৰাই দিয়ে—

চাউল চাৰিপুৰা ক'তেনো এৰিলা
চিৰা চাৰিপুৰা পাই ;
মৰমৰ সৰু ভাইক ক'তেনো এৰিলা
জীৱনৰ লগৰী পাই।

অসমীয়া নাৰী আদৰ্শ গৃহিণী। অসীম ভাল পোৱা, অশেষ ত্যাগ আৰু কষ্ট স্বীকাৰ, সমুচিত বুজাবুজি আৰু শ্ৰদ্ধাৰে দাম্পত্য জীৱনৰ পাতনি তৰাটোৱেই হ'ল ভাৰতীয় নাৰীৰ আদৰ্শ। সেয়েহে পুৰুষৰ জীৱনত বিবাহিতা নাৰী 'ঘোচামৰ জৰী'।

লাওফুল ছিঙোতে ছিগিল লাওকলি
ছিগিল মুছিয়ালৰ জৰী ;
মনৰ ঘোঁৰা মেলি ফুৰিব নোৱাৰা
ভাৰ্য্যা হ'ল ঘোচামৰ জৰী।

অশেষ কষ্টৰে লোকৰ ঘৰত বন কৰি খাবলগীয়া হোৱাটো অসমীয়া নাৰীৰ বাবে একো নতুন কথা নহয়।

কেলেই কুটিলা চুমেকৈ পচলা
লোকে বাটি ভৰাই খাব,
কেলেই তুলিলা বুপহী আইদেউ
লোকে বন কৰাই খাব।

অসমীয়া বোৱাৰী আৰু শাহুৰ সম্পৰ্কৰ বিষয়ে ন-কৈ কবৰ আৱশ্যক নাই। জীয়ৰী জীৱনৰ ডেওনা গৰকি বোৱাৰী হ'বলৈ ওলোৱা আইদেউক শাহু আইৰ ব্যৱহাৰৰ প্ৰতি সতৰ্ক কৰি দিয়ে—

শহুৰৰ মৰমে বাৰু দেখিলো
চপাই কলেগুৰিত থলে ;
শাহু আইৰ মৰমে অতি নিদাৰুণে
জীয়েকক পইতা খাঁচে।

বিয়ানাম অসমীয়া সাহিত্যৰ অতি আপুৰুগীয়া সম্পদ। এই বৈৰ্য্যক্তিক ৰচনাসমূহত নাৰী-মনৰ কোমল কোমল চিত্ৰ, শব্দ ব্যঞ্জনা, ছন্দ-ধ্বনিৰ চমৎকাৰিত্ব ফুটি উঠিছে। প্ৰকৃতি-পুৰুষৰ অপৰিহাৰ্য্য মিলনৰ মাধুৰিমা ব্যক্ত কৰা এই গীতি-সাহিত্যৰাজিত নাৰী-পুৰুষ উভয়ৰেই জীৱনৰ চিত্ৰ অঙ্কিত হৈছে। তাৰে ভিতৰত বিয়ানামবোৰত নাৰী-মনৰ অনেক কথাই প্ৰকাশ পাইছে। বহুল আলোচনা, গভীৰ অধ্যয়ন আৰু ব্যাপক সংগ্ৰহৰ যোগেদি বিয়া-নামত অসমীয়া নাৰী-জীৱনৰ বহুতো কথাকেই বিচাৰি উলিয়াব পৰা হ'ব।

কেৱল ঘোষা

কেৱল ঘোষা কেৱলা সম্প্ৰদায়ৰ ধৰ্ম্মগীত। এই সম্প্ৰদায়ক মানুহে বাহিৰত ৰাতিখোৱা সম্প্ৰদায়, গুপ্ত সম্প্ৰদায়, অৰীতিয়া, ভিতৰপন্থীয়া, থেকেৰাফুলীয়া আদি নামেৰে অভিহিত কৰে। উক্ত সংজ্ঞা কেইটা উক্ত সম্প্ৰদায়ৰ লোকে স্বীকাৰ নকৰে আৰু তেওঁবিলাকে তেওঁবিলাকৰ ভক্তিমাৰ্গক কেৱলা ভক্তি বুলি কয়। গুণ অনুসৰি ভক্তিক তিনিভাগত ভাগ কৰা হৈছে, যেনে নিৰ্গুণা, কেৱলা আৰু সপ্ৰেমা। কেৱলা ভক্তিৰ গুৰুত আশ্ৰয়, কৃষ্ণত শৰণ, পঞ্চতত্ত্ব জ্ঞান মূলমন্ত্ৰ জপি আত্মবিচাৰ, জীৱন বিচাৰ, শ্ৰৱণ-কীৰ্ত্তন, সাধুত প্ৰীতি ৰাখিলে তাকে কেৱলা ভক্তি বোলে—(ভক্তিতত্ত্ব দৰ্শন পৃঃ ৮২)। উক্ত ভিতৰপন্থীয়া লোকে কেৱলা ভক্তি পন্থৰ বুলি পৰিচয় দিয়ে।

কেৱল ঘোষাৰ অৰ্থ আৰু কেৱলা ভক্তিৰ উদ্দেশ্য গভীৰ দাৰ্শনিক ৰহস্যাবৃত। সমগ্ৰ অসমতে তথাকথিত ৰাতিখোৱা সম্প্ৰদায়ৰ লোক আছে। তেওঁলোকৰ আটাইৰে লোকাচাৰ একে নহয়। সেইদৰে গীত-পদো একে নহয়। আমি এই প্ৰবন্ধত উজনি অসমত বিশেষকৈ কেইখনমান সত্ৰত ভজন লৈ এই ধৰ্ম্ম আচৰা লোকসকলৰ বিষয়েহে আলোচনা কৰিম। শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনতে ভাগৱতী বৈষ্ণৱ ধৰ্ম্মক কাণ্ঠা অনুসৰি তিনি সংহতিত ভাগ কৰিছিল বুলি ভকতসকলে কয়। তাৰে এটা সংহতি হল কালসংহতি। কালসংহতিৰ গুৰিতে ভবানীপুৰীয়া গোপাল আতা। এইজনা পুৰুষৰ আজ্ঞাপৰ সত্ৰ কেইখনমানতে উক্ত কেৱলা ভক্তিৰ ধাৰাটোৰ পোখা মেলে। এই পন্থৰ পুৰণি সাঁচিপতীয়া পুথিত এটা ভণিতা পোৱা হৈছে—

কহে মূঢ়মতি ভূমিধৰ মায়াত পাগল।
কিছু কৃপা কৰা ভবানীপুৰীয়া গোপাল ॥
কৰ্ণধাৰ গুৰুৰূপী হুয়োক প্ৰসন্ন।
পুনৰপি নমো সন্ত গুৰুৰ চৰণ ॥

কাল সংহতিৰ সত্ৰসমূহৰ এটা অংশত উক্ত পন্থটো চলিছিল আৰু কোনো কোনো সত্ৰত চলিয়েই আছে—অৱশ্যে ভালেমান সত্ৰই এই পন্থৰপৰা আঁতৰি যোৱাও দেখা যায়। এই সম্প্ৰদায়ৰ কাৰ্য্য-কলাপসমূহ আদিৰে পৰাই অতি গুপুত। এতিয়াও সেই গোপনীয়তা ৰক্ষা কৰিবলৈ যাওঁতে বাহিৰত এই পন্থ সম্পৰ্কে অপপ্ৰচাৰ হৈছে আৰু এই পন্থৰ প্ৰতি তাচ্ছিল্যপূৰ্ণ মনোভাবৰ সৃষ্টি হৈছে। এই সময়তে সত্যৰ পৰাকাষ্ঠা দেখুৱাই সেই মতত প্ৰবৰ্ত্তিত লোকসকলে তেওঁলোকৰ মতবাদৰ দাৰ্শনিক আৰু উচ্চ আধ্যাত্মিক গূঢ়াৰ্থ ব্যাখ্যা কৰিবলৈ আগবাঢ়ি অহাটো উচিত হ'ব।

কেৱলা ভক্তি তেওঁবিলাকৰ মতে শুদ্ধ ভাগৱতী ধৰ্ম্ম। শিৱই সতীৰ আগত এই ভক্তিতত্ত্ব ব্যাখ্যা কৰিছিল।

শুনা প্ৰাণ-সতী কহিলো মুকুতি
মই গুৰু স্বৰূপত।
মনুষ্য দেহত থাকি নিজৰূপে
প্ৰবৰ্ত্তাওঁ ত্ৰিজগত ॥

(ভক্তি-প্ৰেমাৱলী পৃঃ ১১০)

শুদ্ধমনে, শুদ্ধচিত্তে ঈশ্বৰত, কৃষ্ণত প্ৰেম-ভক্তি ওপজাব নোৱাৰিলে সকলো মিছা। গতিকে এওঁবিলাকৰ ভক্তি প্ৰেম-প্ৰধান।

সকলো ভক্তিৰ মাজে শিৰোমণি
প্ৰেম ভক্তিতত্ত্ব সাৰ।
হেন প্ৰেমভক্তি যিজনে জানয়
আপুনি হোৱে ঈশ্বৰ ॥

নাম সমে প্ৰেম যিটো পুৰুষৰ
ভৈলা জানা ঈশ্বৰক।
কেৱল কৃষ্ণক ভকতিত বশ্য
কি কৈবো তাৰ ভাগ্য ॥
(ভক্তি-প্ৰেমাৱলী ১৭২-১৭৩)

এই পন্থত নিন্দা, ঘৃণা, হিংসা, অসূয়াৰ স্থান নাই। সকলো সমান ব্ৰহ্মজীৱ; পূৰ্ণ ঈশ্বৰ পৰমাত্মাৰ পৰা জীৱৰূপে আহি পৃথিবীত আছেহি। গতিকে সকলোকে সেই পূৰ্ণ ব্ৰহ্মৰ অংশৰূপে ভাবি গুণহে লব লাগে।

কেৱল গুণক লৈবাৰ নিমিত্তে
কেৱলা বোলয় তাক।
কেৱলা ভকত সাক্ষাত ঈশ্বৰ
কহিলোঁ মুনি তোমাত ॥

এইয়া নাৰদক শিৱই কেৱলা ভক্তি সম্পৰ্কে তত্ত্ব ব্যাখ্যা কৰিছে। পাঞ্চভৌতিক দেহতেই ব্ৰহ্মাণ্ডখন আছে। পঞ্চতত্ত্ব জ্ঞানীয়ে মূলমন্ত্ৰ জপি আত্মাক চিনিব পাৰিলেই পূৰ্ণ ঈশ্বৰক লগ পায়। এই ভক্তি ভাগৱতৰ সৃষ্টিতত্ত্বৰ ওপৰতে প্ৰতিষ্ঠিত। এই সৃষ্টিতত্ত্বযুক্ত ভক্তিৰ কথা সতীৰ আগত শিৱই কৈছিল আৰু নাৰদেও ইয়াৰ ভাগ পাইছিল। উক্ত পন্থত সদাশিৱই যথেষ্ট প্ৰাধান্য লাভ কৰিছে। অৱশ্যে শ্ৰীশংকৰদেৱেও শিৱ আৰু বিষ্ণুক অভেদ জ্ঞান কৰিবলৈ কৈছে। দুয়োজনক ভেদ কৰাটো নামাপৰাধ।

গুণ নাম যত বিষ্ণু-মন্দিৰ।
তাক ভিন-বুদ্ধি কৰে যি নৰ ॥
নামৰ সিও মহা-অপৰাধী।
নৰকত পৰে দৈৱে নৰাধি ॥ (কীৰ্ত্তন)

সেইবাবেই শিৱই উক্ত সম্প্ৰদায়ৰ অনুষ্ঠান নিজাবিহাৰ বা বৰসেৱাত

ভক্তিতত্ত্ব ব্যাখ্যা কৰাৰ নিয়ম আছে। শিৱ-সতীৰ অনুৰূপে এওঁবিলাকে প্ৰকৃতি আৰু পুৰুষেই যে সৃষ্টিৰ মূল তাক স্বীকাৰ কৰে আৰু সেইবাবেই উক্ত ভক্তিপন্থত পুৰুষ আৰু তিৰোতাই সমান ভাগ লব পাৰে।

অসমলৈ নৱবৈষ্ণৱ আন্দোলনৰ ধাৰা বোৱাই আনোতা, ব্ৰহ্মাণ্ড ভেদি যোৱাকৈ পাৰ ভাঙি দি হৰিনাম ৰস, প্ৰেম অমৃতৰ নদী বোৱাই দিওঁতা শ্ৰীশঙ্কৰদেৱেই সততে উক্ত পন্থটো দি গল বুলি ভকতসকলে কয়। তেওঁবিলাকৰ মতে সাক্ষাৎ ভগবান শ্ৰীকৃষ্ণই পূৰ্ণৰূপে শঙ্কৰ হৈ জন্ম লৈছিল—

দ্বাপৰ যুগত দৈৱকী নন্দন
কলিত কুসুম ঘৰে।
কৃষ্ণেসে শঙ্কৰ স্বৰূপ ধৰিয়া
জগত উদ্ধাৰ কৰে॥

তেওঁবিলাকৰ এই গীতসমূহতো এই বিষয়ে পোৱা যায়।

অপৰ থানৰ কেৱল ভকতি
শঙ্কৰ মাধৱ দুই।
দেহ ভেলে বৃক্ষ জীৱ পৰামাত্মা
পক্ষীৰ আকাৰ হুই॥
অপৰ থানৰ কেৱলা ভকতি
নমাইলা শঙ্কৰদেৱ।
ভক্ত দুইজনে ভকতি কৰিলে
মাধৱক কৰিছে সেৱ॥

* * *

পূৰ্ণ শঙ্কৰ পূৰ্ণ মাধৱ
পূৰ্ণ পুৰুষোত্তম।
পূৰ্ণ ঈশ্বৰত কাৰণে পশিলে
অধমো হোৱে উত্তম॥

* * *

শঙ্কৰ মাধৱ গোপাল যাদৱ
হাড়ক টানি ৰস পিলে।

*   *   *

পূৰ্ণ শঙ্কৰে ভকতি আনিয়া
দিলে ভাৱন্তে দেখা।
স্থাৱৰ জঙ্গম ধূলা সীমা কৰি
ললে ভকতৰে লেখা॥
হেনয় শঙ্কৰে বৈকুণ্ঠে চলিলা
সাক্ষী থলে ভাগৱত।
সমস্ত তত্ত্বক বুজিয়া বুলিয়া
ললে ভকতিৰ মত॥
আদি পূৰ্ব্বাপৰে সত্য দ্বাপৰে
এহিমতে গৈল চলি।
শঙ্কৰ মাধৱে দুজনা গুৰুৱে
নামৰে কঠীয়াভলী॥

এই পন্থতো নামেই প্ৰধান। কিন্তু এই পন্থৰ লৌকিক আচাৰ-ব্যৱহাৰ আদিলৈ চালে ইয়াত কেইবাটাও পৌৰাণিক ধৰ্ম্মৰ সাঁচ থকা যেন লাগে। শিৱক প্ৰাধান্য দিয়া আৰু ৰুদ্ৰাক্ষৰ মালা পিন্ধালৈ চাই শৈৱধৰ্ম্মৰ প্ৰভাৱ পৰা যেন লাগে। ৰুদ্ৰাক্ষ হেনো শিৱৰ চকুৰ পৰা জন্ম হৈছিল আৰু ৰুদ্ৰাক্ষৰ মালা সাধাৰণতে শিৱ-উপাসকে পিন্ধে। কোনো কোনোৱে সাপৰ কাঁইটৰ মালাও পিন্ধে। এই দুয়োটালৈ চাই শৈৱ প্ৰভাৱ পৰা যেন লাগে। তদুপৰি উক্ত ভক্তি-পন্থ শিৱই কৈছে বুলি স্বীকাৰ কৰিছেই। দ্বিতীয়তে মন্ত্ৰত বিশ্বাস। উক্ত পন্থৰ সকাম-নিকামত দিয়া জীৱ আদি মন্ত্ৰৰে মৰা হয়। মন্ত্ৰক প্ৰাধান্য দিয়া বাবে তন্ত্ৰৰ, জীৱই 'নিৰ্ব্বাণ' লাভ কৰে বুলি ভবাটোৱে বৌদ্ধ সহজীয়া মাৰ্গৰ কিঞ্চিৎ প্ৰভাৱ পেলোৱা যেন লাগে কিন্তু পৰমাত্মা বিশ্বাস কৰালৈ চাই বৌদ্ধ প্ৰভাৱ নাই পৰা যেন লাগে।

এই সম্প্ৰদায়ে তেওঁবিলাকৰ অনুষ্ঠানত 'ৰস' ব্যৱহাৰ কৰে। এই ৰস ভকতসকলে সৃষ্টিৰস বা নিজৰস বুলি গণ্য কৰে। লিঙ্গ, যোনি আৰু বীৰ্য্য যেনেকৈ জীৱ সৃষ্টিৰ আদি মূল ; পূৰ্ণ, ভকত আৰু ৰস এই তিনিও ভক্তিৰ আদি মূল। ভক্তি ৰসময়ী। স্বয়ং শ্ৰীকৃষ্ণৰ যদু বংশত এই ৰসৰ ব্যৱহাৰ আছিল বাবেই সেই পূৰ্ণ কৃষ্ণ ঈশ্বৰৰ নামত ভকতি কৰোতে ৰস ব্যৱহাৰ কৰাটো অপৰিহাৰ্য্য বুলি ভাৱে। এই ৰস কোনে আনিলে ?

সৰগৰ পৰা ৰসে নমাই আনি
বাধা আই পাতিলে হাট।
বালি চাহীৰপৰা হস্তী সীমা কৰি
সবেও লুকাইছে তাত ॥

* * *

মই পূৰ্ণ ৰসকে চাওঁ হৰি হৰি
মই পূৰ্ণ ৰসকে চাওঁ।
ইটো বাৰ ৰস কোনে আনি থৈলা
ইহাৰ অন্ত নেপাওঁ ॥
বাৰেও মহন্ত ভৈলে বাৰ ৰস
তিনি ৰস গৰ্ভতে থলে।
শঙ্কৰ মাধৱ গোপাল যাদৱ
হাড়ুক টানি ৰস পিলে ॥

* * *

কোন নামে ভকত কোন নামে ৰস
ইহাৰ বাৰ্তাৰ কোৱা।
ইহাৰ বাৰ্তাৰ আগতে কহিয়া
পাচতে ৰসকে লোৱা ॥

শিৱ নামে ভকত   ৰাধা নামে ৰস
কেৱল ভকতৰ হিয়া ।
ভকতৰ ৰসেৰে   বাতৰি কহিলোঁ
মাতৃ ৰসে দাঙি ধৰা ।।

এই সম্প্ৰদায়ৰ গুৰুজনক পূৰ্ণ, সাধু বা গুৰু বোলে। তিৰোতাক ভক্তি-মাতৃৰূপে জ্ঞান কৰে আৰু 'মাতৃ আই' বুলি সম্বোধন কৰে। সম্ভাৰক 'সাজ' বোলে আৰু যি বাটি-কাঁহীত থয় তাক 'থাল' বোলে। যি সাজৰ যোগান ধৰে তিওঁবিলাকক 'দোকানী' বা 'পোহাৰী' বোলে। ৰস কেলৈ খায়—

ৰসত প্ৰেম বাঢ়ে   প্ৰেমত ভক্তি বাঢ়ে
নেখালে প্ৰেমত ভক্তি নাই ।
ইটো খাৰপানী   প্ৰেম ৰস মানি
কেৱলা ভকতে খায় ।

কেৱলা ভকতি আৰু ৰসৰ লগত নিগূঢ় সম্বন্ধ আছে। সেই-মতে ৰসবিচাৰৰ গীতো আছে।

কিহতে জন্মিছা   কিহতে ভুঞ্জিছা
ইহাৰ বাতৰি কোৱা ।
ইহাৰ বাতৰি   কব নোৱাৰিলে
কেৱল ভকত নোহোৱা ।।
ৰসতে জন্মিছো   ৰসকে ভুঞ্জিছোঁ
ৰসকে কৰিছোঁ লয় ।
কেৱলাৰ বিচাৰে   সাধু-সদাচাৰে
আমাক ভকত বোলয় ॥
ৰসক কোন থানে   পাই মোৰ বান্ধৱ
ৰসক কোন থানে পাই ।
কেনেনো মুৰুতি   কেনেনো মুৰুতি
কহিও আমাক বুজাই ।।

কেৰলাৰ থানে ঈশ্বৰ নিৰমানে
আলাসতে আছে যাই।
বায়ু যেন মুৰতি অমৃত যেন তৃপতি
তাহিতে ৰসক পাই ॥
কিমতে দুহিবা ৰসক মোৰ বান্ধৱ
কিমতে দুহিবা ৰস।
কোনে হব গাই শঙ্কৰ গুৱাল
হৰিনামে দুহিবি ৰস ॥
কেৰলা ভকতে ভকতি বেহাওঁতে
ৰসক লৈ যাব লথ ॥
গুৰুকে কি বুলি ৰসক দান কৰিব
ভকতে কি বুলি লৈব।
এইনো ৰসক ভকতে ভুঞ্জিলে
ভকতৰ কি ফল হৈব ॥
মহৌষধ বুলিয়া গুৰুৱে দুহিয়া
ভকতক ৰসে দান দিবা।
নিজ ৰস বুলিয়া ভকতে ভুঞ্জিয়া
পাতকী যাইবো তৰি ॥

এই ৰসৰ যোগান ধৰা দোকানীনো কোন? গীতৰ মাজতে তাৰ পৰিচয় দিয়া আছে।

আমি নৱ ভনী ৰসৰে পোহাৰী
ৰসেপুৰ নগৰীত ঘৰ।
যাওঁ ৰাজবাটে বেহাওঁ গুৰুৰ হাটে
কাহাকো নকৰোঁ ভৰ ॥
কাহাৰ জীয়াৰী কাহাৰ বোৱাৰী
স্বৰূপ বাতৰি কোৱা।
স্বৰূপ বাতৰি কহিবে নোৱাৰা
উলটি ঘৰকে যোৱা ॥

আমি নব ভনী　　　　ৰসৰে গোহাৰী
ৰসপুৰ নগৰত ঘৰ।
মাধৱৰ জীয়াৰী　　　　শঙ্কৰৰ বোৱাৰী
কাহাকো নকৰোঁ দেৰ।

এই 'শংকৰ' 'মাধৱ'ৰ নিশ্চয় গুপুত অৰ্থ আছে। সঙ্গৰ বাহিৰৰ লোকে ইয়াক বুজা টান।

উজনিত এই সম্প্ৰদায়ৰ চাৰিটা বিশেষ অনুষ্ঠান আছে। ইয়াকে বিহাৰ বোলে। বিহাৰ শব্দটো ব্যৱহাৰৰ পৰা অহা। মাধৱদেৱৰ 'ভোজন ব্যৱহাৰ' বা 'ভোজন বিহাৰ' যেনেকৈ এখন অংক বা নাট এই বিহাৰ কেইখনো অংক বা নাট। কিন্তু ই গীত-প্ৰধান। অংকীয়া নাটৰ দৰেই ইয়াতো সূত্ৰ বা বচন আছে। বিহাৰ চাৰিখন হল—(১) নিজ বিহাৰ বা ৰৰসেৱা, (২) ফুল-বিহাৰ, (৩) গোপীবিহাৰ আৰু (৪) নগাবিহাৰ। অংকীয়া নাটৰ মূল উদ্দেশ্য যেনেকৈ বৈষ্ণৱধৰ্ম্মৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰা, এই বিহাৰ কেইখনৰো উদ্দেশ্য ভক্তি প্ৰচাৰ কৰা। ইয়াৰ অন্তৰ্নিহিত অৰ্থ পূৰ্ণ ভকতি। বিহাৰ কেইখন অংকীয়া নাটৰ দৰেই ৰাতি কৰা হয়। ভক্তি পন্থত সোমোৱা লোকৰ বাবেহে এই বিহাৰ কেইখন কৰা হয়। গতিকে তাত আনৰ প্ৰবেশ নিষেধ। আদিৰ পৰাই ই অতি গোপন আছিল আৰু বাহিৰত এইখন যে একোখন নাট এই পৰ্য্যন্ত নজনাৰ দোষত এই বিহাৰ অনুষ্ঠান-বোৰৰ প্ৰতি মানুহে বেয়াভাব পোষণ কৰা দেখা যায়। ভকত-সকলে এই সম্পৰ্কে কয় "গজলাত গজিলে, বাৰেঘৰত বাঢ়িলে, কাটনিত কাটিলে, ম'ৰামৰাত মাৰিলে মুৰা।"

আদিতে বিহাৰ তিনিখন আছিল। বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱ আৰু নগাৰ নৰোত্তমৰ মিলনৰ পৰা নতুনকৈ এখন বিহাৰ হল।

প্ৰথমে বলমী আদিত ম'ৰামৰা
বসে কাটনিপাৰ
বলমীৰ পৰা আহিল গুৰু বাপে
শ্ৰীৰামদেৱ পাতে বিহাৰ।
অতি সুখে-দুখে সুকোমল কায়া
পাতে ধৰমৰ থুল।
সাপেখাতীৰ পৰা ভকত চপাই আনি
মেলে ধৰমৰে মূল ॥

বিহাৰনো কি ?

কলীয়া কানাই বিনন্দ বিহাৰ
যোগায় গোপীসবে সাজ।
চাৰিও যুগৰে চাৰিটি বিহাৰ
চাৰিও বেদৰে বাজ ॥

নিজ বিহাৰ বা ববসেৱাই এইসকলৰ ঘাই অনুষ্ঠান। ভকত-সকলৰ মতে শ্ৰীশংকৰদেৱৰ চিহ্নযাত্ৰা নাটৰ আহি'ৰে সপ্তবৈকুণ্ঠ ইয়াতো আছে। শিৱই মেৰু পৰ্ব্বতত পূৰ্ণ ঈশ্বৰক ভক্তি কৰি বৈকুণ্ঠ লাভ কৰাৰ কাহিনী ভক্তিৰসাপ্লুত কৰি দাঙি ধৰা হৈছে।

মেৰু মূলে ধৰ্ম্ম প্ৰকাশিলা চাৰিবিধ ৰূপে প্ৰচাৰিলা
মূলধাৰা সঙ্গ ব্ৰহ্মক হৃদয়ে ধৰি।
মূল নামে আদি প্ৰকাশিলা জগমাতা সবে সেৱা কৈলা
আপুনি আত্মাত কৰণি কীৰ্ত্তন কৰি।

* * *

মাতাৰ আগত বিনাই কথা কহে
তাহাৰ নাম শিৱ।
অপৰ থানত আছে একজন
কেৱল ভকতৰ জীৱ।

এই বিহাৰত শিৱৰ ভাও লৈ এজন ওলায়। তেওঁৰ লগতে সঙ্গ ভকতো আছে আৰু শিৱই ভক্তিগীত গায়।

ব্ৰহ্মা নামিছে বিষ্ণু নামিছে
নামিল সীতাদেৱী আই
কৈলাসৰ পৰা মহাদেৱ নামিছে
ত্ৰিশূল ডম্বৰু বায়।
সত্য থানৰ পৰা বিষ্ণু নামিছে
জীৱলৈ মৰমে কৰি।
বৈকুণ্ঠৰ পৰা ঈশ্বৰ নামিছে
কাষে পাৰিষদ লৈ।"

* * *

শিৱ প্ৰৱৰ্ত্তিলে দিগম্বৰী ভাগে
কটিত কিঙ্কিনী নাই।
সবেও ঘটে মতে ভাঙিল মহাদেৱে
দিলে ভাবগুলে নমাই॥

নগাবিহাৰ। বাৰেঘৰ সত্ৰৰ অধিকাৰ শ্ৰীৰামদেৱৰ আৰু নগাৰ নৰোত্তম আতৈৰ আধ্যাত্মিক মিলনৰ পটভূমিত নগাবিহাৰ ৰচিত। শ্ৰীৰামদেৱ আগৰ জন্মৰ শ্ৰীমন্ত শংকৰ আৰু নৰোত্তম ৰজা নৰনাৰায়ণ। পিছৰ জন্মত দুয়ো জন্ম ললে কিন্তু পৃথিৱীৰ মায়া-মোহ আৰু বিষয়-বাসনাই দুয়োৰে আত্ম-পৰিচয় পাহৰাই পেলালে।

পূৰ্ব্বৰে পৰা আছোঁ একেলগে
বাটত হেৰুৱালো লগ।
সত্য, দ্বাপৰ ত্ৰেতাত বিচাৰি নেপালোঁ
কলিত মই পালোঁহি লগ॥
দেখিলে শুচি হও দুই পাৱৰ ধূলা লওঁ
বৈ আছোঁ ধৰমৰ ভাৱ।

সঁচা গুৰু মানি তোমাক সেৱা কৰোঁ
নিগমত কৰিবা পাৰ ॥

নগাবিহাৰত এজনে নগা নৰোত্তমৰ ভাও লয়। তেওঁ নগাই পিন্ধাৰ দৰে কাঠৰ মানুহৰ মূৰৰ মালা পিন্ধে। এই বিহাৰৰ শেষত গায়—

নগাৰ নৰোত্তমে গোসাঁই শ্ৰীৰামে
লগে বৈকুণ্ঠলৈ গল।

নগাবিহাৰ আৰু নিজবিহাৰ এই দুয়োবিধ বিশেষ গোপনীয়।

ফুলবিহাৰ। বৃন্দাবনত ৰাধাসহ ছগৰাকী গোপীয়ে কৃষ্ণ-প্ৰেমত আপ্লুত হৈ কৃষ্ণক বিচাৰি ফুৰোঁতে যি ভক্তিৰস নিগৰি ওলাইছিল আৰু পিছত বিচাৰি পাই যে ফুল পিন্ধাইছিল সেয়ে ফুলবিহাৰ।

চান্দে সুৰুযে মোলান পৰি গৈছে
হৃদিত পৰিছে গান্ধ।
ৰসৰ ভাও লৈ ৰাধাৰ ছয় গোপী
পূৰ্ণক ধৰা যোগান ॥
পূৰ্ণ ৰহিছে পূৰ্ণ খেলতে
পূৰ্ণ পূৰ্ণলৈ চাই
আমি দাসীসবে আনো অমৃতক
পূৰ্ণ বদনে খাই।
আজি ভিতৰ বাহিৰ পদ্মফুল ফুলিছে
ভকতে আছিলে বেৰি
হিমে হিমে কৰি অমৃত বৰষিছে
ৰাম কোন সত্তে এৰি।

* * *

কি ফুল সেউতী কি ফুল মালতী
কি ফুল আছে বৰণ।

একেটি ডালতে ফুলে চাৰিপাহি
চাৰিও চাৰি বৰণ।

গোপীবিহাৰ। ফুলবিহাৰৰে অনুৰূপ অনুষ্ঠান। সিমান গোপনীয় নহয়। বৃন্দাবনৰ গোপীয়ে পতি-পুত্ৰ এৰি কায়-বাক্য-মনে কৃষ্ণক ভক্তি কৰাৰ দৰে ভক্তি কৰাৰ আদৰ্শৰ ওপৰতে গোপী-বিহাৰ ৰচিত।

পূৰ্ণ ঈশ্বৰে ভকতি কৰিলে
ভকতি কৰিলে ৰাধা
ষোলশ গোপীয়ে ভকতি কৰিলে
ইসৰে নেপালে কথা।

* * *

সেৱা আনন্দিয়া সেৱা বিনন্দীয়া
সেৱা পৰিপূৰ্ণ কাচ,
আমি পৰিপূৰ্ণ স্বামী সেৱা কৰো
নিৰ্ম্মল সঙ্গৰে মাজ।

হে পূৰ্ণ স্বামী ইটো দেৱসাজ
পূৰ্ব্বতে আছিলে নামি,
আপোনাৰ সেৱা আপুনি সেৱাহা
আপুনি গুৰু স্বামী॥

চাকিয়া বাকিয়া জ্ঞান কৰিয়া
যোগাইছো স্বামীৰ সঙ্গে,
দোষ চাই এৰিবা গুণ চাই লৈবা
সাজকো লৈবস্ত ৰঙ্গে॥

এই সম্প্ৰদায়ৰ কামসমূহৰ ক্ৰম আছে। ঘাইজনক পূৰ্ণ, লগৰ ভকতসকলক সঙ্গ, পূৰ্ণসহ ভকত-মণ্ডলীক সঙ্গ বা থুলে বোলে। পূৰ্ণই আসন গ্ৰহণ কৰিবৰ সময়ত আহৰণ, পক্ষালন, গুৰা

নিমন্ত্রণ, আসন শুদ্ধি অনুষ্ঠান কৰা হয়। প্রত্যেকতে গীত বা বিচাৰ আছে। বহুনি নামেৰে সঙ্গত পূৰ্ণ হহে। পূৰ্ণক সোধে—

কোন নাম ধৰি গোপীৰ সেৱা লোৱা
কোন নাম ধৰি খোৱা।
কোন নাম ধৰি গোপীক খুৱাইছা
ইহাৰ পৰিচয় দিয়া ॥
কৃষ্ণ নাম ধৰি গোপীৰ সেৱা লওঁ
ভকত নাম ধৰি খাওঁ।
গুৰু নাম ধৰি গোপীকে খুৱাইছোঁ
গোপীকে মাতৃ আই পাওঁ ॥

পূৰ্ণৰ আগত চাকি বন্তি লগায়। চাকিৰো বিচাৰ আছে।

সঙ্গতে কোনজন সচঙ্গত কোনজন
প্রদীপত কোনজন থাকে।
এইনো তিনি জনে ক'তেবা মিলাইছে
কোনে কৰি গৈছে সেৱ ॥
সঙ্গতে শঙ্কৰ ভোজনত মাধৱ
প্রদীপত গোপালদেৱ থাকে,
এইনো তিনিজনে সঙ্গতে মিলাইছে
সদায়ে কৰিছো সেৱ ॥

তাৰ পিচত তামোল-পাণ দি কৰণি পাতে। সত্য, শৌচ, ক্ষমা, দয়া এই চাৰি গুণ অনুসৰি কৰণিৰ চাৰিটা খুৰা। কৰণি পতাৰো নাম আছে।

ভকতো আহিছে সাজে আগবাঢ়িছে
দোকানী আহিছে চলি।
কৰণি আসনে বোৰে কলাপাতে
পাতো কৃতাঞ্জলি কৰি ॥

কৰাণ পাতিয়ে　　　কৰো নমস্কাৰ
কৰো সাধু-গুৰুক সেৱা।
শ্ৰীৰামদেৱে　　　যোগেশ্বৰৰ ধৰম
কিঞ্চিত নথৈবা বেৰা ॥

তাৰ পিছত সাজ বা সাজৰ থাল। ইনো কি?

কোন হৈ আছিছে　　　বাছনি বাটিটি
কোন হৈ আছিছে থাল।
কোন হৈ আছিছা　　　থালৰে দোকানী
আমাক শিকাই গলে ভাল ॥
ব্ৰহ্মা হৈ আছিছোঁ　　　বাছনিৰ বাটিটি
বিষ্ণু হৈ আছিছো থাল
আমি যে আছিছোঁ　　　থালৰে দোকানী
ধৰো বন্ধু-গুৰুক আল ॥

নিজ বিহাৰত শঙ্কৰক ৰসৰ যোগান ধৰা নামো বেলেগ ঃ—

ৰহনী গহনী　　　পাঞ্চকৈ গোপিনী
ৰসৰে পাতিছোঁ খেলা।
পঞ্চকৈ গোপিনী　　　ৰসকে আনিছোঁ
তুমি শঙ্কৰ হৈ লোৱা ॥
তুমি শঙ্কৰৰূপী　　　আমি মনিচৰূপী
মনিচৰ শৰীলৰ দেহা।
কিবা বঢ়া-টুটা　　　দোষ ক্ষমা কৰা
চৰণে আৱৰি ধৰা ॥

সঙ্গমূলক এওঁবিলাকে বৈকুণ্ঠৱৎ জ্ঞান কৰে গতিকে ইয়াত কুল-জাতিৰ বিচাৰ থাকিব নোৱাৰে।

ভৈল একজাত　　　নাহি কুলজাত
কেৱল পূৰ্ণ ঈশ্বৰ।

ব্ৰাহ্মণ-পুত্ৰয়ো 'সোণৰ লগুণ' ছিঙি এই পন্থত সোমোৱাৰ কথা গীতত আছে ;

তুমি যে নাজানা বামুণ তনয়
হুলা চাৰিবেদৰ ৰাজ
আজুৰি ছিঙিয়া সুৱৰ্ণৰ লগুণে
ধৰিলা কেৱলাৰ ভাগ ।।

কেৱলা গীতবোৰ দীঘলে-পুতলে একোটা বৰগীতৰ সমান। অন্নবিচাৰ, দেহবিচাৰ, আত্মবিচাৰ, আত্ম-পৰিচয়, জীৱবিচাৰ আদি বিভিন্ন বিভিন্ন বিষয়ৰ গীতবোৰত কেইবাজানো পুৰুষৰ ভণিতা পোৱা যায়। আমি পোৱা গীতবোৰত ঘাইকৈ শ্ৰীৰামদেৱ, শ্ৰীসুনন্দদেৱ, শুকদেৱ আৰু ৰমানন্দৰ নাম পাইছো। তদুপৰি বহুতো গীতত সাধাৰণ লোক-গীতৰ নিচিনাকৈ লিখকৰ নাম উল্লেখ কৰা নাই। ভবানীপুৰীয়া গোপাল আতাৰ আজ্ঞাপৰ ৰমানন্দ। ৰমানন্দৰ আজ্ঞাপৰ শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণৰ পুত্ৰ সুদৰ্শন বিজয়ানন্দ আৰু সুনন্দ। সুদৰ্শন বাৰেঘৰ সত্ৰৰ, বিজয়ানন্দ বুধবাৰী সত্ৰৰ আৰু সুনন্দ কাটনিপাৰ সত্ৰৰ প্ৰতিষ্ঠাপক। একালত চেঁচা, চলিহা (বাৰেঘৰ), বুধবাৰী, কাটনি এই চাৰিও সত্ৰ এই ভক্তিমাৰ্গৰ প্ৰধান পৃষ্ঠপোষক আছিল। শ্ৰীৰামদেৱে ১৫৮৭ শকত জন্মগ্ৰহণ কৰিছিল। ৰামদেৱ চেঁচা সত্ৰৰ আৰু ৰমানন্দ ম'ৰামৰা সত্ৰৰ গোঁসাই আছিল। সুনন্দদেৱৰ ভণিতা-সমূহত আছে

কৈছে সুনন্দদেৱে শুনা বন্ধুসৱে
দিয়া সচঙ্গতে ঠাই ।।

* * *

জীৱৰ আৱৰণ কৈছে সুনন্দদেৱে
তোমাতে আমাৰ সেৱা ।।

* * *

সুনন্দদেৱে মাত অচিন পীৰিতি
ভজৰ পূৰ্ণ ওহি কাম।
শ্ৰীসুনন্দদেৱৰ যোগেশ্বৰ ধৰ্ম্ম
কিঞ্চিতো নথলে আৰ ॥

সেইদৰে শ্ৰীৰামদেৱৰ ভণিতাত আছে—

ক'ৰপৰা আহিলা আভুৱা জীৱটি
নিত্যানন্দৰ আজ্ঞা পাই।
কৈছে শ্ৰীৰামদেৱে শুনা বন্ধুসৱে
জীৱক বাধি ভুঞ্জয় ॥

* * *

শ্ৰীৰামদেৱৰে হাড়ক টানি আনি
পূৰ্ণ জোখেৰে খোৱা ॥

* * *

কৈছে ৰমানন্দে ৰসৰ আনন্দে
যদুদেৱ শিৰৰে মণি ॥

* * *

কৈছে শুকদেৱে শুনা বন্ধুসৱে
এই গীত শৰৰে গায় ॥

অনুগত শিষ্যই নিজে ৰচনা কৰা গীত গুৰুৰ নামত ভণিতা পেলাব পাৰে আৰু সাধাৰণতে তেনে কৰা দেখা যায়। তদুপৰি মুখ বাগৰি কাণ বাগৰি আহোঁতে বহুত ঠাইত প্ৰক্ষিপ্ত হোৱা দেখা যায়। আগৰ কালসংহতি আৰু কেৱলাভাগৰ সত্ৰ আৰু ভকতে নতুনকৈ আন সংহতিলৈ যোৱা দেখা গৈছে আৰু তেওঁ-বিলাকেই সাধাৰণতে কেৱলা বুলি কলে আজিকালি খণ্ডতে টিঙিৰি তুলা হয় আৰু বহুতো সময়ত এই গীত আদি নষ্ট কৰি পেলোৱা বুলিও জনা গৈছে।

সংশ্লিষ্ট সত্ৰসমূহত এই ভক্তিমাৰ্গৰ মূল শাস্ত্ৰ আৰু বিহাৰ কেইখন এতিয়াও অপ্ৰকাশিত হৈ আছে। সমগ্ৰ অসমতে বিয়পি

পৰা নৱবৈষ্ণৱ আন্দোলনৰ লগতে লৌকিক আচাৰ আৰু ভাগৱতৰ স্বকীয়া দৃষ্টিভঙ্গিত গ্ৰহণ কৰা স্বকীয়া মতবাদ আদিৰ কথা জানিবলৈ এই গোপন শাস্ত্ৰসমূহ উদ্ধাৰ কৰিব লাগিব। এইটো সত্য যে এই শাস্ত্ৰসমূহৰ আৰু গীতবোৰৰ অৰ্থ ব্যাখ্যা কৰা থূলৰ ভকতৰ বাহিৰে আনৰ বাবে দুঃসাধ্য আৰু বহুতো ক্ষেত্ৰত অসাধ্য। তেওঁবিলাকৰ অনুষ্ঠানত ৰস স্বৰূপে মদ আদি ব্যবহাৰ কৰাটো ভাগৱতসম্মত বুলি কয়।

যদম্ৰাণভক্ষো বিহিতঃ সুৰায়া
স্তথা পশোৰালভনং ন হিংসা।
এবং ব্যৱায়ঃ প্ৰজয়া ন ৰত্যা
ইমং বিশুদ্ধং ন বিদুঃ স্বধৰ্ম্মম্ ॥

(ভাগৱত ১১।৫।১৩)

অৱশ্যে এওঁবিলাকৰ উপদেশ আদি সহজবোধ্য নহলেও বহল দৃষ্টিভঙ্গী এটা থকা দেখা যায়। স্থানীয় প্ৰভাৱ আৰু লোকাচাৰ সংমিশ্ৰিত ইও এক নৱবৈষ্ণৱ আন্দোলনৰে ফল। উজনি অসমত ব্ৰহ্মসংহতি আৰু পুৰুষ-সংহতিত শৰণ লোৱা শিষ্যয়ো গোপনে ভক্তিপন্থত কেৱলা ভাগত ভজন লোৱা দেখা যায়। আত্মসংযম, আত্মশুদ্ধি, প্ৰেম আৰু সৰ্ব্বজীৱক সমব্ৰহ্মজ্ঞান আদি তেওঁবিলাকৰ মূলমন্ত্ৰ। 'যজ্ঞাৰ্থে পশুবধ' তেওঁবিলাকে কৰে, কিন্তু সেই মুহূৰ্ত্তত মৃত্যু হলে জীৱই নিৰ্ব্বাণ পায় বুলি ভাবে। তেওঁ-বিলাকৰ ধ্যান-ধাৰণা হৈছে কৃষ্ণমূৰ্ত্তি পূৰ্ণ ঈশ্বৰৰ চৰণত নিজক মিলাই দি বৈকুণ্ঠ লাভ কৰা। কেৱলা ভক্তিয়েই সেই বৈকুণ্ঠত উপনীত কৰাব পাৰে বুলি তেওঁবিলাকৰ গভীৰ বিশ্বাস।

বাৰেও স্কন্ধে বিচাৰি কাহিলো
কেৱল ভকতি পাই।
কেৱল ভকতিত শৰণে পশিলে
সংসাৰ বন্ধন এৰাই ॥

লোক-সাহিত্যৰ সমস্যা

মন্ত্ৰ, সাঁথৰ, প্ৰবচন (ফকৰা-যোজনা-পটন্তৰ) সাধুকথা আৰু লোকগীত, লোক-সাহিত্যৰ অন্তৰ্গত। আধুনিক শিক্ষা আৰু চিকিৎসা-বিজ্ঞানৰ বিকাশ আৰু জনপ্ৰিয়তাৰ লগে লগে পুৰণি চিকিৎসা-পদ্ধতি লাহে লাহে অচল হৈ আহিছে। বনৌষধি আৰু মন্ত্ৰৰ ব্যৱহাৰ একালত প্ৰবল আছিল যদিও লাহে লাহে পাহৰিবলৈ আৰম্ভ কৰিছে। 'বিলাহী বেজিনী', 'বৰ-কৰতি, 'সৰু কৰতি', 'গু-কৰতি', 'বাৰ-ভনী', 'বিষালি' আদি মন্ত্ৰ পুথিবোৰ আজি-কালি লুপ্ত হৈ আহিছে। আমেৰিকা আৰু ইংলণ্ডত ভাৰতৰ তথা অসমৰ মন্ত্ৰ-সাধন-প্ৰক্ৰিয়া সম্বন্ধে গৱেষণা হোৱাৰ কথা জনা যায় কিন্তু আমাৰ ইয়াত মন্ত্ৰ-সাধন-প্ৰক্ৰিয়া আৰু মন্ত্ৰৰ ব্যৱহাৰ ক্ৰমে নাইকিয়া হৈ আহিছে।

লোক-সাহিত্যৰ আন এটি শাখা হ'ল সাঁথৰ। সাঁথৰবোৰ আদিম মানুহৰ বুদ্ধি-বৃত্তি চৰ্চাৰ এটি সাহিত্যিক মাধ্যম। এই সাঁথৰবোৰৰ মাজেদি এটা জাতিৰ সামাজিক আৰু বৌদ্ধিক জীৱনৰ পৰিচয় পোৱা যায়। নতুন নতুন দুই-চাৰিটা সাঁথৰ সৃষ্টি হৈছে যদিও প্ৰাচীন পৰম্পৰামূলক সাঁথৰবোৰ পাহৰণিৰ বুকুত লীন গৈছে। শিশুৰ মাজতো বুদ্ধি-বৃত্তি চৰ্চাৰ পদ্ধতি সলনি হৈছে। ফলত সাঁথৰৰ চৰ্চা পাতলি আহিছে।

একালত ডাকৰ বচনক বেদৰ বাণী হিচাপে গণ্য কৰা হৈছিল। সেইদৰে প্ৰবচনবিলাকো কথা-চলাহী মানুহে কুঁহুৰ মুৰত কিলটো দি ব্যৱহাৰ কৰিছিল কিন্তু আজিকালি ফকৰা যোজনা, পটন্তৰৰ ব্যৱহাৰ নাইকিয়া হৈ আহিছে। ভকতীয়া ফকৰাবিলাক গুৰুমুখে বা জ্ঞানী মানুহৰ মুখে পিছৰ চাম মানুহে শিকি লৈ পুনৰ ব্যৱহাৰ কৰে। আজিকালি সেই পৰম্পৰাও মৰাহি

আহিছে। প্ৰবচনৰ দৰেই খণ্ড-বাক্যৰ ব্যৱহাৰো নোহোৱা হৈছে।

শেহতীয়াকৈ আহিল সাধুকথা। একালত বুঢ়া-বুঢ়ী, ককাক-আইতাকে জাৰকালি জুহালৰ কাষত, জহকালি চোতালত বহি সাধুকথা কোৱাটো অতি জনপ্ৰিয় অভ্যাস আছিল; কিন্তু আমাৰ জনজীৱনত এনে কিছুমান পৰিৱৰ্তন ঘটিছে যে, আমি জন-সংস্কৃতি তথা লোক-সংস্কৃতিৰ পৰা আঁতৰি আহিছোঁ। শিক্ষাৰ প্ৰসাৰ সাধনৰ লগে লগে শিশুৰ মনো আগবাঢ়ি গৈছে। সাধুকথাৰ বান্দৰ, শিয়াল, কাউৰী, বাঘ আদি চৰিত্ৰৰ কথা-কাণ্ডই আজিৰ বুদ্ধি-বৃত্তিৰ বিকাশ ঘটিবলৈ আৰম্ভ কৰা শিশুৰ মন আচ্ছন্ন কৰি ৰাখিব নোৱাৰে। ফলত সাধুকথাৰ চৰ্চা নাইকিয়া হৈ আহিছে অথচ 'কমিক' জাতীয় সাহিত্যৰ জনপ্ৰিয়তা বৃদ্ধি পাইছে।

সবাতোকৈ অধিক আঘাত হানিছে লোকগীতৰ ইতিহাসত। একালত সকলো অনুষ্ঠানৰ লগতে লোকগীত জড়িত আছিল। বিয়ানাম, বিহুনাম আদি উৎসৱমূলক অনুষ্ঠানৰ উপৰিও কেতবোৰ লোকবিশ্বাসমূলক গীত আছিল। লখিমী-সবাহ, অপেচৰা সবাহ, আইনাম, মহোহো-গীত আদিৰ প্ৰচলন আৰু জনপ্ৰিয়তা পাতলি আহিছে। সেইদৰে লৰা-ধেমালিৰ গীত আৰু নিচুকনি গীতো পাহৰণিৰ বুকুত লীন গৈছে। সৰল, চহা, গ্ৰাম্য কৃষিজীৱী সমাজৰ এগৰাকী মাতৃৰ আশা-আকাংক্ষা সলনি হৈছে, পৰিবেশৰো পৰিৱৰ্তন ঘটিছে। ফলত মাকে নিচুকনি গীত গাই শিশুক নিচুকাবলৈ যত্ন নকৰা হৈছে। গতিকে পুৰণি পুথি-পাঁজিত কিছুমান গীত পাবলৈ সম্ভৱ হ'লেও তাৰ সুৰ হেৰাই গৈছে। গৰখীয়া ল'ৰাই গৰখীয়া-তলীত গীত গাই গাই ধেমালি কৰিছিল আৰু অবসৰ সময়খিনি কটাইছিল। আজি সেই শ্ৰেণীৰ গৰখীয়াও নাই, গৰখীয়া-গীতৰ চলন্তিও নাই। ধান-কল

ওলোৱাৰ লগে লগে ঢেঁকীৰ প্ৰচলন কমি আহিছে। মাটিৰ পৰিমাণ কমি যোৱাৰ লগে লগে মুগা-চোমনিৰ সংখ্যা কমি আহিছে। ঢেঁকী দি ধান বানোতে বা মুগা-চোমনিত মুগা ৰখোঁতে গোৱা গীত আজিকালি শুনিবলৈ পোৱা নাযায়। আনপিনে কথাছবি, দূৰদৰ্শন আদি যন্ত্ৰৰ প্ৰচলন হোৱাৰ লগে লগে লোক-সংগীত, লোক-নৃত্য আৰু অন্য লোক-অনুষ্ঠানৰ প্ৰতি মানুহৰ মন আঁতৰি গৈছে। পূৰ্বতে এজনে আন এজনৰ পৰা শুনি লোকগীত মনত ৰাখিছিল। আজিকালি টেপ-ৰেকৰ্ডাৰ, ভি, চি, আৰ আদিৰ যোগেদি সেইবোৰ ধৰি ৰখাৰ চেষ্টা কৰা হৈছে। তদুপৰি গীত-মাতবিলাক কেচেট কৰি বজাৰত বিক্ৰী কৰিবলৈ ধৰাত লোকগীতৰ মৌলিকতা, সৌন্দৰ্য আৰু শ্ৰুতি-মাধুৰ্য ব্যাহত হৈছে। আজিকালি বিহুৰ বতৰত কিছুমান বিহুনামৰ চানেকীৰ গীত কেছেটত শুনিবলৈ পোৱা যায়। এইবোৰ যথাৰ্থতে বিহুনাম নহয়, সুৰ, তাল মানতো স্বাভাৱিকতা নাই। কথাছবি, দূৰদৰ্শন আৰু আকাশবাণী এই তিনিওটা যান্ত্ৰিক প্ৰক্ৰিয়াই লোক-সংস্কৃতিৰ স্বাভাৱিকতা ব্যাহত কৰিছে। আগৰ দিনত খেতি-খোলা নোহোৱাৰ দিনত গাঁৱৰ ডেকা-ডুমা গোট খাই ভাওনাৰ আখৰা কৰিছিল। সেয়া আছিল অৱসৰ-বিনোদনৰ উপায়। আজিৰ ব্যস্ততাপূৰ্ণ জীৱনত ইমানখিনি সময় নোলায়, অৱসৰৰ সুৰুঙা নাই। গতিকে গীত-মাত-নাট চৰ্চাৰ আগ্ৰহো নাই, অৱসৰো নাই। আধুনিক জীৱনৰ পৰিৱৰ্তনৰ লগে লগে লোক-সংস্কৃতিমূলক অনুষ্ঠানবোৰ জনজীৱনৰ পৰা আঁতৰি গৈ আছে।

ভাৰতবৰ্ষই স্বাধীনতা পোৱাৰ লগে লগে আমাৰ জীৱনলৈ যেনেকৈ ৰাজনৈতিক পৰিৱৰ্তন আহিল, সেইদৰেই সামাজিক-সাংস্কৃতিক জীৱনতো পৰিৱৰ্তন ঘটিবলৈ ধৰিলে। আধুনিক শিক্ষাৰ প্ৰসাৰ সাধন হ'ল, শিক্ষা-বিস্তাৰৰ লগে লগে উঠি অহা-

চামৰ মনবো পৰিৱৰ্তন হ'বলৈ ধৰিবলে। পঞ্চম দশকৰ পৰা এই পৰিৱৰ্তনৰ গতি খৰতৰ হ'বলৈ ধৰিলে। সমগ্ৰ সাংস্কৃতিক ইতিহাসকে আধুনিকতাই স্পৰ্শ কৰি গ'ল। পৰিৱৰ্তন ঘটিছে। লোকগীতত যদি লোকজীৱনৰ প্ৰতিফলন ঘটে, তেনেহ'লে সাম্প্ৰতিক লোকজীৱনৰ প্ৰতিফলন ঘটা দেখিবলৈ পোৱা নাযায়।

আগতে প্ৰকাশিত দুই-চাৰিখন পুথি আৰু ভিতৰুৱা অঞ্চলত অৱস্থিত দুই-চাৰিখন গাঁৱত জীয়াই থকা কম সংখ্যক বুঢ়া-বুঢ়ী মানুহৰ মুখৰ পৰা গীত-মাত, প্ৰবচন আদি ইতিমধ্যে সংগ্ৰহ কৰি সংৰক্ষণ কৰিব লাগিব। বিজ্ঞানসম্মতভাৱে এইবিলাক সংগ্ৰহ আৰু সংৰক্ষণ যদি কৰা নহয়, তেনেহ'লে লোকগীতবোৰ চিৰ-দিনৰ বাবে নিশ্চিহ্ন হৈ যাব। দেশৰ গ্ৰাম্য অঞ্চলত বিস্তৃতভাৱে ভ্ৰমণ কৰি এই কষ্টসাধ্য কামটো কোনোবা গৱেষক বা সংগ্ৰাহকে সমাপ্ত কৰিব লাগিব। মালিতাসমূহ ইতিমধ্যে পাহৰণিৰ বুকুত বিলীন হৈ গৈছে। কেইটামান মালিতা মাথোন সংগৃহীত ৰূপত পোৱা যায়।

নাগৰিকী পৰিবেশ, উদ্যোগীকৰণ, আধুনিক শিক্ষাৰ প্ৰসাৰ আৰু যান্ত্ৰিক সভ্যতাৰ বিকাশ লোক-সংস্কৃতিৰ জীৱনীশক্তিৰ অন্তৰায় হৈ পৰিছে যদিও তাৰ মাজতেই ইয়াৰ সংগ্ৰহ আৰু সংৰক্ষণৰ দিহা কৰিব লাগিব।

গ্ৰন্থপঞ্জী

অসম সাহিত্য সভা,	অসমীয়া লোকগীতি সংগ্ৰহ
” ” ”	অসমৰ জনজাতীয় সাধু
এজেন্সী কোম্পানী,	ফুলকোঁৱৰ
” ”	বিয়ানাম
” ”	ডাকচৰিত
” ”	নামতি বাই
” ”	আসনপতা আইৰ নাম
” ”	বৃহৎ নিদান সাৰ সংগ্ৰহ
” ”	চাপনি মন্ত্ৰ
” ”	হামোদৈ পুথি
” ”	বড় বেজালী
” ”	বৰ কৰতি পুথি
কলিতা ফণীন্দ্ৰনাথ,	বাৰমাহী আৰু বিলাপ গীত
গগৈ লীলা,	অসমীয়া লোকগীতি
” ”	বিহুগীত আৰু বনঘোষা
” ”	মণিৰাম দেৱানৰ গীত
” ”	জোনবাই এ এটি তৰা দিয়া
গগৈ বিনন্দৰাম,	শিপিনী কীৰ্ত্তন
” ”	হাঁচতি কীৰ্ত্তন
গোস্বামী প্ৰফুল্লদত্ত,	অসমীয়া জনসাহিত্য
” ”	বাৰ মাহৰ তেৰ গীত
গোস্বামী হেমপ্ৰভা,	বিয়ানাম
ঠাকুৰদাস নাৰায়ণ আতা,	ফকৰাৰ পুথি
দত্ত মালভোগ,	বৈদ্য ধনন্তৰী নিদান
দত্ত দণ্ডীৰাম,	ডাকৰ বচন

দত্তবৰুৱা হৰিনাৰায়ণ,	দেহবিচাৰৰ গীত
দাস শ্ৰীৰামচন্দ্ৰ,	ফকৰা-যোজনা
দাস গোপালচন্দ্ৰ,	অসমীয়া পটন্তৰমালা
দুৱৰা দিবাকৰ,	ধুপৰী চৰিত
,, ,,	নামতী আই
দেৱী চন্দ্ৰময়ী,	বিয়ানাম
দেৱী ত্ৰৈলোক্যশ্বৰী	সন্ধিয়াৰ সাধু
ধলৰ সত্ৰ পুথিভঁৰাল,	আছল ৰবকৰাত
,, ,, ,,	ঢোল, মৃদঙ্গ, খোল আৰু তালৰ মালিতা
নেওগ ডিম্বেশ্বৰ	ভোগজৰা
,, ,,	নিচুকনি
,, ,,	বহৰহী-পানীমিঠৈ
,, ,,	আকুলপথিক-ফাগুনী-বহাগী
,, ,,	অসমীয়া সাহিত্যৰ অধ্যয়ন
,, ,,	অসমীয়া সাহিত্যৰ বুৰঞ্জী
নেওগ মহেশ্বৰ,	চটাই পৰ্ব্বত আৰু ছিৰী লুইত
,, ,,	অসমীয়া গীতি-সাহিত্য
,, ,,	অসমীয়া সাহিত্যৰ ৰূপৰেখা
ফুকন গন্ধেশ্বৰ,	টাই সংস্কৃতি বিহু
বৰকটকী অন্নদা দেৱী,	বিয়ানাম
,, ,,	আসনপতা আইৰ নাম
বৰকটকী কোম্পানী,	ডাকচৰিত
বুঢ়াভকত কান্তিৰাম,	ফকৰা
বৰা ভদ্ৰসেন,	মণিকোঁৱৰ
,, ,,	ফুলকোঁৱৰ
,, ,,	ডাকবচন
,, ,,	কাচন কুঁৱৰী
,, ,,	তাঁতীৰ জুনা
বৰুৱা কৃষ্ণপদ,	বহুৱা কীৰ্ত্তন

বৰুৱা কৃষ্ণপদ,	হুচৰিৰ কীৰ্ত্তন
বৰুৱা দুৰ্গানাথ,	নামতি
বৰুৱা প্ৰসন্নচন্দ্ৰ,	পটন্তৰ মালা
বৰুৱা ফণীন্দ্ৰনাথ,	প্ৰাচীন অসমীয়া গীত সঙ্কলন
বৰুৱা বিৰিঞ্চিকুমাৰ,	অসমৰ লোক-সংস্কৃতি
” ”	অসমীয়া ভাষা আৰু সংস্কৃতি
বৰুৱা মুক্তানাথ,	বিয়ানাম
বৰুৱা হেম,	এই গাঁও এই গীত
বেজবৰুৱা লক্ষ্মীনাথ,	বুঢ়ীআইৰ সাধু
” ”	ককাদেউতা আৰু নাতি লৰা
” ”	জুনুকা
বেজ লাইনাথ,	নৰসিংহ মন্ত্ৰ
ভূঞা নকুলচন্দ্ৰ,	বহাগী
ভট্টাচাৰ্য্য এজেন্সী	ডাকচৰিত
” ”	বাৰভনী বিষালী
” ”	ভেকুলী বিয়া
” ”	বৰকৰতি পুথি
” ”	বৃহৎ বৈদ্যনিদান
ৰাজখোৱা বেণুধৰ,	অসমীয়া খণ্ডবাক্য কোষ
” ”	মহাসতী জয়মতী
ললিত এজেন্সী,	মণিকোঁৱৰৰ মালিতা
” ”	বহুৱা চৰিত্ৰ
” ”	গৰখীয়া কীৰ্ত্তন
” ”	বনঘোষা
” ”	আইনাম
” ”	উচাটন মহামন্ত্ৰ
” ”	নৰসিংহ মন্ত্ৰ
” ”	মুখভঙ্গা মন্ত্ৰ
” ”	বিলাহী বৌজনী

ললিত এজেন্সী,	অগ্নিবাণ মন্ত্ৰ
লেখাৰু উপেন্দ্ৰচন্দ্ৰ,	কথাগুৰু চৰিত
শৰ্মা সত্যেন্দ্ৰনাথ,	অসমীয়া সাহিত্যৰ ইতিবৃত্ত
শৰ্মা গোণাপতি দেৱ,	শিয়াল পণ্ডিত
সভাপণ্ডিত ভদ্ৰেশ্বৰ	পাৰমাৰ্থিক ফকৰা
হাজৰিকা হৰিৰাম,	বিয়াৰ নাম
হুছেইন মুহিবুল,	হজৰত আজানপীৰ
Goswami Prafulladatta,	Ballads and Tales of Assam.
" "	Bihu Songs of Assam.
" "	Assamese Folk Literature.
Elwin V.,	Myths of the North-Eastern Frontier of India.